
# কিস্তি নুহ

লেখক

হজৰত মির্জা গোলাম আহমদ কাদিয়ানী

মছীহ ও মাহদী মাওউদ (আঃ)



# কিস্তি নুহ
# (নুহৰ নৌকা)

অনুবাদক
শ্বাহজাহান আলি মুৱাল্লিম ছিলছিলা

নাম কিতাপ : কিস্তি নুহ (নুহৰ নৌকা)
মূল কিতাপ : কিস্ততি নুহ
লিখক : হজৰত মির্জা গোলাম আহমদ কাদিয়ানী
অনুবাদক : শ্বাহজাহান আলী মুৱাল্লিম ছিলছিলা
প্ৰকাশক : নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান
প্ৰথম প্ৰকাশ : ২০২৪, কপি ৩০০
মূদ্ৰণ : ফজলে উমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান
জিলা গুৰদাছপুৰ ১৪৩৫১৬ (পঞ্জাৱ)

Name Book : Kishti Nuh (Nuhr Nauka)
Original Book : Kishti Nuh
Author : Hazrat Mirza Ghulam Ahmad Qadiani
Translated by : Shajahan Ali Muallim Silsila
Published by : Nazarat Nashr-O-Ishaat Qadian
First Published : 2024, Copies 300
Printed at : Fazle Umar Printing Press Qadian
Dist: Gurdaspur,143516 (Punjab)

# প্ৰকাশকৰ কথা

হজৰত মছীহ মাউওদ (আঃ)ৰ লিখিত **কিস্তি নুহ** পুস্তকখন উৰ্দুৰ পৰা অসমীয়ালৈ অনুবাদ কৰিছে মাননীয় শ্বাহজাহান আলি চাহাব মুৰাল্লিম ছিলছিলা। পুস্তকখনৰ ৰিভিউ কৰিছে মাননীয় আব্দুৰ ৰহিম মাষ্টাৰ চাহাব (জিলাই আমীৰ বৰপেটা), মাননীয় নাজিম উদ্দিন মোল্লা চাহাব মুবাল্লিগ ছিলছিলা, মাননীয় আমান আলি চাহাব মুবাল্লিগ ছিলছিলা, মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্ক)। ইয়াৰ ওপৰিও যিসকলে পুস্তকখন প্ৰকাশ কৰাত সহায় সহযোগীতা আগবঢ়াইছে আল্লাহ তা'লা তেখেত সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক।

**হাফিজ মখদুম শ্বৰিফ**

**নাজিৰ নশ্বৰ ও ইশ্বায়ত কাদিয়ান**

# ভূমিকা

হজৰত মছীহ্ মাওউদ (আঃ)য়ে নিজৰ লিখিত কিস্তি নুহ্ পুস্তকখনত জামাতৰ সদস্য সকলক এই যুগৰ ভয়ঙ্কৰ পথভ্ৰষ্টতাৰ ধুমুহাৰ পৰা সুৰক্ষিত থকাৰ প্ৰতি মনোযোগ আকষৰ্ণ কৰা হৈছে, তেখেতে নিজৰ শিক্ষা আৰু উপদেশাৱলীৰ সাৰাংশ একত্ৰিত কৰি আমাৰ সকলোকে পুণ্য বাটত পৰিচালিত হোৱাৰ উপদেশ দিছে যি প্ৰাথমিক মুক্তি আৰু খোদাৰ সন্তুষ্টি অৰ্জন কৰাৰ মাধ্যম হয়।

প্লেগৰ নিদৰ্শন যি আল্লাহ্ তা'লাৰ ফালৰ পৰা আহমদীয়া মুছলিম জামাতৰ প্ৰতিষ্ঠাতাৰ সততাৰ নিদৰ্শন হিচাপে প্ৰকাশ পাইছিল আৰু তাৰ ধ্বংসলীলাৰ পৰা সুৰক্ষিত থকাৰ বাবে হুজুৰ (আঃ)য়ে নিজৰ জামাতক উপদেশ দিছে, এই উপদেশ সমূহ পালন কৰি সেই ধ্বংস আৰু বিপদৰ পৰা ৰক্ষা পাব পাৰে; এয়া এনেকুৱা শিক্ষা যি প্ৰত্যেক যুগতে আমাৰ বাবে পথ-প্ৰদৰ্শক আৰু এই উপদেশ সমূহ পালন কৰি মুক্তি লাভ কৰিব পাৰিব।

হজৰত মিৰ্জা বশ্বিৰ আহমদ চাহাব (ৰাঃ)য়ে কিস্তি নুহ পুস্তকত উল্লেখিত শিক্ষাসমূহ আৰু উপদেশসমূহ আমাৰ শিক্ষাৰ বিষয় হিচাপে প্ৰকাশ কৰোৱাইছিল আৰু এতিয়ালৈকে এইখন কিতাপ বিভিন্ন ভাষাত প্ৰকাশ কৰা হৈছে।

জামাতৰ সদস্যই নিজে আৰু নিজৰ বংশধৰৰ শিক্ষা আৰু প্ৰশিক্ষণ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত এই পুস্তকখন নিশ্চয় পঢ়িব আৰু সেইবোৰ কাৰ্যকৰী কৰাৰ বাবে প্ৰয়াস কৰা উচিত।



**হজৰত মির্জা গোলাম আহমদ কাদিয়ানী (আঃ)**
**(১৮৩৫-১৯০৮)**

# লিখক পৰিচিত

হজৰত মির্জা গোলাম আহমদ কাদিয়ানী মছীহ্ ও মাহদী মাওউদ (আঃ) ১৮৩৫ চনত ভাৰতবৰ্ষৰ এখন গাওঁ কাদিয়ানত জন্ম গ্ৰহণ কৰে। সৰু কালৰে পৰা তেখেত (আঃ)য়ে উপাসনাত মগ্ন থাকিছে। কোৰাণ মজিদ আৰু অন্যান্য কিতাপসমূহ অধ্যয়ন কৰাত মগ্ন থাকিছে। ইছলাম সেই সময়ত চাৰিওফালৰ পৰা আক্ৰমণাত্মাক অৱস্থাত আছিল। ইছলামৰ সেই পৰিস্থিতি চাই তেখেত (আঃ)য়ে বৰ দুঃখ প্ৰকাশ কৰিছিল। ইছলামৰ ওপৰত কৰা আক্ৰমণ দূৰ কৰিবলৈ আৰু ইছলামৰ শিক্ষা পৃথিৱীৰ বুকুত বিস্তাৰ কৰিবলৈ তেখেত (আঃ) য়ে ৯০ খনৰো অধিক পুস্তক ৰচনা কৰিছে, আৰু সহস্ৰ চিঠি-পত্ৰিকা লিখিছে,আৰু বহু ধৰ্মীয় যুক্তিসঙ্গত তৰ্ক-বিতৰ্ক কৰিছে। তেখেত (আঃ)য়ে কৈছে যে ইছলাম সেই জীৱিত ধৰ্ম যি মানৱ-জাতিৰ নিজৰ সত্তা স্ৰষ্টাৰ সৈতে সম্পৰ্ক গঢ়ি তুলিব পাৰে,যাৰ অনুসৰণ কৰি মানৱ চৰিত্ৰ আৰু আধ্যাত্মিক মৰ্যাদা উন্নীত কৰিব পাৰে। কম বয়সতে তেখেত (আঃ)য়ে দিব্য দৰ্শন কথোপকথনৰ মৰ্যাদা লাভ কৰিছে। ১৮৮৯ চনত তেখেত (আঃ)য়ে বয়াতৰ ছিলছিলা আৰম্ভ কৰে আৰু এক পৱিত্ৰ জমাতৰ ভেঁটি স্থাপন কৰে। শৃঙ্খলাবদ্ধতা কথোপকথনত প্ৰত্যেক দিন উন্নতি লাভ কৰিছে,আৰু তেখেত (আঃ)য়ে আল্লাহৰ আদেশানুযায়ী ঘোষণা কৰে যে তেখেত শেষ যুগৰ মুচলেহ (সংস্কাৰক) যাৰ ভৱিষ্যতবাণী বিভিন্ন ধৰ্ম গ্ৰন্থত বিভিন্ন নামেৰে নামাকৰণ আছিল। তেখেত (আঃ)য়ে এয়াও দাবী কৰিছে যে তেখেত সেই মছীহ্ ও মাহদী যাৰ আবিৰ্ভাৱৰ ভৱিষ্যতবাণী আঁহজৰত (ছাঃ)য়ে কৰি গৈছিল। আহমদীয়া মুছলিম জামাত বৰ্তমান ২০০ ৰো অধিক দেশত বিস্তাৰ লাভ কৰিছে।

১৯০৮ চনত তেখেত (আঃ)ৰ মৃত্যুৰ পিছত কোৰাণ মজিদ আৰু আঁহজৰত (ছাঃ)ৰ ভৱিষ্যতবাণী অনুযায়ী তেখেত (আঃ)ৰ মিচন পৰিপূৰ্ণ হোৱাৰ বাবে খলিফাৰ ব্যৱস্থাপনা প্ৰতিষ্ঠিত হয়। বৰ্তমান বিশ্বৰ ইমাম হজৰত মির্জা মছৰুৰ আহমদ চাহাব আহমদীয়া মুছলিম জামাতৰ পঞ্চম খলিফা হয়।

بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

## প্লেগৰ ছিটা

لَنۡ یُّصِیۡبَنَاۤ اِلَّا مَا کَتَبَ اللّٰہُ لَنَا ۚ ہُوَ مَوۡلٰىنَا وَعَلَى اللّٰہِ فَلۡیَتَوَکَّلِ الۡمُؤۡمِنُوۡنَ ﴿۵۱﴾

(9:51)

অৰ্থাৎ আমাৰ নিমিত্তে আল্লাহ তায়লা যি লিপিবদ্ধ কৰি থৈছে তাৰ বাহিৰে বেলেগ কোনো বিপদ আমাৰ ওপৰত কেতিয়াও নপৰে। তেওঁৱেই আমাৰ ৰক্ষক,আৰু অভিভাৱক, মোমিনসকলে তেওঁৰেই ওপৰত ভৰসা ৰখা উচিত। (চুৰা তৌবা আয়াত ৫১)

আমি কৃতজ্ঞতা স্বীকাৰ কৰা উচিত যে মাননীয় ইংৰাজ চৰকাৰে নিজৰ প্ৰজা সকলৰ প্ৰতি কৃপালু হৈ আকৌ এওঁলোকক প্লেগৰ পৰা ৰক্ষা কৰিবলৈ ছিটা (প্লেগৰ ছিটা) প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে। লগতে খোদা তায়লাৰ সৃষ্টি এই মানৱৰ কল্যাণাৰ্থে কেইবা লাখ টকা ব্যয়ৰ বোজা নিজৰ মূৰত বহন কৰিবলৈ লৈছে। দৰাচলতে এয়া এনেকুৱা এটা কাম যাৰ নিমিত্তে প্ৰজ্ঞাবান প্ৰজাসকলে চৰকাৰক কৃতজ্ঞতাৰে সৈতে স্বাগতম জনোৱাটো একান্ত কৰ্তব্য। নিতান্ত নিৰ্বোধ আৰু নিজৰ প্ৰাণৰ শত্ৰু হ'ল সেইজন ব্যক্তি যিজনে এই ছিটাৰ প্ৰতি সন্দেহ পোষণ কৰে, কাৰণ বাৰে বাৰে এয়া অভিজ্ঞতাৰে প্ৰত্যক্ষ কৰা হৈছে যে এই সতৰ্ক আৰু সাৱধানতা চৰকাৰে কোনো মাৰাত্মক চিকিৎসা প্ৰচলন কৰিব বিচৰা নাই; বৰং অনেক পৰীক্ষা-নিৰীক্ষাৰ পিছত যিটো প্ৰকৃততেই ফলপ্ৰসূ বুলি প্ৰমাণিত হয়; সেইটোৱে লোকলৈ আগবঢ়াই দিয়ে। চৰকাৰে প্ৰজাসকলৰ প্ৰকৃত কল্যাণাৰ্থে লাখ লাখ টকা ব্যয় কৰি আছে বা কৰিছে, আৰু ইয়াৰ প্ৰতিদান হিচাপে চৰকাৰৰ এই অৰ্থ ব্যয় আৰু চেষ্টাৰ অন্তৰালত কোনো

স্বাৰ্থ লুকাই থকা বুলি সন্দেহ কৰাটো মানৱ প্ৰজ্ঞাৰ পৰিপন্থী। দুৰ্ভগীয়া হ'ল সেই প্ৰজাসকল যিসকলে কু-অভিসন্ধিৰে ইমানদুৰ আগবাঢ়ি গৈছে। ইয়াত কোনো সন্দেহৰ অৱকাশ নাই যে এতিয়ালৈকে জাগতিক উপকৰণ সমূহৰ মাজত যিমানেই ভাল প্ৰতিযেধক এই মাননীয় চৰকাৰৰ হাতত পৰিছে, তাৰ মাজত এই প্ৰতিযেধক ছিটাই হৈছে সৰ্বোত্তম আৰু শ্ৰেষ্ঠ প্ৰতিকাৰ। সেয়ে এই (প্ৰতিযেধক) ছিটা গ্ৰহণ কৰিব পৰা যায়। এই প্ৰতিযেধক যে ফলপ্ৰসু সেয়া কোনো মতেই অস্বীকাৰ কৰিব নোৱাৰি। উক্ত ব্যৱস্থাৰ উপকৰণ সমূহ ব্যৱহাৰত সহযোগ কৰি সেয়া কাৰ্য্যকৰী কৰাটো সকলো প্ৰজাৰ বাবে ফৰজ আৰু এওঁলোকৰ প্ৰাণ নাশৰ যি চিন্তা তাৰে পৰা চৰকাৰক মুক্ত কৰাটো সকলো প্ৰজাৰ কৰ্তব্য। কিন্তু আমি এনে কৃপালু চৰকাৰৰ ওচৰত বিনয়েৰে নিবেদন কৰিব বিচাৰো যে আমাৰ নিমিত্তে যদি এটা ঐশ্বৰিক প্ৰতিবন্ধক নেথাকিলেহেঁতেন তেন্তে প্ৰজাবৰ্গৰ মাজত সৰ্ব প্ৰথম আমিয়েই এই প্ৰতিযেধক ছিটা গ্ৰহণ কৰিলোহেঁতেন। সেই ঐশ্বৰিক প্ৰতিবন্ধক হ'ল এয়া যে খোদা তা'লা এই যুগত মানৱৰ নিমিত্তে এটা ঐশ্বৰিক ৰহমতৰ নিদৰ্শন দেখুৱাবলৈ ইচ্ছা কৰিছে। গতিকে তেওঁৱেই মোক সম্বোধন কৰি কৈছে তুমি আৰু যিজন ব্যক্তিয়ে তোমাৰ ঘৰৰ চাৰি বেৰৰ ভিতৰত থাকিব আৰু তেওঁলোক যিসকলে পূৰ্ণ আনুগত্য আৰু অনুসৰণ আৰু তাকৱা (খোদা ভীতি)ৰ সৈতে তোমাৰ মাজত লীন হৈ যাব তেওঁলোক সকলোৱে প্লেগৰ পৰা ৰক্ষা পাব। এয়াই হ'ব এই শেষ যুগৰ নিমিত্তে খোদা তা'লাৰ ফালৰ পৰা নিদৰ্শন স্বৰূপ। ইয়াৰ দ্বাৰাই তেওঁ সম্প্ৰদায় বিলাকৰ মাজত পাৰ্থক্য কৰি দেখুৱাব। কিন্তু যিসকলে তোমাৰ পূৰ্ণ আনুগত্য নকৰিব সিহঁতে তোমাৰ মাজৰ বুলি গণ্য নহ'ব। তেওঁলোকৰ নিমিত্তে একো চিন্তিত নহ'বা, এয়াই আল্লাহৰ আদেশ। গতিকে মোৰ নিজৰ প্ৰাণৰ নিমিত্তে আৰু সেই সকলৰ নিমিত্তে যিসকলে মোৰ ঘৰৰ চাৰি বেৰৰ বেষ্টনীৰ মাজত বাস কৰি আছে, কোনেও ছিটা লোৱাৰ

একো প্ৰয়োজন নাই। কিয়নো যেনেকৈ মই অলপতে বৰ্ণনা কৰি আহিছো যে আকাশ আৰু পৃথিৱীৰ যিজন খোদা সেই খোদা তা'লাই এক দীৰ্ঘ সময় কাল আগতেই মোৰ ওপৰত ওহী অৱতীৰ্ণ কৰিছে, যাৰ জ্ঞানৰ পৰিধিৰ বাহিৰত একো বস্তুৱেই বৈ থকা নাই। তেওঁৱেই মোক (ওহীৰ মাধ্যমে) জনাইছে যে মই প্ৰত্যেকজন তেনেকুৱা ব্যক্তিক প্লেগৰ মৃত্যুৰ পৰা ৰক্ষা কৰিম যিসকলে এই ঘৰখনৰ চাৰি বেৰৰ ভিতৰত অৱস্থান কৰিব। চৰ্ত হ'ল এয়া যে তেওঁলোকে সকলো ধৰণৰ শত্ৰুতাৰ মনোভাৱ পৰিহাৰ কৰি পূৰ্ণ একাগ্ৰতাৰে আনুগত্য আৰু বিনম্ৰতাৰে ছিলছিলাৰ বয়াতৰ অন্তৰ্ভুক্ত হ'ব লাগিব; আৰু খোদা তা'লাৰ আদেশ লগতে তাৰ প্ৰেৰিত মহাপুৰুষৰ সন্মুখত সকলো প্ৰকাৰৰ আহমিকা, গৰ্ব, বিদ্ৰোহ ভাৱ, উদ্ধতালি, উদাসীনতা, আত্মগৌৰৱ, আত্ম প্ৰশংসা ত্যাগ কৰি মোৰ শিক্ষা অনুসৰি জীৱন-যাপন কৰিব লাগিব। সেইজনাই মোক সম্বোধন কৰি এয়াও কৈছে যে কাদিয়ানত সাধাৰণতে তেনে ধৰণৰ ভয়াবহ ধ্বংসকাৰী প্লেগৰ আৱিৰ্ভাব নহয় যে তাত মানুহ কুকুৰৰ দৰে মৰি থাকিব আৰু ভয়ত বিহ্বল হৈ পাগলৰ দৰে হৈ যাব। মুঠতে এই জমাতৰ গোটেই কেইজন মানুহ, সংখ্যাত এওঁলোক যিমানেই নহওঁক, বিৰুদ্ধবাদীসকলৰ তুলনাত প্লেগ সংক্ৰমণৰ পৰা নিৰাপদ থাকিব। কিন্তু এওঁলোকৰ মাজত যিসকলে সম্পূৰ্ণৰূপে নিজৰ প্ৰতিশ্ৰুতিত অবিচল নেথাকিব অথবা যিসকলৰ অন্তৰালত খোদা তা'লাৰ দৃষ্টিত বেলেগ কোনো গুপ্ত কাৰণ নিহিত হৈ আছে, সেই সকল মানুহ প্লেগৰ দ্বাৰা আক্ৰান্ত হ'ব পাৰে। কিন্তু অৱশেষত গৈ মানুহে আশ্চৰ্যৰে সৈতে এয়া স্বীকাৰ কৰিবলৈ বাধ্য হ'ব যে তুলনামুলক ভাৱে খোদা তা'লাৰ কৃপা এই সম্প্ৰদায়ৰ ওপৰত বৰ্ষিত হৈছে আৰু তেওঁ নিজৰ বিশেষ ৰহমত, অনুগ্ৰহৰে এওঁলোকক এনেকৈ পৰিত্ৰাণ দিছে যে যাৰ কোনো দৃষ্টান্ত নাই। উক্ত ঘটনাত কিছুমান অজ্ঞ লোক উচাপ খাই উঠিব আৰু কিছুমানে উপহাস কৰিব, আৰু কিছুমানে মোক পাগল সাব্যস্ত কৰিব, আৰু কিছুমানে এই

বুলি আচৰিত হ’ব যে সঁচাকৈয়ে এনে কোনো খোদা আছে নে যিয়ে কোনো উপকৰণ বিহনে কৃপা অনুগ্ৰহ বৰ্ষণ কৰিব পাৰে। এই কথাৰ উত্তৰ হ’ল এয়া যে হয় ! নি:সন্দেহ এনেকুৱা পৰাক্ৰমী খোদা বৰ্তমান আছে। যদি তেওঁ এনেকুৱা নহ’লহেঁতেন তেন্তে তাৰ ভক্তবৃন্দ জীৱন্মৃত হ’লহেঁতেন। তেওঁ (খোদা) আশ্চৰ্য শক্তিশালী আৰু তাৰ পৱিত্ৰ কুদৰত অতিকৈ বিস্ময়কৰ। এফালে নিজৰ বন্ধুসকলৰ বিৰুদ্ধে মূৰ্খ শত্ৰু সকলক কুকুৰৰ দৰে খেদা দি খেদিবলৈ দিয়ে; আকৌ আনফালে ফিৰিস্তা সকলক সিহঁতৰ খিদমত কৰিবলৈ আদেশ দিয়ে। এনেদৰে যেতিয়া তাৰ (খোদাৰ) ক্ৰোধ পৃথিৱীত বিস্ফুৰিত হয় আৰু স্বেচ্ছাচাৰী সকলৰ প্ৰতি ক্ৰোধান্বিত হৈ পৰে তেতিয়া তাৰ কৃপালু দৃষ্টিয়ে নিজৰ বিশিষ্ট ব্যক্তি সকলক ৰক্ষণা-বেক্ষণ দিয়ে। যদি এনেকুৱা নহ’লহেঁতেন তেন্তে সকলো সাধু পুৰুষ সকলৰ সাধনা বিফল হৈ গ’লহেঁতেন আৰু কোনেও তেওঁলোকক চিনিব নোৱাৰিলেহেঁতেন। আল্লাহ তা’লাৰ কুদৰত অনন্ত অসীম; কিন্তু মানুহৰ বিশ্বাস অনুযায়ী সেই কুদৰতৰ বিকাশ ঘটে। যিসকলক দৃঢ় বিশ্বাস, প্ৰেম লগতে আল্লাহৰ ওপৰত পূৰ্ণ একাগ্ৰতা দান কৰা হৈছে আৰু প্ৰবৃত্তিৰ দাসত্বৰ পৰা মুক্ত ৰখা হৈছে, তেওঁলোকৰ নিমিত্তে এই অসাধাৰণ শক্তিশালী কুদৰত প্ৰকাশিত হয়। খোদা তা’লা যি ইচ্ছা কৰে তাকেই কৰে। কিন্তু সেইসকলক তেওঁ অসাধাৰণ শক্তি প্ৰদৰ্শন কৰিবলৈ ইচ্ছা কৰে, যিসকলে নিজৰ অভ্যাসত খোদা তা’লাৰ নিমিত্তে এটা অসাধাৰণ পৱিত্ৰ পৰিৱৰ্তন সাধন কৰে। এই যুগত এনেকুৱা লোক অতি তাকৰ, যিসকলে তাক (খোদাক) চিনি পায় আৰু তাৰ বিস্ময়পূৰ্ণ শক্তিৰ ওপৰত বিশ্বাস ৰাখে; বৰং এনেকুৱা লোকৰ সংখ্যা যথেষ্ট আছে, যিসকলে কেতিয়াও সেই সৰ্বশক্তিমান খোদাৰ ওপৰত ঈমান নাৰাখে যাৰ শব্দ সকলো বস্তুৱেই শুনিবলৈ পায় আৰু যাৰ পক্ষে একোৱে অসম্ভৱ নহয়।

ইখিনিতে মনত ৰাখিবলগীয়া কথা যে প্লেগ আৰু অন্যান্য ৰোগৰ

চিকিৎসা কৰা যদিও পাপ নহয়, কিয়নো হাদীছত উল্লেখ আছে যে এনেকুৱা কোনো ৰোগ নাই যে তাৰ নিৰাময়ৰ নিমিত্তে আল্লাহ তা'লা ঔষধ সৃষ্টি কৰা নাই। কিন্তু মই এই কথাখিনি এটা পাপ বুলি ভাৱো যে খোদা তা'লাৰ এই নিদৰ্শনক যি তেওঁ মোৰ নিমিত্তে পৃথিৱীত স্পষ্ট ভাৱে প্ৰদৰ্শন কৰিব বিচাৰে, সেয়া ছিটা গ্ৰহণ কৰি সন্দেহযুক্ত কৰি পেলায়। মই তাৰ সত্য নিদৰ্শন আৰু সত্য প্ৰতিশ্ৰুতিক অৱমাননা কৰি এই ছিটা গ্ৰহণ কৰিব নিবিচাৰো। যদি মই এনেকুৱা কৰো তেন্তে মই এই পাপৰ কাৰণে দণ্ডণীয় হ'ব লাগিব যে খোদা তা'লা মোৰ সৈতে যি প্ৰতিশ্ৰুতি প্ৰদান কৰিছে সেয়া মই বিশ্বাস কৰা নাই। যদি এনেকুৱাই হয় তেন্তে আকৌ মই সেই চিকিৎসাৰ শলাগ ল'ব লাগিব, যিজনে এই ঔষধ (ছিটা) আৱিষ্কাৰ কৰিছে। ইয়াত সেই খোদাৰ শলাগ লোৱা নহয়, যিজনাই মোক প্ৰতিশ্ৰুতি প্ৰদান কৰিছে যে তোমাৰ চাৰি বেৰৰ ভিতৰত অৱস্থান কৰা প্ৰত্যেক জন ব্যক্তিক মই ৰক্ষা কৰিম; আন অৰ্থত সূচায় যে প্ৰত্যেকজনক যিজনে এই চাৰি বেৰৰ ভিতৰত আছে মই তাক বচাম।

মই প্ৰত্যক্ষ কৰা অনুসৰি কৈ আছো যে সেই সৰ্বশক্তিমান খোদাৰ প্ৰতিশ্ৰুতি অনিবাৰ্য্য সত্য আৰু মই দেখিবলৈ পাইছো যে সেই আহিবলগীয়া প্ৰতিশ্ৰুতিৰ দিনবোৰ যেনিবা আহি পাইছে। মই এয়াও জানো যে আমাৰ মহান চৰকাৰৰ আচল উদ্দেশ্য হ'ল যে যি কোনো প্ৰকাৰে যেন মানুহে প্লেগৰ পৰা মুক্তি পায়। ভৱিষ্যতত যদি এই প্লেগ মহামাৰীৰ হাত সাৰিবলৈ চৰকাৰে ছিটা দিয়াতকৈ কোনো উন্নত মানৰ প্ৰতিকাৰ আহৰণ কৰিব পাৰে তেন্তে সেয়াও আনন্দৰ সৈতে গ্ৰহণ কৰিব।

এনে অৱস্থাত এয়া স্পষ্ট যে খোদা তা'লা মোক যিটো বাটত পৰিচালিত কৰিবলৈ লৈছে, সেয়া মহান চৰকাৰৰ উদ্দেশ্যৰ পৰিপন্থী নহয়। আজিৰ পৰা বিশ বছৰ মান আগত এই মহামাৰী সম্পৰ্কে মোৰ ৰচিত বৰাহীনে আহমদীয়া নামৰ গ্ৰন্থত এটা ভৱিষ্যদ্বাণী হিচাপে এই সংবাদ লিপিবদ্ধ

আছে আৰু এই ছিলছিলাৰ প্ৰতি আল্লাহ তা'লাৰ বিশেষ কল্যাণৰ প্ৰতিশ্ৰুতিও তাত লিপবদ্ধ আছে। (বৰাহীনে আহমদীয়া পৃঃ নং ৫১৮,৫১৯ দ্ৰষ্টব্য) ইয়াৰ ওপৰিও খোদা তা'লাৰ ফালৰ পৰা স্পষ্ট ভাষাত এই ভৱিষ্যদ্বাণী কৰা আছে যে খোদা মোৰ ঘৰখনৰ সীমাৰ ভিতৰত থকা নিষ্ঠাবান ব্যক্তিসকলক যিসকলে খোদা আৰু তাৰ প্ৰেৰিত মহাপুৰুষৰ (মা'মুৰ) সন্মুখত অহংকাৰ প্ৰদৰ্শন নকৰে, প্লেগ মহামাৰীৰ পৰা ৰক্ষা কৰিব আৰু তুলনামূলক ভাৱে বেলেগতকৈ এই ছিলছিলাৰ প্ৰতি তাৰ বিশেষ অনুগ্ৰহ থাকিব। হয়তো ঈমানী শক্তিৰ দুৰ্বলতা, আমলৰ ত্ৰুটি, অথবা নিয়তিৰ লিখন নাইবা বেলেগ কোনো কাৰণ যি খোদা তা'লাই জ্ঞাত, এই সম্প্ৰদায়ৰ মাজতো এনেকুৱা (মৃত্যুৰ) ঘটনা কেতিয়াবা ঘটি যাব পাৰে। কদাচিত হোৱা ঘটনা নিৰ্দেশ বাতিলত গুৰুত্ব নাৰাখে। তুলনা কৰাৰ সময়ত সদায় সংখ্যাধিক্যৰ ওপৰত প্ৰাধান্য দিয়া হয়। যেনেকৈ চৰকাৰে অনুসন্ধান কৰি জানিব পাৰিছে যে প্লেগৰ ছিটা গ্ৰহণ কৰোঁতা সকল বেলেগৰ তুলনাত স্বল্প সংখ্যক লোক মৃত্যু বৰণ কৰিছে। গতিকে কদাচিত মৃত্যুয়ে যেনেকৈ ছিটাৰ মৰ্যাদা লাঘৱ কৰিব নোৱাৰে তেনেকৈ এই নিদৰ্শন কাদিয়ানত যদি তুলনামূলক হিচাপে সামান্য পৰিমাণে প্লেগ দেখা দিয়ে অথবা এই জামাতৰ মাজত কেতিয়াবা কোনোবাই যদি মহামাৰীত প্ৰাণ ত্যাগ কৰে, সেই বুলি এই নিদৰ্শনৰ মৰ্যাদা হ্ৰাস নাপায়। খোদা তা'লাৰ পৱিত্ৰ বাণীৰ পৰা যিবোৰ বাক্য প্ৰকাশ পাইছে, সেই অনুসাৰে এই ভৱিষ্যদ্বাণী লিপিবদ্ধ কৰা হৈছে। ঐশ্বৰিক বাণীৰ প্ৰতি প্ৰথমেই হাঁহি বিদ্ৰূপ কৰা জ্ঞানী লোকৰ কাম নহয়। এয়া হ'ল খোদা তা'লাৰ বাণী, কোনো জ্যোতিষীৰ কথা নহয়। এয়া আলোক প্ৰস্ৰৱণৰ পৰা নিৰ্গত, কোনো এন্ধাৰত কৰা অনুমানৰ পৰা নহয়। এয়া হ'ল সেইজনাৰ বাণী যিজনাই প্লেগ বিয়পাই দিছে আৰু ইয়াক নিৰাময় কৰিব পাৰে। আমাৰ চৰকাৰে এই ভৱিষ্যদ্বাণীৰ মূল্য নি:সন্দেহ বুলি তেতিয়া বুজিব যেতিয়া দেখিব যে ছিটা লোৱা সকলৰ তুলনাত

আচৰিত ভাৱে এইসকল লোক বেছি নিৰাপদ আৰু সুস্থ আছে। মই সঁচা সঁচা কৈছো যে যদি এই ভৱিষ্যদ্বাণী অনুযায়ী যি প্ৰকৃততে বিশ বাইশ বছৰ ধৰি প্ৰচাৰিত হৈ আছে, সকলো ঘটনা সংগঠিত নহয় তেন্তে মই খোদা তা'লাৰ ফালৰ পৰা নহয়। মই খোদা তা'লাৰ ফালৰ পৰা হোৱাৰ এয়া এটা নিদৰ্শন হ'ব যে মোৰ ঘৰৰ চাৰি বেৰৰ ভিতৰত থকা নিষ্ঠাবান ব্যক্তি সকল এই বেমাৰত মৃত্যু হোৱাৰ পৰা নিৰাপদ থাকিব আৰু আমাৰ গোটেই সম্প্ৰদায় তুলনামুলক হিচাপে প্লেগৰ সংক্ৰমণৰ পৰা ৰক্ষা পৰিব। সেই শান্তি ইয়াতে বিৰাজ কৰিব যাৰ দৃষ্টান্ত বেলেগ সম্প্ৰদায়ত পৰিলক্ষিত নহ'ব। কাদিয়ানত কোনো ধৰণৰ বিৰল ঘটনা সংগঠিত হোৱাৰ বাহিৰে প্লেগৰ বিধ্বংসী তাণ্ডৱ আহিব নোৱাৰে। হায় ! এই লোকসকলে যদি সজ অন্তৰৰ হ'লহেঁতেন আৰু খোদা তা'লাক ভয় কৰিলেহেঁতেন, তেন্তে সম্পূৰ্ণৰূপে ৰক্ষা পৰিলহেঁতেন। কাৰণ ধৰ্মীয় মতানৈক্যৰ কাৰণে পৃথিৱীত কাৰো ওপৰত শাস্তি অৱতীৰ্ণ নহয়। কিয়ামতৰ দিনা ইয়াৰ হিচাপ-নিকাচ হ'ব। ধৰাধামত একমাত্ৰ চয়তানী অন্যায় আচৰণ, ঔদ্ধত্য আৰু পাপৰ প্ৰাচুৰ্য্যতাৰ ফলতহে শাস্তি অৱতীৰ্ণ হৈ থাকে।

এয়া মনত ৰাখিব লাগিব যে কোৰ-আন চৰিফত আনকি তওৰাতৰও কোনো কোনো কিতাপত এই সংবাদ লিপিবদ্ধ আছে যে মছীহ মাওউদ (আঃ)ৰ যুগত প্লেগ মহামাৰীৰ প্ৰাৰ্দুভাৱ ঘটিব। ইয়াৰ উপৰি হজৰত মছীহ (আঃ)য়েও ইঞ্জিলত এই সম্পৰ্কে সংবাদ দি থৈ গৈছে। এয়া সম্ভৱ নহয় যে নবীসকলৰ ভৱিষ্যৎবাণী ফালৰি কাটি যায়। বিশেষকৈ এয়া মনত ৰখা উচিত যে আমি ঐশ্বৰিক প্ৰতিশ্ৰুতিত আছো মানে, কোনো মানবীয় উপায় অৱলম্বন কৰাৰ পৰা আঁতৰি থকা কৰ্তব্য যাতে শত্ৰুসকলে এই ঐশ্বৰিক নিৰ্দশনক বেলেগ কোনো ফালে আৰোপ কৰিব নোৱাৰে। কিন্তু এই নিৰ্দশনৰ লগত যদি খোদাতা'লা নিজৰ ঐশ্বৰিক বাণীৰ সহায়ত কোনো উপায় শিকাই দিয়ে বা কোনো ধৰণৰ ঔষধৰ কথা জনায় তেন্তে তেনেকুৱা

উপায় বা ঔষধে এই ঐশ্বৰিক নিদৰ্শনৰ কোনো হানি কৰিব নোৱাৰে। কিয়নো-এইবোৰ সকলো সেই খোদা তা'লাৰ ফালৰ পৰা, যিজন খোদাৰ ফালৰ পৰা এই নিদৰ্শন প্ৰকাশ পাইছে। যদি কেতিয়াবা আমাৰ সম্প্ৰদায়ৰ কোনোবাই প্লেগত মৃত্যুবৰণ কৰে তেন্তে কোনোবাই যেন এয়া ধাৰণা নকৰে যে নিৰ্দশনৰ মুল্য বা মৰ্যদাৰ কোনো হানি হ'ব। কাৰণ আগৰ যুগত মুছা, ঈছা আৰু অৱশেষত আমাৰ নবী (ছাঃ)ক এই আদেশ দিয়া হৈছিল যে যিসকলে তৰোৱালেৰে আক্ৰমণ কৰি শ,শ মানুহক হত্যা কৰিছে, সিহঁতক তৰোৱালেৰেই যেন হত্যা কৰা হয়। নবীসকলৰ ফালৰ পৰা এয়াই আছিল নিৰ্দশন, যাৰ ফলত মহা বিজয় লাভ হৈছিল। যদিও পাপীসকলৰ লগত প্ৰতিদ্বন্দ্বিতাত নামি সিহঁতৰ তৰোৱালৰ আঘাতত সজলোকৰও মৃত্যু হৈছিল তথাপি কিন্তু সংখ্যাত সেয়া আছিল অতি নগন্য। এনেকুৱা সামান্য লোকচান হোৱাটো নিৰ্দশনৰ ক্ষেত্ৰত একো গুৰত্ব নাৰাখে। গতিকে এনেদৰে আমাৰ সম্প্ৰদায়ৰ যদি কোনোবা উল্লেখিত কাৰণত প্লেগ হয় তেন্তে এই ধৰণৰ প্লেগে ঐশ্বৰিক নিৰ্দশনৰ ক্ষতিৰ কোনো কাৰণ হ'ব নোৱাৰে। কিয় ! এয়া এটা মহান নিৰ্দশন নহয়নে যে মই বাৰে বাৰে কৈ আছো যে খোদা তা'লা এই ভৱিষ্যতবাণী এনেকুৱা ভাৱে প্ৰকাশ কৰিব যে প্ৰত্যেক সত্যান্বেষী লোকৰ কোনো সন্দেহৰ অৱকাশ নেথাকে আৰু বুজিব পাৰিব যে খোদা তা'লা অলৌকিক ভাৱে এই জমাতৰ সৈতে আচৰণ কৰিছে। বৰং উল্লেখিত নিৰ্দশনৰ ফলস্বৰূপে এয়া হ'ব গৈ যে প্লেগৰ কাৰণে জমাত বহু বেছি বৃদ্ধি পাব আৰু অসাধাৰণ উন্নতি কৰিব লগতে এই সম্প্ৰদায়ৰ উন্নতি মানুহে বিস্ময়ৰ সৈতে অৱলোকন কৰিব। বিৰুদ্ধবাদী সকলে প্ৰত্যেক ক্ষেত্ৰতেই পৰাজয় বৰণ কৰি থাকিব যেনেকৈ মই **নুযুলুল মছীহ** নামৰ কিতাপ খনত লিখি দিছো। বৰ্তমানে ভৱিষ্যতবাণী অনুসৰি খোদা তা'লা যদি মোৰ সম্প্ৰদায়ৰ আৰু বেলেগ সম্প্ৰদায়ৰ মাজত কোনো ধৰণৰ পাৰ্থক্য নেদেখুৱায় তেন্তে সিহঁতে মোক মিছলীয়া

বুলি কোৱাৰ অধিকাৰ আছে। এতিয়ালৈকে সিহঁতে মোক মিছলীয়া বুলি কৈ আহিছে, তাত তেওঁলোকে মাত্র দুৰ্যশ হে কিনি লৈছে। উদাহৰণ স্বৰূপে তেওঁলোকে বাৰে বাৰে চিঞৰি চিঞৰি কৈছিল যে আথম পোন্ধৰ মাহৰ ভিতৰত মৃত্যু বৰণ কৰা নাই। অথচ; ভৱিষ্যতবাণীত স্পষ্ট ভাষাত উল্লেখ কৰা হৈছিল যে যদি তেওঁ সত্যৰ ফালে ওলটি আহে তেন্তে তেওঁ পোন্ধৰ মাহৰ ভিতৰত নমৰে। ঠিক সেইদৰেই তেওঁ জলছা মোবাহাছাত ৭০ জন সম্ভ্রান্ত লোকৰ সন্মুখত আঁ-হজৰত (ছাঃ)ক দাজ্জাল আখ্যা দিয়াৰ পৰা নিজৰ কথা ঘূৰাই লয়। কেৱল সেয়াই নহয়; বৰং তেওঁ পোন্ধৰ মাহ কাল মনে মনে থাকি আৰু ভয়, আতঙ্ক প্ৰকাশ কৰি নিজৰ সংশোধনৰ প্ৰমাণ দিছে। তেওঁ আঁ-হজৰত (ছঃ)ক দাজ্জাল বুলি আখ্যা দিয়াটোৱে আছিল ভৱিষ্যবাণীৰ আচল ভিত্তি। গতিকে তেওঁ সংশোধন হোৱাৰ ফলত তাৰ এইখিনি লাভ হ'ল যে তেওঁ পোন্ধৰ মাহৰ পিছত মৰিল। কিন্তু মৰি গৈছিল ইয়াৰ কাৰণ আছিল এয়া যে ভৱিষ্যতবাণীত উল্লেখ আছিল যে দুটা পক্ষৰ মাজত যিজনৰ আকিদা (ধৰ্ম বিশ্বাস) মিছা হ'ব তেওঁৱেই আগতে মৃত্যু বৰণ কৰিব। গতিকে তেওঁ মোৰ আগতে মৃত্যু বৰণ কৰিছে।

এনেদৰে যিবোৰ অদৃশ্যৰ কথা খোদা তা'লা মোক জনাইছে আৰু যিবোৰ নিজৰ নিজৰ নিৰ্দিষ্ট সময়ত গৈ পূৰ্ণ হৈছে, সেয়া দহ হেজাৰতকৈ কম নহয়। কিন্তু **নুযুলুল মছীহ** গ্ৰন্থখনত যি এতিয়া ছপা হৈ আছে, এনেধৰণৰ ভৱিষ্যতবাণী সাক্ষী প্ৰমাণ সহ, এটা উদাহৰণ হিচাপে ডেৰশ ভৱিষ্যতবাণী লিপিবদ্ধ কৰা হৈছে। মোৰ এনেকুৱা কোনো ভৱিষ্যতবাণী নাই যে সেয়া পূৰ্ণ হোৱা নাই অথবা দুই ভাগৰ এভাগ পূৰ্ণ হোৱা নাই। কোনোবাই যদি বিচাৰি বিচাৰি মৰিও যায় তথাপি মোৰ মূখেৰে ওলোৱা এনে কোনো ভৱিষ্যতবাণী বিচাৰি উলিয়াব নোৱাৰে যে যাৰ সম্পৰ্কে তেওঁ ক'ব পাৰিব যে সেয়া পূৰ্ণ হ'বলৈ বাকী আছে। কিন্তু নিৰ্লজ্জতা বা অজ্ঞতাবশতঃ যি বিচাৰে কওঁক আৰু মই দাবীৰ সৈতে কওঁ যে মোৰ

এনেকুৱা শত,শত ভৱিষ্যতবাণী আছে যিবোৰ অতি স্পষ্টভাৱে পূৰ্ণ হৈ গৈছে আৰু লাখ লাখ মানুহ তাৰ সাক্ষী আছে। ইয়াৰ দৃষ্টান্ত যদি অতীতৰ নবী সকলৰ মাজত বিচাৰি যোৱা হয় তেন্তে কেৱল আঁ-হজৰত (ছাঃ) বিহনে অইন কতো ইয়াৰ তুলনা বিচাৰি পোৱা নেযায়। মোৰ বিৰুদ্ধবাদী সকলে যদি এই পদ্ধতি অৱলম্বন কৰি সিদ্ধান্ত ললেহেঁতেন তেন্তে কেতিয়াবাই তেওঁলোকৰ চকু খুলি গলহেঁতেন। মই তেওঁলোকক এই মহান পুৰস্কাৰ প্ৰদানৰ নিমিত্তে সাজু আছিলোঁ, যদি তেওঁলোকে গোটা পৃথিৱীত এই ভৱিষ্যতবাণী বিলাকৰ কোনো তুলনা উপস্থিত কৰিব পাৰিলেহেঁতেন। দুষ্টালি আৰু নজনাৰ ভাওজুৰি যি সকলে কয় যে অমুক ভৱিষ্যতবাণী ফলিওৱা নাই, সিহঁতৰ সেই উক্তি মই সিহঁতৰে হৃদয়ৰ কপটতা আৰু সন্দেহৰ প্ৰতি আৰোপ কৰাৰ বাহিৰে নো কি ক'বলৈ আছে ? এই তথ্যসমূহ অনুসন্ধান কৰা বুলি যদি তেওঁলোকে কোনো সভা সমিতিত প্ৰকাশ কৰিলেহেঁতেন তেন্তে সিহঁতে নিজৰ উক্তিৰ পৰা প্ৰত্যাৱৰ্তন কৰিব লগা হ'ল হয় নতুবা সিহঁতে নিৰ্লজ্জ বুলি প্ৰতিপন্ন হ'লহেঁতেন। শত সহস্ৰ ভৱিষ্যতবাণী হুবহু পূৰ্ণ হোৱাটো আৰু তাৰ সাক্ষী প্ৰমাণ বিদ্যমান থকাটো সামান্য কথা নহয়, বৰং এয়া যেন মহা মহিম খোদা তা'লাক দেখুৱাই দিয়াহে। নবী কৰিম (ছাঃ)ৰ যুগ অবিহনে আৰু কোনটো সময়ত শ শ ভৱিষ্যতবাণী কৰা আৰু সেইবিলাক সকলো জল জল পটগটকৈ দিবাকৰৰ কিৰণৰ দৰে পূৰ্ণ হোৱা আৰু তাৰ পূৰ্ণতাৰ সহস্ৰ প্ৰমাণ থকাটো কোনোবাই কেতিয়াবা দেখিছানে ? মই নিশ্চয় জানো যে, বৰ্তমান যুগত খোদা তা'লা যিমান ওচৰ চাপি নিজকে প্ৰকাশ কৰিবলৈ লৈছে আৰু শ শ অদৃশ্যমান বিষয় সমূহ নিজৰ ভৃত্যৰ ওচৰত ব্যক্ত কৰিবলৈ লৈছে, অতীতৰ কোনো যুগতে ইয়াৰ অতি সামান্য তুলনাহে পোৱা যায়। অতি সোনকালেই মানুহে দেখিবলৈ পাব যে এই যুগত খোদা তা'লাৰ ছবি এনেদৰে প্ৰকাশ পাব যে যেনিবা তেওঁ আকাশমণ্ডলীৰ পৰা ভূ-পৃষ্ঠলৈ নামি আহিছে। বহু কল্পান্ত

ধৰি তেওঁ অস্তিত্ব আবৃত কৰি ৰাখিছে; তাক অস্বীকাৰ কৰি অহা হৈছে আৰু তেওঁ নিমাত হৈ আছে, কিন্তু তেওঁ এতিয়া আৰু লুকাই নেথাকে। জগতবাসী সকলে এতিয়া তাৰ এনেকুৱা ৰূপ দেখিবলৈ পাব; যি সকলোৱে পিতা-মাতাসহ সকলে কেতিয়াও দেখা নাই। এই সকলোবোৰ ঘটিব এই কাৰণেই যে জগতখন কলুষিত হৈ পৰিছে। আকাশ আৰু পৃথিৱী স্ৰষ্টাৰ ওপৰত মানুহৰ বিশ্বাস নোহোৱা হৈছে। ওঁঠেৰে তাৰ নাম উচ্চাৰণ কৰে ঠিকেই, কিন্তু হৃদয় তাৰ পৰা বিমুখ হৈ পৰিছে। সেয়ে খোদা তা'লা কৈছে যে আমি এতিয়া নতুন আকাশ আৰু নতুন জগত সৃষ্টি কৰিম। ইয়াৰ অৰ্থ হ'ল, জগতখনৰ মৃত্যু ঘটিছে, অৰ্থাৎ জগতৰ মানৱ হৃদয় কঠিন হৈ গৈছে, যেনিবা মৰি গৈছে। কিয়নো খোদা তা'লাৰ প্ৰতিচ্ছবি সিহঁতৰ চকুৰ আঁৰ হৈ পৰিছে আৰু তাৰ অতীতৰ সকলো ঐশ্বৰিক নিৰ্দৰ্শন গল্প, সাধু কথাত পৰিণত হৈছে। সেয়ে খোদা তা'লা নতুন ধৰা আৰু নতুন গগন স্ৰজিবলৈ ইচ্ছা কৰিছে। সেই নতুন ধৰা আৰু নতুন গগন কি ? নতুন ধৰা হ'ল সেই পৱিত্ৰ হৃদয় যাক খোদা তা'লা নিজ হাতেৰে সজাইছে, যি খোদা তা'লাৰ পৰা প্ৰজ্বলিত হৈছে আৰু খোদা যাৰ দ্বাৰা প্ৰকাশিত হ'ব। নতুন গগন হ'ল সেই বিলাক নিৰ্দৰ্শন, যিবোৰ তাৰ ভৃত্যৰ দ্বাৰাই তাৰ আদেশ অনুযায়ী প্ৰকাশ পাব ধৰিছে। কিন্তু অনুতাপ এই যে জগতবাসীয়ে খোদাৰ এই নতুন জ্যোতি বিকাশ হোৱাৰ বিৰুদ্ধে শত্ৰুতা কৰিবলৈ লৈছে। সিহঁতৰ হাতত গল্প, কাহিনীৰ বাহিৰে আন একো নাই। সিহঁতৰ কল্পনাই সিহঁতৰ খোদা হৈ পৰিছে। সিহঁতৰ হৃদয় কুটিল আৰু সাহস দুৰ্বল হৈ গৈছে আৰু চকুত ছানি পৰিছে। বেলেগ জাতিবোৰে আচল খোদাক হেৰুৱাই পেলাইছে। আনহাতে যিবিলাক মানুহে মানৱ সন্তানক খোদা বনাই লৈছে, সিহঁতৰ কথা আৰু কি ক'বলৈ আছে ? বৰ্তমান মুছলমান সকলৰ অৱস্থা চোৱা ! ইহঁতে খোদাৰ পৰা কিমান দুৰলৈ আঁতৰি আহিছে। সিহঁতে সত্যৰ পৰম শত্ৰু আৰু প্ৰাণৰ শত্ৰুৰ

দৰে সৎপথৰ বিৰোধী। যেনেকৈ নাদওয়াতুল-উলমা যিবিলাকে ইছলামৰ সহায়তাৰ দাবী কৰে আৰু লাহোৰৰ আঞ্জুমান হেমায়েতে ইছলাম যিসকলে ইছলামৰ নামত মুছলমান সকলৰ পৰা টকা, পইচা লৈ আছে, তেওঁলোকে ইছলামৰ হিতাকাঙ্খী হয়নে ? এওঁলোকে ছিৰাতে মুস্তাকীমৰ সাহায্য কৰি আছেনে ? তেওঁলোকৰ মনত আছেনে যে ইছলাম কেনেকুৱা বিপদগ্রস্ত হৈছে আৰু ইয়াক পুনৰ জীৱিত কৰিবলৈ খোদা তা'লাৰ নীতি কি ? মই সঁচা-সঁচা কৈছো যে যদি মই নাহিলোহেঁতেন তেন্তে সিহঁতৰ ইছলামৰ সহায়তাৰ দাবী সামান্য পৰিমাণে হলেও গ্রহণযোগ্য হ'লহেঁতেন। কিন্তু এতিয়া এওঁলোকে খোদা তা'লাৰ ওচৰত অপৰাধী। কিয়নো, এওঁলোকে সহায়তাৰ দাবী কৰাৰ পিছত যেতিয়া আকাশত এটা নক্ষত্র উদিত হ'ল, তেতিয়া তেওঁলোকেই আগতে সেয়া আগ্রাহ্যকাৰী হৈ পৰিল। এতিয়া তেওঁলোকে খোদা তা'লাৰ ওচৰত কি উত্তৰ দিব ? যিজনাই সঠিক সময়ত মোক পঠাইছে। কিন্তু তেওঁলোকৰ একো ভ্রূক্ষেপ নাই সূৰ্য মধ্যাহ্নৰ সংলগ্নত কিন্তু সিহঁতৰ ওচৰত এতিয়াও ৰাতি।

খোদাৰ উৎস উদ্ভাসিত হৈছে, কিন্তু এতিয়াও তেওঁলোকে মৰুপ্রান্তত ক্রন্দন কৰিবলৈ লৈছে। তাৰ আচমানী জ্ঞানৰ স্রোত স্বিনী প্রবাহিত হ'বলৈ লৈছে কিন্তু সিহঁতৰ কোনো উমঘামেই নাই। তাৰ নিৰ্দশনবোৰ প্রস্ফুটিত হ'বলৈ লৈছে, কিন্তু তেওঁলোকে সেইফালে উদাসীন। কেৱল উদাসীনেই নহয়, বৰং খোদা তা'লাৰ ছিলছিলাৰ প্রতি শত্রুতা পোষণ কৰি আছে। তেন্তে এয়া সিহঁতৰ ইছলামৰ সহায়তা, ইছলামৰ প্রচাৰ আৰু ইছলামী শিক্ষা হয়নে, যিবোৰ তেওঁলোকে সম্পাদন কৰিবলৈ লৈছে ? কিন্তু তেওঁলোকে এই শত্রুতাৰে খোদা তা'লাৰ ইচ্ছাক ৰোধিব পাৰিবনে যিটো বিষয়ে আদিৰে পৰা সকলো নবীসকলে সাক্ষী বহন কৰি আহিছে ? কেতিয়াও নোৱাৰে। বৰং খোদা তা'লাৰ এই ভৱিষ্যৎবাণী অনতিপলমেই সত্য বুলি প্রমাণিত হ'ব ,

كَتَبَ اللّٰهُ لَاَغۡلِبَنَّ اَنَا وَ رُسُلِیۡ (58:22)

অৰ্থাৎ আল্লাহে নিৰ্দেশ দিছে, মই আৰু মোৰ ৰছুলসকল অতি নিশ্চয়েই বিজয়ী হ'ম। (চুৰা মুজাদিলাহ আয়াত ২২)

দহ বছৰ আগতে খোদা তা'লা যেনেকৈ তাৰ ভৃত্যৰ সত্যতা প্ৰমাণাৰ্থে ৰমজান মাহত আকশত চন্দ্ৰ গ্ৰহণ আৰু সূৰ্য গ্ৰহণ সংগঠিত কৰিছিল। সূৰ্য আৰু চন্দ্ৰ গ্ৰহণৰ নিৰ্দশন দুটা মোৰ নিমিত্তে সাক্ষী স্বৰূপে প্ৰকাশ কৰিছে তেনেদৰে নবীসকলৰ ভৱিষ্যৎবাণী ফলিয়াবলৈ ধৰাধামতও দুটা নিৰ্দশন প্ৰস্ফুটিত কৰিছে। তাৰে এটা হ'ল যি তোমালোকে কোৰ-আন কৰিমত পঢ়ি থাকা,

وَ اِذَا الۡعِشَارُ عُطِّلَتۡ ۪ۙ (81:5)

অৰ্থাৎ আৰু যেতিয়া দহ মহীয়া গৰ্ভৱতী উট বিলাক পৰিত্যক্ত হ'ব। (চুৰা তকৱিৰ আয়াত ৫)

হাদীছত উল্লেখ আছে

**وليتر كن القلاص فلا يسعى عليها**

অৰ্থাৎ-উট বিলাক পৰিহাৰ কৰা হ'ব, কোনোৱেই তাৰ ওপৰত আৰোহণ নকৰে। (মুছলিম শ্বৰীফ) এই ভৱিষ্যৎবাণী পুৰণাৰ্থে হিজাব প্ৰদেশত অৰ্থাৎ মক্কা আৰু মদিনা সংযোগী বাটত ৰেল লাইনৰ ব্যৱস্থা হৈছে। দ্বিতীয় নিৰ্দশন হ'ল প্লেগ। যেনেকৈ খোদা তা'লা কৈছে,

وَ اِنۡ مِّنۡ قَرۡیَۃٍ اِلَّا نَحۡنُ مُہۡلِکُوۡہَا قَبۡلَ
یَوۡمِ الۡقِیٰمَۃِ اَوۡ مُعَذِّبُوۡہَا (17:59)

অৰ্থাৎ-আৰু (অবাধ্যবিলাকৰ) এনে কোনো নগৰী নাই, যি পুনৰুত্থানৰ দিনৰ পূৰ্বে আমি ধ্বংস নকৰো। অথবা তাৰে (বাসিন্দা সকলক) আমি কঠোৰ শাস্তি নিদিওঁ। (চুৰা বনি ইস্ৰাইল আয়াত ৫৯)

গতিকে খোদা তা'লা পৃথিৱীত ৰেলপথ প্ৰৱৰ্ত্তন কৰিছে আৰু প্লেগ মহামাৰিও পঠাইছে, যাতে আকাশ আৰু ভূ-পৃষ্ঠ উভয়েই সাক্ষী হয়। সেই হেতুকে তোমালোকে খোদাৰ সৈতে ৰণ নিদিবা। খোদা তা'লাৰ বিৰোধীতা কৰা নিৰ্বোধৰ কাম। ইয়াৰ আগতে যেতিয়া খোদা তা'লা আদম (আঃ)ক খলিফা বনাব বিচাৰিছিল তেতিয়া ফিৰিস্তা সকলে বাধা দিছিল। কিন্তু খোদা তা'লা সিহঁতৰ বাধা মানিছিলনে? এতিয়া আকৌ খোদা তা'লা দ্বিতীয় আদম সৃষ্টিৰ সময়ত কৈছে,

اَرَدْتُ اَنْ اَسْتَخْلِفَ فَخَلَقْتُ اٰدَمَ

অৰ্থাৎ মই খিলাফত প্ৰতিষ্ঠা কৰিবলৈ ইচ্ছা কৰিলোঁ, সেয়ে এই আদমক সৃষ্টি কৰিলোঁ।

এতিয়া তোমালোকে খোদাৰ ইচ্ছাক প্ৰতিৰোধ কৰিব পাৰিবানে? গতিকে তোমালোকে কিয় কল্পিত গল্প-কাহিনী উপস্থাপন কৰি আছা আৰু দৃঢ় বিশ্বাসৰ বাট ধৰা নাই? নিজকে পৰীক্ষাত নেপেলাবা। নিশ্চয় মনত ৰাখিবা যে খোদা তা'লাৰ ইচ্ছাক ৰোধ কৰিব পাৰে, এনেকুৱা কোনেও নাই। এনেকুৱা বিবাদ তাকওয়া বিৰোধ।

কিন্তু যদি ইয়াত কোনোবাৰ সন্দেহ থাকে তেন্তে এই ব্যৱস্থাটো গ্ৰহণ কৰিব পাৰে, যেনেকৈ মই মোৰ কথাৰ মান্যকাৰী সম্প্ৰদায়ৰ লোক সকলক প্লেগ মহামাৰীৰ পৰা ৰক্ষা পোৱাৰ সু-সংবাদ ইছলামৰ মাধ্যমত খোদা তা'লাৰ পৰা লাভ কৰি জনাই দিছো, তেনেকৈ যদি আপোনালোকে আপোনালোকৰ সম্প্ৰদায়ৰ হিতৈষী তেন্তে আপোনালোকেও সম বিশ্বাসী সকলৰ কাৰণে খোদা তা'লাৰ ফালৰ পৰা মুক্তি লাভৰ সংবাদ লাভ কৰক যে সিহঁতেও প্লেগ মহামাৰীৰ পৰা ৰক্ষা পৰিব আৰু মোৰ দৰে সেই সংবাদ মুদ্ৰিত কৰি বিজ্ঞাপন আকাৰে প্ৰচাৰ কৰি দিয়ক যাতে জনগনে বুজিব পাৰে যে খোদা তা'লা আপোনালোকৰ লগত আছে।

আনফালে খৃষ্টান সকলৰ নিমিত্তে এয়া এটা সৰ্বোত্তম সুযোগ।

তেওঁলোকে সদায় কয় যে মুক্তি কেৱল যীশুৰ মাজতেই আছে। গতিকে এতিয়া এই বিপদৰ পৰা খৃষ্টান সকলক পৰিত্ৰাণ কৰাটো তাৰ কৰ্তব্য। অৰ্থাৎ প্লেগ মহামাৰীৰ পৰা ৰক্ষা কৰক। এই সকলোবোৰ সম্প্ৰদায়ৰ মাজত যিজনৰ কথা আল্লাহ্ তা'লা বেছিকৈ শুনিব সেইজনেহে গৃহীত বুলি গণ্য হ'ব। মুঠতে খোদা তা'লা প্ৰত্যেক জনকেই সুযোগ প্ৰদান কৰিছে, যাতে সিহঁতে অযথা বিৰ্তক নকৰি বেছি বেছিকৈ নিজৰ নিজৰ কবুলিয়ত প্ৰদৰ্শন কৰে, যাৰ দ্বাৰা প্লেগৰ পৰা ৰক্ষা পাব পাৰে; আৰু নিজৰ নিজৰ সত্যতা প্ৰকাশিত হয়। বিশেষকৈ পাদ্ৰী ডাঙৰীয়া সকলে, মৰিয়মৰ পুত্ৰ (ঈছা) মছীহাক ইহকাল আৰু পৰকালৰ একমাত্ৰ ত্ৰাণকৰ্তা বুলি সাব্যস্ত কৰিছে, তেওঁলোকে যদি আন্তৰিকতাৰে মৰিয়মৰ পুতেকক ইহকাল আৰু আখেৰাতৰ মালিক বুলি ভাৰিছে তেন্তে খৃষ্টান সকলৰ এয়া অধিকাৰ আছে যে, মছীহৰ প্ৰায়শ্চিত্তৰ হতুৱাই তেওঁলোকে মুক্তিৰ প্ৰমাণ চাই লওঁক। তাত সন্মানীয় চৰকাৰৰও সুবিধা হ'ব পাৰে, যিহেতু বৃটিছ ইণ্ডিয়াৰ বিভিন্ন সম্প্ৰদায় আছে, যি সকলে নিজৰ নিজৰ ধৰ্মৰ সত্যতাৰ ওপৰত বিশ্বাস ৰাখে, তেওঁলোকে নিজৰ নিজৰ সম্প্ৰদায়ক ৰক্ষা কৰাৰ নিমিত্তে আৰু প্লেগৰ পৰা মুক্তি দিবলৈ এই পন্থা অৱলম্বন কৰিব পাৰে যে নিজা নিজা উপাস্য খোদাৰ ওচৰত নাইবা সিহঁতৰ বেলেগ আন কোনো মা'বুদ, যাক তেওঁলোকে খোদাৰ স্থলাভিষিক্ত জ্ঞান কৰে, তাৰ ওচৰত এই বিপদগ্ৰস্ত সকলৰ নিমিত্তে চাফায়ত (মুক্তি) প্ৰাৰ্থনা কৰিব পাৰে আৰু তাৰ ফালৰ পৰা নিশ্চিত প্ৰতিশ্ৰুতি লাভ কৰি সেয়া বিজ্ঞাপন আকাৰে প্ৰকাশিত কৰিব পাৰে, যেনেকৈ মই কৰিছোঁ। এই কাৰ্যতেই সমূহীয়া ভাৱে সৃষ্টি জীৱৰ কাৰণে আপোন আপোন ধৰ্মৰ সত্যতাৰ প্ৰমাণ আৰু চৰকাৰক সহায় কৰা, এই সকলোবোৰ বৈ আছে। প্ৰজাসকলে প্লেগ মহামাৰীৰ আক্ৰমণৰ পৰা জীয়াই থাকক, ইয়াৰ বাহিৰে চৰকাৰে আন একো নিবিচাৰে, যিকোনো উপায়েৰে নহওঁক কিয়, সিহঁতে যেন ৰক্ষা

পৰে।

অৱশেষত এয়া মনত ৰখা উচিত যে, আমাৰ জমাতৰ যিবিলাক লোক পঞ্জাৱ আৰু ভাৰতৰ বিভিন্ন ঠাইত বাস কৰি আছে, তেওঁলোকক মই মোৰ বিজ্ঞাপনেৰে প্ৰতিষেধক গ্ৰহণ কৰিবলৈ নিষেধ নকৰো। যি সকললৈ চৰকাৰে স্পষ্ট আদেশ জাৰি কৰিছে, তেওঁলোকে সাধাৰণতে ছিটা গ্ৰহণ কৰি চৰকাৰৰ আদেশ পালন কৰা উচিত। এনেদৰে যিসকল লোকক নিজৰ ইচ্ছাৰ ওপৰত এৰি দিয়া হৈছে, তেওঁলোকে যদি মোৰ প্ৰদত্ত শিক্ষাৰ ওপৰত আমলকাৰী নহয় তেন্তে তেওঁলোকেও ছিটা (প্ৰতিষেধক) লোৱা উচিত। যাতে তেওঁলোকৰ পতন নঘটে আৰু তেওঁলোকে যেন নিজৰ লেতেৰা অৱস্থাৰ কাৰণে খোদা তা'লাৰ প্ৰতিশ্ৰুতি সম্পৰ্কে মানুহক প্ৰৱঞ্চনা নকৰে। যি শিক্ষা সঠিক ভাৱে পালন কৰিলে প্লেগৰ পৰা ৰক্ষা পোৱা যাব সেয়া জনাৰ নিমিত্তে প্ৰশ্ন উঠিব পাৰে। গতিকে সেয়া মই সংক্ষেপে তলত উল্লেখ কৰিবলৈ লৈছোঁ।

## শিক্ষা

জানি থোৱা উচিত যে কেৱলমাত্ৰ মৌখিক বয়াতৰ শপতৰ কোনো মূল্য নাই। যেতিয়ালৈকে দৃঢ়-আন্তৰিকতাৰে তাৰ ওপৰত আমল কৰা নহয়। গতিকে যিজনে মোৰ শিক্ষানুসৰি পূৰ্ণ ভাৱে কাম কৰে, তেওঁহে মোৰ সেই ঘৰখনত প্ৰৱেশ কৰে, যাৰ সম্পৰ্কে খোদা তা'লাৰ বাণীত এই প্ৰতিশ্ৰুতি সন্নিবিষ্ট আছে যে

اِنِّیۡ اُحَافِظُ کُلَّ مَنۡ فِی الدَّارِ

অৰ্থাৎ তোমাৰ ঘৰখনৰ চাৰিসীমাৰ ভিতৰত যি সকলে বাস কৰে, মই সিহঁতৰ প্ৰত্যেকজনকেই ৰক্ষা কৰিম।

এই ক্ষেত্ৰত এয়া বুজি লোৱা ঠিক নহয় যে যিসকলে মোৰ এই ইটা আৰু মাটিৰে নিৰ্মিত ঘৰখনৰ মাজত বাস কৰে, কেৱল তেওঁলোকেই মোৰ

গৃহখনৰ অৰ্ন্তভূক্ত, বৰং অৰ্থ হ'ল যিবিলাক লোকে সম্পূৰ্ণ ভাৱে মোক অনুসৰণ কৰে তেওঁলোকে মোৰ আধ্যাত্মিক ঘৰখনৰ অৰ্ন্তভূক্ত। মোক অনুসৰণ কৰাৰ নিমিত্তে কৰিবলগীয়া কাম হ'ল এয়া :—

তেওঁলোকে অন্তঃকৰনেৰে বিশ্বাস কৰিব লাগিব যে তেওঁলোকৰ এজন কাদিৰ (সৰ্বশক্তিমান) কাইয়ুম (চিৰস্থায়ী আৰু সংৰক্ষণকাৰী) আৰু খালিকুল-কুল (সৰ্বস্ৰষ্টা) খোদা আছে, যিজনা নিজৰ গুণাৱলীত অনন্ত, অনাদি আৰু অপৰিবৰ্তনীয়। সেইজনা কাৰো পুত্ৰ নহয় আৰু কোনোবাই তাৰ পুত্ৰ নহয়, ক্ৰুছ বিদ্ধ হোৱা আৰু মৃত্যুৰ পৰা মুক্ত তেওঁ। সি এনেকুৱা এটা সত্ত্বা যে দুৰত থাকিলেও নিচেই কাষত আৰু কাষত থাকিও দুৰত। তেওঁ একক হলেও তাৰ জ্যোতিৰ প্ৰকাশ বিভিন্ন। মানৱৰ মাজত যেতিয়া এটা নৱ পৰিবৰ্তনৰ সুচনা হয় তেতিয়া তেওঁ সিহঁতৰ নিমিত্তে এক নতুন খোদা হৈ পৰে আৰু এটা নতুন দীপ্তিৰ সৈতে সিহঁতৰ লগত আচৰণ কৰে। মানুহে নিজৰ পৰিবৰ্তন অনুপাতে খোদা তা'লাৰ মাজতো এটা পৰিবৰ্তন দেখিব পাৰে। কিন্তু এনেকুৱা হ'ব নোৱাৰে যে খোদা তা'লাৰ কোনো পৰিবৰ্তন ঘটিছে; বৰং তেওঁ অনাদি কালৰ পৰাই অপৰিবৰ্তনীয় আৰু পূৰ্ণ শক্তিৰ অধিকাৰী। কিন্তু যেতিয়া মানুহৰ পৰিবৰ্তন নেকিৰ ফালে ধাৱমান হয় তেতিয়া খোদা তা'লা এক নৱজ্যোতিৰ সৈতে তাৰ ওচৰত প্ৰকাশিত হয় । মানুহৰ প্ৰত্যেকটো উৎকৰ্ষতা বিকাশৰ সময়ত খোদা তা'লাৰ শক্তিৰ জ্যোতিও উন্নত মানেৰে প্ৰস্ফুটিত হয় য'ত অসাধাৰণ পৰিবৰ্তন সংগঠিত হয় তাতেই খোদা তা'লা অসাধাৰণ কুদৰত প্ৰদৰ্শন কৰি থাকে। অলৌকিক লীলা আৰু মু'জিজাৰ (অলৌকিক ক্ৰিয়া) এয়াই হ'ল প্ৰকৃত মূল।

খোদা তা'লাৰ ওপৰত এনেকুৱা বিশ্বাস স্থাপন কৰাটো হ'ল আমাৰ ছিলছিলাৰ চৰ্ত। তাৰ ওপৰত বিশ্বাস স্থাপন কৰা, আৰু নিজৰ প্ৰাণ, আৰাম আদি সকলো বিষয়ৰ শীৰ্ষত তাক বিশ্বস্ততা প্ৰদৰ্শন কৰা। জগত

বাসীয়ে নিজৰ নিজৰ সম্পদ আৰু বন্ধু-বান্ধৱ সকলতকৈ খোদা তা'লাক বেছি প্ৰাধান্য নিদিয়ে। কিন্তু তোমালোকে খোদাক প্ৰাধান্য দিয়া যাতে আচমানত তোমালোকে তাৰ জমাতভূক্ত বুলি গণ্য হ'ব পাৰা। ৰহমতৰ (দয়াৰ) নিদৰ্শন দেখুৱাটো আদিকালৰ পৰাই খোদা তা'লাৰ নীতি। কিন্তু তোমালোকে এই নীতিৰে তেতিয়াহে উপকৃত হ'ব পাৰিবা যেতিয়া তাৰ আৰু তোমাৰ মাজত দুৰত্ব বিলীন হ'ব আৰু তোমাৰ সন্তুষ্টি তাৰ সন্তুষ্টিত আৰু তোমাৰ ইচ্ছা তাৰ ইচ্ছাত দ্ৰবিত হ'ব। আনহাতে প্ৰত্যেক সফলতা আৰু বিফলতাৰ সময়ত তোমালোকৰ শিৰ তাৰ আস্থানত নত থাকিব যেনিবা তেওঁ যি ইচ্ছা তাকেই কৰে। যদি তোমালোকে এনেকুৱা হ'ব পাৰা তেনেহলে খোদা তোমালোকৰ আগত নিজকে প্ৰকাশ কৰিব, যিজনাই এক দীৰ্ঘকাল ধৰি নিজৰ ছবি লুকুৱাই ৰাখিছে। তোমালোকৰ মাজতে এনেকুৱা কোনোবা আছেনে যে এই উপদেশ মতে কাৰ্য কৰিব আৰু খোদাৰ সন্তুষ্টি লাভৰ আশা কৰিব আৰু তাৰ কাযা ও কদৰত (ৰায় আৰু নিয়তিত) অসন্তুষ্ট নহ'বলৈ সাজু আছে ?

গতিকে বিপদৰ উমান পালে তোমালোকে সন্মুখলৈ আগুৱাই যাবা কাৰণ এয়াই হ'ল তোমালোকৰ উন্নতিৰ উপায়। তাৰ তৌহিদ পৃথিৱীত প্ৰচাৰ কৰিবলৈ নিজৰ সকলো শক্তি প্ৰয়োগ কৰিবা। খোদাৰ ভৃত্য সকলৰ প্ৰতি দয়া কৰিবা আৰু তেওঁলোকক নিজৰ জিভা, হাত আদিৰ দ্বাৰা অথবা বেলেগ কোনো উপায়েৰে উৎপীড়ন নকৰিবা, সৃষ্টি জীৱৰ উপকাৰ সাধনাৰ্থে সচেতন থাকিবা। কাৰো প্ৰতি, সি তোমাৰ অধীন হলেও অহঙ্কাৰ নেদেখুৱাবা আৰু কোনোবাই গালি পাৰিলেও, তুমি গালি নাপাৰিবা। নম্ৰ, সহিষ্ণু, সৎ, উদ্দেশ্য পৰায়ণ আৰু সৃষ্টি জীৱৰ প্ৰতি সহানুভুতিশীল হ'বা, যাতে খোদা তা'লাৰ ওচৰত গ্ৰহণযোগ্য হ'ব পাৰা। বহুজনেই এনেকুৱা আছে যিবিলাকে বাহিৰত ধৈৰ্যশীল, কিন্তু অন্তৰখন আবৰ্জনা সদৃশ। আকৌ বহুজনেই এনেকুৱা আছে যে বাহিৰত সহজ-সৰল কিন্তু ভিতৰত সৰ্প

সদৃশ। গতিকে কেতিয়াও তাৰ (খোদাৰ) ওচৰত গ্ৰহণযোগ্য নহ'বা যেতিয়ালৈকে তোমালোকৰ বাহ্যিক আৰু আভ্যন্তৰীণ অৱস্থা একে নহয়। ডাঙৰ হৈ সৰুক অৱজ্ঞা নকৰিবা, তাৰ প্ৰতি দয়া প্ৰদৰ্শন কৰিবা। নিজে বিদ্বান হলে, বিদ্যাহীনক আত্মগৰিমাত ডুবি অৱমাননা নকৰি সজ উপদেশ দিবা। ধনী হলে দুখীয়ালৈ অহংকাৰ নকৰি সিহঁতৰ সেৱা কৰিবা। ধ্বংসৰ বাটৰ পৰা সতৰ্ক থাকিবা। সদায় আল্লাহ তা'লাৰ ভয় হৃদয়ত ৰাখি তাকওৱা অৱলম্বন কৰিবা। কোনো সৃষ্টি জীৱৰ উপাসনা নকৰিবা, নিজৰ প্ৰভু প্ৰতিপালকৰ প্ৰতি নিষ্ঠাবান হ'বা। সংসাৰৰ মোহৰ পৰা মুক্ত থাকিবা আৰু ইয়াৰ বাবে সকলো ধৰণৰ অপৱিত্ৰতা আৰু পাপক ঘৃণা কৰিবা; কাৰণ তেওঁ (খোদা) পৱিত্ৰ। প্ৰত্যেক প্ৰভাতে যেন তোমাৰ বাবে সাক্ষী দিয়ে যে তুমি তাকওৱাৰ সৈতে ৰাতি যাপন কৰিছা আৰু প্ৰত্যেক সন্ধিয়াই যেন সাক্ষী দিয়ে যে তুমি খোদা তা'লাৰ ভয় ভীতিৰে দিন অতিবাহিত কৰিছা। জগতখনৰ অভিশাপক ভয় নকৰিবা, কাৰণ এয়া চকুৰ পচাৰতে ধোঁৱাৰ দৰে লীন হৈ যাব। সেইবোৰে দিনক ৰাতিলৈ সলনি কৰিব নোৱাৰে। বৰং তোমালোকে আল্লাহৰ অভিসম্পাতক ভয় কৰা, যিটো আচমানৰ পৰা অৱতীৰ্ণ হয় আৰু যাৰ ওপৰত নিপতিত হয়, তাৰ উভয় জগতক সমুলঞ্চে বিনাশ কৰি দিয়ে। তুমি ছলনাৰে নিজকে ৰক্ষা কৰিব নোৱাৰা, কাৰণ যিজনা তোমালোকৰ খোদা, তেওঁ মানৱ হৃদয়ৰ গভীৰ পাতাল লৈকে দেখিবলৈ পায়। তোমালোকে তাক (খোদাক) প্ৰতাৰণা কৰিব পাৰিবানে ? গতিকে তোমালোকে সহজ, সৰল, নিৰ্মল, পৱিত্ৰ চিত্তৰ গৰাকী হোৱা। যদি তোমালোকৰ হৃদয়ত অনু-পৰামাণু সম অন্ধকাৰ (এন্ধাৰ) ৰৈ থাকে তেন্তে সেই সামান্য এন্ধাৰেই তোমালোকৰ হৃদয়ৰ সকলো কিৰণক এন্ধাৰলৈ সলনি কৰি দিব। যদি তোমালোকৰ মাজত সামান্য পৰিমাণেও অহঙ্কাৰ, কপটতা, আত্মশ্লাঘা আৰু হেমাহি বিদ্ধমান থাকে তেন্তে কোনো পধ্যেই তোমালোকে খোদা তা'লাৰ ওচৰত গ্ৰহণযোগ্য

হ'ব নোৱাৰিবা। এনেকুৱা যাতে নহয় যে কেইটামান কথা শিকি লৈ তোমালোকে আত্ম প্ৰৱঞ্চনা কৰা যে আমাৰ যিখিনি কৰিবলগীয়া আছিল সেয়া কৰিছোঁ কাৰণ খোদা তা'লা বিচাৰে যে যাতে তোমালোকৰ জীৱনত এটা আমুল পৰিবৰ্তন সাধিত হয়। তেওঁ (খোদা) তোমালোকৰ পৰা এটা মৃত্যু বিচাৰে, যাৰ পিছত তেওঁ তোমালোকৰ এক নৱ জীৱন দান কৰিব। অতি সোনকালে তোমালোকে পাৰস্পৰিক বিবাদৰ অন্ত পেলোৱা আৰু নিজৰ ভাইসকলৰ অপৰাধ মাৰ্জনা কৰি দিয়া। কাৰণ যিজনে নিজৰ ভাইসকলৰ সৈতে বিবাদ নিষ্পত্তি কৰিবলৈ সন্মত নহয় তাক বিচ্ছিন্ন কৰি দিয়া হ'ব কিয়নো তেওঁ বিভেদৰ সৃষ্টিকাৰী। তোমালোকে নিজৰ প্ৰবৃত্তিৰ দাসত্ব কৰা সমুলি ত্যাগ কৰা আৰু পাৰস্পৰিক মনোমালিন্য দুৰ কৰা। সত্যবাদী হৈ নিজকে মিছলীয়াৰ দৰে দুৰ্বল জ্ঞান কৰা যাতে তোমালোকক মাৰ্জনা কৰা হয়। ৰিপুৰস্থুলতা বৰ্জন কৰা (অৰ্থাৎ প্ৰবৃত্তিৰ প্ৰৱঞ্চনাত মোহিত নহবা) কাৰণ যি দুৱাৰেদি তোমালোকক মাতা হৈছে, সেইখন দুৱাৰেদি কোনো স্থুল-ৰিপু বিশিষ্ট ব্যক্তি প্ৰৱেশ কৰিব নোৱাৰে। কিমান যে দুৰ্ভগীয়া সেইজন ব্যক্তি ! যিজনে আল্লাহৰ বাণী, যিবোৰ মোৰ দ্বাৰা প্ৰচাৰ হৈ আছে, সেয়া অমান্য কৰে। তোমালোকে যদি বিচৰা যে, আচমানত আল্লাহ তা'লা তোমালোকৰ ওপৰত সন্তুষ্ট থাকক, তেন্তে তোমালোকে পৰস্পৰে সহোদৰ দুই ভাই ককাইৰ দৰে মিলি যোৱা। তোমালোকৰ মাজত সেইজনেই অধিক মহৎ, যিজনে নিজৰ ভায়েকৰ অপৰাধ বেছি ক্ষমা কৰে আৰু দুৰ্ভগীয়া হ'ল সেইজন যিজনে অহংকাৰতে ক্ষমা নকৰে। গতিকে তেনে লোকৰ সৈতে মোৰ সম্পৰ্ক নাই। খোদা তা'লাৰ অভিশাপৰ প্ৰতি অধিক ভীত থাকিবা, কিয়নো তেওঁ বৰ পৱিত্ৰ আৰু আত্ম-মৰ্যদাভিমানী। পাপাচাৰীয়ে খোদা তা'লাৰ সান্নিধ্য লভিব নোৱাৰে, অহঙ্কাৰীয়ে তাৰ নৈকট্য লাভ কৰিব নোৱাৰে, অত্যাচাৰীয়ে খোদাৰ নৈকট্য লভিব নোৱাৰে, বিশ্বাস ঘাতক সকলে তাৰ নৈকট্য লাভ কৰিব নোৱাৰে আৰু যিজনে খোদা

তা'লাৰ নামৰ সন্মান ৰক্ষা কৰিব নোৱাৰে বা ৰক্ষা কৰিবলৈ আগ্ৰহী নহয় তেওঁ খোদাৰ নৈকট্য লাভ কৰিব নোৱাৰে। কুকুৰ, পৰুৱা বা শগুণৰ দৰে যিবিলাকে সংসাৰৰ মোহত লিপ্ত আৰু সংসাৰৰ আৰামত নিমগ্ন তেওঁলোকেও খোদাৰ সান্নিধ্য লাভ কৰিব নোৱাৰে। প্ৰত্যেক অপৱিত্ৰ চকু খোদাৰ পৰা আঁতৰত। প্ৰত্যেক পাপাসক্ত মন খোদা সম্পৰ্কে অজ্ঞ। যিজনে তাৰ খোদাৰ নিমিত্তে অগ্নিত দগ্ধ হৈ আছে তাক অগ্নিৰ পৰা মুক্তি দিয়া হ'ব; যিজনে তাৰ বাবে কান্দি থাকে তেওঁ হাঁহিব। যিজনে তাৰ খোদাৰ নিমিত্তে পাৰ্থিৱতাক বিসৰ্জন দিয়ে সি তেওঁক লাভ কৰিব। তোমালোকে সত্য, সততা আৰু একনিষ্ঠাতাৰে আগুৱাই গৈ খোদা তা'লাৰ বন্ধু হৈ যোৱা, তেওঁ যাতে তোমালোকৰ বন্ধু হৈ পৰে। তোমালোকে নিজৰ অধীনস্থ সকলৰ প্ৰতি আৰু নিজৰ স্ত্ৰী সকল আৰু দৰিদ্ৰ ভাই সকলৰ প্ৰতি দয়ালু হোৱা, যাতে আকাশত খোদা তা'লা তোমালোকৰ ওপৰত দয়া প্ৰদৰ্শন কৰে। তোমালোকে যথাৰ্থ ভাৱে তেওঁৰ হৈ যোৱা; যাতে তেওঁ তোমালোকৰ হৈ যায়। পৃথিৱীখন বৰ বিপদৰ ঠাই তাৰে মাজত প্লেগও এটা বিপদ। গতিকে নিষ্ঠাৰে সৈতে তোমালোকে তাক জাবুৰি (সাৱটি) ধৰা যাতে তেওঁ এই বিপদসমূহ তোমালোকৰ পৰা আঁতৰত ৰাখে। স্বৰ্গৰ পৰা আদেশ জাৰি নোহোৱালৈকে পৃথিৱীত কোনো বিপদে দেখা নিদিয়ে। তেনেকৈ কোনো দুৰ্দশাও দূৰীভূত নহয় যেতিয়ালৈকে আকাশৰ পৰা তাৰ দয়া বৰ্ষিত নহয়। গতিকে তোমালোকৰ প্ৰজ্ঞা সন্মত কামৰ পৰিচয় হ'ব এয়া যে তোমালোকে ডালক নধৰি মূল কাণ্ডক ধৰি ৰখা। ঔষধ আৰু অন্যান্য ব্যৱস্থা তোমালোকৰ বাবে নিষিদ্ধ নহয়, কিন্তু সেইবোৰৰ ওপৰত সম্পূৰ্ণ ৰূপে নিৰ্ভৰ কৰা নিষেধ। খোদা তা'লাৰ যি ইচ্ছা অৱশেষত সেয়াই ঘটিব। যদি কোনোবায় আল্লাহৰ ওপৰত পূৰ্ণ নিৰ্ভৰতাৰ সামৰ্থ ৰাখে তেন্তে সেই নিৰ্ভৰতাৰ স্থান হ'ল সৰ্বোচ্চ। তোমালোকৰ নিমিত্তে আৰু জৰুৰী শিক্ষা হ'ল এই যে কোৰাণ চৰিফক পৰিত্যক্ত বস্তুৰ দৰে পেলাই

নেৰাখিবা, কাৰণ ইয়াৰ মাজতেই তোমালোকৰ জীৱন নিহিত হৈ আছে। যিসকলে কোৰাণ চৰিফক সন্মান কৰিব, তেওঁলোকে স্বৰ্গত সন্মান লাভ কৰিব। যিসকলে কোৰাণ কৰিমক প্ৰত্যেক হাদীছ আৰু উক্তিতকৈ বেছি প্ৰাধান্য দিব। স্বৰ্গত তেওঁলোকক প্ৰাধান্য দিয়া হ'ব। মানৱ জাতিৰ নিমিত্তে ধৰাধামত আজি কোৰাণৰ বাহিৰে অইন কোনো গ্ৰন্থ নাই, আৰু সকলো আদম সন্তানৰ নিমিত্তে বৰ্তমানে মহম্মদ মোস্তফা (ছাঃ)ৰ বাহিৰে অইন কোনো ৰছুল বা শ্বাফী (মধ্যস্থতাকাৰী) নাই। গতিকে তোমালোকে সেই মহা গৌৰান্বিত আৰু প্ৰতাপী নবীৰ সৈতে সঁচা প্ৰেমৰ এনাজৰীত আবদ্ধ হোৱাৰ বাবে চেষ্টা কৰা আৰু অইন কোনো এজনক তেখেতৰ ওপৰত কোনো ধৰণৰ শ্ৰেষ্ঠত্ব প্ৰদান নকৰিবা বা যাতে স্বৰ্গত তোমালোকে মুক্তি প্ৰাপ্ত বুলি পৰিগণিত হ'ব পাৰা।

মনত ৰাখিবা যে মুক্তি প্ৰাপ্ত সেই বস্তুৰ নাম নহয়, যি মৃত্যুৰ পিছত প্ৰকাশ পাব বৰং প্ৰকৃত মুক্তি হ'ল সেয়া যি এই ধৰাপৃষ্ঠাতেই নিজৰ কিৰণ বিচ্ছুৰিত কৰি থাকে। মুক্তিপ্ৰাপ্ত কোনে ? মুক্তি প্ৰাপ্ত হ'ল সেইজন ব্যক্তি যিজনে দৃঢ় বিশ্বাস ৰাখে যে আল্লাহ সত্য আৰু মহম্মদ (ছাঃ) তাৰ আৰু তেওঁৰ সকলো সৃষ্টি জীৱৰ মধ্যৱৰ্তী মধ্যস্থতা আৰু আকাশ মণ্ডলীৰ তলত তেখেতৰ সম মৰ্যাদা সম্পন্ন অইন কোনো ৰছুল নাই। কোৰাণ চৰিফৰ সমতুল্য বেলেগ কোনো কিতাপ নাই। খোদা তা'লা বেলেগ কোনো এজনকও (আধ্যাত্মিক ভাৱে) চিৰকাল জীয়াই ৰাখিবলৈ ইচ্ছা কৰা নাই; কিন্তু এই মনোনীত নবী (ছাঃ) চিৰকালৰ বাবে অমৰ। তেখেত (ছাঃ) অমৰ থকাৰ নিমিত্তে খোদা তা'লা এই ব্যৱস্থা কৰিছে যে তেখেত (ছাঃ)ৰ লৈ অনা চৰিয়ত সন্মত আধ্যাত্মিক কল্যাণ কিয়ামতলৈ প্ৰবাহমান ৰাখিছে। অৱশেষত তেখেত (ছাঃ)ৰ ৰূহানি (আধ্যাত্মিক) কল্যাণৰ ক্ৰমাংকত খোদা তা'লা এই প্ৰতিশ্ৰুত মছীহক ধৰাধামত প্ৰেৰণ কৰিছে, যাৰ আগমন ইছলামৰ সৌন্দৰ্য সম্পূৰ্ণ কৰিবলৈ প্ৰয়োজন আছিল কিয়নো পৃথিৱীখন

লয় হৈ যোৱাৰ আগত মহম্মদী ছিলছিলাৰ নিমিত্তে আধ্যাত্মিক গুণাৱলী সম্পন্ন এজন মছীহ (প্ৰেৰণৰ অতি আৱশ্যক আছিল, যেনেকৈ মুছা (আঃ)ৰ ছিলছিলাৰ নিমিত্তে এনেকুৱা কৰা হৈছিল। এই ভাৱ তত্ত্বৰ ফালে (কোৰাণ চৰিফৰ) এই আয়াতে ইঙ্গিত বহন কৰি আছে,

اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ۙ۝۶ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ۬ (1:6-7)

অৰ্থাৎ আমাক সজ বাটেদি পৰিচালিত কৰা, তেওঁলোকৰ বাটেদি যিসকলক তুমি পুৰস্কৃত কৰিছা।

হজৰত মুছা (আঃ)য়ে তেখেতৰ পূৰ্বৰ জাতিবিলাক হেৰুৱাই পেলোৱা ধন বুটলি পাইছিল। ঠিক তেনেকৈ হজৰত মহম্মদ (ছাঃ)য়ে সেই ধনৰ অধিকাৰী হৈছে। যি হজৰত মুছা (আঃ)ৰ অনুচৰ বৰ্গই হেৰাই পেলাইছিল। এই হিচাপে মহম্মদী ছিলছিলা মুছাই ছিলছিলাৰ স্থলাভিষিক্ত। কিন্তু মৰ্যাদাৰ মাপ কাঠিত তাতকৈ শ শ গুণে উচ্চ। যেনেকৈ মুছা সদৃশ হজৰত মহম্মদ (ছাঃ) মুছা (আঃ)তকৈ মৰ্যাদাৰ ক্ষেত্ৰত উচ্চ, ঠিক তেনেকৈ মৰিয়মৰ পুত্ৰ ঈছা সদৃশ প্ৰতিশ্ৰুত মছীহ মৰিয়মৰ পুত্ৰ ঈছাতকৈ মৰ্যাদাৰ ক্ষেত্ৰত উচ্চ। সেই প্ৰতিশ্ৰুতি প্ৰাপ্ত মছীহ কেৱল সময়ৰ জোখেৰেই আঁ-হজৰত (ছাঃ)ৰ পিছত চৈধ্যশ বছৰত গৈ আৱিৰ্ভূত হৈছিল; বৰং তেখেত বৰ্তমানে এনেকুৱা এটা পতনমুখী অৱস্থাত আৱৰ্ভিূত হৈছে যে মুছলমান সম্প্ৰদায়ৰ অৱস্থাত হজৰত ঈছা (আঃ)ৰ আগমনৰ সময়ত থকা ইহুদী সকলৰ অৱস্থাত হজৰত ঈছা (আঃ)ৰ আগমনৰ সময়ত থকা ইহুদী সকলৰ অৱস্থাৰ পুনৰাবৃত্তি ঘটিছে। গতিকে মইয়েই সেই প্ৰতিশ্ৰুতি প্ৰাপ্ত মছীহ।

আল্লাহ তা'লা যি ইচ্ছা তাকেই কৰে। মূৰ্খ হ'ল সেইজন যিজনে খোদা তা'লাৰ বিৰোধীতা কৰে আৰু সেই ব্যক্তি হ'ল নিৰ্বোধ যিজনে খোদা তা'লাৰ বিৰুদ্ধাচৰণ কৰি আপত্তি দৰ্শায় যে এনেকুৱা নহয়, বৰং

এনেকুৱা হোৱা উচিত আছিল।

আল্লাহ তা'লা মোক উজ্জ্বল নিদর্শন সমূহৰ সৈতে প্ৰেৰণ কৰিছে, যিবোৰৰ সংখ্যা দহ হেজাৰতকৈও বেছি হ'ব। এইবোৰৰ মাজত প্লেগও এটা নিদর্শন।

গতিকে যিজনে মোৰ ওচৰত প্ৰকৃত বয়াত গ্ৰহণ কৰি সৰল অন্তৰেৰে মোৰ আনুগত্য বজাই ৰাখে আৰু মোৰ আনুগত্যত বিলীন হৈ নিজৰ কামনা বাসনা সমূলি পৰিত্যাগ কৰে, সেই ব্যক্তিবোৰকেই এই বিপৰ্যন্ত সময়ত মোৰ ৰূহে মধ্যস্থতা কৰিব। গতিকে হে লোক সকল ! যিবিলাকে নিজকে মোৰ জামাতৰ অন্তৰ্ভুক্ত বুলি গন্য কৰা, আচমানত তোমালোকে তেতিয়াহে মোৰ জামাতভুক্ত বুলি চিহ্নিত হ'ব পাৰিবা, যেতিয়া তোমালোকে প্ৰকৃতাৰ্থে তাকৱাৰ বাটত আগবাঢ়ি যাবা। গতিকে তোমালোকে নিজৰ নিজৰ নামাজ (পাঁচ ওয়াক্ত) এনেকুৱা ভীতি আৰু একান্ত মনেৰে পঢ়িবা যেনিবা তোমালোকে খোদা তা'লাক প্ৰত্যক্ষ ভাৱে দেখি আছা। নিজৰ ৰোজা আল্লাহৰ উদ্দেশ্যে একনিষ্ঠতাৰে পালন কৰিবা। যিসকলে জাকাত প্ৰদানৰ উপযুক্ত তেওঁলোকে জাকাত দিবা। যিসকলৰ নিমিত্তে হজ্ব ফৰজ হৈছে আৰু সেয়া পালন কৰাত কোনো অসুবিধা নাথাকিলে তেওঁলোকে হজ্ব কৰিব। সকলো নেক (পুণ্য) কাম সুচাৰুৰূপে সম্পন্ন কৰিবা আৰু পাপক ঘৃণাৰে বৰ্জন কৰিবা। নিশ্চয় মনত ৰাখিবা যে কোনো কামেই আল্লাহৰ ওচৰলৈ ঢুকি নাপায়, য'ত তাকৱা নাই। প্ৰত্যেকটো সজ কামৰ মূল ভেটি হ'ল তাকৱা। যি কামত এই মূলৰ ধ্বংস নহয়, সেই কামও কেতিয়াও ধ্বংস নহয়। এয়া নিশ্চিত যে তোমালোকে বিভিন্ন প্ৰকাৰৰ দুঃখ কষ্ট লাঞ্ছনা আদিৰ পৰীক্ষা দিব লাগিব। যেনেকৈ পূৰ্বৰ মোমিন সকলে দিব লাগিছিল। গতিকে সাৱধান ! এনেকুৱা যেন নহয় যে তোমালোকে প্ৰতাৰিত হোৱা। জগতখনে তোমালোকৰ একো ক্ষতি কৰিব নোৱাৰে যদি আকাশৰ (খোদাৰ) সৈতে তোমালোকৰ ভাল সম্পৰ্ক থাকে।

তোমালোকৰ নিজৰ ক্ষতি নিজৰ হাততেই হ'ব শত্ৰুৰ হাতত নহয়। তোমালোকৰ এই পাৰ্থিৱ সন্মানৰ যদি হানি হয় তেন্তে খোদা তোমালোকৰ সৰগত এটা অক্ষয় সন্মান দান কৰিব। সেই কাৰণে তোমালোকে তাক এৰি নিদিবা। হয়তো তোমালোকক দুঃখ দিয়া হ'ব আৰু বহুতো আশা নিৰাশাত পৰিণত কৰা হ'ব। কিন্তু এনেকুৱা অৱস্থাত তোমালোকে খেদ নকৰিবা কিয়নো খোদা তোমালোকৰ পৰীক্ষা কৰি চাব বিচাৰে। তোমালোকে তাৰ বাটত অবিচল আছা নে নাই। যদি তোমালোকে ইচ্ছা কৰা যে সৰগত ফিৰিস্তা সকলে তোমালোকৰ প্ৰশংসা কৰি থাকক তেন্তে প্ৰহাৰিত হৈওঁ তোমালোকে সন্তুষ্ট থাকিবা, গালি-শপনি শুনিও কৃতজ্ঞতা প্ৰকাশ কৰিবা আৰু বিফলতা প্ৰত্যক্ষ কৰিও আল্লাহৰ সৈতে তোমালোকে সম্পৰ্ক ছিন্ন নকৰিবা। তোমালোকে সেই পৱিত্ৰ আমল সম্পাদন কৰা, যাৰ উৎকৰ্ষতা চৰম পৰ্যায়লৈ পাইছেগৈ। তোমালোকৰ মাজত যদি কোনোবাই এলেহুৱা হৈ পৰে তেন্তে তাক ঘৃণীত দ্ৰব্যৰ দৰে জমাতৰ বাহিৰলৈ দলিয়াই পেলোৱা হ'ব আৰু আক্ষিপ্ত হৈ তেওঁৰ মৃত্যু ঘটিব। তেওঁ আল্লাহ তা'লাৰ একো ক্ষতি সাধন কৰিব নোৱাৰে। চোৱা ! মই নথৈ আনন্দৰ সৈতে তোমালোকক এয়া জনাই আছো যে সঁচাকৈয়ে তোমালোকৰ খোদা বৰ্তমান আছে। যদিও সকলোৱে তাৰেই সৃজিত, তথাপি তেওঁ সেইজনক মনোনীত কৰে, যিজনে তাক মনোনীত কৰে। যিজনে তাক অন্বেষণ কৰে, তেওঁ তাৰেই কাষত যায়। যিয়ে তাক সন্মান দিয়ে তেওঁ তাকেই সন্মান দান কৰে।

তোমালোকে নিজৰ মনটোক সজ, সৰল বনাই আৰু জিভা, চকু আৰু কাণক গুচি কৰি তাৰ (খোদাৰ) ফালে আগুৱাই যোৱা, তেতিয়াহে তেওঁ তোমালোকক আদৰি ল'ব।

ধৰ্ম বিশ্বাস সম্পৰ্কে খোদা তা'লা তোমালোকৰ পৰা যি বিচাৰে সেয়া হ'ল তোমালোকে যেন বিশ্বাস কৰা যে আল্লাহ এক, মহম্মদ (ছাঃ) তাৰ প্ৰেৰিত ৰছুল আৰু খাতামুল আম্বিয়া আৰু সকলো নবী সকলতকৈ শ্ৰেষ্ঠ।

কিন্তু ছাঁ স্বৰূপ মহম্মদীয়তৰ চাদৰ যিজনক পিন্ধোৱা হৈছে সেইজনৰ বাহিৰে বেলেগ কোনো নবী তেখেত (ছাঃ)ৰ পিছত আৰু আহিব নোৱাৰে। কাৰণ দাস নিজৰ মালিক (প্ৰভু)ৰ পৰা আৰু ডাল নিজৰ কাণ্ডৰ পৰা পৃথক নহয়। এনেদৰে যিজনে নিজৰ প্ৰভুৰ মাজত আত্মবিলীন কৰি খোদা তা'লাৰ পৰা নবী উপাধিত ভূষিত হয়, সেই ব্যক্তিয়ে খাতামে নবুয়তৰ কোনো সাল-সলনি নঘটায়। যেনেকৈ তুমি আৰ্চি এখনত নিজৰ ছবি বা আকৃতি দেখিলে দুটা পৃথক সত্তা নোহোৱা। দেখাত দুজন যেন লাগিলেও প্ৰকৃততে এজনেই, পাৰ্থক্য মাত্ৰ আচল আৰু প্ৰতিবিম্বহে মাথোন। গতিকে খোদা তা'লা মছীহ মাওউদৰ বেলিকাও এনেকুৱাই ইচ্ছা কৰিছে। এয়াই হ'ল সেই কথাখিনিৰ গূঢ়াৰ্থ যি আঁ-হজৰত (ছাঃ)য়ে কৈছে যে মছীহ মাওউদ মোৰ কবৰত সমাধিস্থ হ'ব। অৰ্থাৎ তেওঁ মইয়েই আৰু মই একে আৰু অভিন্ন। তোমালোকে জানি থোৱা যে ঈছা ইবনে মৰিয়ম মৃত্যু বৰণ কৰিছে আৰু কাশ্মীৰৰ শ্ৰীনগৰৰ মহল্লা খানইয়াৰত* তাৰ সমাধি বিদ্যমান আছে। খোদা তা'লা তাৰ প্ৰিয় গ্ৰন্থ কোৰাণ চৰিফত ঈছা (আঃ)ৰ মৃত্যুৰ সংবাদ দিছে। যদি সেই বিলাক আয়াতৰ অৰ্থ মৃত্যুৰ বাহিৰে বেলেগ কিবাকিবি হয় তেন্তে কোৰাণ চৰিফত ঈছা ইবনে মৰিয়মৰ মৃত্যুৰ সংবাদ ক'ত দিয়া হৈছে? মৃত্যু সম্পৰ্কে যিবোৰ আয়াত আছে, মোৰ বিৰুদ্ধবাদী সকলৰ মতে যদি সেইবোৰ আয়াতৰ বেলেগ অৰ্থ হয় তেন্তে অনুমান হয় যে কোৰাণ চৰিফত ঈছা (আঃ)ৰ মৃত্যু সম্পৰ্কে কতো উল্লেখ নাই যে তাৰ কেতিয়াবা মৰিব লাগিব নে নাই। খোদা তা'লা আমাৰ নবী কৰিম (ছাঃ)ৰ মৃত্যুৰ সংবাদ দিছে, কিন্তু গোটা কোৰাণ চৰিফখনত ঈছা (আঃ)ৰ মৃত্যুৰ খবৰ দিয়া নাই, ইয়াৰ গূঢ়াৰ্থ কি ? যদি কোৱা হয় যে এই

*টোকা ঃ খ্ৰীষ্টান পণ্ডিত সকলেও এই মতবাদ সমৰ্থন কৰিছে। Super (Natural Religion: 522 p)

আয়াতত ঈছা (আঃ)ৰ মৃত্যুৰ খবৰ দিয়া হৈছে,

(5:118) فَلَمَّا تَوَفَّيْتَنِي كُنْتَ اَنْتَ الرَّقِيْبَ عَلَيْهِمْ [1]

অনুবাদ ঃ যেতিয়া তুমি মোৰ মৃত্যু ঘটালা, তুমিয়েই সিহঁতৰ ৰক্ষক থাকিলা। চুৰা মাইদা আয়াত ১১৮ (অনুবাদক)

উক্ত আয়াতে স্পষ্ট ভাৱে ঘোষণা কৰিবলৈ লৈছে যে খ্ৰীষ্টান সকলে আওবাটে যোৱাৰ আগতেই তেখেত মৃত্যু বৰণ কৰিছে। ইয়াৰ বিপৰীতে যদি فَلَمَّا تَوَفَّيْتَنِي আয়াতৰ এই অৰ্থ লোৱা হয় যে ঈছা (আঃ)ক দৈহিক শৰীৰতেই আকাশলৈ উত্তোলন কৰা হৈছে তেন্তে খোদা তা'লাই এনেকুৱা ব্যক্তিৰ মৃত্যুৰ খবৰ গোটেই কোৰাণৰ কতো লিখা নাই কিয় ? যাৰ জীয়াই থকাৰ বিশ্বাসে লাখ লাখ মানুহক আওবাটতে নি ধ্বংস কৰি দিছে। উক্ত কথাখিনিত এয়াই সুচায় যে যেনিবা খোদা তা'লা মানৱক মুশৰিক আৰু বেদীন বনোৱাৰ উদ্দেশ্যে ঈছা (আঃ)ক এনদেৰে জীয়াই থাকিবলৈ দিছে। এয়া যেনিবা মানুহৰ ভুল নহয় বৰং খোদা তা'লা নিজে তেওঁলোকক আওবাটে পৰিচালিত কৰিবলৈ এইবোৰ ঘটনা সংগঠিত কৰিছে। বিশেষ ভাৱে মনত ৰাখিবা যে ঈছা (আঃ)ৰ মৃত্যু অবিহনে ক্ৰুছীয় মতবাদৰ বিলুপ্তি ঘটিব নোৱাৰে। এনেকুৱা পৰিস্থিতিৰ সন্ধিক্ষণত

---

**1:** এই আয়াতৰ পৰা বুজা যায় যে হজৰত ঈছা (আঃ) ভৱিষ্যতলৈ আকৌ পৃথিৱীলৈ প্ৰত্যাগমন নকৰে। কাৰণ যদি তেখেতে পৃথিৱীলৈ প্ৰত্যাগমন কৰিলেহেঁতেন তেন্তে তেখেতৰ উত্তৰ এয়া নহলহেঁতেন যে মই খ্ৰীষ্টান সকলৰ আওবাটলৈ যোৱাৰ খবৰ নাজানো যি সম্পূৰ্ণ ভাৱে মিছা প্ৰতিপন্ন হ'ব। তেখেতে দ্বিতীয় বাৰ পৃথিৱীত আহি ৪০ বছৰ কাল থাকিব আৰু কোটি কোটি খ্ৰীষ্টান সকলে তেখেতক খোদা হিচাপে বিশ্বাস কৰাটো চাব, তেখেতে কেনেকৈ কিয়ামতৰ দিনা খোদা তা'লাৰ ওচৰত ক'ব পাৰিব যে খ্ৰীষ্টান সকলে আওবাটে যোৱাৰ খবৰ মই নাজানো।

কোৰাণৰ শিক্ষাৰ বিৰুদ্ধে গৈ তেখেত (আঃ)ক জীয়াই থকা বুলি ভাৰি কি লাভ আছে ? তেখেত (আঃ)ক মৰিবলৈ দিয়া, যাতে ইছলাম ধৰ্ম জীয়াই থাকে।

খোদা তা'লা নিজৰ আয়াতত মছীহ (আঃ)ৰ মৃত্যুৰ কথা প্ৰকাশ কৰিছে আৰু ৰছুলুল্লাহ (ছাঃ)য়ে মি'ৰাজলৈ (আধ্যাত্মিক ভ্ৰমণ) যোৱা ৰাতিত বাটতে অন্যান্য মৃত ব্যক্তি সকলৰ দৰে এখেত (আঃ)কও দেখা পাইছিল। এতিয়াও তোমালোকে বিশ্বাস কৰিব নিবিচৰানে ? এয়া তোমালোকৰ কেনেকুৱা ঈমান ! তোমালোকে মানুহৰ মাজত চলি অহা প্ৰবাদ এটা খোদা তা'লাৰ বাণীতকৈ প্ৰাধান্য দিব বিচৰা নেকি ? এয়া তোমালোকৰ কেনেকুৱা *ধৰ্ম ? আমাৰ ৰছুলুল্লাহ (ছাঃ)য়ে ঈছা (আঃ)ক মৃত ব্যক্তিৰ আত্মা বিলাকৰ মাজত দেখা পোৱাৰ কেৱল সাক্ষীয়েই দিয়া নাই বৰং নিজেও মৃত্য বৰণ কৰি এয়া প্ৰমাণ কৰি দেখুৱাইছে যে তেখেত

*__টোকা__ ঃ কোৰাণ চৰিফৰ এটা আয়াতত স্পষ্ট ভাৱে কাশ্মীৰৰ ফালে ইঙ্গিত দি উল্লেখ কৰিছে যে মছীহ (আঃ) আৰু তেখেতৰ মাতৃ ক্ৰুছৰ ঘটনাৰ পিছত কাশ্মীৰৰ ফালে গুচি আহিছিল যেনেকৈ কৈছে,

وَ اٰوَيۡنٰهُمَاۤ اِلٰى رَبۡوَةٍ ذَاتِ قَرَارٍ وَّمَعِيۡنٍ (23:51)

অৰ্থাৎ আমি ঈছা আৰু তাৰ মাকক এনেকুৱা এটা টিলাৰ ওপৰত আশ্ৰয় দিছিলো যি বৰ আনন্দদায়ক স্থান আছিল আৰু য'ত বিশুদ্ধ পানী অৰ্থাৎ নিজৰাৰ পানী আছিল। (চুৰা আল মোমিনুন আয়াত ৫১)
মুঠতে ইয়াত আল্লাহ তা'লা কাশ্মীৰৰ চিত্ৰ অঙ্কন কৰিছে। আৰবী ভাষাত اوى শব্দ কোনো বিপদ অথবা দুঃখৰ পৰা মুক্তি প্ৰদানৰ অৰ্থে ব্যৱহৃত হৈ থাকে। ক্ৰুছৰ বিপদজনক ঘটনাৰ আগত ঈছা (আঃ) আৰু তেখেতৰ মাকৰ ওপৰত এনে কোনো বিপদ অহা নাছিল যে তাৰ বাবে তেওঁলোকক আশ্ৰয় দিয়াৰ প্ৰয়োজন আছিল। গতিকে এয়া নিশ্চিত যে খোদা তা'লা ক্ৰুছৰ ঘটনাৰ পিছত ঈছা (আঃ)ক আৰু তেখেতৰ মাতৃক উক্ত উচ্চ স্থানত (টিলাৰ ওপৰত) আনি স্থান দিছিল।

(ছাঃ)ৰ পূৰ্বৰ কোনো মানুহেই জীয়াই থকা নাই। গতিকে ইয়াৰ বিপৰীত বিশ্বাসৰ দ্বাৰা আমাৰ বিৰুদ্ধবাদী সকলে যেনেকৈ কোৰাণ কৰিমক বৰ্জন কৰিবলৈ লৈছে তেনেকৈ ছুন্নতকও পৰিহাৰ কৰিবলৈ লৈছে। কাৰণ মৃত্যবৰণ কৰা আমাৰ নবী কৰিম (ছাঃ)ৰ ছুন্নত। যদি ঈছা (আঃ)য়ে এতিয়াও জীয়াই থাকিলেহেঁতেন তেন্তে আমাৰ ৰছুল (ছাঃ)ৰ সন্মান হানি হ'লহেঁতেন। সেই হেতুকে যেতিয়ালৈকে তোমালোকে ঈছা (আঃ)ৰ মৃত্যু হোৱা বুলি বিশ্বাস নকৰা তেতিয়ালৈকে তোমালোকে ছুন্নত পন্থী নহয় বা কোৰাণ পন্থীও নহয়।

মই হজৰত ঈছা (আঃ)ৰ উচ্চ মৰ্যাদাক অস্বীকাৰ নকৰো। যদিও খোদা তা'লা মহম্মদী মছীহক মুছাই মছীহতকৈ শ্ৰেষ্ঠ বুলি মোক সংবাদ দিছে। তথাপি মই হজৰত ঈছা (আঃ)ক অতিকৈ সন্মান কৰো। কিয়নো যেনেকৈ মই আধ্যাত্মিকতাৰ ফালেদি ইছলামৰ খাতামুল খুলাফা তেনেকৈ মছীহ ইবনে মৰিয়মও ইজৰাইলৰ ছিলছিলাৰ বাবে খাতামুল খুলাফা আছিল। ইবনে মৰিয়ম মুছা (আঃ)ৰ ছিলছিলাৰ প্ৰতিশ্ৰুত মছীহ আছিল আৰু মহম্মদী ছিলছিলাৰ মই প্ৰতিশ্ৰুত মছীহ হওঁ। মই ঈছা (আঃ)ৰ নামত অংকিত হৈছো। গতিকে মই তেখেতক সন্মান কৰো। সেইজন লোক বৰ পাপিষ্ঠ আৰু মিছলীয়া যিজনে কয় যে মই মছীহ ইবনে মৰিয়মক সন্মান নকৰো। কেৱল মছীহ (আঃ)কিয় বৰং মই তেখেতৰ চাৰি ভাই* ককায়েক সকলকও সন্মান কৰো। কাৰণ তেখেত সকল পাঁচ ভাই ককাই একে

***টোকা ঃ** ঈছা মছীহ (আঃ)ৰ চাৰিজন ভাই আৰু দুজনী ভনী আছিল। এওঁলোক সকলোৱেই ঈছা (আঃ)ৰ সহোদৰ ভাই- ভনী আছিল। অৰ্থাৎ সকলোৱেই ইউছুফ আৰু মৰিয়মৰ ঔৰসজাত সন্তান আছিল। ভায়েক চাৰিজনৰ নাম আছিল, ১। ইহুদা, ২। ইয়াকুব, ৩। শ্বাময়ুন, ৪। ইউজছ, আৰু দুজনী ভনীৰ নাম আছিল। ১। আছিয়া, ২। লিদিয়া। (চোৱা কিতাপ আপাষ্টুলক লিখক পাদৰী জান ইলিন প্ৰকাশক লণ্ডন চন ১৮৮৬ পৃঃ ১৫৯,১৬৬)

মাকৰ সন্তান। কেৱল এয়াই নহয় মই তেখেতৰ দুজনী ভনীয়েককও পৱিত্ৰ আত্মা বুলিয়ে বিবেচনা কৰো কাৰণ এই সন্মানীয়া সকল সাধবী কুমাৰী মৰিয়মৰ গৰ্ভজাত সন্তান আছিল। হজৰত মৰিয়মৰ নৈতিকতা ইমানেই উৰ্দ্ধত আছিল যে এটা দীৰ্ঘ সময় জুৰি কুমাৰীব্ৰত পালন কৰিছিল; কিন্তু অৱশেষত সমাজৰ গন্যমান্য ব্যক্তিসকলৰ বিশেষ অনুৰোধ সাপেক্ষে নিজৰ গৰ্ভ সঞ্চাৰৰ কাৰণে বিয়া কৰোৱাইছিল। ইয়াত হয়তো কোনোবাই এয়া অভিযোগ কৰিব পাৰে যে তৌৰাতৰ বিধানৰ বিপৰীতে গৰ্ভাৱস্থায় তাই কিয় বিয়া কৰাইছিল আৰু চিৰকুমাৰী থকাৰ ব্ৰত কিয় অন্যায় ভাৱে ভঙ্গ কৰিছিল আৰু কিয় তাই বহু বিবাহৰ ভিত্তি ৰচনা কৰিছিল ? অৰ্থাৎ সুত্ৰধৰ আৰু ইউছুফৰ আন এজনী পত্নী থকা সত্ত্বেও কিয় তাই ইউছুফক বিয়া কৰাবলৈ সন্মত হৈছিল ? কিন্তু মোৰ মতে এইবোৰ ঘটনা মৰিয়মৰ বাধ্যবাধকতাৰ ফলশ্ৰুতিত সংগঠিত হৈছিল। এনেকুৱা অৱস্থাত তেওঁলোকে দয়াৰ পাত্ৰহে হৈ পৰিছিল, ইয়াত আপত্তি উঠোৱাৰ স্থান নহয়।

অৱশেষত মই তোমালোকক আকৌ ক'বলৈ লৈছো যে তোমালোকে কেতিয়াও এনে চিন্তা ধাৰণা নকৰিবা যে আমি দেখোন বাহ্যিক ভাৱে বয়াত কৰিছোৱেই।

বাহ্যিকতাৰ একো মূল্য নাই। খোদা তা'লা সকলোৰে হৃদয় খন পৰিলক্ষিত কৰি থাকে আৰু সেই অনুসাৰেই সকলোৰে সৈতে ব্যৱহাৰ কৰি থাকে। চোৱা ! মই তোমালোকক ইখিনিতেই মোৰ তবলিগৰ দায়িত্ব পালনৰ পৰা মুক্তি লৈ আছো যে পাপ এটা বিশেষ বিষ, সেয়া পান নকৰিবা, আল্লাহ তা'লাৰ অবাধ্যতা এটা অপমৃত্যু, ইয়াৰ পৰা আঁতৰি থাকা। দোৱা কৰি থাকা তোমালোকে যেন শক্তি লাভ কৰিব পাৰা। যিজনে দোৱা কৰা সময়ত খোদা তা'লাক তাৰ প্ৰতিশ্ৰুতিৰ অন্তৰ্গত বিষয়সমূহ এৰি অন্যান্য সকলো বিষয়তে সৰ্বশক্তিমান বুলি নেমানে, তেওঁ মোৰ জামাতৰ অন্তৰ্ভুক্ত নহয়। যিজন ব্যক্তিয়ে মিছা আৰু প্ৰতাৰণা কৰা এৰি

নিদিয়ে, তেওঁ মোৰ জামাতভুক্ত নহয়। যিজন ব্যক্তিয়ে সংসাৰৰ প্ৰলোভনত ব্যস্ত আৰু পৰকাললৈ চকু নিদিয়ে তেওঁ মোৰ জামাতভুক্ত নহয়। যিজন ব্যক্তিয়ে যথাৰ্থ ভাৱে ধৰ্মক দুনিয়াৰ ওপৰত প্ৰাধান্য নিদিয়ে সি মোৰ জামাতভুক্ত নহয়। যিজনে সকলো প্ৰকাৰৰ পাপ আৰু কু অভ্যাসৰ পৰা যেনে মদ পান কৰা, জুয়া খেলা, কামলোলুপ দৃষ্টি, বিশ্বাসঘাতকতা, ঘোচ লোৱা আৰু এনে ধৰণৰ অন্যান্য বেয়া কামৰ পৰা তওবা নকৰে, তেওঁ মোৰ জামাতভুক্ত নহয়। যিজন ব্যক্তিয়ে নিতৌ নিষ্ঠাৰ সৈতে পাঁচ ওয়াক্ত নামাজ নপঢ়ে সি মোৰ জামাতভুক্ত নহয়। যিজনে সদায় দোৱা কৰাত ব্যস্ত নাথাকে আৰু বিনম্ৰ ভাৱে খোদা তা'লাক স্মৰণ নকৰে তেওঁ মোৰ জামাতভুক্ত নহয়। যি ব্যক্তিয়ে কু প্ৰভাৱ বিস্তাৰ কৰে, অসৎ সঙ্গ বৰ্জন নকৰে সি মোৰ জামাতৰ অন্তৰ্ভুক্ত নহয়। যিজন ব্যক্তিয়ে পিতৃ-মাতৃক সন্মান নকৰে আৰু তেওঁলোকৰ ন্যায় সঙ্গত কোৰাণ সন্মত আদেশবোৰ পালন নকৰে আৰু পিতৃ-মাতৃৰ সেৱা কৰাৰ দায়িত্ব পালনত অৱহেলা কৰে সিও মোৰ জামাতৰ ভিতৰত বুলি গণ্য নহয়। যিজন ব্যক্তিয়ে নিজৰ পত্নী, পৰিয়াল পৰিজনৰ সৈতে নম্ৰতা আৰু ভদ্ৰ ব্যৱহাৰ নকৰে তেওঁ মোৰ জামাতৰ অন্তৰ্ভুক্ত নহয়। যিজনে নিজৰ প্ৰতিবেশীক সামান্য উপকাৰ এটাৰ পৰা বঞ্চিত কৰে তেওঁ মোৰ জামাতৰ অন্তৰ্ভুক্ত নহয়। যিজনে অপৰাধীৰ অপৰাধ ক্ষমা কৰিবলৈ প্ৰস্তুত নহয় বৰং বিদ্বেষ পোষণ কৰি থাকে তেওঁ মোৰ জামাতৰ অন্তৰ্ভুক্ত নহয়। যিজন পতিয়ে পত্নীৰ সৈতে আৰু পত্নীয়ে পতিৰ সৈতে বিশ্বাসঘাতকতা কৰে, তেওঁ মোৰ জামাতৰ অন্তৰ্ভুক্ত নহয়। যিজনে সেই শপত, যি বয়াত গ্ৰহণৰ সময়ত লৈছিল, সেয়া সামান্য অংশও ভঙ্গ কৰে, তেওঁ মোৰ জামাতৰ অন্তৰ্ভুক্ত নহয়। যি ব্যক্তিয়ে প্ৰকৃত আন্তৰিকতাৰে মোক প্ৰতিশ্ৰুত মছীহ আৰু প্ৰতিশ্ৰুত মাহদী বুলি বিশ্বাস নকৰে সি মোৰ জামাতৰ অন্তৰ্ভুক্ত নহয়। যিজন ব্যক্তিয়ে ন্যায় সঙ্গত মোৰ আদেশ পালন কৰিবলৈ অস্বীকাৰ কৰে, তেওঁ মোৰ জামাতৰ

অন্তৰ্ভুক্ত নহয়। যিজনে মোৰ বিৰুদ্ধবাদী সকলৰ লগত বহি তেওঁলোকৰ কথাত হয় ভৰি দিয়ে সি মোৰ জামাতৰ অন্তৰ্ভুক্ত নহয়। প্ৰত্যেক ব্যভিচাৰী,পাপী, মদ পান কাৰী, হত্যাকাৰী, জুৱাৰী, বিশ্বাসঘাতক, ঘোচখোৰ, আত্মসাৎকাৰী, অত্যাচাৰী, মিছা অপবাদ ৰটনাকাৰী আৰু নিজকে অসৎ কামৰ পৰা তওবা নকৰে আৰু অসৎ সঙ্গ এৰি নিদিয়ে তেওঁলোকে মোৰ জামাতৰ অন্তৰ্ভুক্ত নহয়।

এইবোৰ সকলো কামেই বিষ সদৃশ। এইবোৰ পান কৰি তোমালোকৰ পক্ষে জীয়াই থকা কেতিয়াও সম্ভৱ নহয়। আন্ধাৰ আৰু পোহৰ কেতিয়াও একেলগে অৱস্থান কৰিব নোৱাৰে। যিজন ব্যক্তিৰ মন কুটিলতাৰে ভৰা আৰু যিয়ে খোদা তা'লাৰ সৈতে সম্পৰ্ক চিকুনাই নাৰাখে তেওঁ সেই কল্যাণৰ অধিকাৰী হ'ব নোৱাৰে, যিবোৰ পৱিত্ৰ চিত্তৰ লোক সকলে লাভ কৰি থাকে। কিমান যে সৌভাগ্যশীল সেই সকল লোক যিসকলে নিজৰ অন্তৰ পৱিত্ৰ ৰাখে আৰু মনটোক সকলো ধৰণৰ পঙ্কিলতাৰ পৰা নিৰ্মল ৰাখে আৰু অতি আপোন খোদা তা'লাৰ সৈতে সদায় বিশ্বাসী হৈ থকাৰ চুক্তিত আবদ্ধ হয়। কাৰণ তেওঁলোকে কেতিযাও বিনাশ নহয়। খোদা তা'লা তেওঁলোকক কেতিয়াও লাঞ্ছিত নকৰে, কিয়নো তেওঁলোকে খোদা তা'লাৰ আৰু খোদা তা'লা তেওঁলোকৰ হয়। প্ৰত্যেক বিপদাৱলীৰ সময়ত তেওঁলোকক ৰক্ষা কৰা হ'ব। এনেলোকৰ সৈতে যিয়ে শত্ৰুতা পোষণ কৰে তেওঁ হ'ল চৰম নিৰ্বোধ লোক,কাৰণ তেনে লোকেই খোদা তা'লাৰ কোলত উপনীত হয় আৰু খোদা তা'লা সিহঁতৰ সহায়ক থাকে।

কোনে খোদা তা'লাৰ ওপৰত বিশ্বাস স্থাপন কৰিছে কেৱল সেই সকলেই, যিসকলে ওপৰত উল্লেখিত ধৰণৰ। তেনেকৈ এই সকল লোকেও বৰ জধামূৰ্খ যিয়ে এজন পাপীষ্ঠ দুৰাচাৰী ব্যক্তিৰ বাবে চিন্তিত থাকে কাৰণ সি নিজে নিজেই ধ্বংসৰ গ্ৰাসত নিপতিত হ'ব। যেতিয়াৰ পৰা আকাশ আৰু পৃথিৱীৰ সৃষ্টি হৈছে কেতিয়াও এনেকুৱা বিষয় এটা সংগঠিত হোৱা

নাই যে খোদা তা'লা সজ ব্যক্তি সকলক কেতিয়াবা ধ্বংসৰ গ্ৰাসত নিপতিত কৰিছে আৰু তেওঁলোকৰ অস্তিত্বৰ বিলোপ সাধন কৰিছে; বৰং এনেকুৱা হৈছে যে খোদা তা'লা তেওঁলোকৰ সাহায্যাৰ্থে সদায় মহান নিদৰ্শন সমূহ প্ৰদৰ্শন কৰিছে আৰু এতিয়াও প্ৰদৰ্শন কৰিব। সেইজনা খোদা অতি বিশ্বাসী খোদা। সি নিজৰ ভক্ত সকলৰ নিমিত্তে বিস্ময়কৰ ক্ৰিয়া প্ৰদৰ্শন কৰি থাকে, জগতবাসীয়ে তেওঁলোকক নিচিহ্ন কৰিব বিচাৰে আৰু শত্ৰু সকলে হিংসা পোষণ কৰে। কিন্তু খোদা তা'লা সিহঁতৰ বন্ধু সদৃশ হৈ থাকে আৰু সিহঁতক জয়যুক্ত কৰে। কিমানেই যে সৌভাগ্য সেই ব্যক্তি যিজনে এনেকুৱা খোদা তা'লাৰ আঁচল এৰি নিদিয়ে। মই তাৰ ওপৰত বিশ্বাস স্থাপন কৰিছোঁ। মই তাৰ পৰিচয় লাভ কৰিছোঁ। তেওঁৱেই গোটেই বিশ্বৰ একমাত্ৰ খোদা, যিজনাই মোৰ প্ৰতি ওহী অৱতীৰ্ণ কৰিছে আৰু মোৰ সপক্ষে মহান নিদৰ্শন প্ৰকাশ কৰিছে আৰু মোক এই যুগৰ প্ৰতিশ্ৰুত মছীহ হিচাপে প্ৰেৰণ কৰিছে। তাৰ অবিহনে কোনো খোদা নাই এইখন পৃথিৱীত বা আকাশত। যিজনে তাৰ ওপৰত বিশ্বাস স্থাপন নকৰে তেওঁ সৌভাগ্যৰ পৰা বঞ্চিত আৰু হতাশা আৰু দুঃখ কষ্টত আক্ৰান্ত হয়। মই মোৰ খোদাৰ পৰা সূৰ্যৰ দৰে উজ্জ্বল ঐশ্বৰিক বাণী লাভ কৰিছোঁ। সেইবোৰৰ দৰ্শনত মোৰ হৃদয়ত দৃঢ় বিশ্বাস উপজিছে যে মই এয়া তাৰেই দৰ্শন লাভ কৰিছোঁ আৰু এয়া মোৰ দৃঢ় বিশ্বাস যে সিয়েই এই জগতৰ খোদা আৰু তাৰ অবিহনে আৰু একোৱেই নাই। কিমান যে সৰ্বশক্তিমান আৰু সংৰক্ষণকাৰী সেইজনা খোদা যাক মই লাভ কৰিছোঁ আৰু কিমানেই যে মহা শক্তিৰ গৰাকী সেইজনা খোদা যাক মই দৰ্শন কৰিছোঁ। এয়াই চিৰসত্য যে তাৰ অসাধ্য একোৱে নাই। কেৱল সেয়াই তেওঁ নকৰে যিবোৰ তাৰ পদত্ত কিতাপ আৰু প্ৰতিশ্ৰুতি বিৰুদ্ধ। গতিকে তোমালোকে দোৱা কৰাৰ সময়ত সেই অজ্ঞ নাস্তিক সকলৰ দৰে নহ'বা, যিসকলে নিজৰ ধাৰণাৰ বশৱৰ্তী হৈ এনেকুৱা এটা প্ৰাকৃতিক নিয়ম বনাই লৈছে,

যাৰ প্ৰতি খোদা তা'লাৰ কিতাপৰ কোনো সমৰ্থন নাই। কিয়নো সিহঁতে বিদুৰিত আৰু প্ৰত্যাখ্যাত। সিহঁতৰ দোৱা কেতিয়াও গৃহীত নহয়। সিহঁতে অন্ধ দৰ্শনেন্দ্ৰিয়, হীন, সিহঁতে মৃত, জীৱিত নহয়। সিহঁতে খোদা তা'লাৰ আগত নিজৰ ৰচিত নিয়ম উপস্থাপন কৰে। সিহঁতে অসীম শক্তিক সীমাবদ্ধ বুলি জ্ঞান কৰে তাক দুৰ্বল বুলি ধাৰণা কৰে। গতিকে সিহঁতৰ লগত সিহঁতৰ অৱস্থা সাপেক্ষে আচৰণ কৰা হ'ব। গতিকে তোমালোকে যেতিয়া দোৱাৰ নিমিত্তে থিয় দিবা তেতিয়া তোমালোকে এয়া দৃঢ় বিশ্বাস ৰাখিব লাগিব যে তোমালোকৰ খোদা সকলো বিষয়তেই সৰ্বশক্তিমান; তেতিয়াহে তোমালোকৰ দোৱা গৃহীত হ'ব আৰু তোমালোকে খোদা তা'লাৰ কুদৰত (ঐশৰিক ক্ষমতাৰ) বিস্ময়পূৰ্ণ নিদৰ্শন বিলাক দৰ্শন কৰিবা, যেনেকৈ মই দৰ্শন কৰিছোঁ। মই সঁচাকৈয়ে এয়া সাক্ষী দি আছো। কোনো গল্প কাহিনী ৰূপে নহয়। সেইজন মানুহৰ দোৱা কেনেকৈ গৃহীত হ'ব, যিজনে খোদা তা'লাক সকলোতে সৰ্বশক্তিমান বুলি নেমানে ? মহা বিপদৰ সময়ত তাৰ নো দোৱা কৰাৰ সাহস কেনেকৈ হ'ব, যিজনে ইয়াক প্ৰকৃতিৰ নিয়ম বিৰুদ্ধ বুলি ধাৰণা কৰে ? কিন্তু হে সৌভাগ্যবান লোক সকল ! তোমালোকে এনেকুৱা নকৰিবা। তোমালোকৰ খোদা সেই খোদা যিজনাই অসংখ্য তাৰকা মণ্ডলক স্তম্ভ বিহনে ওলোমাই ৰাখিছে, যিজনাই আকাশ আৰু পৃথিৱীক নিঃসত্তা অৱস্থাৰ পৰা সৃষ্টি কৰিছে। তুমি কিবা সন্দেহ পোষণ কৰা নেকি যে সি তোমাৰ কিবা কাৰ্য্য সম্পন্ন কৰি দিবলৈ অপৰাগ হ'ব* ? তোমাৰ এই অবিশ্বাসেই তোমাক বঞ্চিত কৰিব। আমাৰ খোদা অসংখ্য আশ্বৰ্য গুণাৱলীৰ গৰাকী। কিন্তু সেয়া কেৱল সেইজন ব্যক্তিয়েই

***টোকা** ঃ খোদা কোনো বিষয়তে অপৰাগ নহয়। খোদা তা'লাৰ কিতাপত দোৱা সম্পৰ্কে এই নিয়ম বৰ্ণনা কৰা আছে যে সি সজ ব্যক্তিসকলৰ লগত বৰ সদয় আৰু বন্ধুত্ব সুলভ আচৰণ কৰে আৰু কেতিয়াবা নিজৰ ইচ্ছা পৰিহাৰ কৰিলৈ সিহঁতৰ দোৱা শ্ৰৱণ কৰে। যেনেকৈ খোদা তা'লা কৈছে,

দেখা পায়, যিজনে বিশ্বাস আৰু সততাৰে তাৰ ফলিয়া হৈ যায়। যিজন তাৰ (খোদাৰ) শক্তিৰ ওপৰত দৃঢ় বিশ্বাস অটুট নাৰাখে আৰু তাৰ সত্য আৰু বিশ্বাস ভাজন সেৱক নহয়; তাক খোদা তা'লা সেই বিস্ময়কৰ লীলাবোৰ প্ৰদৰ্শন নকৰে। কিমান দুৰ্ভগীয়া সেইজন ব্যক্তি যিয়ে আজিও নেজানে যে তাৰ এনেকুৱা এজন খোদা আছে; যিজনা সকলো বিষয়তে সৰ্বশক্তিমান। আমাৰ খোদাই আমাৰ বেহেস্ত। আমাৰ খোদাৰ মাজতেই আমাৰ পৰম আনন্দ। কিয়নো ! মই তাক দৰ্শন কৰিছোঁ আৰু সকলো ধৰণৰ সৌন্দৰ্য তাৰ মাজত বিৰাজিত দেখিবলৈ পাইছো। প্ৰাণৰ বিনিময়ত হলেও এনে মহা মূল্যবান সম্পদ কিনি লোৱাৰ যোগ্য। এই মণি ক্ৰয় কৰোঁতে যদি জীৱনৰ সকলো শক্তি সামৰ্থ্য নিঃশেষ হৈ যায়, তথাপি এয়া ক্ৰয় কৰি লোৱা উচিত। হে খোদা লাভৰ পৰা বঞ্চিত লোকসকল ! এই স্ৰোতধাৰাৰ ফালে ধাৱিত হোৱা এয়াই তোমালোকক প্লাবিত কৰিব। এয়াই জীৱনৰ উৎস, যিয়ে তোমালোকক সঞ্জীৱিত কৰিব। মইনো কি কৰিম আৰু কেনেকৈ এই সুসংবাদ তোমালোকক হৃদয়ঙ্গম কৰোৱাই দিম ? মানুহৰ কৰ্ণগোচৰ কৰিবলৈ কোনখন জয়ঢাকেৰে বজাৰ, বন্দৰে ঘোষণা কৰিম যে এইজনা তোমালোকৰ খোদা আৰু এনেকুৱা কোন

---

**চলি থকা টোকা ঃ** (40:61) اُدْعُوْنِيْٓ اَسْتَجِبْ لَكُمْ অৰ্থাৎ মোৰ ওচৰত তোমালোকে প্ৰাৰ্থনা কৰা, মই তোমালোকৰ প্ৰাৰ্থনা শ্ৰৱণ কৰিম-অনুবাদক আকৌ কেতিয়াবা নিজৰ ইচ্ছা মনোৱাবলৈ ইচ্ছা কৰে- যেনেকৈ কৈছে,

(2:156) وَلَنَبْلُوَنَّكُمْ بِشَيْءٍ مِّنَ الْخَوْفِ وَالْجُوْعِ

অৰ্থাৎ নিশ্চয় আমি তোমালোকক ভয়, ভোক ইত্যাদিৰে পৰীক্ষা কৰিম। (চুৰা বাকাৰা আয়াত ১৫৬) অনুবাদক- এনেকুৱা কৰাৰ কাৰণ হ'ল এয়া যে কেতিয়াবা সি মানুহৰ প্ৰাৰ্থনা অনুযায়ী আচৰণ কৰি বিশ্বাস আৰু তত্ত্বজ্ঞানত তাক উন্নত কৰিব বিচাৰে। আকৌ কেতিয়াবা নিজৰ ইচ্ছা অনুযায়ী নিজৰ সন্তুষ্টিৰ বাবে পুৰস্কৃত কৰি তাৰ মৰ্যাদা উন্নত কৰিব আৰু হিদায়তৰ দাৰস্থ কৰিব বিচাৰে।

ঔষধেৰে চিকিৎসা কৰিম যে যাৰ ক্ৰিয়ায় সিহঁতৰ কৰ্ণ উন্মোক্ত হ'ব ?

তোমালোকে যদি খোদা তা'লাৰ হৈ যোৱা তেন্তে এয়া নিশ্চিত জানি লোৱা যে খোদা তোমালোকৰেই। তোমালোকে নিদ্ৰামগ্ন থাকিবা আৰু খোদা তোমালোকৰ বাবে জাগি থাকিব। তোমালোকে শত্ৰু সম্পৰ্কে নজনা থাকিবা কিন্তু খোদা সিহঁতৰ প্ৰতি লক্ষ্য ৰাখিব, আৰু সিহঁতৰ ষড়যন্ত্ৰ ব্যৰ্থ কৰি দিব। তোমালোকে নজনা যে তোমালোকৰ খোদা কিমান শক্তিশালী। যদি জানিলাহেঁতেন তেন্তে দিনটোৰ বাবেও এই সংসাৰলৈ চিন্তা নকৰিলাহেঁতেন। যিজন ব্যক্তি অগাধ ধন সম্পত্তিৰ গৰাকী, তেওঁ কেতিয়াবা এপইচা লোকচান হলে আক্ষেপ বা হাহাকাৰ কৰি মৰেনে ? গতিকে তোমালোকৰ যদি এই ধনভাণ্ডাৰ সম্পৰ্কে জ্ঞাত থাকিলাহেঁতেন যে খোদা তোমালোকৰ প্ৰত্যেকটো প্ৰয়োজনৰ সময়ত কামত লাগিব তেন্তে এই সংসাৰৰ নিমিত্তে এনেকুৱা আত্মহাৰা নহ'লাহেঁতেন। খোদা এটা অতি প্ৰিয় সম্পদ, তোমালোকে তাৰ যত্ন কৰা। প্ৰত্যেক পদক্ষেপত তেওঁ তোমালোকৰ সহায়ক হ'ব। তাৰ বিহনে তোমালোক একোৱে নহয় আৰু তোমলোকৰ পাৰ্থিৱ উপকৰণ, চেষ্টা প্ৰচেষ্টাও একোৱে নহয়।

অন্যান্য জাতিবলাকৰ অনুকৰণ নকৰিবা, যিসকলে পাৰ্থিৱ উপকৰণৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছে আৰু সৰ্পই যেনেকৈ মৃত্তিকা ভক্ষণ কৰে তেনেকৈ সিহঁতৰ পাৰ্থিৱ জগতৰ উপায় উপকৰণৰ মৃত্তিকা উদৰস্ত কৰি আছে। শগুন, কুকুৰে যেনেকৈ মৃতদেহ ভক্ষণ কৰে তেনেকৈ সিহঁতেও মৃতদেহ ভক্ষণ কৰি আছে। সিহঁতে খোদা তা'লাৰ পৰা বহু দূৰলৈ আঁতৰি গৈছে আৰু মানুহক পূজা কৰিবলৈ লৈছে; গাহৰি খাবলৈ লৈছে, পানীৰ দৰে মদ পান কৰি আছে। প্ৰচুৰ পাৰ্থিৱ সম্পদ লাভে আৰু খোদাৰ ওচৰত শক্তি প্ৰাৰ্থনা নকৰাত সিহঁতৰ আধ্যাত্মিক মৃত্যু ঘটিছে। আধ্যাত্মিক (আচমানী ৰূহ) সিহঁতৰ হৃদয়ৰ পৰা এনেদৰে বিদায় লৈছে যে যেনেকৈ পাৰ চৰাইয়ে পুৰণি বাঁহ এৰি গুচি যায়। সিহঁতৰ অন্তৰ সংসাৰ পূজাৰ

কুষ্ঠ ৰোগৰ দ্বাৰা সংক্ৰমিত হৈছে, যিয়ে সিহঁতৰ আভ্যন্তৰীণ অঙ্গ-প্ৰতঙ্গ বিলাকক চূৰ্ণ-বিচূৰ্ণ কৰি দিছে। গতিকে তোমালোকে এই কুষ্ঠ ৰোগটোক ভয় কৰা।

নিৰ্দিষ্ট সীমাৰ ভিতৰত থাকি পাৰ্থিৱ উপকৰণ আদি অৰ্জন কৰি লোৱাত মই তোমালোকক নিষেধ কৰা নাই, বৰং মই তোমালোকক নিষেধ কৰি আছো যে তোমালোকে যেন অন্যান্য জাতিৰ দৰে কেৱল এই পাৰ্থিৱ উপকৰণৰ দাসত্ব নকৰা আৰু সেই খোদা তা'লাক পাহৰি নোযোৱা, যিজনাই এই সকলো উপকৰণৰ ব্যৱস্থা কৰি দিয়ে। তোমালোকৰ নয়নত যদি দৃষ্টি শক্তি আছে তেন্তে দেখিবলৈ পাবা যে খোদায়ে খোদা, বাকী সকলোবোৰ বৃথা। তাৰ অনুমতি বিহনে তোমালোকে নিজৰ হাতদুখনও প্ৰসাৰিত কৰিব নোৱাৰা, আৰু সংকোচনও কৰিব নোৱাৰা। কোনো আধ্যাত্মিক ভাৱে মৃত ব্যক্তিয়ে এয়া শুনি হয়তো তেওঁ বিদ্ৰূপ কৰিব। কিন্তু হায় ! এনেকুৱা ঠাট্টা বিদ্ৰূপতকৈ তাৰ মৃত্যু হোৱাই তাৰ বাবে অধিক উত্তম। সাৱধান ! তোমালোকে অন্যান্য জাতি বিলাকক চাই সিহঁতৰ সৈতে প্ৰতিযোগীতাত আগনাবাঢ়িবা যে সিহঁতে যদি পাৰ্থিৱ উপকৰণাদিত ইমান উন্নতি কৰিছে, তেন্তে আমিও সিহঁতৰ দৰেই কৰিম। শুনি লোৱা আৰু মনত ৰাখিবা যে যিসকলে তোমালোকক পাৰ্থিৱ সম্পদৰ ফালে প্ৰলুব্দ কৰি আছে, সিহঁতে খোদা সম্পৰ্কে সম্পূৰ্ণ অজ্ঞ আৰু সিহঁতৰ খোদা কি বস্তু? সিহঁতৰ খোদা হ'ল, এক দুৰ্বল শ্ৰেণীৰ মানুহ, ইয়াৰ বাহিৰে আন একো নহয়। সেয়ে সিহঁতে উদাসীনতাত নিমজ্জিত। মই তোমালোকক জাগতিক উপাৰ্জন আদিৰ কলা কৌশল শিকিবলৈ নিষেধ কৰা নাই। কিন্তু তোমালোকে সেই লোকসকলৰ অনুগামী নহ'বা যিসকলে এই সংসাৰ খনকেই সকলো বস্তুৰ মূল বুলি ভাৱে। এই জাগতিক বা প্ৰাৰম্ভিক সকলো কাৰ্য্যতেই তোমালোকৰ খোদাৰ পৰা তোমালোকে শক্তি আৰু সামৰ্থ ভিক্ষা কৰি থকা উচিত; কিন্তু সেয়া কেৱল শুকান ওঁঠৰ

কাপনিৰে নহয়; বৰং প্ৰাৰ্থনা কৰাৰ সময়ত প্ৰকৃততে এই বিশ্বাস থাকে যেন যে সকলো বৰকত (কল্যাণ) আকাশৰ পৰা অৱতীৰ্ণ হয়।

তোমালোকে সত্যবাদী বুলি তেতিয়াহে গণ্য হ'ব পাৰিবা, যেতিয়া প্ৰত্যেক কাৰ্য্যত আৰু বিপদৰ সময়ত কোনো উপায় অৱলম্বন কৰাৰ আগতে নিজৰ বাসগৃহৰ দুৱাৰ বন্ধ কৰি খোদাৰ দৰবাৰত প্ৰণিপাত কৰি ক'ব লাগিব যে হে প্ৰভু ! মই বিপদত পৰিছো, তুমি নিজ অনুগ্ৰহত মোক বিপদ মুক্ত কৰা। তেতিয়া ৰুহুল কুদ্দুছ (পৱিত্ৰ আত্মা) তোমালোকক সহায় কৰিব আৰু অদৃশ্য শক্তিৰ পৰা তোমালোকৰ নিমিত্তে কোনো নহয় উপায় উন্মোচন কৰিব। নিজৰ আত্মাৰ প্ৰতি সদয় হোৱা আৰু যিসকলে খোদাৰ সৈতে সকলো সম্পৰ্ক ছেদ কৰি জাগতিক উপকৰণত সমূলি নিমগ্ন হৈ পৰিছে, এনেকি খোদা তা'লাৰ ওচৰত সামৰ্থ লাভাৰ্থে মুখত ইনশা আল্লাহ শব্দটোও উচ্চাৰণ নকৰে, তোমালোকে সিহঁতৰ অনুগামী নহ'বা। খোদা তা'লাই তোমালোকক আধ্যাত্মিক দৃষ্টি প্ৰদান কৰক যাতে তোমালোকে উপলব্ধি কৰিব পাৰা যে খোদা তা'লাই তোমালোকৰ সকলো চেষ্টা প্ৰচেষ্টাৰ ভীমকাঠ স্বৰূপ। যদি সেই ভীমকাঠেই তললৈ সৰি পৰে তেন্তে বৰগাবিলাক চালেৰে সৈতে ওপৰত কেনেকৈ অৱস্থান কৰিব ? কেতিয়াও নোৱাৰে, বৰং সেয়া তৎক্ষণাত তললৈ সৰি পৰিব, এনেকি তাত প্ৰাণ হানিৰও আশঙ্কা হ'ব পাৰে। ঠিক তেনেদৰেই তোমালোকৰ চেষ্টা প্ৰচেষ্টাও খোদা তা'লাৰ সহায় অবিহনে সফল হ'ব নোৱাৰে। যদি তোমালোকে খোদাৰ সহায় কামনা নকৰা আৰু তাৰ ওচৰত শক্তি ভিক্ষা কৰাটো নিজৰ মূল নীতি হিচাপে নিৰ্ধাৰিত নকৰা তেন্তে তোমালোকে কোনো ক্ষেত্ৰতেই সফলতা লাভ কৰিব নোৱাৰিবা। অৱশেষত অতি অনুতাপৰ সৈতে প্ৰাণত্যাগ কৰিব লাগিব। তোমালোকে কেতিয়াও এয়া নেভাৰিবা যে তেনেহলে অন্যান্য জাতি বিলাকে কেনেকৈ ইমান কৃতকাৰ্য্যতা লাভ কৰি আছে; যদিও সিহঁতে তোমালোকৰ মহান আৰু সৰ্বশক্তিমান

খোদা তা'লাৰ বিষয়ে একোৱে নাজানে ? এই প্ৰশ্নৰ উত্তৰ হ'ল এয়া যে সিহঁতে খোদা তা'লাক পৰিত্যাগ কৰাৰ ফলতে এটা পৰীক্ষাৰ মাজত নিপতিত হৈছে। খোদা তা'লাৰ পৰীক্ষাৰ ধৰণ কেতিয়াবা এনে বিধৰও হৈ থাকে যে যিজনে খোদা তা'লাক পাহৰি গৈ জাগতিক ভোগ-বিলাসত মত্ত হৈ পৰে আৰু পাৰ্থিৱ ধন সম্পদৰ প্ৰতি আসক্তি পোষণ কৰে তেতিয়া তাৰ বাবে পৃথিৱীৰ দুৱাৰ খুলি দিয়া হয়। কিন্তু ধৰ্মৰ ফালে সেইজন হৈ পৰে নৰাধম, আৰু উলঙ্গা। অৱশেষত গৈ তাৰ পাৰ্থিৱ দুঃশ্চিন্তাত মৃত্যু ঘটে আৰু তেওঁ চিৰস্থায়ী জাহান্নামত নিক্ষিপ্ত হয়। আকৌ কেতিয়াবা কেতিয়াবা ইহ সংসাৰৰ চৰম বিফলতাৰ দ্বাৰাও পৰীক্ষা কৰা হয়। কিন্তু এই পৰীক্ষা প্ৰথমে উল্লেখিত পৰীক্ষাৰ দৰে ভয়ঙ্কৰ নহয় কাৰণ প্ৰথম পৰীক্ষায় নিমজ্জিত ব্যক্তি চৰম অহংকাৰী হৈ থাকে। যিয়েই নহওঁক এই দুয়োটা শ্ৰেণীৰ মানুহেই **مغضوب عليهم** (পথভ্ৰষ্ট)। প্ৰকৃত সুখৰ উৎস হ'ল খোদা তা'লা। গতিকে যিহেতু এইবিলাক মানুহ **حیّ وقیّوم** (চিৰঞ্জীৱ, চিৰস্থায়ী) খোদা সম্পৰ্কে অজ্ঞ বা উদাসীন আৰু তাৰ ফালৰ পৰা মুখ ঘূৰাই লৈছে। তেনে ক্ষেত্ৰত সিহঁতে কেনেকৈ সুখ-ভোগৰ অধিকাৰী হ'ব পাৰিব ? কৃতকাৰ্যতা লভিছে সেইজন ব্যক্তি যিজনে এই ৰহস্য ভেদ কৰিব পাৰিছে আৰু যিজনে এই ৰহস্য উৎঘাটন কৰিব পৰা নাই সি ধ্বংসৰ কৰাল গ্ৰাসত নিপতিত হৈছে। দাৰ্শনিক সকলক অনুসৰণ নকৰিবা আৰু সিহঁতক সন্মানৰ দৃষ্টিৰে নেচাবা কাৰণ এই বিলাক দৰ্শন হ'ল অজ্ঞতাৰে ভৰা। খোদা তা'লাৰ আয়াতে তোমালোকক যি শিক্ষা দিয়া হৈছে সেয়া হ'ল প্ৰকৃত দৰ্শন। যিসকলে পাৰ্থিৱ দৰ্শনৰ প্ৰতি গভীৰ ভাৱে আকৃষ্ট হৈ আহিছে, সিহঁতে ধ্বংসৰ গ্ৰাসত নিপতিত হৈছে। আনহাতে যিসকলে খোদা তা'লাৰ কিতাপত প্ৰকৃত জ্ঞানৰ আৰু দৰ্শনৰ আলোক অনুসন্ধান কৰিছে সিহঁতে সাফল্যমণ্ডিত হৈছে। অজ্ঞতাৰ বাট কিয় অৱলম্বন কৰিবা ? তোমালোকে খোদা তা'লাক এনেকুৱা কিবা কথা শিকাবা নেকি

যে যিবোৰ সি নেজানে ? তোমালোকে কোনো বাটৰ সন্ধান বিচাৰি অন্ধৰ ওচৰত যাবা নেকি ? হে অজ্ঞ লোক সকল ! যি জনে নিজেই চকুৰে একো দেখা নাপায় তেওঁ কেনেকৈ তোমালোকক বাট দেখুৱাব ? আচলতে প্ৰকৃত জ্ঞান (দৰ্শন) ৰুহুল কুদ্দুছৰ সহায়তহে লাভ হয়, যাৰ সম্পৰ্কে আগতেই তোমালোকক প্ৰতিশ্ৰুতি প্ৰদান কৰা হৈছে। এই ৰূহৰ সহায়ত তোমালোকক সেই পৱিত্ৰ জ্ঞানৰ শীৰ্ষ স্থানলৈ উন্নীত কৰা হ'ব য'ত বেলেগ লোক সকলে গৈ উপনীত হ'ব নোৱাৰে। যদি সততা আৰু নিষ্ঠাৰে সৈতে প্ৰাৰ্থনা কৰা তেন্তে অৱশেষত গৈ তোমালোকে এয়া লাভ কৰিব পাৰিবা তেতিয়া তোমালোকে উপলব্ধি কৰিব পাৰিবা যে এই জ্ঞানেই হৃদয়ক সজীৱতা আৰু প্ৰাণ দান কৰে আৰু ইয়াকীনৰ মিনাৰত (দৃঢ় বিশ্বাসৰ শীৰ্ষ বিন্দুত) অৱস্থান কৰায়। যিয়ে মৃত ভক্ষণ কৰে তেওঁ তোমাৰ বাবে ক'ৰ পৰা পৱিত্ৰ খাদ্য সংগ্ৰহ কৰিব ? যিজনে নিজে অন্ধ তেওঁ কেনেকৈ তোমাক বাট দেখুৱাব ? প্ৰত্যেক পৱিত্ৰ জ্ঞানেই আকাশৰ পৰা অৱতীৰ্ণ হয়। গতিকে এই পৃথিৱীৰ বাসিন্দা সকলৰ ওচৰত কিনো বিচাৰি ফুৰিছা ? যিসকলৰ ৰূহ আকাশৰ ফালে ধাৱমান হয় সিহঁতে দিব্য জ্ঞানৰ অধিকাৰী হয়। যিজনে নিজেই সান্তনা লভিব পৰা নাই, সি কেনেকৈ তোমাক সান্তনা দিব ? কিন্তু এইবিলাকৰ নিমিত্তে সৰ্ব প্ৰথমে পৱিত্ৰতা, নিষ্ঠা আৰু সৰলতাৰ প্ৰয়োজন আছে। তাৰ পিছতহে তোমালোকে এই বিলাক লাভ কৰিব পাৰিবা।

এয়া কেতিয়াও নেভাৱিবা যে খোদা তা'লাৰ ওহী আৰু অৱতীৰ্ণ নহয়*। এয়া আছিল অতীতৰ বিষয় আৰু ৰূহুল কুদ্ছুও অতীতেই অৱতীৰ্ণ হৈছিল, ভৱিষ্যতলৈ আৰু অৱতীৰ্ণ হ'ব নোৱাৰে। মই তোমালোকক সঁচা

*টোকা ঃ কোৰাণ চৰিফৰ ওপৰত চৰিয়ত (ধৰ্মীয় বিধান) শেষ হৈ গৈছে কিন্তু ওহীৰ (ঐশ্বৰিক বাণীৰ) ধাৰাবাহিকতা অন্ত পৰা নাই কাৰণ এয়া হ'ল সত্য ধৰ্মৰ প্ৰাণ। যি ধৰ্মত ওহী জাৰি (ধাৰাবাহিক) নাই সেই ধৰ্ম মৃত আৰু খোদা তা'লাৰ সৈতে সম্পৰ্ক শূন্য।

সঁচাকৈ কৈ আছো যে সকলো দ্বাৰ বন্ধ হৈ যাব পাৰে; কিন্তু ৰূহুল কুদুছ অৱতীর্ণ হোৱাৰ দুৱাৰ কেতিয়াও জাপ খাই নাযায়। তোমালোকে নিজৰ হৃদয়ৰ দুৱাৰ খুলি দিয়া যাতে সি তাত প্ৰৱেশ কৰিব পাৰে। প্ৰৱেশ দ্বাৰ বন্ধ কৰি তোমালোকে নিজৰ আত্মাক সেই সূৰ্যৰ পৰা আঁতৰলৈ ঠেলি পঠিয়াই আছা। হে অজ্ঞ ! উঠা আৰু হৃদয়ৰ খিৰিকি খুলি দিয়া, তেতিয়াহে কিৰণ নিজে নিজেই তোমালোকৰ হৃদয় কক্ষত প্ৰৱেশ কৰিব। খোদা তা'লাই যিহেতু পাৰ্থিৱ অনুগ্ৰহৰাজীৰ বাট এই যুগত তোমালোকৰ বাবে বন্ধ কৰা নাই বৰং এয়া প্ৰশস্ত কৰি দিছে, তেন্তে তোমালোকে কেনেকৈ ধাৰণা কৰিব পাৰা যে সি তোমালোকৰ বাবে ঐশ্বৰিক কল্যাণৰ বাট, যি বৰ্তমানে তোমালোকৰ নিমিত্তে অতিকৈ জৰুৰী, সেয়া বন্ধ কৰি দিছে। কেতিয়াও নহয় বৰং বহুল প্ৰশস্ততাৰে সেই দুৱাৰ মুকলি কৰি দিছে। চুৰা ফাতিহাৰ মাজত প্ৰদত্ত নিজৰ শিক্ষানুযায়ী খোদা তা'লাই যিহেতু অতীতৰ সকলো কল্যাণৰ দুৱাৰ বৰ্তমানলৈ তোমালোকৰ বাবে উন্মুক্ত ৰাখিছে, সেই ক্ষেত্ৰত তোমালোকে কিয় সেয়া গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰি আছা ?

সেই উৎস পিপাসু হোৱা তেতিয়াহে আপোনা আপুনি সেই পানী তোমালোকলৈ বৈ আহিব। সেই গাখীৰ পাবলৈ তোমালোকে শিশুৰ দৰে ক্ৰন্দনৰত হোৱা যেন স্বয়ং ক্ৰিয় ভাৱে গাখীৰ স্তনৰ পৰা সুপ্ৰকাশিত হয়। দয়া লাভৰ যোগ্যতা অৰ্জন কৰা যাতে তোমালোকৰ ওপৰত দয়া বৰ্ষিত হয়; ব্যাকুল হৈ যোৱা যাতে শান্তনা লাভ কৰিব পাৰা, বাৰে বাৰে কান্দি থাকা যাতে এখন ঐশ্বৰিক হাতে তোমালোকক আবৃত কৰি লয়। কিমানেই যে দুৰ্গম সেই বাট যি হয় খোদাৰ বাট। কিন্তু সিহঁতৰ বাবে এয়া সুগম কৰা হয় যিসকলে মৃত্যুক আকোৱালি ল'বলৈ এই অতল গহ্বৰত নিমজ্জিত হয়, যিসকলে নিজৰ হৃদয় কক্ষত এই সিদ্ধান্ত গ্ৰহণ কৰে যে আমি অগ্নি বৰণ কৰিবলৈ সাজু আছো আৰু আমি আমাৰ প্ৰেমাস্পদৰ নিমিত্তে দগ্ধ হ'বলৈ ইচ্ছুক। অৱশেষত সিহঁতে নিজকে যেতিয়া সেই অগ্নিগৰ্ভত নিক্ষেপ

কৰে তেতিয়া দেখিবলৈ পায় যে সেয়া এখন জান্নাতত পৰিণত হৈ গৈছে। ইখিনি কথাই খোদা তা'লা ইয়াত কৈছে,

وَاِنۡ مِّنۡكُمۡ اِلَّا وَارِدُهَا‌ ۚ كَانَ عَلٰى رَبِّكَ حَتۡمًا مَّقۡضِيًّا ۚ‏ ﴿۷۲﴾

(19:72)

অৰ্থাৎ হে সজ আৰু অসজ লোক সকল ! তোমালোকৰ মাজত এনে কোনোজন নাই যে তাৰ জাহান্নামৰ অগ্নি অতিক্ৰম কৰিব নালাগিব। কিন্তু খোদা তা'লাৰ নিমিত্তে যিবিলাক লোকে সেই অগ্নিত নিমজ্জন হ'ব সিহঁতক মুক্তি দিয়া হ'ব। আনহাতে যিজনে নফচে আম্মাৰাৰ প্ৰলোভনত নিমজ্জন হ'ব সি ভস্মীভূত হ'ব।

গতিকে স্বনাম ধন্য সেই ব্যক্তি যিজনে খোদাৰ নিমিত্তে নিজৰ প্ৰবৃত্তিৰ বিৰুদ্ধে সংগ্ৰাম কৰে আৰু সেইজন হ'ল দুৰ্ভগীয়া যিজনে নিজৰ প্ৰবৃত্তিৰ বাবে খোদাৰ বিৰুদ্ধে লড়াই কৰে আৰু তাৰ লগত সম্পৰ্ক প্ৰতিষ্ঠা নকৰে। যিজনে নিজৰ প্ৰবৃত্তিৰ দাস হৈ খোদাৰ আদেশ অমান্য কৰে, সি কেতিয়াও জান্নাতত প্ৰৱেশ কৰিব নোৱাৰে।

গতিকে তোমালোকে সদায় চেষ্টাৰত থাকা যাতে কোৰাণ চৰিফৰ এটা বিন্দু বিসৰ্গয় তোমালোকৰ বিপক্ষে সাক্ষী নিদিয়ে আৰু তাৰ বাবে তোমালোকে যেন গ্ৰেপ্তাৰ নোহোৱা, কাৰণ বিন্দু পৰিমাণ অন্যায়ও দণ্ডনীয় অপৰাধ। সময় বহুত সংকীৰ্ণ আৰু জীৱনৰ কৰ্তব্য অনন্ত, দ্ৰুত বেগ দিয়া, সন্ধিয়া সমাগত। যিমান যিবোৰ উপস্থিত কৰিব লাগিব সেয়া বাৰে বাৰে চাইচিতি লোৱা, যেনিবা একো এৰি থৈ নোযোৱা আৰু ক্ষতিৰ কাৰণ নহয় অথবা সেয়া গেলা বা পেলনীয় বুলি শ্বাহী দৰবাৰত উপস্থাপন কৰাৰ যেন অযোগ্য নহয়।

মই শুনিছো যে তোমালোকৰ মাজৰ কোনো কোনোৱে হেনো হাদীছ সম্পূৰ্ণ অবিশ্বাস কৰে। যদি কোনোবায় এনেকুৱা কৰি আছে তেন্তে তেওঁ মাৰাত্মক ভুল কৰি আছে। মই কেতিয়াও এনেকুৱা কৰিবলৈ কোৱা নাই

বৰং মোৰ শিক্ষা হ'ল এয়া যে তোমালোকৰ হিদায়তৰ বাবে খোদা তা'লায় তিনিটা বস্তুৰ ব্যৱস্থা কৰিছে। সৰ্বপ্ৰথম হ'ল কোৰাণ চৰিফ* য'ত খোদা তা'লাৰ তৌহিদ গৌৰৱ আৰু মহিমা বৰ্ণনা কৰা আছে আৰু সেইবিলাক মতভেদৰ মীমাংসা দিয়া আছে, যিবিলাক ইহুদী আৰু নাছাৰা সকলৰ মাজত বিৰাজিত আছিল। যেনেকৈ য'ত আছে যে ঈছা ইবনে মৰিয়মক ক্ৰুছ বিদ্ধ কৰি বধ কৰা হৈছে আৰু সি অভিশপ্ত আছিল, আৰু বেলেগ নবী সকলৰ দৰে তাৰ ৰাফা (সমুন্নত) হোৱা নাই। তেওঁলোকৰ এই মতভেদ আৰু ভ্ৰান্তিৰ মীমাংসা দিয়া আছে।

ঠিক তেনেদৰেই কোৰাণ চৰিফত তোমালোকক আল্লাহ বিহনে অইন কোনো বস্তুৰ উপাসনা কৰিববলৈ নিষেধ কৰা হৈছে। সেই বস্তু কিবা মানুহেই হওঁক বা পশু অথবা চন্দ্ৰ, সূৰ্য, গ্ৰহ নক্ষত্ৰই হওঁক। গতিকে তোমালোকে নিজৰ ব্যক্তিত্ব বা উপায়-উপকৰণ আদিৰ পূজাৰী নহ'বা। সেয়ে তোমালোকে সাৱধান হোৱা আৰু খোদা তা'লাৰ শিক্ষা আৰু কোৰাণৰ নিৰ্দেশৰ বিৰুদ্ধে এখোজও আগ বাঢ়ি নাযাবা। মই সঁচা সঁচাকে কৈ আছো

***টোকা ঃ** হিদায়তৰ দ্বিতীয় উপায় হ'ল ছুন্নত অৰ্থাৎ আঁ-হজৰত (ছাঃ)ৰ পৱিত্ৰ জীৱনাদৰ্শ, যিবোৰ তেখেত (ছাঃ)য়ে নিজৰ ক্ৰিয়া কলাপৰ দ্বাৰা দেখুৱাই গৈছে। উদাহৰণস্বৰূপ, যেনেকৈ তেখেতে নমাজ পঢ়ি দেখুৱাই দিছে যে কেনেকৈ নমাজ পঢ়িব লাগে। ৰোজা ৰাখি দেখুৱাইছে যে কেনেদৰে ৰোজা ৰাখিব লাগে। এইবোৰৰ নামেই ছুন্নত অৰ্থাৎ আঁ-হজৰত (ছাঃ)ৰ কৰ্মপদ্ধতি, যাৰ দ্বাৰা তেখেতে আল্লাহৰ আদেশ সমূহ কাৰ্য্যত পৰিণত কৰি দেখুৱাইছে, ইয়াৰ নামেই হ'ল ছুন্নত।

হিদায়তৰ তৃতীয় উপায় হ'ল হাদীছ অৰ্থাৎ আঁ-হজৰত (ছাঃ)ৰ বাণী (কথা) যিবোৰ তেখেত (ছাঃ)ৰ মৃত্যুৰ পিছত মানুহে সংকলন কৰিছে। হাদীছৰ মৰ্যদা কোৰাণ চৰিফ আৰু ছুন্নততকৈ কম, কাৰণ ইয়াৰ অধিকাংশ হাদীছ আনুমানিক। কিন্তু যেতিয়া এটা হাদীছ ছুন্নতৰ প্ৰমাণত সমৰ্থিত হয় তেন্তে সেয়া সন্দেহ বিহীন ভাৱে গ্ৰহণ যোগ্য হয়।

যে যিজনে কোৰাণ চৰিফৰ শ শ আদেশৰ মাজত এটা সৰু আদেশও অমান্য কৰে, তেওঁ নিজ হাতেৰে মুক্তিৰ পথ বন্ধ কৰে। প্ৰকৃত মুক্তিৰ বাট কোৰাণ চৰিফেই মুকুলাই দিছে আৰু বাকী সকলো গ্ৰন্থই ইয়াৰ প্ৰতিচ্ছবি আছিল।

গতিকে তোমালোকে কোৰাণ চৰিফ বিশেষ মনোযোগেৰে পাঠ কৰা আৰু ইয়াৰ সৈতে গভীৰ সম্পৰ্ক স্থাপন কৰা; এনেকুৱা ভালপোৱাৰ সম্পৰ্ক স্থাপন কৰা যি বেলেগৰ সৈতে তোমাৰ নাই। কিয়নো খোদা তা'লা মোক সম্বোধন কৰি কৈছে যে,

اَلْـخَيْـرُ كُـلُّهٗ فِى الْقُرْاٰنِ

অৰ্থাৎ সকলো ধৰণৰ কল্যাণ কোৰাণ চৰিফত সন্নিবিষ্ট আছে, এয়াই সত্য। পৰিতাপ সেই লোকসকললৈ যিসকলে কোৰাণ চৰিফতকৈ অইন বস্তুক বেছি প্ৰাধান্য দিয়ে। কোৰাণ চৰিফ হ'ল তোমালোকৰ সকলো সফলতা আৰু মুক্তিৰ উৎস। তোমালোকৰ ধৰ্ম সম্পৰ্কে এনে কোনো বিষয় নাই যে সেয়া কোৰাণ চৰিফত পোৱা নাযায়। কিয়ামত দিৱসত কোৰাণ চৰিফেই হ'ব তোমালোকৰ ঈমানৰ সত্যতাৰ মানদণ্ড। কোৰাণ চৰিফৰ বাহিৰে আকাশৰ তলত এনে কোনো গ্ৰন্থ নাই, যিটোৱে কোৰাণ চৰিফৰ সহায় নলৈ তোমালোকক হিদায়ত দান কৰিব পাৰে। খোদা তা'লা তোমালোকৰ প্ৰতি এয়া এটা মহান অনুগ্ৰহ আগবঢ়াইছে যে কোৰাণ চৰিফৰ দৰে ধৰ্মগ্ৰন্থ তোমালোকক দান কৰিছে। তোমালোকক মই সত্য সত্য ক'বলৈ লৈছো যে যি ধৰ্মগ্ৰন্থ তোমালোকক দান কৰিছে সেয়া যদি খ্ৰীষ্টানসকলক দিয়া হ'লহেঁতেন, তেন্তে তেওঁলোকে ধ্বংসপ্ৰাপ্ত নহ'লহেঁতেন। এয়া যি হিদায়ত আৰু নিয়ামত তোমালোকক দান কৰা হৈছে, এয়া যদি ইহুদী বিলাকক তৌৰাতৰ সলনি দিয়া হলহেঁতেন তেন্তে সিহঁতৰ কোনো ফিৰকাই কিয়ামতৰ অস্বীকাৰকাৰী নহ'লহেঁতেন। গতিকে তোমালোকে

এই মহান নিয়ামতৰ মৰ্যদা উপলব্ধি কৰিবলৈ প্ৰয়াস কৰা। এয়া অতিকৈ প্ৰিয় নিয়ামত। এয়া এটা মহান সম্পদ। যদি এই কোৰাণ চৰিফ অৱতীৰ্ণ নহ'লহেঁতেন তেন্তে পৃথিৱীখন এটা অপৱিত্ৰ মাংস পিণ্ডৰ দৰে থাকি গ'লহেঁতেন। কোৰাণ চৰিফ এনেকুৱা এখন গ্ৰন্থ যাৰ তুলনাত বেলেগ সকলোবোৰ হিদায়তেই সাৰশূন্য। ইঞ্জিল লৈ আনোতা ৰূহুল কুদ্দুছ এটা দুৰ্বল আৰু শক্তিহীন পাৰ চৰাইৰ দৰে আকৃতিত প্ৰকাশিত হৈছিল, যাক মেকুৰীয়েও ধৰি পেলাব পাৰে। এই কাৰণেই খ্ৰীষ্টান সকলে দিনক দিনে আধ্যাত্মিক অধঃপতনৰ গহ্বৰত নিমজ্জন হ'বলৈ লৈছে, বৰং আধ্যাত্মিকতা সিহঁতৰ মাজত ৰৈ থকা নাই। কাৰণ সিহঁতৰ ঈমান পাৰ চৰাইৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল আছিল। কিন্তু কোৰাণ চৰিফ লৈ আনোতা ৰূহুল কুদ্দুছ এনেকুৱা এটা মহান আকৃতিত আৱিৰ্ভাব হৈছিল যি ভূ-পৃষ্ঠৰ পৰা আকাশলৈকে সমগ্ৰ ভূমণ্ডল আৰু ভূতল আবৃত কৰি লৈছিল। গতিকে ক'ত আছে সেই পাৰ আৰু ক'ত আছে এই মহান জ্যোতিৰ বিকাশ কোৰাণ চৰিফতও যাৰ স্পষ্ট উল্লেখ আছে।

যদি বাহ্যিক বা আভ্যন্তৰীণ কোনো ধৰণৰ অন্তৰায় নেথাকে তেন্তে এটা সপ্তাহৰ ভিতৰতে কোৰাণ চৰিফে মানুহক পৱিত্ৰ কৰিবলৈ সক্ষম। যদি তোমালোকে কোৰাণ চৰিফ এৰি আঁতৰি নোযোৱা তেন্তে কোৰাণ চৰিফে তোমালোকক নবী সদৃশ গঢ়িবলৈ সক্ষম। কোৰাণ চৰিফৰ বাহিৰে বেলেগ কোনখন ধৰ্মগ্ৰন্থই সৰ্বপ্ৰথমে পাঠকক এই প্ৰাৰ্থনা শিকাইছে আৰু এয়া আশ্বাস দিছে যে,

اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ۙ﴿۶﴾ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ (1:6-7)

অৰ্থাৎ আমাক সেই পুৰস্কাৰ লাভৰ পথ প্ৰদৰ্শন কৰা যি পুৰ্বৰ লোক সকললৈ প্ৰদৰ্শন কৰা হৈছিল। (যিসকলে নবী ৰছুল, ছিদ্দিক, শ্বহীদ আৰু

ন্যায়পৰায়ণ ব্যক্তি আছিল)

গতিকে নিজৰ সাহস বৃদ্ধি কৰি তোলা আৰু কোৰাণ চৰিফৰ আহ্বান অগ্ৰাহ্য নকৰিবা, কাৰণ কোৰাণ চৰিফে তোমালোকক সেই বিলাক কল্যাণ প্ৰদান কৰিব বিচাৰে যিবোৰ তোমালোকৰ পূৰ্বৰ লোক সকলক প্ৰদান কৰা হৈছিল। উক্ত কোৰাণ চৰিফে তোমালোকক বনি ইস্ৰাইলৰ দেশ আৰু সিহঁতৰ বায়তুল মুকাদ্দছ্ দান কৰা নাই নে, যি আজিও তোমালোকৰ অধীনত আছে ?

গতিকে হে দুৰ্বল বিশ্বাস আৰু ভীৰু ব্যক্তি সকল ! তোমালোকে ভাৱা নেকি যে তোমালোকৰ খোদা পাৰ্থিৱ বিষয় আদিত তোমালোকক বনি ইস্ৰাইলৰ সমস্ত ধন ঐশ্বৰ্য্যৰ অধিকাৰী বনাইছে, কিন্তু আধ্যাত্মিক বিষয়ে সিহঁতৰ অধিকাৰী বনাব পৰা নাই। বৰং খোদা তা'লাই তোমালোকক সিহঁততকৈ অধিক অনুগ্ৰহ প্ৰদানৰ ইচ্ছা কৰে। সি তোমালোকক সিহঁতৰ ভৌতিক আৰু আধ্যাত্মিক উভয় সম্পদৰ উত্তৰাধিকাৰী বানইছে। কিন্তু কিয়ামতলৈকে বেলেগ কোনোবাই তোমালোকৰ উত্তৰাধিকাৰী নহ'ব। খোদা তা'লা তোমালোকক ওহী ইলহাম (ঐশ্বৰিক বাণী) মুকালমা, মুখাতিবা, (খোদাৰ সৈতে বাক্যালাপ)ৰ নিয়ামতৰ পৰা বঞ্চিত নাৰাখে। খোদা তা'লা পূৰ্বৰ উম্মত সকলক যিবিলাক নিয়ামত দান কৰিছিল সেইবোৰ তেওঁ তোমালোককও দান কৰিব। কিন্তু যিজনে নিজৰ ধৃষ্টতাৰে খোদা তা'লাৰ ওপৰত এটা মিছা জাপি দি ক'ব যে খোদা তাৰ ওপৰত ওহী অৱতীৰ্ণ কৰিছে অথচ প্ৰকৃততে তাৰ প্ৰতি কোনো ধৰণৰ ওহী অহা নাই নাইবা ক'ব যে তেওঁ খোদা তা'লাৰ লগত কথোপকথনৰ সৌভাগ্য লভিছে। অথচ সেয়া তেওঁ কৰা নাই, মই তেনেকুৱা ব্যক্তি সম্পৰ্কে খোদা তা'লাক আৰু তাৰ ফিৰিস্তা সকলক সাক্ষী ৰাখি কওঁ সি নিশ্চয় ধ্বংসপ্ৰাপ্ত হ'ব। কাৰণ সি নিজৰ স্ৰষ্টাৰ ওপৰত এটা মিছা জাপি দিছে। তাৰ লগত মহা প্ৰতাৰণাত লিপ্ত হৈছে আৰু জঘন্য দাম্ভিকতা আৰু অহংকাৰ প্ৰকাশ

কৰিছে। গতিকে তোমালোকে এনে পৰিণতিলৈ ভয় কৰিবা। অধম হ'ল সেই বিলাক মানুহ যিসকলে মিছা সপোন ৰচনা কৰে আৰু খোদা তা'লাৰ সৈতে কথোপকথনৰ মিছা দাবী কৰে। এনেকুৱা ব্যক্তি সকলে খোদা আছে বুলি ধাৰণা নকৰে। ইয়াৰ ফল স্বৰূপে খোদা তা'লাৰ কঠিন শাস্তিয়ে তেওঁলোকক ছানি ধৰিব। তেনে লোকসকলৰ দুঃখৰ অৱসান নহয়।

গতিকে তোমালোকে সততা, নিষ্ঠা, ধৰ্ম ভীতি, আৰু ঐশ্বৰিক প্ৰেমত উন্নতি লাভ কৰা আৰু এয়া জীৱন ব্ৰত বনাই লোৱা। তেতিয়াহে খোদা তা'লা তোমালোকৰ মাজৰ পৰা যাৰ সৈতে ইচ্ছা কৰিব তাক নিজৰ বাক্যালাপৰ মৰ্যদা দান কৰিব। আকৌ এনেকুৱা কথোপকথনৰ বাঞ্ছা তোমালোকে মনত পুহি ৰখা উচিত নহয়, কাৰণ প্ৰবৃত্তিৰ এনেকুৱা বাসনাৰ ফলত চয়তানী প্ৰোৰচনাৰ উদ্ভৱ হ'ব পাৰে, যাৰ ফলত বহুতেই ধ্বংসৰ গ্ৰাসত পৰে। গতিকে তোমালোকে ধৰ্ম সেৱা আৰু উপসনাত মগ্ন থাকা। তোমালোকৰ সকলো চেষ্টা-প্ৰচেষ্টা ইয়াৰ মাজত নিয়োজিত ৰখা উচিত, যাৰ মাজত তোমালোকে খোদা তা'লাৰ সকলো আদেশ সুন্দৰকৈ পালন কৰিব পাৰা। মুক্তি লাভৰ উদ্দেশ্যে ঈমানৰ উন্নতি কল্পে প্ৰাৰ্থনা কৰা, ইলহাম দেখুৱাই নহয়। কোৰাণ চৰিফে তোমালোকৰ বাবে বহল ভাৱে পৱিত্ৰ শিক্ষা লিপিবদ্ধ কৰিছে। সেই বিলাকৰ মাজত এটা শিক্ষা আছে এয়া যে তোমালোকে সম্পূৰ্ণ ৰূপে শিৰিক মুক্ত থাকিবা কাৰণ মুশৰিক (অংশীবাদী) মুক্তিৰ নিজৰা বিচাৰি নাপায়। মিছা কথা নক'বা কাৰণ মিছা কথা কোৱা এক প্ৰকাৰৰ ডাঙৰ শিৰিক।

ইঞ্জিলৰ দৰে কোৰাণ চৰিফত তোমালোকক কেৱল এয়া নিৰ্দেশ দিয়া নাই যে নামাহৰুম নাৰীৰ প্ৰতি কামলোলুপ দৃষ্টি নিদিবা, বৰং সৰল দৃষ্টিত চোৱা বৈধ। কোৰাণ চৰিফৰ নিৰ্দেশ হ'ল যে কেতিয়াও নেদেখিবা, হয়তো সেয়া কুদৃষ্টিতেই হওঁক বা সুদৃষ্টিতেই হওঁক। কাৰণ ইয়াত তোমালোকৰ পদস্খলন ঘটিবৰ সম্ভাৱনা অৱধাৰিত আছে। গতিকে নামাহৰুম

নাৰীলোকৰ সন্মুখীন হলে তোমালোকৰ দৃষ্টি যেন নিম্নমুখী থাকে আৰু সিহঁতৰ আকৃতি (ৰূপ লাৱন্য) সম্পৰ্কে তোমালোকৰ যেন একো ধাৰণা নজন্মে যেনেকৈ চকু উঠা ৰোগৰ আগ মুহূৰ্তত মানুহে কুহেলিকাৰ দৰে দেখিবলৈ পায়।

ইঞ্জিলৰ দৰে কোৰাণ চৰিফে তোমালোকক এয়া নিৰ্দেশ নিদিয়ে যে অতিমাত্ৰা সুৰা পান নকৰিবা যে (মাতাল) অচেতন হৈ যোৱা, বৰং শিক্ষা দিয়ে যে কেতিয়াও সুৰাপান নকৰিবা। সুৰা পানকাৰীয়ে কেতিয়াও খোদাৰ বাট বিচাৰি নাপায়, খোদা তাৰ সৈতে কথোপকথন নকৰে আৰু অপৰিত্ৰতাৰ পৰা পৱিত্ৰ নকৰে। কোৰাণ চৰিফে এয়াও কয় যে এইটো হ'ল চয়তানৰ আৱিষ্কাৰ, তোমালোকে ইয়াৰ পৰা আঁতৰত থাকা।

ইঞ্জিলৰ দৰে কোৰাণ চৰিফে তোমালোকক কেৱল এয়াই নিৰ্দেশ নিদিয়ে যে আপোন ভাতৃবৰ্গৰ সৈতে অনৰ্থক ক্ৰোধান্বিত নহ'বা, বৰং এয়া শিক্ষা দিয়ে যে কেৱল নিজৰ ক্ৰোধ দমন কৰিয়ে ক্ষান্ত নহ'বা এনেকি

(90:18) وَتَوَاصَوۡا بِالصَّبۡرِ

অৰ্থাৎ পৰস্পৰে পৰস্পৰক দয়া প্ৰদৰ্শনৰ উপদেশ দিয়ে (চুৰা বালাদ আয়াত ১৮)

উক্ত আয়াতৰ আদেশ অনুযায়ী কাৰ্য্য সম্পাদন কৰি, অইনকও তেনে কৰিবলৈ উপদেশ দিয়া আৰু কেৱল নিজেই দয়া প্ৰদৰ্শন নকৰিবা। এনেকি আপোন ভাই সকলকও দয়ালু হ'বলৈ উপদেশ দিয়া।

কোৰাণ চৰিফে ইঞ্জিলৰ দৰে তোমালোকক এয়া নিৰ্দেশ নিদিয়ে যে ব্যভিচাৰৰ বাহিৰে সিহঁতৰ সকলো অপৱিত্ৰ আচৰণ নীৰৱে সহ্য কৰা আৰু সিহঁতক তালাক নিদিবা বৰং এয়া শিক্ষা দিয়ে যে,

(24:27) وَالطَّيِّبٰتُ لِلطَّيِّبِيۡنَ

অৰ্থাৎ পৱিত্ৰ পুৰুষৰ বাবে পৱিত্ৰ বস্তু। (চুৰা নুৰ আয়াত ২৭)

কোৰাণ চৰিফৰ শিক্ষা হ'ল এয়া যে অপৱিত্ৰই পৱিত্ৰৰ সৈতে থাকিব নোৱাৰে। গতিকে তোমাৰ পত্নী যদি ব্যভিচাৰিণী নহয় কিন্তু কামলোলুপ দৃষ্টিৰে পৰ পুৰুষলৈ চায় আৰু তাৰ সৈতে আলিঙ্গন কৰে, তাই প্ৰকৃততে ব্যভিচাৰিণী নহলেও ব্যভিচাৰৰ সকলো পূৰ্বাভাস তাইৰ মাজত প্ৰকাশিত হয় আৰু বেলেগ পুৰুষৰ সন্মুখত নিজৰ সৌন্দৰ্য প্ৰদৰ্শন কৰে, মুশৰিক (পৌত্তলিক) আৰু মুফছিদা (কলহপ্ৰিয়) হয় আৰু যিয়ে আমাৰ বিশ্বাসী খোদাৰ প্ৰতি বিমুখ হয়, শেষলৈকে তাই যদি এই সকলোবোৰ পাপ কামৰ পৰা বিৰত নহয় তেন্তে তুমি তাইক তালাক দিব পাৰা। কাৰণ তাই মূলতঃ তোমাৰ পৰা বিচ্ছিন্ন হৈ পৰিছে আৰু তাই এতিয়া আৰু তোমাৰ শৰীৰৰ অঙ্গ স্বৰূপ হৈ থকা নাই। গতিকে ইয়াৰ পিছত আৰু তাইৰ সৈতে নিৰ্লজ্জৰ দৰে জীৱন-যাপন কৰাটো তোমাৰ বাবে মঙ্গলজনক নহয়। কিয়নো তাই এতিয়া আৰু তোমাৰ দেহৰ অংশ নহয়। তাই হৈ পৰিছে এটা অপৱিত্ৰ আৰু বিষাক্ত অঙ্গ, যি কাটি পেলোৱাৰ যোগ্য। নহলে ই বাকী দেহটোক অপৱিত্ৰ আৰু বিষাক্ত কৰি তুলিব আৰু অৱশেষত গৈ তুমি ধ্বংসপ্ৰাপ্ত হ'বা।

ইঞ্জিলৰ দৰে কোৰাণ চৰিফে তোমালোকক এয়া নিৰ্দেশ নিদিয়ে যে কেতিয়াও শপত নল'বা, বৰং অৰ্থহীন শপত ল'বলৈহে তোমালোকক নিষেধ কৰে। কাৰণ কোনো কোনো সময়ত শপত লোৱাই মীমাংসাৰ বাট মুকলি কৰি দিয়ে। প্ৰমাণৰ কোনো সুত্ৰ খোদা তা'লা বিনষ্ট কৰিব নিবিচাৰে। কিয়নো ইয়াতে তাৰ হিকমত বিনষ্ট হয়। এয়া সাধাৰণ কথা যে যদি কোনোবাই বিচাৰ্য্য বিষয়ত সত্যটো লুকুৱাই ৰাখে তেন্তে মীমাংসাৰ বাবে খোদা তা'লাৰ সাক্ষীৰ প্ৰয়োজন হয়। শপত লোৱাৰ অৰ্থ হ'ল খোদা তা'লাক সাক্ষী হিচাপে মানি লোৱা।

ইঞ্জিলৰ দৰে কোৰাণ চৰিফে তোমালোকক এনে নিৰ্দেশ নিদিয়ে যে কোনো অৱস্থাতেই অত্যাচাৰ ৰোধ নকৰিবা; বৰং শিক্ষা দিয়ে এয়া যে,

وَجَزٰٓؤُا سَيِّئَةٍ سَيِّئَةٌ مِّثۡلُهَا ۚ فَمَنۡ عَفَا وَاَصۡلَحَ فَاَجۡرُهٗ عَلَى اللّٰهِ ؕ

(42:41)

অৰ্থ ঃ মনত ৰাখিবা যে এটা আঘাতৰ প্ৰতিশোধ একেধৰণেই এটা আঘাত। কিন্তু যিজনে ক্ষমা কৰে আৰু তাৰ দ্বাৰা উন্নতি সাধন কৰে তেওঁৰ পুৰস্কাৰ থাকিব আল্লাহৰ ওচৰত। (চুৰা শুৰা আয়াত ৪১)

নিশ্চয় সেইজনাই দোষী সকলক ভাল নাপায়। গতিকে কোৰাণ চৰিফৰ শিক্ষা অনুযায়ী প্ৰত্যেক ক্ষেত্ৰত নে প্ৰতিশোধ সুসঙ্গত, নে ক্ষমা প্ৰশংসনীয়, বৰং স্থান কাল পাত্ৰভেদে এই সিদ্ধান্ত ইয়াত গ্ৰহণ কৰিব লাগিব ইচ্ছানুযায়ী ল'ব পৰা নেযায়। এয়াই হ'ল কোৰাণ চৰিফৰ বিধান।

কোৰাণ চৰিফে ইঞ্জিলৰ দৰে এয়া কোৱা নাই যে নিজৰ শত্ৰুক ভালপোৱা, বৰং এয়া শিক্ষা দিছে যে ব্যক্তিগত কোনো কাৰণত যেন কাৰো সৈতে শত্ৰুতা নেথাকে আৰু সাধাৰণ ভাৱে প্ৰত্যেকৰে সৈতে তুমি সহানুভূতিশীল হোৱা। কিন্তু যিজনে তোমাৰ খোদাৰ শত্ৰু, তোমাৰ ৰছুলৰ শত্ৰু আৰু আল্লাহ তা'লাৰ কিতাপৰ শত্ৰু, তেওঁ যেন তোমাৰ শত্ৰু হয়। আনহাতে কিন্তু সিহঁতে যেন তোমাৰ দাওয়াত (সত্যৰ প্ৰতি আহ্বান) আৰু দোৱাৰ পৰা বঞ্চিত নহয়। সিহঁতৰ কাৰ্য্যৰ প্ৰতিবাদ কৰিবা কিন্তু কোনো ব্যক্তি বিশেষৰ প্ৰতি হিংসা ভাৱ পোষণ নকৰিবা আৰু চেষ্টা কৰি যাবা যাতে সিহঁতে সংশোধন হয়। কোৰাণ চৰিফত এই সম্পৰ্কে উল্লেখ আছে যে,

اِنَّ اللّٰهَ يَاۡمُرُ بِالۡعَدۡلِ وَالۡاِحۡسَانِ وَاِيۡتَآئِ ذِى الۡقُرۡبٰى

(16:91)

অৰ্থাৎ আল্লাহ তা'লা তোমালোকৰ ওচৰত একমাত্ৰ এয়াই বিচাৰে যে তোমালোকে সমগ্ৰ মানৱ জাতিলৈ ন্যায়সঙ্গত আচৰণ কৰা। ইয়াৰ ওপৰিও যিসকলে তোমালোকৰ কোনো উপকাৰ কৰা নাই সিহঁতলৈও দয়া কৰা।

তোমালোকে খোদা তা'লাৰ সৃষ্টি জীৱলৈ এনেকুৱা সহানুভূতি প্ৰদৰ্শন কৰা যেনিবা সকলো ঘনিষ্ঠ আত্মীয়, যেনেকৈ মাতৃয়ে নিজৰ সন্তানৰ প্ৰতি দয়ালু আচৰণ কৰি থাকে।

কিয়নো দয়া বা পৰোপকাৰত এক প্ৰকাৰৰ আত্মপ্ৰচাৰৰ ভাৱও নিহিত হৈ থাকে আৰু উপকাৰ কৰোঁতাই কেতিয়াবা কেতিয়াবা নিজে কৰা উপকৰণলৈ গৰ্ব কৰে। কিন্তু যিজনে মাতৃ সদৃশ প্ৰেৰণাত লোকৰ উপকাৰত লাগি থাকে সি কেতিয়াও আত্মগৰীমাত বিভোৰ নহয়। গতিকে উত্তম পৰ্যায়ৰ সৎকৰ্ম হ'ল সেয়া যিবোৰ মাতৃৰ দৰে সাধাৰণ প্ৰেৰণাত সমাধা কৰা হয়।

উপৰোক্ত আয়াতটো কেৱল জীৱৰ ক্ষেত্ৰতেই প্ৰযোজ্য নহয়, বৰং এয়া স্ৰষ্টাৰ ক্ষেত্ৰতও প্ৰযোজ্য। খোদা তা'লাৰ প্ৰতি ন্যায় পৰায়ণ হোৱাৰ অৰ্থ হ'ল তাৰ নিয়ামত সমূহলৈ ভাৱি তাৰ আনুগত্য কৰি যোৱা। খোদা তা'লাৰ প্ৰতি এহছান (উপকাৰ) কৰাৰ অৰ্থ হ'ল সেই সত্তাৰ ওপৰত এনেকুৱা বিশ্বাস স্থাপন কৰা যেনিবা তাক প্ৰত্যক্ষভাৱে দৰ্শন কৰি আছা। খোদা তা'লাৰ প্ৰতি **ইতাইযিল কুৰবা** (আত্মীয় সুলভ সহানুভূতি)ৰ অৰ্থ হ'ল এয়া যে তাৰ উপাসনা যেন জান্নাতৰ লোভত আৰু দোজখৰ ভয়ত কৰা নহয়, বৰং জান্নাত আৰু দোজখ নাই বুলি ধৰি ললেও যেন তাৰ প্ৰতি প্ৰেম আৰু আনুগত্যৰ কোনো সাল-সলনি নহয়।

ইঞ্জিলত লিখা আছে যে যিজনে তোমাক অভিশাপ দিয়ে তুমি তাৰ বাবে কল্যাণ কামনা কৰা। কিন্তু কোৰাণ চৰিফত এয়া নিৰ্দেশ দিয়া আছে যে তুমি প্ৰবৃত্তিৰ বশৱৰ্তী হৈ একো নকৰিবা। এনেকুৱা লোকৰ সৈতে কেনে আচৰণ কৰিব লাগিব সেই সম্পৰ্কে তুমি তোমাৰ আত্মাৰ ওচৰত যি খোদা তা'লাৰ জ্যোতি বিকাশৰ স্থল, ব্যৱস্থাৰ প্ৰাৰ্থনা কৰা। খোদা তা'লা যদি তোমাৰ মনত এই প্ৰেৰণা জগায় যে অভিশাপদাতা কৰুণাৰ পাত্ৰ আৰু আকাশত তাৰ ওপৰত কোনো অভিসম্পাত বৰ্ষণ হোৱা নাই,

তেন্তে তুমিও তাক অভিশাপ দি খোদা তা'লাৰ বিৰুদ্ধাচৰণ নকৰিবা। কিন্তু যদি তোমাৰ প্ৰজ্ঞায় তাক ক্ষমাৰ যোগ্য বুলি বিবেচিত নকৰে আৰু যদি তোমাৰ মনত ভাৱৰ উদয় হয় যে এইজন ব্যক্তি আকাশত অভিশপ্ত বুলি গণ্য তেন্তে তাৰ বাবে তুমি কল্যাণ কামনা নকৰিবা। যেনেকৈ চয়তানৰ নিমিত্তে কোনো নবীয়েই কল্যাণ প্ৰাৰ্থনা কৰা নাই আৰু তাক অভিশাপ মুক্ত কৰা নাই। সেয়ে কোনোবাজনক অভিশাপ দিওঁতে ততাতৈয়া নকৰিবা। কিয়নো অধিকাংশ সময়ত এই বিষয়ে নিজৰ ধাৰণা ভুল হৈ পৰি সেই অভিসম্পাত নিজৰ ওপৰতেই সক্ৰিয় হয়।

সতৰ্কতাৰে পদক্ষেপ ল'বা, খুব ভাৱি-চিন্তি কাম কৰিবা আৰু আল্লাহৰ ওচৰত সহায় বিচাৰিবা, কাৰণ তোমালোক একোৱে নেজানা। এনেকুৱা অৱস্থা যেন নহয় যে তোমালোকে ন্যায়বানক অত্যাচাৰী আৰু সত্যবাদীক মিছলীয়া বুলি ভাৱি খোদা তা'লাৰ অপ্ৰিয় হৈ যোৱা আৰু ইয়াৰ ফলত তোমালোকৰ সকলো সজ কাম বিনষ্ট হৈ যায়।

ইঞ্জিলত এনেদৰে উল্লেখ কৰা হৈছে যে তোমালোকে মানুহক দেখুৱাবলৈ প্ৰকাশ্য ভাৱে পুণ্য কাম নকৰিবা। কিন্তু কোৰাণ চৰিফত উল্লেখ আছে যে এনেকুৱা নকৰিবা যে যাৰ বাবে তোমালোকৰ সকলো সজ কাম মানুহৰ ওচৰত গোপন থাকে। যেতিয়া এনে ধাৰণা হ'ব যে কোনো সজ কাম এটা লুকুৱাই কৰা তোমাৰ আত্মাৰ বাবে কল্যাণজনক তেন্তে সেয়া গোপনে কৰিবা। যেতিয়া দেখিবা যে কোনো সজ কাম এটা মুকলিকৈ কৰা জনসাধাৰণৰ নিমিত্তে মঙ্গলজনক তেতিয়া সেয়া সেই ভাৱেই কৰিবা। এনে কৰিলে তোমালোকে দ্বিগুণ নেকি লাভ কৰিবা আৰু যিবিলাক দুৰ্বল শ্ৰেণীৰ লোক কোনো পুণ্য কাৰ্য্য কৰিবলৈ সাহস পোৱা নাছিল তেওঁলোকেও তোমালোকক চাই পুণ্য কাম কৰিব পাৰিব। মুঠ কথা খোদা তা'লা কোৰাণ চৰিফত কৈছে,

(2:275) سِرًّا وَّ عَلَانِيَةً অৰ্থাৎ গোপনত দান কৰা আৰু মুকলিকৈও

কৰা।

এই সকলোবোৰ আদেশৰ মূলভাৱ সি নিজেই বৰ্ণনা কৰিছে। ইয়াৰ প্ৰকৃত অৰ্থ হ'ল এয়া যে কেৱল উপদেশ দিয়াই নহয়, বৰং নিজৰ কাৰ্য্যৰ দ্বাৰাও আনক উৎসাহিত কৰা। কিয়নো সকলো ক্ষেত্ৰতে মুখৰ বাক্য ফলপ্ৰসূ নহয়, বৰং বেছি ভাগ ঠাইত আদৰ্শ কাৰ্যকৰী হয়।

ইঞ্জিলত এইদৰে বৰ্ণিত আছে যে প্ৰাৰ্থনা কৰিবলৈ হলে নিজৰ ঘৰৰ ভিতৰত কৰা। কিন্তু কোৰাণ চৰিফত এই শিক্ষা আছে যে সকলো সময়তেই গোপনে প্ৰাৰ্থনা নকৰিবা, বৰং কোনো কোনো সময়ত লোকৰ সন্মুখত নিজৰ ভাইবিলাকৰ উপস্থিতিতে মুকলি ভাৱে প্ৰাৰ্থনা কৰিবা, যাতে কোনো প্ৰাৰ্থনা গৃহীত হলে সকলোৰেই ঈমানৰ উন্নতিৰ উৎস হয় আৰু বেলেগও প্ৰাৰ্থনাৰ ফালে ধাৱিত হয়।

ইঞ্জিল কিতাপত এনেদৰে দোৱা কৰাৰ নিৰ্দেশ দিয়া আছে যে হে আমাৰ পিতা, যি আকাশত আছে তোমাৰ নামৰ গৌৰৱ বিকশিত হওঁক, তোমাৰ সাম্ৰাজ্য প্ৰতিষ্ঠিত হওঁক। তোমাৰ ইচ্ছা যেনেকৈ আকাশত পূৰ্ণ হৈছে তেনেকৈ পৃথিৱীতো পূৰ্ণ হওঁক। আমাক আমাৰ দৈনন্দিনৰ আহাৰ প্ৰদান কৰা, আৰু আমি যেনেকৈ আমাৰ ঋণগ্ৰস্ত সকলক ক্ষমা কৰো তেনেকৈ তুমিও তোমাৰ ঋণ আমাক ক্ষমা কৰি দিয়া। আমাক পৰীক্ষাত নেপালাবা, বৰং সকলো অমঙ্গলৰ পৰা আমাক ৰক্ষা কৰা; কিয়নো তুমিয়েই ৰাজত্ব, ক্ষমতা আৰু প্ৰতাপৰ অধিকাৰী। আনহাতে কোৰাণ চৰিফত এই শিক্ষা আছে যে কেৱল আকাশতেই নহয় পৃথিৱীতেও খোদা তা'লাৰ পৱিত্ৰতা বিৰাজিত আছে। যেনেকৈ কোৰাণ চৰিফত উল্লেখ আছে,

وَاِنْ مِّنْ شَیْءٍ اِلَّا یُسَبِّحُ بِحَمْدِهٖ (17:45)

یُسَبِّحُ لِلّٰهِ مَا فِی السَّمٰوٰتِ وَمَا فِی الْاَرْضِ (62:2)

অৰ্থাৎ পৃথিৱী আৰু আকাশৰ অনু-পৰমাণুয়ে খোদা তা'লাৰ মহিমা গাই

আছে। আকাশ আৰু পৃথিৱীত যিবোৰ আছে; সেইবোৰ সকলোৱেই তাৰ প্ৰশংসা আৰু পৱিত্ৰতা ঘোষণা কৰাত মগ্ন আছে। পৰ্বতবোৰে তাৰ গৌৰৱ ঘোষণাত ব্যস্ত; নদ নদীবোৰে তাৰ গৌৰৱ ঘোষণা কৰাত ব্যস্ত, গছ-গছনি তৰু-লতায় তাৰ মহিমা গাই আছে আৰু বহুতো সাধুয়ে তাৰ মহত্ব ঘোষণাত মগ্ন যিজনে একান্ত মনেৰে তাৰ গৌৰৱ গাই থকাত মগ্ন নহয়, আৰু তাৰ আগত বিনয় ভৰা চিত্তে অৱনত নহয়, তাক কাজা ও কদৰ নিয়তিয়ে নানা ধৰণৰ বিপত্তি, আলৈ আথনিৰে বিনয়ী আৰু অৱনমিত কৰি আছে। খোদা তা'লাৰ কিতাপত ফিৰিস্তা সম্পৰ্কে যেনেকৈ বৰ্ণিত আছে যে সিহঁতে খোদা তা'লাৰ একান্ত বাধ্য, ঠিক তেনেকৈ জগতৰ সামান্য অনু-পৰমাণুবোৰৰ বিষয়ে কৈছে যে প্ৰত্যেক বস্তুৱেই খোদা তা'লাৰ নিৰ্দেশ পালনত ব্ৰতী। তাৰ আদেশ বিহনে গছৰ পাত এটাও সৰিব নোৱাৰে। কোনো ঔষধে ৰোগীক আৰোগ্য দান কৰিব নোৱাৰে আৰু কোনো খাদ্যও উপযোগী হ'ব নোৱাৰে। ইয়াৰ ফলশ্ৰুতিতেই প্ৰত্যেক বস্তয়েই একান্ত বিনয় আৰু আনুগত্য সহকাৰে খোদা তা'লাৰ দৰবাৰত হাজিৰ আছে আৰু তাৰ নিৰ্দেশ পালনত ব্ৰতী হৈ আছে। পাহাৰ, পৰ্বত আৰু সমভূমিৰ প্ৰতিটো অনু-পৰামাণু, নদ-নদী, সাগৰৰ প্ৰতিটো কণিকা, গছ-গছনি, তৰু-লতাৰ প্ৰত্যেক ক্ষুদ্ৰতম অংশ আৰু মানৱকুল আৰু জন্তুৰ মাজত নিহিত প্ৰত্যেক কোষ, সিৰা উপসিৰাই খোদা তা'লাক চিনি পায় আৰু তাৰ আনুগত্য স্বীকাৰ কৰে। এনেকি তাৰ মহিমা আৰু পৱিত্ৰতা প্ৰকাশত মগ্ন হৈ আছে। এই কাৰণেই আল্লাহ তা'লা কোৰাণ চৰিফত কৈছে,

يُسَبِّحُ لِلّٰهِ مَا فِي السَّمٰوٰتِ وَمَا فِي الْاَرْضِ (62:2)

অৰ্থাৎ আকাশৰ প্ৰত্যেক বস্তুয়ে যেনেকৈ খোদা তা'লাৰ মহিমা আৰু পৱিত্ৰতা ঘোষণা কৰি আছে তেনেকৈ পৃথিৱীৰ সকলো বস্তুৱেই তাৰ মহিমা আৰু পৱিত্ৰতা ঘোষণা কৰি আছে।

গতিকে পৃথিৱীত খোদা তা'লাৰ কোনো জয়গান গোৱা হোৱা নাই,

এনে কথা কোনো কামিল,আৰিফ (সিদ্ধ পুৰুষ)ৰ মুখৰ পৰা ওলাব নোৱাৰে। প্রকৃত কথা হ'ল এয়া যে পৃথিৱীৰ কোনো নহয় কোনো বস্তুয়ে ধৰ্মীয় বিধান পালন কৰি আছে, কোনোটোৱে কাজা-কদৰ (নিয়তিৰ বিধান) মানি চলিছে আৰু কেতবোৰে এই উভয় প্রকাৰৰ বিধান সমূহৰ আনুগত্য কৰিবলৈ সদায় সাজু আছে। মেঘমালা, বায়ু, অগ্নি আৰু মাটি এই সকলোবোৰেই খোদা তা'লাৰ আনুগত্যৰ বেষ্টনীত আছে আৰু তাৰ গুণ কীৰ্তন কৰি আছে। কোনেও খোদা তা'লাৰ এই দুয়ো বিধানৰ বহিৰ্ভূত নহয়। সিহঁতৰে ওপৰত খোদা তা'লাৰ কোনো নহয় কোনো এটা ঐশ্বৰিক শাসনৰ জুঁৰলি প্রত্যেকৰে কান্ধত আছে। সাধাৰণতে মানৱ হৃদয়ৰ সততা আৰু দুষ্টালি অনুযায়ী গাফিলতি আৰু জিকৰে ইলাহি (আল্লাহৰ স্মৰণ) জগতত ক্রমান্বয়ে নিজৰ প্রভাৱ বিস্তাৰ কৰি থাকে। আনহাতে কিন্তু খোদা তা'লাৰ হিকমত আৰু মুচলেহত (প্রজ্ঞা আৰু প্রয়োজন) অবিহনে জোয়াৰ ভাটা নিজে নিজে সংগঠিত নহয়, খোদা তা'লাই ইচ্ছা কৰিলে যে জগতত এয়া হওঁক,সেয়ে সেয়াই সংগঠিত হ'ল। গতিকে ধৰ্ম পৰায়ণতা আৰু পথভ্ৰষ্টতাৰ ধাৰাবাহিকতা দিন ৰাতিৰ আৱৰ্তনৰ দৰে খোদা তা'লাৰ নিয়ম আৰু নির্দেশ অনুযায়ী চলি আছে। এনেয়ে চলি থকা নাই। তথাপি প্রত্যেক বস্তুৱেই তাৰ আহ্বানত সহাৰি দিয়ে আৰু তাৰ পৱিত্ৰতা ঘোষণা কৰে। কিন্তু ইয়াৰ বিপৰীতে ইঞ্জিলত আছে যে পৃথিৱী খোদা তা'লাৰ পৱিত্ৰতাৰ পৰা শূন্য। ইয়াৰ কাৰণ হ'ল ইঞ্জিলত উল্লেখিত প্রার্থনাৰ পিছৰ বাক্যটোত যি সংকেত স্বৰূপে উল্লেখ কৰিছে সেয়া হ'ল এয়া যে পৃথিৱীত এতিয়াও খোদা তা'লাৰ ৰাজত্ব প্রতিষ্ঠা হোৱা নাই। বেলেগ কিবা কাৰণত নহয়, ৰাজত্ব প্রতিষ্ঠিত নোহোৱাৰ বাবেই খোদাৰ ইচ্ছা পৃথিৱীত সেইদৰে কার্যকৰী হোৱা নাই যেনেকৈ আকাশত কার্যকৰী হৈছে। ইফালে কিন্তু কোৰাণ চৰিফৰ শিক্ষা উক্ত বাক্যবোৰৰ সম্পূর্ণ বিপৰীত। ইয়াত স্পষ্ট ভাৱে উল্লেখ আছে যে কোনো চোৰ, ঘাতক, ব্যভিচাৰী, কাফিৰ, অত্যাচাৰী,

দ্বেৰাচাৰী আৰু দুৰ্বত্তই জগতত কোনো অন্যায় কাম সাধন কৰিব নোৱাৰে, যেতিয়ালৈকে আকাশৰ পৰা তেনে কৰাৰ স্বাধীনতা দিয়া নহয়। গতিকে কেনেকৈ এয়া ক'ব পৰা যায় যে পৃথিৱীত খোদা তা'লাৰ ৰাজত্ব বিদ্যমান নাই ? কোনো ধৰণৰ বিৰোধী আধিপত্যই পৃথিৱীত খোদা তা'লাৰ আদেশ প্ৰচলনত প্ৰতিবন্ধকৰ সৃষ্টি কৰিব পাৰেনে ? *ছুবহানাল্লাহ কেতিয়াও নোৱাৰে বৰং সি নিজে আকাশত ফিৰিস্তা সকলৰ নিমিত্তে ভিন্ন বিধান প্ৰৱৰ্তন কৰিছে আৰু পৃথিৱীত মানৱৰ কাৰণে ভিন্ন বিধান ৰাখিছে। খোদা তা'লাই নিজৰ ঐশ্বৰিক ৰাজত্বৰ ভিতৰত ফিৰিস্তা সকলক কোন ধৰণৰ আধিপত্য প্ৰদান কৰা নাই, বৰং সি ফিৰিস্তা সকলক আজ্ঞানুবৰ্তিতাৰ অনুশীলনেৰে সৃষ্টি কৰিছে। সিহঁতে কোনো ধৰণৰ বিৰুদ্ধাচৰণ কৰিব নোৱাৰে আৰু সকলো ভুল ত্ৰুটিৰ পৰাও মুক্ত। ইয়াৰ বিপৰীতে মানুহক গ্ৰহণ বা প্ৰত্যাখ্যানৰ শক্তি দিয়া হৈছে। যিহেতু এই অধিকাৰ বা শক্তি আকাশৰ পৰা দিয়া হৈছে। গতিকে দুষ্টৰ বৰ্তমান তাত এয়া ক'ব পৰা নেযায় যে জগতত মানুহৰ ওপৰত খোদা তা'লাৰ আধিপত্য লোপ পাই গৈ আছে বৰং সকলো অৱস্থাতেই খোদা তা'লাৰ আধিপত্য বিৰাজমান আৰু কাৰ্য্যকৰী আছে। হয় ! কেৱল দুই প্ৰকাৰৰ বিধান আছে। আকাশৰ ফিৰিস্তা সকলৰ বাবে কাযা ও কদৰ (নিয়তৰ) বিধান, এয়া হ'ল যে সিহঁতে অন্যায় কৰিব নোৱাৰে। আন এটা হ'ল পৃথিৱীৰ মানৱজাতিৰ নিমিত্তে আল্লাহ তা'লাৰ কাযা ও কদৰৰ বিধান। সেয়া হ'ল এই যে আকাশৰ পৰা সিহঁতক পাপ কাৰ্য্য সংগঠিত কৰাৰ ক্ষমতা প্ৰদান কৰা হৈছে। কিন্তু যেতিয়া সিহঁতে (মানৱে) খোদাৰ ওচৰত শক্তি প্ৰাৰ্থনা কৰে অৰ্থাৎ এস্তেগফাৰ কৰে তেতিয়া ৰুহুল কুদুছৰ (পৱিত্ৰ আত্মাৰ) সহায়ত সিহঁতৰ দুৰ্বলতা দুৰ হ'ব পাৰে আৰু সিহঁতে পাপত লিপ্ত হোৱাৰ পৰা ৰক্ষা পাব পাৰে, যেনেকৈ খোদাৰ নবী ৰছুল সকলে ৰক্ষা পায়। সিহঁতে যদি এনেকুৱা পৰ্যায়ৰ হয়

*টোকা ঃ ছুবহান আল্লাহ অৰ্থাৎ আল্লাহ তা'লা পৰম পৱিত্ৰ —-অনুবাদক।

যে সিহঁতে পাপত লিপ্ত হৈ পৰিছে তেন্তে ইস্তেগফাৰে সিহঁতৰ এই উপকাৰ সাধন কৰিব পাৰিব যে পাপৰ কুফল অৰ্থাৎ শাস্তিৰ (আযাবৰ) পৰা সিহঁতে ৰক্ষা পাব। কিয়নো পোহৰৰ আগমনত আন্ধাৰ তিষ্ঠি থাকিব নোৱাৰে। যিবিলাক পাপিষ্টই ইস্তেগফাৰ নকৰে অৰ্থাৎ খোদা তা'লাৰ ওচৰত শক্তি প্ৰাৰ্থনা নকৰে সেইবিলাকে নিজৰ কৃত পাপৰ কাৰণে শাস্তি ভোগ কৰে। চোৱা ! আজিকালি প্লেগ এটা শাস্তি সদৃশ পৃথিৱীত অৱতীৰ্ণ হৈছে আৰু ইয়াৰ দ্বাৰা আক্ৰান্ত হৈ খোদা তা'লাৰ অবাধ্য সকল ধ্বংস প্ৰাপ্ত হ'বলৈ লৈছে। গতিকে কেনেকৈ ক'ব পৰা যায় যে পৃথিৱীত খোদা তা'লাৰ ৰাজত্ব বিৰাজিত নাই ? এয়া নেভাৰিবা যে ভূ-পৃষ্ঠত যদি খোদা তা'লাৰ ৰাজত্ব আছে তেন্তে মানুহে পাপ কিয় কৰে ? আচলতে পাপও খোদা তা'লাৰ কাযা ও কদৰৰ (নিয়তিৰ) অধীন। গতিকে যদিও মানুহে খোদা তা'লাৰ চৰিয়তৰ নিয়মাৱলী উলংঘা কৰে তথাপি সিহঁতে সৃষ্টিৰ নিয়মাৱলীৰ অৰ্থাৎ কাযা ও কদৰৰ (নিয়তিৰ) বাহিৰ ওলাব নোৱাৰে। সেয়ে কেনেকৈ ক'ব পৰা যাব যে পাপিষ্ট সকলে ঐশ্বৰিক ৰাজত্বৰ জুঁৱলি নিজৰ কান্ধত বহন কৰি থকা নাই ? চোৱা ! বৃটিছ শাসনতেই ভাৰতত চুৰি, নৰ হত্যা আদি সংগঠিত হৈ আছে আৰু ব্যভিচাৰী, বিশ্বাসঘাতক, ঘোচখোৰ ইত্যাদি সকলো ধৰণৰ দুৰ্বৃত্ত মানুহ ইয়াতে বৈ আছে, সেই বুলি এয়া ক'ব পৰা নেযায় যে এই দেশখনত ইংৰাজৰ ৰাজত্ব চলি থকা নাই। ৰাজত্ব নিশ্চয় চলি আছে, কিন্তু চৰকাৰে তেনেকুৱা কঠোৰ দমন নীতি অৱলম্বন কৰাটো সমীচীন বুলি ভৱা নাই যে যাৰ ভয়ত মানুহৰ জীৱন ধাৰণ কৰা সমস্যাপূৰ্ণ হৈ পৰে। হয়তো চৰকাৰে সকলো দুৰ্বৃত্ত লোকক কঠোৰ কাৰাগাৰত বন্দী কৰি, সিহঁতক অন্যায় অপৰাধ মুক্ত কৰিবলৈ ইচ্ছা কৰিলে অতি সহজেই সিহঁতে দমন হ'ব। অথবা যদি কঠোৰ দণ্ড বিধান প্ৰণয়ন কৰে, ইয়াৰ দ্বাৰাও সহজতে এই দুষ্কৃতিৰ অৱসান ঘটিব। গতিকে তোমালোকে বুজিব পাৰিছা যে, এই খন দেশত যেনেকৈ মদপান

কৰা চলি আছে, ভ্ৰষ্টা নাৰীৰ সংখ্যা বৃদ্ধি পাই আছে, চুৰি, নৰ হত্যা আদি সংগঠিত হৈ আছে, ইযাৰ কাৰণ এয়া নহয় যে এইখন দেশত ইংৰাজ চৰকাৰৰ ৰাজত্ব বিৰাজমান নাই, বৰং এয়া আইনৰ শিথিলতাৰ কাৰণে বৃদ্ধি পাইছে, সেই বুলি ক'ব নোৱাৰি যে দেশখনৰ পৰা ইংৰাজ ৰাজত্ব লোপ পাইছে। চৰকাৰে ইচ্ছা কৰিলে কঠোৰ হাতেৰে দুষ্কৃতকাৰীক দমন কৰিব পাৰে। মানৱীয় ৰাজত্বৰেই যেতিয়া এনে অৱস্থা, যি ঐশ্বৰিক ৰাজত্বৰ তুলনাত একোৱে নহয়। তেতিয়া ঐশ্বৰিক ৰাজত্বৰ ক্ষমতা আৰু অধিকাৰ কিমান বেছি হ'ব। ক্ষণ মুহূতৰ ভিতৰত যদি খোদা তা'লাৰ আইন কঠোৰ হৈ পৰে আৰু প্ৰত্যেক ব্যভিচাৰীৰ ওপৰত বজ্ৰপাত হয়, প্ৰত্যেক চোৰ যদি এনেকুৱা ৰোগত আক্ৰান্ত হয় যে তাৰ হাত ভৰি গেলি গেলি খহি পৰে আৰু প্ৰত্যেক স্বেচ্ছাচাৰী আৰু খোদা অৱিশ্বাসী আৰু তাৰ ধৰ্ম অস্বীকাৰ কাৰী যদি প্লেগত মৃত্যু বৰণ কৰে তেন্তে এটা সপ্তাহৰ ভিতৰতেই জগতৰ সকলো মানুহ ন্যায়-পৰায়নতা আৰু পূণ্যৰ চাদৰ পৰিধান কৰিব পাৰে। বাস্তৱত হ'ল এয়া যে পৃথিৱীত খোদা তা'লাৰ আধিপত্য বিৰাজমান আছে কিন্তু ঐশ্বৰিক নিয়মাৱলীৰ শিথিলতায় ইখিনি স্বাধীনতা মানুহক প্ৰদান কৰিছে যে দুষ্কৃতিকাৰী সকলক অতি সোনকালেই শাস্তি প্ৰদান কৰা নহয়। অৱশ্যে শাস্তি পাই থাকে, যেনেকৈ ভুমিকম্প, বজ্ৰপাত, আগ্নেয়গিৰি উদগীৰণত শ শ লোকৰ প্ৰাণ বিনাশ হয়, জাহাজ ডুব গৈ, ৰেল দুৰ্ঘটনাত শ শ লোকৰ মৃত্যু হয়, ধুমুহাৰ কোবত মানুহৰ ঘৰ-দুৱাৰ ধুলিস্যাৎ হয়, সৰ্পই দংশন কৰে, হিংস্ৰ জন্তু বিলাকে আঘাত হানে, মহামাৰীৰ পাৰ্দুভাৱ ঘটে। এনেকুৱা শ শ ধ্বংসৰ দুৱাৰ মুকলি আছে, যিবিলাক অপৰাধীৰ শাস্তিৰ নিমিত্তে ঐশ্বৰিক বিধানে নিৰ্দ্ধাৰিত কৰি ৰাখিছে। গতিকে কেনেকৈ ক'ব পৰা যায় যে পৃথিৱীত খোদা তা'লাৰ ৰাজত্ব নাই ? প্ৰকৃত কথা হ'ল এয়া যে তাৰ ৰাজত্ব আছে আৰু প্ৰত্যেক অপৰাধীৰ হাতত হাতকেৰেয়া আৰু ভৰিত শৃংখল (শিকলি) অৱধাৰিত আছে, কিন্তু আল্লাহৰ হিকমতত

ঐশ্বৰিক বিধানক ইমান খিনি ঢিলা কৰি দিছে যে সেই হাতকেৰেয়া আৰু শিকলিয়ে লগে লগেই ক্রিয়া নকৰে। মানুহে যদি দুষ্কৰ্মৰ পৰা বিৰত নহয় তেন্তে অৱশেষত সিহঁতক চিৰস্থায়ী জাহান্নামলৈ নিক্ষেপ কৰে আৰু এনেকুৱা শাস্তিত ঢালি দিয়ে তাত সি জীয়াইও নেথাকে, মৰিও নেযায়।

মুঠতে বিধান (নিয়ম) দুই প্ৰকাৰৰ। তাৰে এটা বিধান হ'ল ফিৰিস্তা সংক্ৰান্তে। ফিৰিস্তা সকলক কেৱল আদেশ পালনাৰ্থে সৃষ্টি কৰা হৈছে। আদেশ পালন কৰা সিহঁতৰ উজ্জ্বল প্ৰকৃতিৰ এটা বৈশিষ্ট। সিহঁতে পাপত লিপ্ত হ'ব নোৱাৰে আকৌ পুণ্যতও উন্নতি লভিব নোৱাৰে। দ্বিতীয় প্ৰকাৰ বিধান হ'ল- মানৱ সম্পৰ্কীয় অৰ্থাৎ মানৱ প্ৰকৃতিত পাপ কৰাৰ ক্ষমতা ৰখাৰ নিয়ম অপৰিবৰ্তনীয়। ফিৰিস্তা যেনেকৈ মানুহলৈ ৰূপান্তৰিত হ'ব নোৱাৰে তেনেকৈ মানুহ ফিৰিস্তাত পৰিণত হ'ব নোৱাৰে। এই দুয়োটা নিয়মেই অনাদি, অটল আৰু অপৰিবৰ্তনীয়। সেই বাবে ফিৰিস্তা সকলৰ ঐশ্বৰিক নিয়ম পৃথিৱীত প্ৰৱৰ্তন হ'ব নোৱাৰে আকৌ পাৰ্থিব আইনও ফিৰিস্তাৰ ওপৰত প্ৰযুক্ত হ'ব নোৱাৰে। মানুহৰ কৃত পাপ বা ভুল ত্ৰুটি যদি তৌওবা কৰিলে মোচন হয় তেন্তে এই তৌবাও সিহঁতক ফিৰিস্তাতকৈ শীৰ্ষ স্থানলৈ উন্নত কৰিব পাৰে; কাৰণ ফিৰিস্তা সকলৰ মাজত উন্নতি কৰাৰ শক্তি নিহিত কৰা হোৱা নাই। মানুহৰ গোনাহ তৌবাৰ জৰিয়তে ক্ষমা হ'ব পাৰে। আকৌ হিকমতে ইলাহিয়ে কিছুমান মানুহৰ মাজত গোনাহ কৰাৰ ধাৰাবাহিকতা প্ৰবাহ মান ৰাখিছে যাতে তেওঁলোকে গোনাহ সংগঠিত হলে গম পাব পাৰে আৰু মুহূৰ্ততে তৌবা কৰি ক্ষমা লাভ কৰিব পাৰে। মানুহৰ কাৰণে এই নিয়মেই নিৰ্দ্ধাৰণ কৰা হৈছে আৰু মানৱ প্ৰবৃত্তিয়েও (চৰিত্ৰই) এয়াই বিচাৰে। ভুল-ত্ৰুটি হোৱাটো মানুহৰ প্ৰকৃতিগত নিয়ম, কিন্তু ফিৰিস্তাৰ মাজত এই প্ৰকৃতি নাই। আকৌ যি নিয়ম ফিৰিস্তা সকলৰ নিমিত্তে ৰচা হৈছে, সেয়া কেনেকৈ মানৱকুলৰ নিমিত্তে প্ৰযোজ্য হ'ব ? খোদা তা'লাৰ প্ৰতি কোনো দুৰ্বলতা আৰোপ কৰা অন্যায় কথা।

কেৱল তাৰ নিয়মৰ অধীনতেই জগতত সকলো সংগঠিত হৈ আছে। নাউযুবিল্লাহ খোদা তা'লা কি ইমানেই দুৰ্বল যে তাৰ ৰাজত্বৰ ক্ষমতা, পৰাক্ৰম কেৱলমাত্ৰ আকাশতেই সীমাবদ্ধ আছে ? অথবা পৃথিৱীত কিবা বিৰোধী সাম্ৰাজ্যৰ অধিকাৰী বেলেগ কোনো খোদা বিৰাজমান হৈ আছে ? খৃষ্টান সকলে এই কথাৰ ওপৰত জোৰ দিয়াটো উচিত নহয় যে খোদা তা'লাৰ ৰাজত্ব কেৱল আকাশ মাৰ্গত সীমাবদ্ধ আছে, পৃথিৱীত এতিয়াও সেয়া প্ৰতিষ্ঠিত হোৱা নাই। কাৰণ সিহঁতৰ ধাৰণা হ'ল যে আকাশ একো বস্তু নহয়। যিহেতু আকাশ কোনো বস্তু নহয় যে তাত খোদা তা'লাৰ ৰাজত্ব প্ৰতিষ্ঠিত হ'ব পাৰে আৰু ভূ-পৃষ্ঠতও খোদা তা'লাৰ আধিপত্য কতো নাই। ইয়াৰ বিপৰীতে আমি জগতত খোদা তা'লাৰ ৰাজত্ব কিন্তু দেখিবলৈ পাই আছো। তাৰ নিয়মাৱলীৰ আয়ত্বাধীনত আমাৰ আয়ু অন্ত পৰি আছে, আমাৰ আস্থাৰ পৰিৱৰ্তন সংগঠিত হৈ আছে আৰু আমি অসংখ্য প্ৰকাৰৰ সুখ-দুখ ভোগ কৰি আছো। তাৰ আদেশত শত সহস্ৰ লোকে প্ৰাণ ত্যাগ কৰি আছে আকৌ শত সহস্ৰই জন্মও লৈ আছে। আনহাতে আমাৰ প্ৰাৰ্থনা গৃহীত হয়; নিদৰ্শন প্ৰকাশিত হয় আৰু পৃথিৱীত নানা ধৰণৰ উদ্ভিদ, ফল-ফুল আদি উৎপন্ন হয়। এই বিলাক খোদা তা'লাৰ ক্ষমতা বিহনেই হৈছে নে ? আনহাতে আকাশৰ গ্ৰহ উপগ্ৰহবোৰ একে অৱস্থাত একে নিয়মত চলি আছে, কিন্তু সেইবিলাকৰ মাজত আৱৰ্তন বিৱৰ্তন আৰু পৰিৱৰ্তনৰ লীলা গম পোৱা যায়। দৈনিক কোটি কোটি লোক এই ধৰাধামৰ পৰা বিদায় লৈ আছে, আকৌ কোটি কোটিয়ে জন্ম লৈ আছে। মুঠতে সকলো ফালৰে পৰা এটা শক্তিশালী নিপুন কাৰিগৰৰ আধিপত্য অনুভৱ হৈ আছে। এই বিলাক দেখিও জগতত খোদা তা'লাৰ আধিপত্য নাই বুলিব লাগিবনে ? ইঞ্জিলত এই বিষয়ে কোনো প্ৰমাণ সন্নিবিষ্ট নাই যে এতিয়াও কিয় পৃথিৱীত খোদা তা'লাৰ আধিপত্য বিস্তাৰ হোৱা নাই ? হয়তো নিজৰ প্ৰাণ ৰক্ষাৰ্থে বাগানত গোটেই ৰাতি মছীহৰ

প্ৰাৰ্থনা কৰা, আৰু তাৰ প্ৰাৰ্থনা গৃহীত হোৱা (ইব্ৰীয় ৫ম অধ্যায় ৭ নং শ্লোকত লিখা আছে) সত্ত্বেও খোদা তা'লা তাক মুক্ত কৰিবলৈ সক্ষম নোহোৱা, খৃষ্টান সকলৰ মতে সেই যুগত ধৰাধামত খোদা তা'লাৰ ৰাজত্ব নথকাৰ প্ৰমাণ হ'ব পাৰে। কিন্তু যিহেতু আমি তাতকৈ ভয়ানক বিপদত পৰিছো আৰু আকৌ তাৰ পৰা মুক্তি লাভ কৰিছোঁ, গতিকে কেনেকৈ আমি খোদা তা'লাৰ আধিপত্য থকাটো অস্বীকাৰ কৰিম ? মাৰ্টিন ক্লাৰ্কে মোক হত্যা কৰাৰ উদ্দেশ্যে কেপ্তেইন ডগলাছৰ আদালতত মোৰ বিৰুদ্ধে যি হত্যাকাণ্ডৰ গোচৰ ৰুজু কৰিছিল, সেয়া কিবা ইহুদীসকলে মছীহাৰ বিৰুদ্ধে কৰা মোকৰ্দমাতকৈ কোনো গুণে কম আছিল, সেয়া কোনো হত্যা কাণ্ডৰ গোচৰ নাছিল, বৰং কেৱল মাত্ৰ ধৰ্ম বৈষম্যৰ কাৰণে ইহুদীবিলাকে হজৰত মছীহাৰ বিৰুদ্ধে পিলাতৰ কোটত গোচৰ ৰুজু কৰিছিল। সেয়ে যিহেতু খোদা তা'লা আকাশ আৰু পৃথিৱীৰ অধিপতি, গতিকে সি মোক এই গোচৰ সম্পৰ্কে আগতীয়াকৈ জনাইছিল যে এনে বিপদ উপস্থিত হ'ব আৰু মই তোমাক সেই বিপদৰ পৰা উদ্ধাৰ কৰিম। এই ভৱিষ্যদ্বাণী ঘটনাৰ প্ৰাক কালতেই বহু লোকক শুনোৱা হৈছিল আৰু অৱশেষত খোদা তা'লা মোক সেই গোচৰৰ পৰা ৰক্ষা কৰিছে, যি গোচৰ হিন্দু, মুছলমান আৰু খৃষ্টান সকলে একগোটে মোৰ বিৰুদ্ধে আদালতত তৰিছিল। এনেকুৱা মই এবাৰ নহয় বহুবাৰ জগতত খোদা তা'লাৰ আধিপত্য দেখিবলৈ পাইছো আৰু কোৰাণ চৰিফৰ এই আয়াতে মোক বিশ্বাস ভাজন বনাইছে,

لَهٗ مُلۡكُ السَّمٰوٰتِ وَالۡاَرۡضِ ۚ (57:3)

অৰ্থাৎ আকাশ আৰু পৃথিৱীত তাৰ আধিপত্য বিস্তাৰিত আছে।

আকৌ মই নিম্নোক্ত আয়াতৰ ওপৰতও বিশ্বাস কৰিবলৈ বাধ্য হৈছো যে,

اِنَّمَاۤ اَمۡرُهٗۤ اِذَاۤ اَرَادَ شَيۡـًٔا اَنۡ يَّقُوۡلَ لَهٗ كُنۡ فَيَكُوۡنُ ﴿۸۳﴾
(36:83)

অৰ্থাৎ আকাশমণ্ডলী আৰু পৃথিৱীয়ে তাৰ আনুগত্য স্বীকাৰ কৰি আছে যেতিয়াই সি কোনো কাৰ্য্য সংগঠিত কৰিবলৈ ইচ্ছা কৰে, সি কয়, হৈ যোৱা আৰু সেয়া অনতিপলমে সংগঠিত হৈ পৰে। আল্লাহ তা'লা আৰু কৈছে,

وَاللّٰهُ غَالِبٌ عَلٰۤى اَمۡرِهٖ وَلٰـكِنَّ اَكۡثَرَ النَّاسِ لَا يَعۡلَمُوۡنَ ۝٢١ (12:22)

অৰ্থাৎ আল্লাহ তা'লা নিজৰ ইচ্ছা পূৰ্ণ কৰিবলৈ সক্ষম, কিন্তু বেছি ভাগ মানুহেই তাৰ শক্তি, পৰাক্ৰম সম্পৰ্কে নাজানে।

সাধাৰণতেই ইঞ্জিলত লিপিবদ্ধ থকা প্ৰাৰ্থনায় মানুহক খোদা তা'লাৰ কৃপা বিমুখ বনাই দিয়ে আৰু খৃষ্টান বিলাকক তাৰ প্ৰতিপালন, অনুগ্ৰহ, কৃপা, প্ৰতিদান আৰু প্ৰতিফল সম্পৰ্কে উদাসীন কৰি দিয়ে। তেওঁৰ প্ৰভুত্বই শাস্তি দিয়াত অক্ষম বুলি ভৰা হয়। ইয়াৰ বিপৰীতে উক্ত প্ৰাৰ্থনাৰ সলনি খোদা তা'লাই কোৰাণ চৰিফত মুছলমান সকলক যি প্ৰাৰ্থনা শিকাইছে তাৰ অৰ্থ হ'ল এয়া যে খোদা তা'লা বিশ্বব্ৰহ্মাণ্ডত ৰাজ্যহাৰা ৰজাৰ দৰে ক্ষমতা বিহীন নহয়, বৰং তাৰ প্ৰতিপালন, অনুকম্পা, অনুগ্ৰহ আৰু কৰ্মফল প্ৰদান ক্ৰিয়াৰ ধাৰাবাহিকতা ভুলোকত প্ৰবাহমান আছে। সি নিজৰ অতি আপোন ভক্ত, দাস সকলক সহায় কৰাৰ ক্ষমতা সম্পন্ন আৰু পাপীষ্ঠ সকলক নিজৰ ধ্বংস অভিসম্পাত কৰিবলৈও সক্ষম। সেই প্ৰাৰ্থনা হ'ল এয়া,

اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ ۝٢ الرَّحۡمٰنِ الرَّحِيۡمِ ۝٣

مٰلِكِ يَوۡمِ الدِّيۡنِ ۝٤ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ ۝٥

اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ۙ﴿۶﴾ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ۬ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ ﴿۷﴾

(1:1-8)

অনুবাদ ঃ সকলো প্ৰশংসা ব্ৰহ্মাণ্ডৰ প্ৰতিপালক আল্লাহৰ। পৰম কৰুণাময়, পৰম দানশীল। শেষ বিচাৰৰ দিনৰ গৰাকী। আমি তোমাৰেই মাথোন আৰাধনা কৰো আৰু তোমাৰেই মাথোন সহায় বিচাৰো। আমাক সজ বাটেদি লৈ যোৱা। যিসকলৰ প্ৰতি অনুগ্ৰহ কৰিছা তেওঁলোকৰ বাটেদি; যিসকলৰ ওপৰত তোমাৰ ক্ৰোধ প্ৰকাশ হৈছে আৰু যিসকলে বিপথে গৈছে সিহঁতৰ বাটেদি নহয়। (চুৰা ফাতিহা আয়াত ১-৮)

অৰ্থাৎ তাৰ আধিপত্যৰ মাজত কোনো ভুল নাই। তাৰ গুণাৱলী পূৰ্ণ হোৱাৰ বাবে কোনো ভৱিষ্যত ঘটনাৰ অপেক্ষা কৰিব নেলাগে আৰু তাৰ আধিপত্যৰ সৰজামৰ কোনো বস্তুৱেই নিষ্ক্ৰিয় নহয়। তেওঁৱেই সমগ্ৰ বিশ্ব জগত প্ৰতিপালন কৰি আছে, কৰ্মৰ প্ৰতিদান অবিহনে কৃপা কৰি আছে, আকৌ কৰ্মফল অনুসৰিও অনুগ্ৰহ প্ৰদৰ্শন কৰি আছে। সি নিৰ্ধাৰিত সময়ৰ ভিতৰতে প্ৰতিদান আৰু প্ৰতিফল প্ৰদান কৰি গৈছে। আমি তাৰেই উপাসনা কৰো আৰু তাৰেই সহায় ভিক্ষা বিচাৰো আৰু প্ৰাৰ্থনা কৰো যে আমাক সকলো ধৰণৰ পুৰস্কাৰ লাভৰ বাট প্ৰদৰ্শন কৰা, আৰু ক্ৰোধ ভ্ৰান্তিৰ বাটৰ পৰা আঁতৰাই ৰখা।

চুৰা ফাতিহাৰ এই দোৱা ইঞ্জিলৰ দোৱাৰ সম্পূৰ্ণ বিপৰীত, কিয়নো খোদা তা'লাৰ আধিপত্য বৰ্তমানে পৃথিৱীত বিৰাজিত থকা বিষয়টো ইঞ্জিলত অস্বীকাৰ কৰা হৈছে। গতিকে ইঞ্জিলৰ শিক্ষানুসৰি পৃথিৱীত খোদা তা'লাৰ ৰবুবিয়ত (প্ৰতিপালকত্ব) তাৰ ৰহমানীয়ত (দয়া) ৰহিমীয়ত (অনুগ্ৰহ) আদিৰ ক্ষমতা আৰু প্ৰতিফল আদি একোৱে সক্ৰিয় হৈ থকা নাই। ইয়াৰ কাৰণ হ'ল এতিয়াও পৃথিৱীত তাৰ আধিপত্য বিস্তাৰ হোৱা নাই। কিন্তু চুৰা

ফাতিহাৰ পৰা এয়া প্ৰমাণিত হয় যে পৃথিৱীত খোদা তা'লাৰ ৰাজত্ব চলি আছে, সেই বাবেই চুৰা ফাতিহাত এই ৰাজত্বৰ সকলো উপকৰণৰ বিষয়ে বৰ্ণনা কৰা হৈছে। এয়া সকলোৱে জানে যে অধিপতিৰ এনে গুণাৱলী থকা উচিত যে তেওঁ প্ৰজাসকলক ৰক্ষণা-বেক্ষণ কৰাৰ ক্ষমতা থাকিব লাগিব আৰু চুৰা ফাতিহাত رَبِّ الْعَالَمِين শব্দৰ দ্বাৰা এই গুণৰ কথাই উনুকিয়াই দিয়া হৈছে। ইয়াৰ ওপৰিও অধিপতিৰ দ্বিতীয় গুণ এয়া থাকিব লাগিব যে প্ৰজাৰ উন্নতি কল্পে যিবিলাক উপকৰণৰ প্ৰয়োজন, সেইবিলাক সি প্ৰজাৰ কামৰ প্ৰতিদান স্বৰূপে নহয়, বৰং নিজ ৰাজ্যৰ নিয়মাৱলীৰ অধীনত সৰবৰাহ কৰিব লাগিব, এই গুণক الرحمٰن শব্দৰ দ্বাৰা প্ৰতিপন্ন কৰা হৈছে। অধিপতিৰ তৃতীয় গুণ হ'ল এয়া যে যিবিলাক কাৰ্য্য প্ৰজায় নিজৰ চেষ্টাৰে সম্পন্ন কৰিবলৈ সক্ষম নহয়, সেইবোৰ সম্পন্ন কৰিবলৈ সি তেওঁলোকক প্ৰয়োজনীয় সহায় আগবঢ়ায়। الرحيم শব্দৰে এই গুণ প্ৰতিপন্ন কৰা হৈছে। অধিপতিৰ চতুৰ্থ গুণ হ'ল যে তেওঁ প্ৰতিদান আৰু প্ৰতিফল বিধান ক্ষমতাৰ অধিকাৰী হ'ব লাগিব যাতে নাগৰিকে শাসন কাৰ্য্যত কোনো বিঘিনি ঘটাব নোৱাৰে।

আকৌ مالك يوم الدين শব্দেৰে এটা গুণৰ বৰ্ণনা দিয়া হৈছে। আচল কথা হ'ল এয়া যে ওপৰত উল্লেখিত ছুৰাত আধিপত্যৰ সমস্ত উপকৰণৰ বৰ্ণনা দিয়া হৈছে, যাৰ পৰা এয়া প্ৰমাণিত হয় যে পৃথিৱীত খোদা তা'লাৰ ৰাজত্ব বিদ্যমান আছে। সেয়ে তাৰ ৰবুবিয়ত বিৰাজমান আছে, ৰহমানিয়ত প্ৰবাহিত আছে। ৰহিমীয়ত বিদ্যমান আছে, আৰু সহায় আৰু শাস্তি প্ৰদানৰ ধাৰাবাহিকতাও চলি আছে। অৰ্থাৎ শাসন প্ৰতিষ্ঠিত ৰখাৰ বাবে যিবিলাক প্ৰয়োজনীয়, খোদা তা'লাৰ সেই সকলোবোৰ বস্তুই আছে। এনেকি এটা অণু-পৰমাণুও খোদা তা'লাৰ আয়ত্বৰ বহিৰ্ভূত নহয়। প্ৰত্যেক পুৰস্কাৰ আৰু প্ৰত্যেক অনুকম্পা তাৰেই অধীনত। কিন্তু ইঞ্জিলত এই দোৱাৰ উল্লেখ আছে যে এতিয়াও তোমালোকৰ মাজত খোদা তা'লাৰ

আধিপত্য প্ৰতিষ্ঠিত হোৱা নাই। অৰ্থাৎ এতিয়াও সিহঁতৰ (খৃষ্টান সকলৰ) খোদা পৃথিৱীৰ মালিক বা অধিপতি নহয়। গতিকে এনেকুৱা খোদাৰ পৰা কিনো আশা কৰিব পাৰি ? শুনি লোৱা আৰু উপলব্ধি কৰা যে প্ৰকৃত মাৰিফত (ঐশ্বৰিক জ্ঞান) এয়া যে পৃথিৱীত প্ৰত্যেকটো অনু পৰমাণু ঠিক তেনেকৈয়ে খোদা তা'লাৰ ক্ষমতাধীন যেনেকৈ আকাশৰ প্ৰত্যেকটো অনু পৰমাণু তাৰ ক্ষমতাৰ অধীন আৰু আকাশৰ দৰেই পৃথিৱীতও খোদাৰ মহান ৰশ্মি বিকশিত হৈ আছে, বৰং আকাশৰ তজল্লী ৰশ্মিজাল ঈমান বা বিশ্বাস সম্পৰ্কীয় বিষয়। সাধাৰণ মানুহে নে আকাশত যাব পাৰিছে, নে সেয়া দেখিবলৈ পাইছে। কিন্তু পৃথিৱীত খোদা তা'লাৰ আধিপত্যৰ যি নিয়মাৱলী বিদ্যমান আছে সেয়া দেখোন সকলো লোকেই স্বচক্ষে দৰ্শন কৰি আছে*।

প্ৰত্যেক ব্যক্তি সি যিমানেই ঐশ্বৰ্য্যশীল নহওঁক কিয় নিজৰ ইচ্ছাৰ বিৰুদ্ধে মৃত্যুৰ পিয়লা পান কৰি আছে। গতিকে চোৱা ! পৃথিৱীত এই চিৰসত্য অধিপতিৰ আধিপত্যৰ দীপ্তিয়ে কেনেদৰে বিকাশ ঘটাইছে। আদেশ হৈ গলে কোনেও তাৰ মৃত্যুক ক্ষনিকৰ বাবে স্থগিত ৰাখিব নোৱাৰে আৰু কোনো দুৰাৰোগ্য বেমাৰে ধৰিলে কোনো চিকিৎসকে সেয়া ভাল কৰিব নোৱাৰে। গতিকে গমি চোৱা, জগতত খোদা তা'লাৰ ৰাজত্বৰ এয়া এনেকুৱা বিকাশ যে তাৰ আদেশ উলঙ্ঘন হ'ব নোৱাৰে। এতিয়াও কেনেকৈ ক'ব পৰা যাব যে পৃথিৱীত খোদা তা'লাৰ আধিপত্য নাই, নাইবা সেয়া অদুৰ ভৱিষ্যতত নোহোৱা হ'ব ? চোৱা ! এই যুগতেই

*টোকা ঃ (33:73)وَحَمَلَهَا الْإِنْسَانُ এই আয়াতে প্ৰমাণ কৰে যে মানুহেই খোদা তা'লাৰ প্ৰকৃত অনুগত, যিয়ে নিজৰ আনুগত্যক মহব্বত আৰু ইস্ক (প্ৰেম আৰু প্ৰনয়ৰ) স্তৰলৈ লৈ যায় আৰু শ শ বিপদ-আপদ মূৰ পাতি লৈ পৃথিৱীত খোদাৰ আধিপত্য প্ৰতিষ্ঠা কৰে। গতিকে হৃদয়ৰ বেদনা মিশ্ৰিত এনেকুৱা আনুগত্য ফিৰিস্তা সকলে কেতিয়াও প্ৰদৰ্শন কৰিব নোৱাৰে।

খোদা তা'লাৰ ঐশ্বৰিক আদেশে পৃথিৱীখনক প্লেগ আক্ৰমণে আতংকিত কৰি তুলিছে। যাতে এয়া তাৰ প্ৰেৰিত মছীহৰ বাবে এটা নিদৰ্শন হয়। গতিকে কোনে নো এনেকুৱা আছে যে খোদা তা'লাৰ ইচ্ছা বিহনে এই মহামাৰী দূৰ কৰিব পাৰিব ? সেয়ে কেনেকৈ ক'ব পৰা যাব যে পৃথিৱীত এতিয়া খোদা তা'লাৰ আধিপত্য নাই ? হয় ! এজন দুৰ্বৃত্ত যিয়ে কয়েদী হিচাপে তাৰ ৰাজ্যত বাস কৰে তেওঁ ইচ্ছা কৰে কেতিয়াও যেন তাৰ মৃত্যু নহয়। কিন্তু খোদা তা'লাৰ প্ৰকৃত আধিপত্যৰ ক্ষমতায় তাক ধ্বংস কৰি পেলায় আৰু অৱশেষত যমৰ আলহী হয়গৈ। তথাপি কেনেকৈ ক'ব পৰা যায় যে এতিয়া খোদা তা'লাৰ ৰাজত্ব প্ৰতিষ্ঠা হোৱা নাই ? চোৱা ! পৃথিৱীত নিতৌ খোদা তা'লাৰ আদেশ ক্ৰমে প্ৰতি ক্ষণতে অগণন মানুহ মৃত্যু বৰণ কৰি আছে আৰু অগণন শিশুৰ জন্ম হৈ আছে, অগণন লোক তাৰেই ইচ্ছাত দৰিদ্ৰতাৰ পৰা ধনী আৰু ধনীৰ পৰা দৰিদ্ৰ হ'বলৈ লৈছে। এয়া সত্বেও কেনেকৈ ক'ব পৰা যায় যে এতিয়াও পৃথিৱীত খোদা তা'লাৰ আধিপত্য প্ৰতিৰ্ষ্ঠিত হোৱা নাই ? আকাশত কেৱল ফিৰিস্তা অৱস্থান কৰে কিন্তু ধৰাপৃষ্ঠত মানুহ আছে, ফিৰিস্তাও আছে। ফিৰিস্তা সকলে খোদা তা'লাৰ সাম্ৰাজ্যৰ সেৱক। সিহঁতে মানৱৰ কাৰ্য্য পৰিলক্ষিত কৰিবলৈ নিযুক্ত আছে আৰু সদায় খোদা তা'লাৰ আনুগত্য কৰি আছে, আৰু প্ৰত্যেক জনৰ কাৰ্য্য-কলাপৰ ৰিপোৰ্ট তালৈ প্ৰেৰণ কৰি আছে। গতিকে এয়া কেনেকৈ ক'ব পৰা যায় যে জগতখনত খোদা তা'লাৰ ৰাজত্ব নাই ? বৰং খোদা তা'লা তাৰ পৃথিৱীৰ ৰাজত্বৰ দ্বাৰাই বেছি পৰিচিত, কাৰণ প্ৰত্যেকৰে ধাৰণা এয়া যে আকাশৰ ৰহস্য অভেদ্য আৰু অদৃশ্য। বৰ্তমান যুগত প্ৰায় গোটা খৃষ্টান জগত আৰু সিহঁতৰ কেতবোৰ দাৰ্শনিকে আকাশৰ অস্তিত্ব স্বীকাৰ নকৰে। অথচ ইঞ্জিলৰ মতে আকাশতে খোদা তা'লাৰ ৰাজত্বৰ ভিত্তি স্থাপিত হৈ আছে। বাস্তৱতে পৃথিৱীখন আমাৰ ভৰিৰ তলৰ এখন গোলক আৰু ইয়াত নিয়তিৰ শত সহস্ৰ ঘটনা ঘটি আছে,

যাৰ পৰা প্ৰমাণ হয় যে এইবোৰ পৰিৱৰ্তন, বিৱৰ্তন, সৃষ্টি, ধ্বংস আদি কোনো এজন মালিকৰ আদেশ অনুযায়ী সংগঠিত হৈ আছে। গতিকে কেনেকৈ ক'ব পৰা যায় যে জগতখনত এতিয়া খোদা তা'লাৰ আধিপত্য নাই ? বৰং যি যুগত খ্ৰীষ্টান সকলৰ মাজত আকাশৰ অস্তিত্ব ডাঠি অস্বীকাৰ কৰা হৈছে, সেই যুগত এনেকুৱা শিক্ষা নিশ্চয় সমীচীন নহয়, কাৰণ ইঞ্জিলত উল্লেখিত দোৱাৰ মাজত স্বীকাৰ কৰা হৈছে যে পৃথিৱীত এতিয়া খোদা তা'লাৰ আধিপত্য নাই। আনফালে নিজৰ নিজৰ অভিনৱ গৱেষণাৰ দ্বাৰা খৃষ্টান সকলে এই সিদ্ধান্তত উপনীত হৈছে যে আকাশখন মহাশূন্য আৰু ইয়াৰ কোনো অস্তিত্ব নাই। গতিকে ইয়াৰ পৰা সাৰমৰ্ম এয়াই ওলায় যে খোদা তা'লাৰ আধিপত্য আকাশতও নাই পৃথিৱীতও নাই। আকাশবিলাকৰ অস্তিত্ব খ্ৰীষ্টান সকলে নুই কৰিছে আৰু সিহঁতৰ ইঞ্জিলে খোদা তা'লাক পৃথিৱীৰ ৰাজত্বৰ পৰা বিদায় দিছে, সেই হিচাপে এতিয়া সিহঁতৰ কথা অনুযায়ী খোদা তা'লাৰ অধীনত পৃথিৱীও নাই, আকাশও নাই। কিন্তু আমাৰ মহা মহিম খোদা চুৰা ফাতিহাত আকাশৰ বা পৃথিৱীৰ নাম উচ্চাৰণ কৰা নাই বৰং এই শব্দেৰে رَبِّ العالمين আমাক জ্ঞাত কৰিছে যে তেওঁৱেই সৃষ্টিকৰ্তা আৰু পালনকৰ্তা। অৰ্থাৎ যিমানলৈ বসতি আছে যিমান দুৰলৈ যিকোনো প্ৰকাৰৰ দৃষ্টিৰ অস্তিত্ব বিদ্যমান আছে* সেয়া দেহ বা আত্মা যিয়েই নহওঁক কিয় খোদা তা'লাই সেই সকলোবিলাকৰ সৃষ্টিকৰ্তা আৰু পালনকৰ্তা যিজনাই অনাদিৰে পৰা সেইবোৰ প্ৰতিপালন কৰি আছে। অৱস্থা অনুযায়ী সেইবিলাকৰ সকলো ব্যৱস্থা প্ৰদান কৰি আছে আৰু সদায় তাৰ ৰবুবীয়ত (প্ৰতিপালকত্ব) ৰহমানীয়ত

*টোকা ঃ ইয়াত এনেকুৱা বিবেচনা কৰা হৈছে যে-এই رَبِّ العالمين শব্দটো কিমান অৰ্থব্যঞ্জক। যদি আগলৈ প্ৰমাণিত হয় যে আকাশৰ গ্ৰহ উপগ্ৰহতও বসতি (পৃথিৱীৰ দৰে) আছে। তেন্তে সেইবোৰেও এই শব্দই সামৰি লব।

(অনুকম্পা) ৰহিমীয়ত ( অনুগ্ৰহ) আৰু জাযা-ছাযা (প্ৰতিদান- প্ৰতিফল) প্ৰদান কৰি আছে। মনত ৰাখিবলগীয়া কথা এয়া যে চুৰা ফাতিহাৰ **مـالـك يـوم الدين** আয়াতটোৰ অৰ্থ কেৱল এয়াই নহয় যে কিয়ামতৰ দিনা জাযা-ছাযা হ'ব, বৰং কোৰাণ চৰিফত বাৰম্বাৰ আৰু স্পষ্ট ভাৱে বৰ্ণনা কৰিছে যে কিয়ামত এক মহা প্ৰতিদান আৰু প্ৰতিফলৰ দিন। কিন্তু এক প্ৰকাৰ প্ৰতিদান আৰু প্ৰতিফল ইহজগততেই আৰম্ভ হয় যাৰ ফালে يَجْعَلْ لَّكُمْ فُرْقَانًا এই আয়াতে ইংগিত বহন কৰি আহিছে। ইয়াতে এয়াও লক্ষ্যনীয় যে- ইঞ্জিলৰ প্ৰাৰ্থনাত দৈনিক খাদ্য বিচৰা হৈছে, যেনেকৈ কোৱা হৈছে যে আমাৰ প্ৰত্যেক দিনৰ খাদ্য আমাক দিয়া। কিন্তু আচৰিত কথা হ'ল এয়া যে যাৰ প্ৰতিপত্তি আজিলৈকে পৃথিৱীত প্ৰতিষ্ঠা হোৱা নাই, সি কেনেকৈ খাদ্য দান কৰিব ? এতিয়া লৈকে দেখোন সকলো শস্য-ফলাদি তাৰ আদেশত হৈ থকা নাই বৰং এই বিলাক নিজে নিজে পকি আছে আৰু বৰষুণ আদিও নিজে নিজেই হৈ আছে। এনে পৰিস্থিতিত তাৰ নো কি ক্ষমতা আছে যে কাৰোবাক সি খাদ্য দান কৰিব ? যেতিয়া এই ধৰাৰ বুকুত খোদাৰ আধিপত্যই বিস্তাৰ লাভ কৰিব তেতিয়াহে তাৰ ওচৰত খাদ্য প্ৰাৰ্থনা কৰাটো সমীচীন হ'ব; যিহেতু খোদা এতিয়াও পৃথিৱীৰ সমগ্ৰ বস্তুৰ কতৃত্ত্বৰ পৰা বে-দখল হৈ আছে। ধৰা পৃষ্ঠৰ সকলো বস্তুৰ ওপৰত পূৰ্ণ অধিকাৰ লাভৰ পিছতহে খোদা তা'লায় কোনো এজনক খাদ্য দান কৰিবলৈ সক্ষম হ'ব। গতিকে এতিয়া তাৰ ওচৰত বিচৰাটো শোভা নেপায়। তেনেকৈ এনে পৰিস্থিতিত এয়া কোৱাটোও শোভনীয় নহয় যে- যেনেকৈ আমি আমাৰ ঋণী সকলক ক্ষমা কৰি দিওঁ তেনেকৈ তুমি তোমাৰ ঋণগ্ৰস্ত সকলক ক্ষমা কৰি দিয়া। কাৰণ এতিয়াও সি পৃথিৱীৰ ওপৰত নিজৰ আধিপত্য জমাব পৰা নাই। আনহাতে বিশ্লেষণ অনুযায়ী ওলায় যে এতিয়াও খৃষ্টান সকলে তাৰ পৰা কিবা পাই, কিবা-কিবি আহাৰও কৰা নাই। তেন্তে ইয়াত পৰিলক্ষিত হয় যে তেওঁলোকে

আকৌ কেনেকৈ ঋণ হ'ল? গতিকে এনেকুৱা ৰিক্ত-হস্ত খোদাৰ পৰা ঋণ মুক্তিৰ কোনো প্ৰয়োজন নাই আৰু তাৰ প্ৰতি ভয় কৰাৰও কোনো কাৰণ নাই। কিয়নো, এতিয়াও পৃথিৱীত তাৰ আধিপত্য নাই আৰু তাৰ শাসন-বিধানৰ শাস্তিয়ে একো প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। তাৰ নো কি ক্ষমতা আছে যে সি কোনো দণ্ডনীয় অপৰাধীক শাস্তি বিহিব পাৰে নাইবা মুছা (আঃ)ৰ যুগৰ অবাধ্য জাতিৰ দৰে প্লেগৰ হতুৱাই ধ্বংস কৰি দিব পাৰে, অথবা লুত (আঃ)ৰ জাতিৰ দৰে সিহঁতৰ ওপৰত শিলা বৰ্ষণ কৰিব পাৰে, নাইবা ভূ-কম্পন, বজ্ৰপাত বা বেলেগ শাস্তিৰ জৰিয়তে অবাধ্য সকলৰ বিনাশ সাধন কৰিব পাৰে। কাৰণ এতিয়াও ধুনীয়া ধৰণীৰ বুকুত খোদাৰ ৰাজত্ব প্ৰতিষ্ঠা হোৱা নাই। গতিকে, যিহেতু খৃষ্টান সকলৰ খোদা ঠিক তেনেকুৱাই দুৰ্বল, যেনেকুৱা দুৰ্বল আছিল তাৰ পুত্ৰ আৰু সি তেনেকুৱাই নিজৰ অধিকাৰৰ পৰা বেদখল আছিল ঠিক যেনেকৈ আছিল তাৰ পুত্ৰ বেদখল। এনে পৰিস্থিতিৰ মাজত আকৌ তাৰ ওচৰত এনে বিধৰ প্ৰাৰ্থনা কৰাটো নিৰৰ্থক যে আমাক ঋণ মুক্ত কৰি দিয়া। সি কেতিয়াবা ঋণ দিছিলনে যে সেয়া তেওঁ ক্ষমা কৰিব? কাৰণ এতিয়াও দেখোন তাৰ ৰাজত্ব পৃথিৱীত প্ৰতিষ্ঠিত হোৱা নাই। যিহেতু পৃথিৱীত তাৰ ৰাজত্ব নাই, পৃথিৱীত তাৰ আদেশ কাৰ্য্যকৰী হোৱা নাই আৰু যিহেতু সি পৃথিৱীৰ অধিনায়ক আৰু অধীশ্বৰ নহয়, আৰু কোনো পাৰ্থিৱ সুখ-সম্পদ তাৰ ৰাজকীয় আদেশৰ অধীনস্থ নহয়, গতিকে তেনে ক্ষেত্ৰত তাৰ শাস্তি বিহিবলৈও কোনো ক্ষমতা বা অধিকাৰ নাই। সেয়ে নিজৰ খোদা জনক এনেকুৱা দুৰ্বল বুলি ধৰি লোৱা আৰু এইখন পৃথিৱীত (বিশ্বব্ৰহ্মাণ্ডত) থাকি তাৰ ওচৰত কোনো কামৰ আশা কৰাটো নিৰ্বুদ্ধিতাৰ বাহিৰে একো নহয়; কাৰণ এতিয়াও পৃথিৱীত তাৰ কোনো আধিপত্য নাই।

ইয়াৰ বিপৰীতে চুৰা ফাতিহায় আমাক এই শিক্ষা দিয়ে যে পৃথিৱীত সদায় খোদা তা'লাৰ ঠিক তেনেকুৱাই আধিপত্য বিদ্যমান আছে, যেনেকুৱা

আধিপত্য অন্যান্য জগতবিলাকৰ ওপৰত বিদ্যমান আছে। চুৰা ফাতিহাৰ আৰম্ভণীতেই খোদা তা'লাৰ সেই পূৰ্ণ আধিপত্য ব্যঞ্জক গুণাৱলীৰ উল্লেখ আছে, যি পৃথিৱীৰ বেলেগ কোনো ধৰ্ম গ্ৰন্থত এনেদৰে স্পষ্ট ভাৱে বৰ্ণনা কৰা হোৱা নাই। যেনেকৈ আল্লাহ তা'লা কৈছে যে সি ৰহমান, ৰহিম আৰু **মালিকি ইয়াওঁ মিদ্দিন**। সেয়ে সি তাৰ সান্নিধ্যত প্ৰাৰ্থনা কৰিবলৈ শিক্ষা প্ৰদান কৰিছে, আৰু যিবোৰ শিক্ষা প্ৰণয়ন কৰিছে সেয়া কেৱল মছীহৰ শিক্ষা প্ৰদত্ত প্ৰাৰ্থনাৰ দৰে নৈনন্দিন খাদ্য প্ৰাৰ্থনা কৰা নহয়, বৰং অনাদি কালৰ পৰা মানৱ প্ৰবৃত্তিত যিবোৰ শক্তি দান কৰা হৈছে আৰু সেইবোৰৰ মাজত যেনেকৈ পিয়াহ-তৃষ্ণা সন্নিৱিষ্ট কৰা হৈছে তদুনুযায়ী প্ৰাৰ্থনাৰ শিক্ষা প্ৰদান কৰা হৈছে। যেনেকৈ উল্লেখ কৰিছে যে,

اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ۙ﴿۶﴾ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ (1:6-7)

অৰ্থাৎ হে সম্পূৰ্ণ গুণাৱলীৰ অধিকাৰী ! তুমি ইমানেই কল্যাণ ভুষিত যে প্ৰত্যেক অনু-পৰমাণু তোমাৰ আধিপত্যৰ অধীনত প্ৰতিপালিত হৈ আছে, আৰু তোমাৰ ৰহমানীয়ত, ৰহিমীয়ত আৰু জায়া-ছাযাৰ দ্বাৰা লাভবান হৈ আছে, তুমি আমাক অতীতৰ সত্যবাদীসকলৰ অংশীদাৰ বনোৱা আৰু তেওঁলোকক যিবোৰ পুৰস্কাৰ প্ৰদান কৰিছা, সেইবিলাকৰ প্ৰত্যেকটো আমাকও দান কৰা। আমাক ৰক্ষা কৰা, আমি যেন অবাধ্য হৈ তোমাৰ অভিসাপত নিপতিত নহওঁ আৰু আমাক ৰক্ষা কৰা, আমি যেন তোমাৰ সহায়ৰ পৰা বঞ্চিত হৈ সমূলি পথ ভ্ৰষ্ট নহওঁ।

এই বিলাক তত্ত্বানুসন্ধানৰ ফলত ইঞ্জিল আৰু কোৰাণ চৰিফৰ দোৱাৰ মাজত থকা প্ৰভেদ স্পষ্ট হৈ পৰিছে যে ইঞ্জিলে কেৱল খোদা তা'লাৰ ৰাজত্বৰ প্ৰতিশ্ৰুতিহে দিয়ে, কিন্তু কোৰাণ চৰিফে এয়া শিক্ষা দিয়ে যে মহামহিম খোদাৰ ৰাজত্ব তোমালোকৰ মাজত বিদ্যমান আছে আৰু এয়া

কেৱল বিদ্যমানেই নহয়, বৰং যথাৰ্থ ভাৱে তাৰ কল্যাণৰ ধাৰা সদায় প্ৰবাহিত হৈ আছে। মূলত: ইঞ্জিলত মাত্ৰ এটা প্ৰতিশ্ৰুতি অৱশিষ্ট আছে কিন্তু কোৰাণ চৰিফে কেৱল প্ৰতিশ্ৰুতি প্ৰদানতেই ক্ষান্ত হোৱা নাই, বৰং পৰাক্ৰমী খোদাৰ সুপ্ৰতিষ্ঠিত ৰাজত্ব আৰু তাৰ কল্যাণবোৰও প্ৰদৰ্শন কৰি আছে। মূল কথা হ'ল কোৰাণ চৰিফৰ ফজিলত (শ্ৰেষ্ঠত্ব) ইয়াৰে পৰাই প্ৰকাশ পায় যে কোৰাণ চৰিফে সেই খোদাৰ প্ৰেমিক গঢ়ি তোলে যিজনা কেৱল এই পাৰ্থিৱ জগতেই মানৱৰ ত্ৰাণকৰ্তা আৰু আৰামদাতা নহয়, বৰং তাৰ অনুগ্ৰহৰ পৰা কোনো প্ৰাণীয়েই বঞ্চিত নহয়। এনেকি প্ৰত্যেক জীৱৰ ওপৰতেই তাৰ যোগ্যতা অনুযায়ী সেইজনৰ ৰবুবীয়ত, ৰহমানীয়ত আৰু ৰহিমীয়তৰ কল্যাণৰ ধাৰা বৰ্ষিত হৈ আছে। কিন্তু ইঞ্জিল এনেকুৱা এজনা খোদাৰ কথা কয় যাৰ আধিপত্য এতিয়াও পৃথিৱীত প্ৰতিষ্ঠিত হোৱা নাই কেৱল প্ৰতিশ্ৰুতিহে আছে। গতিকে বিবেচনা কৰি চাওঁক, প্ৰজ্ঞায় কাক আনুগত্যৰ যোগ্য অধিকাৰী বুলি নিৰূপিত কৰে। সেয়ে বুজা যায় যে হাফিজ ছিৰাজী সত্য কথাই কৈছে যেনে,

مرید پیر مغانم زمن مرنج اے شیخ
چرا کہ وعدہ تو کر دی و او بجا آورد

অৰ্থাৎ আমি আমাৰ মোগান (অগ্নি উপাসক) পীৰৰ ভক্ত, হে শ্বেইখ আমাৰ প্ৰতি তুমি অসন্তুষ্ট নহ'বা, কিয়নো প্ৰতিশ্ৰুতি দিছা তুমি আৰু সেয়া পূৰ্ণ কৰিব তেওঁ (অনুবাদক)

ইঞ্জিলত বিনয়ী দীন-হীন লোকৰ প্ৰশংসা কৰা হৈছে, লগতে আৰু এনেকুৱা ব্যক্তিৰ প্ৰশংসা কৰা হৈছে, যি সকলে লাঞ্ছিত হৈও প্ৰতিবাদ নকৰে। কিন্তু কোৰাণ চৰিফে এনেকুৱা কথা নকয় যে তুমি সদায় দুৰ্বল নীচ হৈ থাকা আৰু অন্যায়ৰ প্ৰতিবাদ নকৰিবা, বৰং ইয়াৰ বিপৰীতে এয়া শিক্ষা দিয়ে যে বিনয়, নম্ৰতা, দীনতা আৰু প্ৰতিবাদ নকৰা উত্তম; কিন্তু এইবোৰ

গুণাৱলী অনুপযুক্ত ক্ষেত্রত ব্যৱহাৰ বা প্রয়োগ কৰিলে সেয়া অন্যায় হ'ব। গতিকে তোমালোকে স্থান কাল পাত্র ভেদে প্রত্যেকটো নেক কাম সম্পাদন কৰিবা কাৰণ স্থান আৰু অৱস্থাৰ প্রভেদত কেতিয়াবা নেক কর্মও গোনাহত পৰিণত হয়। তোমালোকে জানা যে সময়ত বৰষুণ হোৱা কিমান উপকাৰী আৰু প্রয়োজনীয়। কিন্তু সেই বৰষুণ অসময়ত বর্ষণ হলে সেয়া ধ্বংসৰ কাৰণ হৈ পৰে। তোমালোকে উপলব্ধি কৰিব পাৰা যে কোনো চেঁচা অথবা গৰম খাদ্য সদায় খাই থাকিলে শৰীৰ ভালে থাকিব নোৱাৰে। স্বাস্থ্য তেতিয়াহে ঠিক থাকিব যেতিয়া সময় আৰু অৱস্থা অনুযায়ী তোমালোকৰ খাদ্য বস্তুৰ মাজত সাল-সলনি হৈ থাকিব। গতিকে কঠোৰতা আৰু নম্রতা, ক্ষমা বা প্রতিশোধ, আশীর্বাদ আৰু অভিশাপ আৰু অন্যান্য নৈতিক গুণাৱলী, যিবোৰ তোমালোকৰ বাবে সময় উপযোগী; সেই বোৰতও এনেকুৱা পৰিৱৰ্তনৰ আবশ্যক আছে। উচ্চ মানৰ বিনয়ী বা ধৈর্যশীল হোৱা, কিন্তু সেয়া স্থান কাল পাত্র ভেদে হ'ব লাগিব। লগতে এয়াও মনত ৰাখিবা যে প্রকৃত নৈতিক উৎকর্ষ, যাৰ মাজত প্রবৃত্তিৰ কামনা-বাসনাৰ কোনো বিষাক্ত সংমিশ্রণ নাথাকে, সেয়ে মাত্র উর্দ্ধ লোকৰ পৰা ৰূহুল কুদ্দুছৰ সহায়তহে আহে। গতিকে তোমালোকে কেৱল আত্ম প্রচেষ্টাৰে সেইবোৰ নৈতিক উন্নতি সাধন কৰিব নোৱাৰা, যেতিয়ালৈকে তোমালোকক আচমানৰ পৰা উক্ত গুণাৱলী দান কৰা নহয়। যিজনে ঐশ্বৰিক অনুগ্রহত ৰূহুল কুদ্দুছৰ জৰিয়তে নৈতিক চৰিত্রৰ কোনো অংশ লাভ কৰা নাই, তাৰ নৈতিকতাৰ দাবী সমুলি মিছা, তাৰ সেই নৈতিকতাৰ পানীৰ তলত বোকা, গোৱৰ মিশ্রিত আছে, যিবোৰ প্রবৃত্তিৰ উত্তেজনাৰ সময়ত গৈ ওলাই পৰে। গতিকে তোমালোকে সদায় খোদা তা'লাৰ পৰা শক্তি প্রার্থনা কৰি যোৱা যাতে এনে বোকাময় আৰু গোৱৰযুক্ত অৱস্থাৰ পৰা মুক্তি লাভ কৰিব পাৰা আৰু ৰূহুল কুদ্দুছ যেন তোমালোকৰ অন্তৰত সঁচা পৱিত্রতা আৰু নম্রতা সৃষ্টি কৰে। মনত ৰাখিবা, নির্মল চৰিত্র সাধু পুৰুষ সকলৰ

বাবে মু’জিজা (অলৌকিক ক্রিয়া) স্বৰূপ, বেলেগ কোনোবায় এনেকুৱা চৰিত্ৰবান হ’ব নোৱাৰে। ইয়াৰ কাৰণ হ’ল যিজনে খোদা তা’লাত বিলীন হৈ নেযায় সি ঐশ্বৰিক শক্তি লাভ কৰিব নোৱাৰে। সেয়ে এনেকুৱা ব্যক্তিৰ পক্ষে পৱিত্ৰ নৈতিক (আধ্যাত্মিক) গুণাৱলী অৰ্জন কৰা সম্ভৱ নহয়। গতিকে তোমালোকে নিজ খোদাৰ সৈতে পৱিত্ৰ সম্পৰ্ক গঢ়ি তোলা। ঠাট্টা বিদ্ৰূপ, হিংসা, বিদ্বেষ, কুৎচিত কথা-বতৰা, লোভ মোহ, মিছা কোৱা, ব্যভিচাৰ, কাম লোলুপ দৃষ্টি, অসৎ চিন্তা-ধাৰা সংসাৰ পূজা, অহংকাৰ, মৈমতালি, গৰ্ব বিতৰ্ক আদি সকলো পৰিহাৰ কৰিব লাগিব। তেহে আধ্যাত্মিক (নৈতিক) গুণাৱলী তোমালোকে সৰগৰ পৰা লাভ কৰিব পাৰিবা। যেতিয়ালৈকে সেই দৈৱ শক্তিয়ে তোমালোকক সহায় নকৰে। যিবিলাকে তোমালোকক চৰম মাৰ্গলৈ টানি তুলিব আৰু যিমান দেৰিলৈকে জীৱন প্ৰদানে ৰূহুল কুদ্দুছে তোমালোকৰ হৃদয় পটত আৱিৰ্ভূত নহয় তেতিয়ালৈকে তোমালোকে অতি দুৰ্বল আৰু অন্ধকাৰাচ্ছন্ন আৰু প্ৰাণহীন দেহ স্বৰূপ। এনে পৰিস্থিতিত নে তোমালোকে কোনো বিপদ ৰোধিব পাৰিবা, নে সৌভাগ্য আৰু ঐশ্বৰ্যৰ সময়ত নিজকে অহংকাৰ আৰু গৰ্বৰ পৰা আঁতৰাই ৰাখিব পাৰিবা। এনেকি সকলো ফালেৰে চয়তান আৰু কুৎচিত প্ৰবৃত্তিৰ কামনাৰ বলি হৈ পৰিবা। গতিকে প্ৰকৃতাৰ্থে তোমালোকৰ বাবে এইবোৰ প্ৰতিকাৰৰ একমাত্ৰ উপায় হ’ল এয়া যে স্বয়ং খোদা তা’লাৰ পৰা অৱতীৰ্ণ ৰূহুল কুদ্দুছে যেন তোমালোকৰ মূখ নেকি (পুণ্য) আৰু সাধুতাৰ ফালে ঘূৰাই দিয়ে। তোমালোকে সৰগ প্ৰিয় হোৱা, মৰ্ত্ত প্ৰিয় নহ’বা। আলোকৰ উত্তৰাধিকাৰী হোৱা, অন্ধকাৰৰ প্ৰেমিক নহ’বা যাতে চয়তানৰ বিচৰণ ভূমিৰ পৰা নিৰাপদ হ’ব পাৰা। কাৰণ চয়তান চিৰন্তৰ অন্ধকাৰ প্ৰিয়, পোহৰৰ সৈতে তাৰ কোনো সম্পৰ্ক নাই। কিয়নো সি হ’ল পুৰণি চোৰ যিয়ে অন্ধকাৰত বিচৰণ কৰে।

চুৰা ফাতিহাত কেৱল শিক্ষাই নহয়, বৰং ইয়াত মহা ভৱিষ্যদ্বাণীও

এটা আছে। সেয়া হ’ল যে খোদা তা’লা তাৰ ৰবুবীয়ত, ৰহমানীয়ত, ৰহিমীয়ত আৰু মালিকীয়তে ইয়াও মিদ্দিন অৰ্থাৎ পুৰস্কাৰ আৰু শাস্তি বিহাৰ ক্ষমতা, এই চাৰিটা শক্তিৰ বিষয়ে উল্লেখ কৰি আৰু নিজৰ অন্যান্য গুণাৱলী সমূহৰ বিষয়ে জনাই পৰৱৰ্তী আয়াত বিলাকত এই দোৱাৰ শিক্ষা প্ৰদান কৰিছে। হে খোদা ! তুমি এনেকুৱা অনুগ্ৰহ কৰা আমি যেন অতীতৰ সত্য নবী আৰু ৰছুল সকলৰ উত্তৰাধিকাৰী হিচাপে পৰিগণিত হ’ব পাৰো। তেখেত সকলৰ বাট যেন আমাৰ নিমিত্তে প্ৰশস্ত ভাৱে উন্মোচন কৰা হয় আৰু তেখেত সকলে প্ৰাপ্ত পুৰস্কাৰ সমূহ যেন আমাকও প্ৰদান কৰা হয়। হে খোদা তুমি আমাক তেনেকুৱা পৰিণতিৰ পৰা ৰক্ষা কৰা, যাতে আমি সেই দল বিলাকৰ অন্তৰ্ভুক্ত হৈ নপৰো যিসকলৰ ওপৰত এই ধৰাপৃষ্ঠতেই শাস্তি নামি আহিছিল। হে খোদা ! তুমি আমাক তেনেবোৰ পৰিণামৰ পৰা ৰক্ষা কৰা, যাতে আমি সেই দলৰ ভিতৰত গণ্য নহওঁ যিসকলে তোমাৰ হিদায়ত শূন্য আছিল আৰু যিসকলে পথভ্ৰষ্ট হৈ গৈছে (অৰ্থাৎ ইয়াতে ঈছায়ী খৃষ্টান সকললৈ আঙুলিয়াই দিয়া হৈছে।

উল্লেখিত দোৱাৰ মাজত এই ভৱিষ্যদ্বাণী নিহিত আছে যে মুছলমান সকলৰ মাজতও কোনো কোনোৱে এনেকুৱা হৈ যাব যে সিহঁতে নিজৰ নিষ্ঠা আৰু পৱিত্ৰতাৰ ফলস্বৰূপে পূৰ্বৰ নবীসকলৰ উত্তৰাধিকাৰী হৈ যাব আৰু নবুয়তৰ লগতে ৰিছালতৰ কল্যাণ লাভ কৰিব। আকৌ কিছুমানে এনেকুৱা হ’ব যে সিহঁতে ইহুদী প্ৰকৃতিৰ হৈ যাব, যিবিলাকৰ ওপৰত এই ধৰাধামতেই শাস্তি অৱতীৰ্ণ হৈ যাব। আকৌ কোনো কোনোৱে এনেকুৱা হৈ পৰিব যে খৃষ্টানৰ ৰূপ ধাৰণ কৰিব। কাৰণ খোদা তা’লাৰ আয়াতত এয়াই প্ৰচলিত নিয়ম যে যেতিয়া কোনো জাতিক কিবা কৰিবলৈ বাধা নিষেধ আৰোপ কৰা হয় তেতিয়া তাৰ গূঢ়াৰ্থ এয়াই প্ৰকাশ পায় যে সেই জাতিৰ মাজত নিশ্চয় এনেকুৱা কিছুমান মানুহ আছে, যিসকলে খোদাৰ জ্ঞান অনুযায়ী নিষিদ্ধ কাৰ্য্য সম্পাদন কৰে। আকৌ এনেকুৱা কিছুমানও

আছে যিসকলে পুণ্য আৰু সাধুতাৰ বাটত চলে। ধৰাপৃষ্ঠত আদিৰ পৰা অন্তলৈকে খোদা তা'লা যিমানবোৰ গ্ৰন্থ প্ৰেৰণ কৰিছে, সেই সকলোবোৰতেই তাৰ এই চিৰন্তন ৰীতি প্ৰবাহমান আছে যে যেতিয়া খোদা তা'লাই কোনো জাতিক কোনো কাৰ্য্য সম্পাদনত নিষেধ বা উৎসাহিত কৰে তেতিয়া সেয়া তাৰ জ্ঞানৰ বেষ্টনীত নিৰ্ধাৰিত থাকে যে কিছুমানে সেয়া কৰিব আৰু কিছুমানে সেই কাৰ্য্য নকৰিব। সেয়ে এই চুৰায় ভৱিষ্যদ্বাণী কৰি আছে যে এই উম্মতৰ ফালৰ পৰা কোনো ব্যক্তি সম্পূৰ্ণৰূপে নবীসকলৰ  ৰঙত প্ৰকাশিত হ'ব, যাতে

صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ

আয়াত সম্বলিত ভৱিষ্যিদ্বাণী সম্পূৰ্ণ আৰু চূড়ান্ত ভাৱে পূৰ্ণ হয়। আকৌ সিহঁতৰ মাজত কোনো দল সেই ইহুদী সকলৰ ৰেহ-ৰূপত প্ৰকাশিত হ'ব, যিসকলক হজৰত ঈছা (আঃ)য়ে অভিশাপ দিছিল আৰু যিসকলে ঐশ্বৰিক শাস্তিৰ গহ্বৰত নিপতিত হৈছিল বা হ'ব যাতে

غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ

আয়াতত  থকা ভৱিষ্যদ্বাণী পূৰ্ণ হয়। আনহাতে এই উম্মতৰ পৰা কোনো কোনো দল খৃষ্টান সকলৰ ৰেহ-ৰূপ ধাৰণ কৰিব আৰু খৃষ্টান হৈ যাব সিহঁতে মদপান, স্বেচ্ছাচাৰীতা, অনাচৰ, ব্যভিচাৰৰ ফলত খোদা তা'লাৰ হিদায়তৰ পৰা বঞ্চিত হ'ব যাতে وَلَا الضَّآلِّيْنَ আয়াতৰ ভৱিষ্যদ্বাণী পূৰ্ণ হয়। এয়া মুছলমান সকলৰ ধৰ্ম বিশ্বাস যে শেষ যুগৰ শ শ নামধাৰী মুছলমান ইহুদী প্ৰকৃতি বিশিষ্ট হৈ পৰিব। এই ভৱিষ্যদ্বাণী  কোৰাণ কৰিমৰ বিভিন্ন ঠাইত উল্লেখ আছে। শ শ মুছলমান খৃষ্টান ধৰ্মলৈ ধৰ্মান্তৰ হোৱা আৰু খৃষ্টান সকলৰ দৰে অবাধ আৰু উশৃঙ্খল জীৱন-যাপন কৰা স্পষ্ট ভাৱে দৃষ্টিগোচৰ হৈ আছে আৰু এনেকুৱা তথাকথিত মুছলমান আছে যিবিলাকে খৃষ্টানী জীৱন-যাপন পদ্ধতি পছন্দ কৰে। এইবোৰে মুছলমান

নামেৰে অভিহিত হৈয়ো সিহঁতে নামাজ, ৰোজা, আৰু বৈধ অবৈধৰ বিধি নিষেধক তীব্ৰ ঘৃণাৰ চকুৰে চায়। এনেকুৱা খৃষ্টান আৰু ইহুদী প্ৰকৃতি বিশিষ্ট লোক এই দেশখনত অসংখ্য দেখিবলৈ পোৱা যায়। গতিকে চুৰা ফাতিহাৰ এই উভয় ভৱিষ্যদ্বাণী তোমালোকে পূৰ্ণ হোৱাটো দেখিবলৈ পাই আছা আৰু কিছুমান মুছলমান লোক ইহুদীৰ ৰেহ-ৰূপ ধাৰণ কৰিছে আন কিছুমানে খৃষ্টান সকলৰ বেশ লৈছে, এয়াও তোমালোকে নিজ চকুৰে অৱলোকন কৰি আছা। গতিকে এতিয়া এই তৃতীয় ভৱিষ্যদ্বাণী অতি সাধাৰণ ভাৱেই গ্ৰহণযোগ্য যে মুছলমান সকলৰ কিছুমানে যেনেকৈ ইহুদী আৰু খৃষ্টান ধৰ্মলৈ ধৰ্মান্তৰ হৈ সিহঁতৰ কু কাৰ্য্য অপকৰ্মৰ সংঙ্গী হৈছে, ঠিক তেনেকৈ সিহঁতৰ মাজৰও কিছুমানে এই সুবিধা লাভ কৰিছিল যে সিহঁতেও বনি ইস্ৰাইলৰ পৱিত্ৰ সাধু পুৰুষৰ পদ মৰ্যাদা লাভ কৰিব পাৰে। খোদা তা'লাৰ প্ৰতি এয়া এক হিচাপে দোষ জাপি দিয়া যে সি মুছলমান সকলক ইহুদী আৰু খৃষ্টান সকলৰ অপকৰ্মৰ অংশীদাৰ বনালে আৰু ইহঁতৰ নামও ইহুদী ৰাখিলে। কিন্তু এওঁলোকৰ নবী ৰছুলৰ মৰ্যদাৰ পৰা এই উম্মতক কোনো ধৰণৰ অংশ প্ৰদান নকৰিলে। তেন্তে এনেকুৱা অৱস্থাত এই উম্মত খায়ৰুল উমাম বা শ্ৰেষ্ঠ উম্মত কেনেকৈ হ'ল ? বৰং এওঁলোক শ্বাৰৰুল উমাম বা নিকৃষ্টতম উম্মতহে হৈ পৰিল, কাৰণ গোনাহৰ সকলো নমুনা (চিহ্ন) সিহঁতে পালে কিন্তু পুণ্যৰ একো চিহ্ন সিহঁতে লাভ কৰিব নোৱাৰিলে। এনেকুৱা হোৱাটো উচিত নাছিল নে যে এই উম্মতৰ মাজত কোনো ব্যক্তি নবী বা ৰছুল হিচাপে আৱিৰ্ভাব হওঁক যিজনে বনি ইস্ৰাইলৰ সকলো নবীৰ উত্তৰাধিকাৰী আৰু প্ৰতিচ্ছবি স্বৰূপ হ'ব পাৰে ? কিয়নো এয়া খোদা তা'লাৰ ৰহমতৰ (দয়াৰ) পৰিপন্থী যে সি এই উম্মতৰ মাজত শত সহস্ৰ লোকক খৃষ্টান ধৰ্মত প্ৰৱেশ ঘটাব অথচ এনেকুৱা এজন পুৰুষক প্ৰেৰণ নকৰিব যিজনে পূৰ্বৰ নবীসকলৰ উত্তৰাধিকাৰী হ'ব আৰু পুৰস্কাৰ সমূহ লাভ কৰিব যাতে

اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ۙ﴿۶﴾ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ (1:6-7)

আয়াত সন্নিবিষ্ট ভৱিষ্যদ্বাণী ঠিক সেইদৰে পূৰ্ণ হৈছে যেনেকৈ ইহুদী, খৃষ্টান হোৱাৰ ভৱিষ্যদ্বাণী পূৰ্ণ হৈছে। যি পৰিস্থিতিৰ বাবে এই উম্মতৰ ওপৰত অসংখ্য দুৰ্নাম আৰোপ কৰা হৈ আছে আৰু আনফালে কোৰাণ চৰিফ আৰু হাদীছ্‌ৰ দ্বাৰা প্ৰমাণিত হয় যে ইহুদী হোৱাটো ইহঁতৰ ভাগ্যত অৱধাৰিত আছিল। তেনে ক্ষেত্ৰ অৱস্থাত খোদা তা'লাৰ ফজল বা অনুগ্ৰহ বিকাশৰ বাবে এয়াও প্ৰয়োজন আছিল যে যেনেকৈ পূৰ্বৰ খৃষ্টান জাতিৰ পৰা এই উম্মতৰ লোকে বেয়াক গ্ৰহণ কৰি লৈছে, ঠিক তেনেদৰে এওঁলোকে সিহঁতৰ ভাল বস্তু বিলাকৰও উত্তৰাধিকাৰী হওঁক।

বুজা যায় যে এই কাৰণেই খোদা তা'লাই চুৰা ফাতিহাৰ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ۙ﴿۶﴾ আয়াতত এই সুসংবাদ প্ৰদান কৰিছে যে এই উম্মতৰ কতিপয় (কেতবোৰ) লোক অতীতৰ নবী সকলৰ দৰে পুৰস্কাৰ প্ৰাপ্ত হ'ব আৰু কেৱল এনেকুৱাই নহয় যে ইহঁতে মাত্ৰ ইহুদী বা খৃষ্টান সকলৰ লগত মিলি সিহঁতৰ বেয়াক গ্ৰহণ কৰিব, কিন্তু ভাল বিষয়বিলাক গ্ৰহণ কৰিব নোৱাৰিব।

কিন্তু আনফালে চুৰা তাহৰিমত এই বিষয়ে ইঙ্গিত দিয়া আছে যে এই উম্মতৰ মাজৰ কোনো কোনো ব্যক্তি মৰিয়ম ছিদ্দিকাৰ দৰে হ'ব, যিয়ে সাধুতা অৱলম্বন কৰিছিল, তথাপি তাইৰ গৰ্ভত ঈছাৰ ৰূহ সঞ্চাৰণ কৰা হৈছিল আৰু তাইৰ গৰ্ভত ঈছা (আঃ)ৰ জন্ম হৈছিল। এই আয়াতত সেই কথাখিনিৰ প্ৰতি আঙুলিৱাই দিয়া হৈছে যে এই উম্মতৰ মাজত এজন পুৰুষৰ আৱিৰ্ভাব ঘটিব, যিজনে প্ৰথমে মৰিয়মৰ মৰ্যদা সম মৰ্যদা লাভ কৰিব তাৰ পিছত তাৰ ভিতৰত ঈছা (আঃ)ৰ ৰূহ ঢালি দিয়া হ'ব। ফলত মৰিয়মৰ পৰাই ঈছাৰ আৱিৰ্ভাব ঘটিব। অৰ্থাৎ সি মৰিয়মী গুণাৱলীৰ

পৰা ঈছা ৰূপী সন্তানৰ জন্ম দিলে। এনেদৰে তেখেতে ইবনে মৰিয়ম নামেৰে অভিহিত হ'ব। ঠিক এই দৰেই বাৰাহীনে আহমদীয়া নামক গ্ৰন্থখনত প্ৰথমে মোৰ নাম মৰিয়ম ৰখা হৈছে আৰু এই বিষয়লৈ উক্ত গ্ৰন্থৰ ২৪১ নং পৃষ্ঠাত উল্লেখিত ইলহামত আঙুলিয়াই দিয়া হৈছে। ইলহামটো হ'ল **اَنّٰى لَكِ هٰذَا** অৰ্থাৎ হে মৰিয়ম ! তুমি এই নিয়ামত ক'ৰ পৰা পালা ? আকৌ উক্ত গ্ৰন্থৰ ২২৬ নং পৃষ্ঠাত উল্লেখ থকা ইলহামত কোৱা হৈছে- **هز اليک بجذع النخلة** অৰ্থাৎ হে মৰিয়ম ! খেজুৰৰ গছটো জোকাৰি দিয়া। ইয়াৰ পিছত বাৰাহীনে আহমদীয়া গ্ৰন্থৰ ৪৯৬ নং পৃষ্ঠাত নিম্নত উল্লেখিত ইলহাম লিপিবদ্ধ আছে।

**يا مريم اسكن انت وزوجک الجنة نفخت فيک من لدنی روح الصدق**

অৰ্থাৎ হে মৰিয়ম ! তুমি তোমাৰ বন্ধু-বান্ধৱ সহ জান্নাতত প্ৰৱেশ কৰা, আমি আমাৰ ফালৰ পৰা তোমাৰ মাজত নিষ্ঠা আৰু সত্যবাদিতাৰ ৰূহ নিহিত কৰিছোঁ। খোদা তা'লায় এই ইলহামত মোৰ নাম পৱিত্ৰ আত্মা ৰাখিছে। এয়া

فَنَفَخْنَا فِيْهِ مِنْ رُّوْحِنَا (66:13)

আয়াতৰ সৈতে সমাঞ্জস্যপূৰ্ণ, অৰ্থাৎ ইয়াতে যেনিবা উপমা স্বৰূপে মৰিয়মৰ গৰ্ভত ঈছাৰ ৰূহৰ প্ৰৱেশ ঘটিল যাৰ নাম (পৱিত্ৰ আত্মা)। অৱশেষত উক্ত গ্ৰন্থৰ ৫৫৬ নং পৃষ্ঠাত মৰিয়মৰ গৰ্ভত যিজন ঈছাৰ অংকুৰণ হৈছিল তাৰ জন্ম সম্পৰ্কে আকৌ ইলহাম অৱতীৰ্ণ হৈছে,

**يا عيسٰی انی متوفّيک ورافعک الیّ وجاعل الذين اتبعوک فوق الذين کفروا الٰی يوم القيامة**

ইয়াতে মোৰ নাম ঈছা ৰখা হৈছে আৰু এই ইলহামত উল্লেখ কৰা হৈছে যে, সেই জন ঈছাৰ জন্ম হৈছে, যাৰ ৰূহৰ (আত্মা)ৰ প্ৰকাশ সম্পৰ্কে

৪৯৬ পৃষ্ঠাত উল্লেখ কৰা হৈছে। গতিকে এই কাৰণে মোক ঈছা ইবনে মৰিয়ম বুলি কোৱা হৈছে। কিয়নো মৰিয়মী অৱস্থাৰ পৰা মোৰ ঈছা লৈ পৰিবৰ্ত্তন হোৱাটো খোদা তা'লাৰ কুদৰতৰ ফলত সৃষ্টি হৈছে (বাৰহীনে আহমদীয়া পৃষ্ঠা ৪৯৬, ৫৫৬)

চুৰা তাহৰীমত এই ঘটনাটোৱেই ভৰিষ্যত বাণী হিচাপে বিতং বিশ্লেষণেৰে বৰ্ণনা কৰা হৈছে যে পোনতে এই উম্মতৰ মাজত কোনো এজন ব্যক্তিক মৰিয়মী গুণ সম্পন্ন কৰা হ'ব; তাৰ পিছত সেই মৰিয়মৰ ভিতৰত ঈছা (আঃ)ৰ ৰূহ ফুঁকি দিয়া হ'ব। গতিকে তেওঁ এই মৰিয়মী অৱস্থাৰূপী গৰ্ভত এটা দীৰ্ঘ সময় প্ৰতিপালিত হৈ ঈছা (আঃ)ৰ আধ্যাত্মিকতা লৈ জন্ম গ্ৰহণ কৰিব আৰু ইয়াৰ ফলত তেওঁ ঈছা ইবনে মৰিয়ম বুলি অভিহিত হ'ব। মহম্মদী ইবনে মৰিয়ম সম্পৰ্কে এয়া সেই ভৰিষ্যত বাণী যি কোৰাণ চৰিফত চুৰা তাহৰিমত আজিৰ পৰা তেৰশ বছৰ আগতেই বৰ্ণনা কৰা হৈছে। আকৌ বৰাহিনে আহমদীয়াতত খোদা তা'লা নিজে চুৰা তাহৰীমৰ এই আয়াতৰ ব্যাখ্যা আগবঢ়াইছে। কোৰাণ চৰিফত বিদ্যমান আছে। গতিকে কোৰাণ এফালে ৰাখা আৰু আনফালে ৰাখা বৰাহিনে আহমদীয়া আৰু তাকওয়াৰ সৈতে প্ৰজ্ঞা দ্বাৰা চিন্তা কৰি চোৱা যে ভৰিষ্যত বাণীৰ উল্লেখ চুৰা তাহৰীমত আছে; অৰ্থাৎ এই উম্মতৰ মাজৰ পৰা কোনো এজন ব্যক্তি মৰিয়ম বুলি অভিহিত হ'ব আৰু মৰিয়মৰ পৰাই ঈছাৰ সৃষ্টি হ'ব; সেয়া যেনিবা (মৰিয়মৰ) পৰা জন্ম লাভ কৰিব। চাওঁক বৰাহিনে আহমদীয়াৰ ইলহামত সেয়া কেনেকৈ পূৰ্ণতা লাভ কৰিছে। এয়া মানুহৰ ক্ষমতাৰ অধীন হয়নে ? এয়া মোৰ আয়ত্বাধীন আছিলনে ? আৰু মই কোৰাণ চৰিফ অৱতীৰ্ণ হোৱাৰ সময়ত তাত উপস্থিত আছিলোনে যে মোক ইবনে মৰিয়মত ৰূপান্তৰিত কৰিবলৈ কিবা এটা আয়াত নাযিল কৰিবলৈ অনুৰোধ কৰিছিলোঁ; যাৰ দ্বাৰা মোৰ বিৰুদ্ধে উঠা আপত্তিবোৰ খণ্ডন কৰিব পৰা যায় যে কিয় মোক ইবনে মৰিয়ম আখ্যা দিয়া হৈছে।

আজিৰ পৰা বিছ বাইছ বছৰ আগত অথবা ইয়াতকৈ বেছি কাল আগত মোৰ দ্বাৰা এনেকুৰা পৰিকল্পনা এটা সাজি লোৱা সম্ভৱ আছিলনে যে মই নিজৰ ফালৰ পৰা ইলহাম এটা বনাই লৈ প্ৰথমে মোৰ নাম মৰিয়ম ৰাখিম আৰু পিছলৈ মিছা ইলহাম এটা ৰচনা কৰিম যে প্ৰথম যুগৰ মৰিয়মৰ দৰে মোৰ মাজতও ঈছাৰ ৰূহ ফুঁকি দিয়া হৈছে আৰু অৱশেষত বৰাহিনে আহমদীয়া গ্ৰন্থৰ ৫৫৬ নং পৃষ্ঠাত লিখি দিলো হয় যে এতিয়া মই মৰিয়মৰ পৰা ঈছাত ৰূপান্তৰিত হৈছো ?

হে বন্ধু সকল ! চিন্তা কৰা আৰু খোদা তা'লাক ভয় কৰা। এয়া কেতিয়াও মানুহৰ কাৰ্য্যাধীন নহয়। এইবিলাক সূক্ষ্ম তত্ত্ব মানুহৰ প্ৰজ্ঞা আৰু ধাৰণাৰ পৰিসীমাৰ বাহিৰত। আজিৰ পৰা বহু আগতেই বৰাহিনে আহমদীয়া গ্ৰন্থ ৰচনা কালত যদি এনে অভিসন্ধি মোৰ কল্পনা হ'লহেঁতেন তেন্তে সেই গ্ৰন্থত মই কিয় লিখিছিলো যে ঈছা-মছীহ ইবনে মৰিয়ম আকাশৰ পৰা দ্বিতীয়বাৰ আগমন কৰিব ? কিন্তু যিহেতু খোদা তা'লা জানিছিল যে আগতেই এই ৰহস্য সম্পৰ্কে জনা থাকিলে এই প্ৰমাণ দুৰ্বল হৈ পৰিব। সেই হেতুকেই সি বৰাহিনে আহমদীয়াৰ তৃতীয় খণ্ডত মোৰ নাম মৰিয়ম ৰাখিছে। এনেদৰে যেনেকৈ বৰাহিনে আহমদীয়া গ্ৰন্থৰ পৰা প্ৰমাণিত হয় যে মই দুবছৰ কাল মৰিয়মী গুণাৱলীত প্ৰতিপালিত হৈ পৰ্দাৰ আঁৰত অংকুৰিত হৈ আছিলো। এনেদৰে দুবছৰ অতিক্ৰম হৈ যোৱাৰ পিছত মৰিয়মৰ দৰে মোৰ ভিতৰত ঈছা (আঃ)ৰ ৰূহ ঢালি দিয়া হৈছে আৰু উপমা হিচাপে মোক গৰ্ভৱতী বুলি কোৱা হৈছে (বৰাহিনে আহমদীয়া চতুৰ্থ খণ্ড পৃষ্ঠা ৪৯৬)। অৱশেষত কেইমাহ মান পিছত, যাৰ সংখ্যা দহ মাহতকৈ বেছি নহয়; এই ইলহামৰ জৰিয়তে, যি বৰাহিনে আহমদীয়াৰ চতুৰ্থ খণ্ড ৫৫৬ নং পৃষ্ঠাত উল্লেখ আছে; মোক মৰিয়মৰ পৰা ঈছাত পৰিণত কৰা হৈছে। গতিকে এনেদৰেই মই ঈছা ইবনে মৰিয়ম হৈছো।

বৰাহিনে আহমদীয়া গ্ৰন্থ ৰচনা কৰাৰ সময়ত এই সূক্ষ্ম ৰহস্যৰ বিষয়ে খোদা তা'লাই মোক একো জনোৱা নাই। কিন্তু এই ৰহস্য সংক্ৰান্তে সকলো অহি মোৰ ওপৰত অৱতীৰ্ণ হৈছিল আৰু সেয়া এই গ্ৰন্থত লিপিবদ্ধ কৰা হৈছিল। কিন্তু মোক ইয়াৰ গুঢ়াৰ্থ আৰু সুবিন্যস্ত অৱস্থা সম্পৰ্কে জনোৱা হোৱা নাছিল। যাৰ কাৰণেই মই এই গ্ৰন্থত মুছলমান সকলৰ প্ৰচলিত বিশ্বাসেই লিখিছিলো, যাতে এয়া মোৰ সহজ সৰল আৰু অকপটতাৰ সাক্ষী হয়। সেই লিখনী খিনি মোৰ ইলহামী উক্তি নাছিল, বৰং সেয়া প্ৰচলিত বিশ্বাস অনুযায়ীহে লিখা হৈছিল এয়া বিৰুদ্ধবাদী সকলৰ বাবে চনদযোগ্য নহয়। কাৰণ মই নিজৰ ফালৰ পৰা কোনো অদৃশ্য বিষয় সম্পৰ্কে জনাৰ দাবী নকৰো; যেতিয়ালৈকে খোদা তা'লা নিজে মোক সেই সম্পৰ্কে খবৰ নিদিয়ে। গতিকে আল্লাহ তা'লাৰ হিকমত আৰু উদ্দেশ্য এয়াই আছিল যে সেই সময়লৈকে বৰাহিনে আহমদীয়াৰ কোনো কোনো ইলহামি ৰহস্য মোৰ বোধগম্যৰ বাহিৰত থাকক, কিন্তু সময় আহি যোৱাৰ লগে লগে সেইবোৰ ৰহস্যৰ তাৎপৰ্য্য মোক বুজাই দিয়া হ'ল। তেতিয়াহে মই বুজিব পাৰিলো যে, এনেদৰে মছীহ মাওউদ হোৱা মোৰ এই দাবী কোনো নতুন বিষয় নহয়। এয়া হ'ল সেই দাবী, যি বৰাহিনে আহমদীয়া গ্ৰন্থত বাৰে বাৰে স্পষ্ট ভাষাত লিপিবদ্ধ কৰা হৈছে। ইয়াত মই আৰু মোৰ এটা ইলহাম সম্পৰ্কে উল্লেখ কৰি দিছো। সেই ইলহামটো মই মোৰ বেলেগ কোনো কিতাপত বা ইস্তেহাৰত প্ৰকাশ কৰিছোঁনে নাই; সেয়া মোৰ মনত নাই। কিন্তু উল্লেখনীয় যে শ শ লোকক মই সেয়া শুনাই দিছো আৰু মোৰ সংৰক্ষিত ইলহাম সমূহৰ মাজত সেয়া লিপিবদ্ধ আছে। এয়া সেই সময়ৰ ইলহাম, যেতিয়া খোদা তা'লা মোক মৰিয়ম উপাধিৰে ভুষিত কৰিছিল আৰু তাৰ পিছত ৰূহ ফুঁকোৱাৰ বিষয়ে ইলহাম কৰিছিল। সেই ইলহামটো হ'ল এয়া যে

**فاجاء ها المخاض الى جذع النخلة قالت ياليتنى**

**مت قبل هذا و كنت نسيا منسيا**

তাৰ পিছত প্ৰসৱ বেদণাক্ৰান্ত মৰিয়মক অৰ্থাৎ এই অধমক খেজুৰ গছৰ ফালে লৈ আনিলে। অৰ্থাৎ জনসাধাৰণ, অজ্ঞলোক আৰু অবোধ আলিম সকলৰ সংস্পৰ্শত আনি দিলে, যি সকলৰ ওচৰত নাছিল ঈমানৰ কোনো ফল, যিসকলে দিছিল কুফুৰীৰ ফতোৱা। সিহঁতে মোক অৱজ্ঞা, অৱমাননা কৰিলে আৰু গালি-শপনি দিলে আৰু শত্ৰুতা আৰম্ভ কৰিলে। তেতিয়া মৰিয়মে কলে- হায় ! মই যদি ইয়াৰ আগতে মৃত্যু বৰণ কৰিলোঁ হয় আৰু মোৰ নাম-নিচান যদি বাকী নাথাকিলে হয়। এয়া হৈছে সেই বিক্ষোভৰ প্ৰতি ভাবুকি, যি মৌলবী সকলৰ ফালৰ পৰা প্ৰথমে সমবেত ভাৱে উত্থাপিত হৈছিল। সিহঁতে মোৰ এই দাবী সহ্য কৰিব নোৱাৰি বিভিন্ন উপায়েৰে মোক ধ্বংস কৰিবলৈ চেষ্টা চলায়। সেই অজ্ঞ লোক সকলৰ এনেকুৱা চিঞৰ বাখৰ দেখি মোৰ হৃদয়ত যি বেদনা আৰু কষ্ট উপজিছিল; খোদা তা'লা তাৰ চিত্ৰ অংকণ কৰি দেখুৱাই দিছে। এই সম্পৰ্কে এয়া ইলহাম হৈছিল,

**لقد جئت شيئا فريا ما كان ابوک امرء سوء و ما كانت أمّک بغيا**

ইয়াৰ লগতে আৰু এটা ইলহাম বৰাহিনে আহমদীয়া গ্ৰন্থত ৫২১ নং পৃষ্ঠাত লিপিবদ্ধ আছে যে

**اليس اللّٰه بكاف عبده و لنجعله اية للناس و رحمة منا و كان امرا مقضيا قول الحق الذى فيه تمترون**

বৰাহিনে আহমদীয়া গ্ৰন্থৰ ৫১৬ পৃষ্ঠাৰ ১২-১৩ পংক্তি দ্ৰষ্টব্য)

অনুবাদ ঃ আৰু লোক সকলে কলে হে মৰিয়ম ! এয়া কেনে অসংগত আৰু ঘৃণনীয় কাম কৰিছা, যি সজ পন্থাৰ পৰিপন্থী। তোমাৰ দেউতা* আৰু মাক দেখোন এনেকুৱা নাছিল। কিন্তু খোদা তা'লা তাৰ ভৃত্যক এই

সকলোবোৰ অপবাদৰ পৰা মুক্ত কৰিব। আমি তাক (অৰ্থাৎ এই দাবীদাৰজনক) মানুহৰ বাবে এটা নিদৰ্শন স্বৰূপ বনাম আৰু এয়া আদিৰে পৰা অৱধাৰিত আছিল আৰু এনেকুৱাই হ'বলৈ আছিল। এই জনেই হ'ল ঈছা ইবনে মৰিয়ম যিজনক মানুহে সন্দেহ কৰিবলৈ লৈছে। এয়াই সত্যবাণী। এই বিলাক সকলোবোৰেই বৰাহিনে আহমদীয়া গ্ৰন্থৰ পৰা লোৱা হৈছে আৰু এই ইলহাম মূলতঃ কোৰাণ চৰিফৰ আয়াত যি হজৰত ঈছা আৰু তেখেতৰ মাতৃৰ সম্পৰ্কে অৱতীৰ্ণ হৈছিল। যিজন ঈছাক মানুহে অবৈধ (জাৰজ) সন্তান বুলি আখ্যায়িত কৰিছিল; সেই ব্যক্তিজনৰ বিষয়েই আল্লাহ তা'লা এই সকলোবোৰ আয়াতত উল্লেখ কৰিছে যে আমি তাক আমাৰ এটা নিদৰ্শনত পৰিণত কৰিম। এইজনেই হ'ল সেই ঈছা যাৰ অপেক্ষাত ৰৈ থকা হৈছিল। ইলহামী ভাষাত মৰিয়ম আৰু ইবনে মৰিয়ম শব্দৰ দ্বাৰা মোকেই বুজোৱা হৈছে। মোৰ সম্পৰ্কেই কোৱা হৈছে যে আমি তাক নিদৰ্শন স্বৰূপ কৰিম, আৰু কোৱা হৈছে যে এইজনেই সেই ঈছা ইবনে মৰিয়ম যাৰ আগমন সম্পৰ্কে ভৱিষ্যদ্বাণী কৰা আছিল। মানুহে যাৰ প্ৰতি সন্দেহ পোষণ কৰি আছে; তেওঁৱেই সত্যবাদী যাৰ আগমনৰ বাৰ্তা দিয়া হৈছিল। এইজনেই সেই ব্যক্তি। মানুহৰ সন্দেহ কেৱল বোধহীনতাৰ পৰিচায়ক, সিহঁতে বাহ্যিকতাৰ উপাসক, সিহঁতে

***টোকা ঃ** এই ইলহাম প্ৰসঙ্গত মোৰ মনত পৰিল যে বাটালাত ফজল শ্বাহ নাইবা মেহেৰ শ্বাহ নামৰ লোকজন ছৈয়দ আছিল। মোৰ পিতৃৰ সৈতে তেওঁৰ বন্ধুত্ব আছিল। মোৰ মছীহ মাওউদ হোৱাৰ দাবীৰ সংবাদ কোনোবাই তাক জনোৱাত তেওঁ বৰ কান্দিছিল আৰু কৈছিল, তেওঁৰ পিতাকে বৰ ভাল মানুহ আছিল অৰ্থাৎ মিছাৰ পৰা আঁতৰত আৰু সৰল পৱিত্ৰ মুছলমান আছিল। এনেদৰে আৰু বহুতেই কৈছে যে তুমি এনেকুৱা দাবী কৰি তোমাৰ বংশক কলঙ্কিত কৰিছা।

খোদা তা'লাৰ ৰহস্যাৱলী বুজিব নোৱাৰে আৰু প্ৰকৃত তত্ত্বৰ ফালে সিহঁতৰ দৃষ্টি নাই।

এয়া মনত ৰাখিব লগীয়া বিষয় যে চুৰা ফাতিহাৰ মহান উদ্দেশ্য সমূহৰ মাজত,

اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ۙ﴿۶﴾ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ

(1:6-7)

এই দোৱাটো অন্যতম দোৱা। যেনেকৈ ইঞ্জিলৰ দোৱাৰ মাজত ৰুটি বিচৰা হৈছে। তেনেকৈ এই দোৱাৰ মাজত খোদা তা'লাৰ ওচৰত সেই সকলোবোৰ অনুগ্ৰহ ৰাজিৰ প্ৰাৰ্থনা কৰা হৈছে, যি নিয়ামত পূৰ্বৰ ৰছুল আৰু নবী সকলক দিয়া হৈছিল। ইয়াতে এই তুলনাটো বিশেষ বিচাৰ্য্যপূৰ্ণ যে যেনেকৈ হজৰত মছীহ (আঃ)ৰ দোৱা গৃহীত হোৱাৰ ফলত খৃষ্টান সকলৰ খাদ্য দ্ৰব্যৰ সংস্থান প্ৰচুৰ পৰিমাণে হৈছে; তেনেকৈ কোৰাণ চৰিফৰ এই দোৱা আঁ-হজৰত (ছাঃ)ৰ মাধ্যমত গৃহীত হোৱাৰ ফলত সজ আৰু পুণ্যবান মুছলমান হৈছে। বিশেষকৈ এওঁলোকৰ মাজৰ সিদ্ধ পুৰুষ সকলে বনি ইস্ৰাইল জাতিৰ নবী সকলৰ উত্তৰাধিকাৰী সাব্যস্ত হৈছে। বাস্তৱতে এই উম্মতৰ মাজৰ পৰা মছীহ মাওউদৰ জন্ম হোৱাটো এই দোৱাৰেই ফল। কাৰণ যদিও অপ্ৰকাশ্য ভাৱে বহু সংখ্যক সজ আৰু পুণ্যবান ব্যক্তি সকলে বনি ইস্ৰাইলৰ জাতিৰ নবী সকলৰ সাদৃশ্য লাভ কৰিছে। তথাপি এই উম্মতৰ মছীহ মাওউদক প্ৰকাশ্য ভাৱে খোদা তা'লাৰ নিৰ্দেশত ইস্ৰাইলী মছীহৰ বিপৰীতে থিয় কৰা হৈছে। যাতে হজৰত মুছা (আঃ) আৰু হজৰত মহম্মদ (ছাঃ)ৰ ছিলছিলাৰ সাদৃশ্য উপলব্ধি কৰিব পৰা যায়। এই কাৰণেই এই মছীহ মাওউদ (আঃ)ক ইবনে মৰিয়মৰ লগত তুলনা কৰা হৈছে। এনেকি এই ইবনে মৰিয়মৰ বিপদাৱলীও ইস্ৰাইলী ইবনে মৰিয়মৰ দৰেই উপস্থিত হৈছে। প্ৰথমে ঈছা ইবনে মৰিয়মক

যেনেকৈ খোদা তা'লাৰ ফুকত সৃষ্টি কৰা হৈছিল তেনেকৈ এই মছীও ছুৰা তাহৰিমৰ প্ৰতিশ্ৰুতি অনুযায়ী কেৱল খোদা তা'লাৰ ফুঁকতেই মৰিয়মৰ গৰ্ভৰ পৰা জন্ম লাভ কৰিছে। ঈছা ইবনে মৰিয়মৰ জন্ম গ্ৰহণত যেনেকৈ বহুত চৰ্চা উঠিছিল আৰু অন্ধ বিৰুদ্ধাবাদী সকলে মৰিয়মক কৈছিল,

لَقَدْ جِئْتِ شَيْـًٔا فَرِيًّا ۝٢٨ (19:28)

অৰ্থাৎ তুমি নিশ্চয় বৰ ঘৃণনীয় কাৰ্য্য কৰিছা। (অনুবাদক)
এনেকুৱা কথা এই ক্ষেত্ৰতও কোৱা হৈছে আৰু কিয়ামত সদৃশ বিক্ষোভ প্ৰদৰ্শন কৰা হৈছে, যেনেকৈ ইস্ৰাইলী মৰিয়মৰ প্ৰসৱ কালত খোদা তা'লা বিৰুদ্ধাবাদী সকলক ঈছা (আঃ)ৰ সম্পৰ্কে উত্তৰ দিছে,

وَلِنَجْعَلَهٗٓ اٰيَةً لِّلنَّاسِ وَرَحْمَةً مِّنَّا ۚ وَكَانَ
اَمْرًا مَّقْضِيًّا ۝٢٢ (19:22)

(অৰ্থাৎ এয়া এই কাৰণেই কৰা হ'ব) যে আমি সিহঁতক আমাৰ ফালৰ পৰা মানুহৰ বাবে এটা নিদৰ্শন আৰু ৰহমতৰ কাৰণ বনাইছো আৰু এয়াই তকদিৰত অৱধাৰিত হৈ আছে। (চুৰা মৰিয়ম আয়াত ২২) অনুবাদক-

তেনেকৈ মোৰ সম্পৰ্কেও খোদা তা'লা মোৰ আধ্যাত্মিক প্ৰসৱৰ সময়ত, যি উপমা স্বৰূপে সংগঠিত হৈছিল; বৰাহীনে আহমদীয়া গ্ৰন্থত বিৰুদ্ধবাদী সকলকও ঠিক এই উত্তৰেই দিছে আৰু সিহঁতক উত্তৰ দিছে যে তোমালোকে তোমালোকৰ প্ৰতাৰণাৰ দ্বাৰা তাক ধ্বংস কৰিব নোৱাৰা। তেওঁক মানুহৰ বাবে ৰহমতৰ নিদৰ্শন বনাম আৰু এনেকুৱা হোৱাটো আদি কালৰ পৰাই নিশ্চিত আছিল। ইয়াৰ পিছত কথা হ'ল ইহুদী আলেম সকলে যেনেকৈ হজৰত ঈছা (আঃ)ৰ প্ৰতি কুফৰী ফতোৱা লগাইছিল আৰু এজন দুষ্ট ইহুদী পণ্ডিতে সেই ফতোৱাৰ পাণ্ডুলিপি প্ৰস্তুত কৰিছিল আৰু বেলেগ বেলেগ পণ্ডিত সকলে তাত ৰায় বা সন্মতি প্ৰদান কৰিছিল। এনেকি বায়তুল মুকাদ্দছৰ শ শ আলিম উলামা ফাযেল যিসকলৰ বেছি

ভাগেই আহলে হাদীছৰ লোক আছিল; হজৰত ঈছা (আঃ)ৰ ওপৰত কুফৰীৰ* স্বাক্ষৰযুক্ত অভিমত দিছিল। মোৰ প্ৰতিও ঠিক সেইদৰেই ব্যৱহাৰ কৰা হৈছে যেনেকৈ হজৰত ঈছা (আঃ)ৰ ওপৰত ধৰ্ম বিদ্ৰোহীৰ ফতোৱা লগোৱাৰ ফলত তেখেতক ভীষণ অত্যাচাৰ কৰা হৈছিল আৰু ঘৃণনীয় গালি-শপনি দিয়া হৈছিল, আৰু তেখেতৰ বিৰুদ্ধে ব্যঙ্গ কবিতা আৰু কুৰুচিকৰ পুস্তক আদি ৰচনা কৰা হৈছিল। ইফালে মোৰ বিৰুদ্ধেও একে অৱস্থাৰ পুনৰাবৃত্তি ঘটিছে। যেনিবা ওঠৰ শ বছৰ পিছত আকৌ সেই ঈছাৰ জন্ম হৈছে আৰু সেই ইহুদী আকৌ জন্ম লৈছে। হায় ! غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ ভৱিষ্যদ্বাণীৰ এয়াই অৰ্থ আছিল যি খোদা তা'লা আগতেই বুজাই দিছিল; তথাপি এই বিলাক লোকে ইহুদী সকলৰ

***টোকা ঃ** হজৰত ঈছা (আঃ)ৰ যুগত ইহুদী সকলে বহু কেইটা ফিৰকাত বিভক্ত থাকিলেও যিবিলাকক সত্যৰ উপৰত প্ৰতিষ্ঠিত থকা বুলি বিবেচনা কৰা হৈছিল; তেওঁলোকেও দুটা সম্প্ৰদায়ত বিভক্ত হৈ পৰিছিল। প্ৰথম কথা হ'ল যিসকলে তৌৰাতৰ বিধান মানি চলিছিল তেওঁলোকে তৌৰাতৰ ওপৰত ভিত্তি কৰি তাৰ পৰা সকলো মছায়েল (ধৰ্মকৰ্ম বিষয়ক নিয়মাৱলী) সংগ্ৰহ কৰিছিল। দ্বিতীয়তে আহলে হাদীছৰ ফিৰকা যি সকলে তৌৰাতৰ সলনি হাদীছক কাজি (বিচাৰক) বুলি মান্য কৰিছিল, এই সম্প্ৰদায়ৰ লোক ইস্ৰাইলী দেশত বৰকৈ বিস্তৃত লাভ কৰিছিল। এওঁলোকে এনেকুৱা হাদীছ সমূহ মানি চলিছিল যিবিলাকৰ বেছি ভাগেই তৌৰাত বিৰুদ্ধ আৰু ইয়াৰ বিপৰীত আছিল। সিহঁতে মত পোষণ কৰিছিল যে কিছুমান মছায়েল, যেনেকৈ ইবাদত, আদান-প্ৰদান আৰু আইন ব্যৱস্থা আদি তৌৰাতত পোৱা নেযায় আৰু এইবিলাকৰ বিষয়ে হাদীছৰ পৰাহে জ্ঞান লাভ হয়। সিহঁতৰ হাদীছৰ গ্ৰন্থখনৰ নাম হ'ল তালমুদ। এই গ্ৰন্থখনত প্ৰত্যেক নবীৰ যুগৰ হাদীছ বিলাক উল্লেখ আছিল। কিন্তু সেইবিলাক হাদীছ এটা দীৰ্ঘ সময় জুৰি মৌখিক ভাৱে চলি আছিল আৰু এক দীৰ্ঘকাল পিছত লিপিবদ্ধ কৰা হৈছিল। যাৰ ফলত সেইবিলাকৰ মাজত বহুতো উপযুক্ত প্ৰমাণ বিহীন বা ভ্ৰান্তিমুলক বিষয় বিলাকও সংমিশ্ৰিত হৈ পৰে। সেই সময়ছোৱাত ইহুদীসকলে

مَغْضُوْبِ عَلَيْهِمْ ৰ দৰে দুৰ্দশা গ্ৰস্ত নোহোৱালৈকে ধৈৰ্য ধাৰণ নকৰিলে। এই সাদৃশ্যৰ প্ৰথম ইটাটো খোদা তা'লা নিজ হাতে এনেদৰে স্থাপন কৰিলে যে ঠিক চৈধ্য শতাব্দীৰ আৰম্ভণীতেই সি মোক ইছলামী মছীহ হিচাপে প্ৰেৰণ কৰিলে। যেনেকৈ ঈছা ইবনে মৰিয়ম মুছাই ছিলছিলাৰ চৈধ্য শতাব্দীৰ প্ৰথম ভাগত আগমন কৰিছিল। খোদা তা'লাই মোৰ নিমিত্তে মহা পৰাক্ৰমী নিদৰ্শন প্ৰদৰ্শন কৰি আছে। আকাশৰ তলত কোনো বিৰুদ্ধবাদী মুছলমান, ইহুদী, খৃষ্টান আদি কৰি কাৰো ক্ষমতা নাই যে এই বিলাকৰ প্ৰতিদ্বন্দ্বিতা কৰিব। দুৰ্বল, তুচ্ছ মানৱে খোদা তা'লাৰ সৈতে কেনেকৈয়ে প্ৰতিদ্বন্দ্বিতা কৰিব পাৰিব। এয়া সেই বুনিয়াদী ভিত্তি প্ৰস্তৰ যিটো খোদা তা'লাৰ ফালৰ পৰা স্থাপন কৰা হৈছে। এয়া যিজনেই ভাঙিবলৈ

---

**চলি থকা টোকা ঃ** ৭৩ টা ফিৰকাত বিভক্ত হৈ পৰিছিল। প্ৰত্যেক ফিৰকাৰেই পৃথক পৃথক হাদীছ আছিল। আনফালে সেই যুগৰ মুহাদ্দিছ সকলে তৌৰাতৰ পৰা মনোযোগ বিচ্ছিন্ন কৰি পেলাইছিল। বেছি ভাগ ক্ষেত্ৰতেই সিহঁতে হাদীছৰ ওপৰত আমল কৰিছিল। তৌৰাতৰ যেনিবা পৰিত্যক্ত আৰু বিবৰ্জিত বস্তু আৰু পেলনীয়া বস্তুত পৰিণত হৈছিল। তৌৰাতৰ মীমাংসা হাদীছ অনুযায়ী হলেহে সিহঁতে সেয়া পালন কৰিছিল আৰু নহলে সেয়া বাদ দি দিছিল। তাৰ পিছত ঠিক সেই যুগ ছোৱাতেই হজৰত ঈছা (আঃ)ৰ আৱিৰ্ভাব ঘটিছিল। এখেতৰ দৃষ্টি বিশেষকৈ সেই মুহাদ্দিছ সকলৰ ওপৰত পৰিছিল যিসকলে তৌৰাতৰ সলনি হাদীছক প্ৰাধান্য দিছিল। নবী সকলৰ লিপিত আগৰে পৰাই খবৰ দিয়া হৈছিল যে যেতিয়া ইহুদীসকল বহু দলত বিভক্ত হৈ পৰিব আৰু সিহঁতে খোদা তা'লাৰ কিতাপ এৰি হাদীছৰ ওপৰত আমল কৰিবলৈ ল'ব, তেতিয়া সিহঁতক এজন ন্যায় নিষ্ঠ হাকিম (বিচাৰপতি) প্ৰদান কৰা হ'ব। তেখেত হ'ব মছীহ। কিন্তু তেওঁলোকে (ইহুদীসকলে) তেখেতক মানি নল'ব। অৱশেষত এওঁলোকৰ ওপৰত ভীষণ শাস্তি অৱতীৰ্ণ হ'ব আৰু এই শাস্তিয়ে আছিল প্লেগ। অৰ্থাৎ এনেকুৱা শাস্তিৰ পৰা খোদা তা'লাৰ আশ্ৰয় বিচাৰো।

চেষ্টা কৰিব, তেওঁৰেই অকৃতকাৰ্য্য হ'ব। কিন্তু এই দুটা যেতিয়া সেই ব্যক্তিৰ ওপৰত খহি পৰিব তেতিয়া তাক টুকুৰা টুকুৰ কৰি পেলাব। কাৰণ এই ইটাখনও খোদাৰ আৰু হাতখনও খোদা তা'লাৰ। ইয়াৰ বিৰুদ্ধে আৰু এটা ইটা মোৰ বিৰোধী সকলে প্ৰস্তুত কৰি ৰাখিছে, যাতে সিহঁতে মোৰ সৈতে ঠিক তেনেকুৱা কাৰ্য্য কৰিব পাৰে; যেনেকৈ পূৰ্বৰ ইহুদী সকলে কৰিছিল। এনেকি মোক ধ্বংস কৰিবলৈ এটা হত্যা কাণ্ডৰ গোচৰও মোৰ ওপৰত ৰুজু কৰা হৈছিল; যাৰ সম্পৰ্কে মোৰ খোদাই মোক আগতেই খবৰ দিছিল। মোৰ বিৰুদ্ধে যি গোচৰ ৰুজু কৰা হৈছিল, এয়া হজৰত ঈছা ইবনে মৰিয়মৰ বিৰুদ্ধে কৰা মোকৰ্দমাৰ তুলনাত বেছি মাৰাত্মক আছিল। কিয়নো তেখেতৰ বিৰুদ্ধে যি গোচৰ তৰা হৈছিল তাৰ ভিত্তি কেৱল মাত্ৰ ধৰ্মীয় মত বৈষম্যৰ ওপৰত আছিল, যি বিষয়টো বিচাৰকৰ মতে এটা সামান্য বিষয় আছিল, বৰং এয়া কোনো গুৰুতৰ বিষয় নাছিল। কিন্তু মোৰ বিৰুদ্ধে যি গোচৰ ৰুজু কৰা হৈছিল, সেয়া হত্যাকাণ্ড ঘটোৱাৰ পৰিকল্পনা সম্পৰ্কে কৰা হৈছিল। আনহাতে মছীহৰ মোকৰ্দমা যেনেকৈ ইহুদী মৌলবী সকলে সাক্ষী দিছিল, তেনেকৈ মোৰ বিৰুদ্ধেও এই মোকৰ্দমাত মৌলবী সকলৰ ফালৰ পৰাও কোনোবা এজনৰ সাক্ষীৰ প্ৰয়োজন আছিল। সেয়ে এই কাৰ্য্যৰ বাবে খোদা তা'লাই মৌলবী মহম্মদ হুছেন বাটালৱীক নিৰ্বাচিত কৰিলে। তেওঁ এখন দীঘল চোলা পিন্ধি সাক্ষী দিবলৈ আহিলে। মছীহক ক্ৰুছত দিবলৈ চৰ্দাৰ কাহেনে যেনেকৈ আদালতত সাক্ষী দিবলৈ আহিছিল, ঠিক তেনেকৈ এইজন ব্যক্তিও আহি আদালতত উপস্থিত হ'ল। পাৰ্থক্য মাত্ৰ ইমানেই আছিল যে চৰ্দাৰ কাহেনে পীলাতৰ আদালতত বহিবলৈ আসন পাইছিল কাৰণ ইহুদী সকলৰ সম্ভ্ৰান্ত আৰু সন্মানীয় ব্যক্তি সকলক ৰোমান গভৰ্ণমেণ্ট আদালতত বহিবলৈ আসনৰ ব্যৱস্থা কৰি দিছিল আৰু সিহঁতৰ মাজৰ কোনো কোনোৱে অবৈতনিক বিচাৰপতি আছিল। সেয়ে চৰ্দাৰ কাহেনে আদালতৰ নিয়ম অনুযায়ী আসন লাভ

কৰিছিল আৰু মছীহ ইবনে মৰিয়ম এজন অপৰাধীৰ দৰে আদালতৰ সন্মুখত থিয় হৈ আছিল। কিন্তু মোৰ গোচৰৰ ক্ষেত্ৰত ইয়াৰ বিপৰীত ঘটিছিল। অৰ্থাৎ শত্ৰু সকলৰ আশাৰ বিপৰীতে কেপ্তেইন ডগলাছে (যিজন পীলাতৰ দৰে বিচাৰাসনত উপবিষ্ট আছিল) মোক বহিবলৈ আসন প্ৰদান কৰিছিল আৰু এই পীলাত (অৰ্থাৎ কেপ্তেইন ডগলাছ) মছীহ ইবনে মৰিয়মৰ যুগৰ পীলাততকৈ বেছি ন্যায়পৰায়ণ বুলি প্ৰমাণিত হৈছিল। কাৰণ বিচাৰ ক্ষেত্ৰত তেওঁ সাহস আৰু ধৈৰ্য সহকাৰে ন্যায়ৰ মৰ্যদা ৰক্ষা কৰিলে আৰু ইয়াৰ উপৰি তেওঁ কোনো ধৰণৰ মধ্যস্থতাও গ্ৰহণ নকৰিলে আৰু নিজৰ ধৰ্ম আৰু নিজৰ জাতিৰ চিন্তায় তাক টলাব নোৱাৰিলে। তেওঁ সম্পূৰ্ণ ভাৱে সুবিচাৰ কৰি এনেকুৱা এটা আদৰ্শ দেখুৱালে যে যদি সেয়া জাতিৰ গৌৰৱ আৰু বিচাৰপতি সকলৰ বিচাৰক সকলৰ আদৰ্শ বুলি কোৱা হয় তেন্তে সেয়া বঢ়াই কোৱা নহ'ব। ন্যায় বিচাৰ কৰা নিশ্চিতই এটা কঠিন বিষয়। সকলো ধৰণৰ সম্পৰ্ক ছেদ নকৰি বিচাৰাসনত নবহালৈকে মানুহে কেতিয়াও এই কৰ্তব্য সুকলমে সমাধা কৰিব নোৱাৰে। কিন্তু মই এই সাক্ষ্য প্ৰদান কৰো যে বৰ্তমানৰ পীলাতে এই কৰ্তব্য পূৰ্ণ ভাৱে পালন কৰিবলৈ সক্ষম হৈছে। যদিও ৰোমান পীলাতে এই কৰ্তব্য সম্পূৰ্ণ ন্যায়ৰ মাজত তাৰ কৰ্তব্য পালন কৰিব পৰা নাছিল আৰু তাৰ ভীৰুতাৰ ফলত মছীয়েই বহু কষ্ট ভোগ কৰিব লগা হৈছিল। এই পাৰ্থক্য খিনি পৃথিৱী আছে মানে মোৰ জামাতত স্মৰণীয় হৈ থাকিব আৰু যিমানেই এই জামাত লাখ লাখ কোটি কোটি মানুহৰ মাজত বিস্তাৰ লাভ কৰিব সিমানেই প্ৰশংসাৰ সৈতে এই ন্যায়পৰায়ণ বিচাৰকৰ নাম স্মৰণ কৰা হৈ থাকিব। এয়া তেওঁৰ পৰম সৌভাগ্য যে খোদা তা'লা তেওঁকেই এই কাৰ্য্য সম্পাদন কৰিবলৈ নিৰ্বাচিত কৰিছিল। এজন বিচাৰপতিৰ বাবে এয়া কেনেকুৱা এটা পৰীক্ষা মূলক বিষয় যে দুয়োটা পক্ষ তাৰ সন্মুখত উপস্থিত; তাৰে মাজত এটা পক্ষ তাৰ নিজা ধৰ্মৰ মিচনাৰী আৰু আনটো পক্ষ তাৰ

ধৰ্মৰ বিৰুদ্ধাচৰণকাৰী। বিচাৰপতিৰ ওচৰত বৰ্ণনা কৰা হয় যে প্ৰতিপক্ষই তাৰ ধৰ্মৰ ঘোৰ বিৰোধী। কিন্তু এইজন নিৰ্ভীক পীলাত (অৰ্থাৎ কেপ্তেইন ডগলাছ) বৰ ধৈৰ্য্য আৰু স্থিৰতাৰ সৈতে এই পৰীক্ষাত অবিচল আছিল। তেওঁক (প্ৰতিপক্ষৰ) অৰ্থাৎ মোৰ সেই বিলাক কিতাপৰ কিছুমান লিখনিৰ অংশ দেখুৱা হৈছিল; যিবিলাক জ্ঞানৰ অভাৱী দৃষ্টিত খৃষ্ট ধৰ্মৰ প্ৰতি কটুক্তি বুলি ভৰা হৈছিল। মুঠতে এনেদৰে এটা বিৰোধী আন্দোলনৰ সুত্ৰপাত ঘটোৱা হৈছিল। তথাপি কিন্তু কেপ্তেইন ডগলাছৰ মনোভাৱত কোনো ধৰণৰ পৰিৱৰ্তন পৰিলক্ষিত হোৱা নাই, কাৰণ তেওঁ তাৰ জ্যোতিৰ্ময় প্ৰজ্ঞাৰ সহায়ত প্ৰকৃত সত্যৰ উমান পাইছিল। যিহেতু তেওঁ সৰল অন্ত:কৰণেৰে এই গোচৰৰ প্ৰকৃত ৰহস্য অনুসন্ধান কৰিছিল; সেয়ে খোদা তা'লাই তেওঁক সহায় কৰিছে আৰু তাৰ অন্তৰত সত্য বিষয়টো ইলহাম কৰিছিল আৰু প্ৰকৃত ৰহস্য তাৰ ওচৰত প্ৰস্ফুটিত হৈ পৰিছিল। তেওঁ ইখিনিতে বৰ সন্তুষ্ট হৈছিল যে সুবিচাৰৰ পথ তাৰ দৃষ্টি গোচৰত আহিছে। ন্যায়ৰ বাবেই তেওঁ মোক বাদীৰ (ফৰিয়াদী) সন্মুখত বহিবলৈ আসন প্ৰদান কৰিলে। যেতিয়া মৌলবী মহম্মদ হুছেন বাটালৱী চৰ্দাৰ কাহেনৰ দৰে বিৰোধীতা মূলক সাক্ষী প্ৰদান কৰিবলৈ আহি আদালতত মোক চিয়াৰত বহি থকা দেখা পালে, আৰু মোৰ যি অসন্মান হোৱা দেখিবলৈ তাৰ চকুযুৰিয়ে অপেক্ষাত আছিল; সেয়া দেখিবলৈ নাপালে, তেতিয়া তেওঁ মোৰ সমান মৰ্যদা লাভ কৰাটো ভাল বুলি ভাৱি বৰ্তমান পীলাতৰ (কেপ্তেইন ডগলাছ) ৰ ওচৰত নিজেও আসন পাব লাগে বুলি আবেদন কৰিলে। কিন্তু এই পীলাতে তিৰস্কাৰেৰে তাক ধমক দি কলে যে তোমাক আৰু তোমাৰ বাপেকক কেতিয়াও আসন দিয়া হোৱা নাই আৰু মোৰ কাৰ্যালয়ত তোমাক আসন প্ৰদানৰ কোনো নিৰ্দেশ নাই।

ইয়াতে এই পাৰ্থক্যটো উল্লেখনীয় যে প্ৰথম পীলাতে সেই সময়ৰ ইহুদী সকলৰ ভয়ত সিহঁতৰ কিছুমান সম্ভ্ৰান্ত সাক্ষী সকলক বহিবলৈ

আসন প্ৰদান কৰিছিল আৰু হজৰত মছীহ (আঃ)ক যাক অপৰাধী হিচাপে লৈ অনা হৈছিল, থিয় কৰাই ৰখা হৈছিল। অথচ সেই পীলাত মনে মনে মছীহৰ হিতাকাঙ্খী আছিল এনেকি তেওঁ মছীহৰ শিষ্যৰ দৰে আছিল। আনফালে তাৰ পত্নীও মছীহৰ বিশিষ্টা শিষ্যা আছিল; যিজনীয়ে অলিউল্লাহ বুলি অভিহিত হৈছিল। কিন্তু ইহুদী সকলৰ ভয়ে পীলাত এনে কাৰ্য্য কৰিবলৈ বাধ্য হৈ পৰিল যে তেওঁ নিৰ্দোষ মছীহক অন্যায় ভাৱে ইহুদীসকলৰ হাতত গতাই দিলে। মোৰ দৰে সেই মছীহৰ বিৰুদ্ধে কোনো হত্যাৰ অভিযোগ নাছিল; কেৱল মাত্ৰ এটা ধৰ্ম বৈষম্য মূলক অভিযোগ কৰা হৈছিল; কিন্তু সেই ৰোমান পীলাতৰ মনোবল বৰ দুৰ্বল প্ৰকৃতিৰ আছিল। ৰোম সম্ৰাটৰ ওচৰত তাৰ বিৰুদ্ধে অভিযোগ দাখিল কৰা হ'ব বুলি শুনি তেওঁ ভয় খাইছিল। প্ৰথম যুগৰ সেই পীলাত আৰু বৰ্তমানৰ পীলাতৰ মাজত আৰু এটা উল্লেখ যোগ্য সাদৃশ্য এয়া যে মছীহ ইবনে মৰিয়মক আদালতত হাজিৰ কৰাৰ পিছত প্ৰথম পীলাতে ইহুদী সকলক কৈছিল- মই এইজন ব্যক্তিৰ মাজত কোনো ধৰণৰ অপৰাধ দেখিবলৈ পোৱা নাই। ঠিক তেনেকৈয়ে শেষ যুগৰ মছীহ যেতিয়া যুগৰ পীলাতৰ আদালতত হাজিৰ হৈছিল আৰু কৈছিল যে মোক উত্তৰ দিবলৈ কিছু সময় দিব লাগে, কাৰণ মোৰ বিৰুদ্ধে হত্যাৰ গোচৰ ৰুজু কৰা হৈছে; তেতিয়া এই যুগৰ পীলাতে কলে মই আপোনাক কোনো অপৰাধৰ বাবে অভিযুক্ত কৰা নাই।

দুয়োজন পীলাতৰ এই দুটা উক্তি পৰস্পৰ সম্পূৰ্ণ অনুৰূপ। যদি কোনো প্ৰভেদ ইয়াত আছে তেন্তে সেয়া কেৱল এয়া যে প্ৰথম পীলাতে নিজৰ কথাত অবিচল থাকিব পৰা নাছিল কাৰণ যেতিয়া তেওঁক ভাবুকি দিয়া হৈছিল যে ৰোমান সম্ৰাটৰ ওচৰত তাৰ বিৰুদ্ধে অভিযোগ দাখিল কৰা হ'ব তেতিয়া তেওঁ ভয় খাই গৈছিল আৰু হজৰত মছীহক তেজপিয়া ইহুদী সকলৰ হাতত স্বেচ্ছাকৃত ভাৱে গতাই দিছিল যদিও তেওঁ মনে মনে

বৰ দুঃখ পাইছিল। পীলাতৰ পত্নীয়েও মনত বৰ আঘাত পাইছিল। কাৰণ তেওঁলোক দুয়োজনেই মছীহৰ একনিষ্ঠ ভক্ত আছিল; কিন্তু ইহুদী সকলৰ ভয়ানক উত্তেজনা চাই ভয়ত ভীত হৈ পৰিছিল। অৱশ্যে হজৰত মছীহক ক্ৰুছৰ পৰা বচাবলৈ এওঁলোকে আপ্ৰাণ চেষ্টা গোপনে গোপনে চলাইছিল আৰু বহু পৰিমাণে সফলও হৈছিল। কিন্তু এইবিলাক কাম তেওঁ মছীহ (আঃ)ক ক্ৰুছত দিয়াৰ পিছতহে কৰিছিল। অৰ্থাৎ মছীহ কঠোৰ যন্ত্ৰণাত অচেতন হৈ পৰাৰ পিছত কৰিছিল।

যিয়েই নহওঁক ৰোমান পীলাতৰ চেষ্টাত মছীহ ইবনে মৰিয়ম (আঃ)ৰ জীৱন ৰক্ষা পৰিছিল আৰু জীৱন ৰক্ষা সম্পৰ্কে মছীহৰ প্ৰাৰ্থনা আগতেই গৃহীত হৈছিল। ইব্ৰীয় পঞ্চম অধ্যায় সপ্তম অধ্যায়*
তাৰ পিছত মছীহ ইবনে মৰিয়মে গোপনে দেশ এৰি পলাই কাশ্মীৰৰ ফালে গুচি আহিছিল আৰু তাতেই মৃত্যু বৰণ কৰিছে। তোমালোকে শুনিছা যে শ্ৰীনগৰৰ খানইয়াৰ মহল্লাত তেখেতৰ সমাধি বিদ্যমান আছে। এই সকলোবোৰ সেই পীলাতুছৰ চেষ্টাৰ ফল। কিন্তু সেই বুলি প্ৰথম পীলাতুছৰ সকলো কাৰ্য্য ভীতি মুক্ত নাছিল। মই এই ব্যক্তিজনৰ মাজত কোনো ধৰণৰ অপৰাধ দেখিবলৈ পোৱা নাই বুলি তেওঁ যি উক্তি আগবঢ়াইছিল। তেনে ক্ষেত্ৰত তেওঁ যদি মছীহক মুক্ত কৰি দিলেহেঁতেন

***টোকা ঃ** মছীহ নিজেই ভৱিষ্যদ্বাণী স্বৰূপে কৈছিল যে ইউনুচৰ নিদৰ্শনৰ বাহিৰে বেলেগ কোনো নিদৰ্শন দেখুৱা নহয়। গতিকে মছীহ (আঃ)য়ে ইয়াৰ দ্বাৰা এয়া ইঙ্গিত দিছিল যে ইউনুছ নবীয়ে যেনেকৈ জীৱিত অৱস্থাতেই মাছৰ পেটত প্ৰৱেশ কৰিছিল আৰু জীৱিত অৱস্থাতেই তাৰ পৰা ওলাই পৰিছিল ঠিক তেনেকৈয়ে মইও জীৱিত অৱস্থাতেই কবৰত প্ৰৱেশ কৰিম আৰু জীৱিত অৱস্থাতেই বাহিৰলৈ ওলাম। গতিকে মছীহ জীৱিত অৱস্থাত ক্ৰুছৰ পৰা অৱতৰণ কৰি কবৰত প্ৰৱেশ নকৰিলে, এই নিদৰ্শন কেনেকৈ পূৰ্ণ হলহেঁতেন ? হজৰত মছীহ (আঃ)য়ে কৈছিল বেলেগ কোনো নিদৰ্শন দেখুৱা নহ'ব; এই উক্তিৰ দ্বাৰা তেখেতে যেনিবা সেইসকল লোকৰ এই ধাৰণা বাতিল কৰিছে, যি সকলে কৈ

তেন্তে তেওঁৰ বাবে এয়া কোনো কঠিন বিষয় নাছিল, দিব পাৰিলেহেঁতেন আৰু মুক্তি দিয়াৰ ক্ষমতা তাৰ আছিল; কিন্তু ৰোমান সম্রাটৰ নাম শুনিয়ে তেওঁ ভয়ত পেপুৱা লাগিছিল। কিন্তু ইয়াৰ বিপৰীতে শেষ যুগৰ পীলাতুছ পাদৰী সকলৰ ভয়ত ভীত হোৱা নাই অথচ বৃটিছৰ শাসন আছিল যদিও এই বৃটিছ সম্রাট সেই ৰোমান সম্রাটতকৈ বহুগুণে শ্ৰেষ্ঠ আছিল। গতিকে চাপ সৃষ্টি কৰি বিচাৰকক ন্যায় পৰিহাৰ কৰিবলৈ সম্রাটৰ ভয় দেখুৱাটো কাৰো পক্ষে সম্ভৱ হোৱা নাছিল। যিয়েই নহওঁক প্ৰথম মছীহৰ তুলনাত শেষ যুগৰ মছীহৰ বিৰুদ্ধে বহু বেছি আন্দোলন আৰু ষড়যন্ত্ৰ কৰা হৈছিল আৰু মোৰ বিৰুদ্ধবাদী সকলে আৰু সকলো জাতিৰ অধিনায়ক সকলেই মিলিত হৈছিল; কিন্তু শেষ যুগৰ পীলাতুছ সত্যৰ ওপৰত অবিচল থাকি নিজৰ সেই উক্তি পূৰ্ণ কৰি দেখুৱালে; যি উক্তি তেওঁ মোক সম্বোধন কৰি কৈছিল যে মই আপোনাক হত্যাৰ আধাৰত অভিযুক্ত কৰা নাই। সেয়ে তেওঁ মোক সাহসেৰে সম্পূৰ্ণ নিৰ্দোষ বুলি খালাচ দিলে। প্ৰথম পীলাতুছে ভয়তে মছীহক বচোৱাৰ ফন্দি গোপনে আৰু কৌশলেৰে কৰিছিল; কিন্তু এই পীলাচুছে ন্যায় বিচাৰৰ সকলো দাবী এনেদৰে পূৰ্ণ কৰিলে যে তাত ভীৰুতাৰ নাম গোন্ধও নাছিল। যিদিনাখন মোক মুক্তিৰ ৰায় শুনোৱা হৈছিল, সেই দিনা মুক্তি সেনাৰ এজন চোৰক আদালতত হাজিৰ কৰা হৈছিল। এনেকুৱা ঘটনা সংগঠিত হোৱাৰ কাৰণ আছিল এয়া যে প্ৰথম মছীহৰ লগতও এজন চোৰক আদালতত হাজিৰ কৰা হৈছিল। কিন্তু শেষ মছীহৰ লগত ধৃত চোৰজনৰ দৰে ক্ৰুছবিদ্ধ কৰা হোৱা নাই আৰু তাৰ হাড়বিলাক ভঙা হোৱা নাই, বৰং তেওঁৰ মাত্ৰ তিনি মাহৰ কাৰাদণ্ড বিহা হৈছিল।

এতিয়া মই আকৌ মোৰ লিখনীৰ বিষয় সম্পৰ্কে বৰ্ণনা কৰি আছো যে চুৰা ফাতিহাত ইমানেই সত্য, সূক্ষ্ম আৰু তত্ত্বজ্ঞান নিহিত আছে, সেয়া

**চলি থকা টোকা ঃ** থাকে যে মছীহ (আঃ)য়ে এয়া নিদৰ্শন দেখুৱাইছে যে তেখেতে আকাশত আৰোহণ কৰি আছে।

লিখিবলৈ গলে এটা বৃহৎ গ্ৰন্থতও তাৰ সংকুলন নহ'ব। এই প্ৰজ্ঞা আৰু হিকমত পূৰ্ণ দোৱাটোৰ প্ৰতি লক্ষ্য কৰক; যিটো চুৰা ফাতিহাত শিক্ষা দিয়া হৈছে, অৰ্থাৎ (1:6) اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ۙ এই দোৱাৰ মাজত এনে এটা তত্ত্ব লুকাই আছে যে দ্বীন আৰু জগতৰ সকলো উদ্দেশ্য সাধনৰ একমাত্ৰ চাবি-কাঠি। আমি কোনো বিষয়ৰ প্ৰকৃত তত্ত্ব জানিব নোৱাৰো আৰু তাৰ দ্বাৰা উপকৃতও হ'ব নোৱাৰো যেতিয়ালৈকে আমি সেই বিষয়টো লাভ কৰাৰ সঠিক পথ নাপাও। পৃথিৱীৰ যিমান কঠিন আৰু জটিল বিষয় আছে; সেয়া ৰাজত্ব বা মন্ত্ৰীত্বৰ দায়িত্বই হওঁক বা ৰণ কৌশল আৰু যুদ্ধ বিগ্ৰহ সম্পৰ্কেই হওঁক বা প্ৰকৃতি আৰু পদাৰ্থ বিজ্ঞানৰ সূক্ষ্ম তত্ত্ব সম্পৰ্কেই হওঁক বা শিল্প, চিকিৎসা পদ্ধতি, ৰোগ নিৰ্ণয় আৰু তাৰ চিকিৎসা সম্পৰ্কে হওঁক অথবা ব্যৱসায় বাণিজ্য বা কৃষি সংক্ৰান্তেই হওঁক, এই সকলো বিলাক কাৰ্য্য কেনেকৈ আৰম্ভ কৰিব লাগিব তাৰ সঠিক পথৰ সন্ধান নোপোৱালৈকে এইবোৰ কাৰ্য্যত কৃতকাৰ্য্যতা লাভ কৰা অসম্ভৱ। প্ৰজ্ঞাবান ব্যক্তি বিপদৰ সময়ত বিপদমুক্ত হোৱাৰ উপায় উদ্ভাৱণৰ উদ্দেশ্যে আসন্ন বিপদ সম্পৰ্কে এক দীৰ্ঘকাল জুৰি দিনে ৰাতি চিন্তা চৰ্চা কৰা নিজৰ অপৰিহাৰ্য্য কৰ্তব্য বুলি ভাৰি আহিছে। প্ৰত্যেক শিল্প, আৱিষ্কাৰ আৰু সকলো জটিল আৰু বিশৃংখলাপূৰ্ণ কাৰ্য্য সুন্দৰকৈ পৰিচালনা কৰাৰ প্ৰয়োজনীয় পদ্ধতি লাভ কৰাৰ প্ৰয়োজন আছে। গতিকে পাৰ্থিৱ আৰু ধৰ্মীয় আদি সকলোৰে উদ্দেশ্য লাভৰ বাবে প্ৰকৃত দোৱা হ'ল উপায় উদ্ভাৱনৰ বাবে কৰা দোৱা। কোনো বিষয়ে সহজ আৰু সঠিক পন্থা লাভ কৰিব পাৰিলে, খোদা তা'লাৰ কৃপাত সেই কাৰ্য্যও নিশ্চয় সাধিত হয়। খোদা তা'লাৰ হিকমত আৰু খুদৰতত প্ৰত্যেক উদ্দেশ্য লাভৰ বাবে যিকোনো এটা উপায় নিৰ্ধাৰণ কৰি ৰাখিছে। যেনেকৈ কোনো বেমাৰৰ উপযুক্ত চিকিৎসা সেই সময়লৈকে হ'ব নোৱাৰে যেতিয়ালৈকে সেই বেমাৰৰ প্ৰকৃত অৱস্থা জানিবলৈ আৰু ঔষধৰ ব্যৱস্থা নিৰূপন কৰিবলৈ

এনেকুৱা এটা উপায় উদ্ভাৱিত নহয় যে সেই সম্পৰ্কে বিবেকে সাক্ষী দিয়ে যে এই উপায় অৱলম্বন কৰিলে কৃতকাৰ্য্য হ'ব পৰা যাব। মুঠতে পৃথিৱীত কোনো কামেই সমাধা কৰা সম্ভৱ হ'ব নোৱাৰে যেতিয়ালৈকে সেই কাৰ্য্য সমাধানৰ বাবে কোনো উপায় সৃষ্টি নহয়। গতিকে উপায় অনুসন্ধান কৰাটো প্ৰত্যেক আশাবাদী লোকৰ অপৰিহাৰ্য কৰ্তব্য।

যেনেকৈ পাৰ্থিৱ বিষয়ে সফলতা অৰ্জন কৰাৰ প্ৰকৃত ব্যৱস্থা লাভ কৰিবলৈ প্ৰথমে এটা পদ্ধতিৰ প্ৰয়োজন হয় নাইবা যি অৱলম্বন কৰা যায় তেনেকৈ খোদা তা'লাৰ প্ৰিয় আৰু তাৰ প্ৰেম, অনুগ্ৰহৰ অংশীদাৰ হোৱাৰ বাবেও আদিকালৰ পৰা এটা পন্থাৰ প্ৰয়োজন হৈ আহিছে। গতিকে পৰৱৰ্তী দ্বিতীয় ছুৰাত অৰ্থাৎ ছুৰা বাকাৰাৰ আৰম্ভণীতে উল্লেখ আছে, هُدًى لِّلْمُتَّقِيْنَ অৰ্থাৎ পুৰস্কাৰ লাভৰ পথ এইটোৱেই;* যি আমি বৰ্ণনা কৰিছোঁ। এনেদৰে اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ۙ﴿٦﴾ এটা মহান দোৱা। এই দোৱায় এই বিষয়ৰ ফালে মানৱৰ মনোযোগ আকৰ্ষণ কৰি আছে যে ধৰ্মীয় আৰু পাৰ্থিৱ বিপদাৱলীৰ সময়ত প্ৰথমে যিটো বিষয় অন্বেষণ কৰা মানৱৰ বাবে অপৰিহাৰ্য্য কৰ্তব্য সেয়া হ'ল এয়া যে সি তাৰ উদ্দেশ্য লাভৰ বাবে ছিৰাতে মুস্তাকিম অৰ্থাৎ সজ সৃদৃঢ় আৰু সুনিশ্চিত পথ অন্বেষণ কৰে। অৰ্থাৎ এনেকুৱা সজ বাট বিচাৰি লয় যে যাৰ দ্বাৰা সহজে তাৰ অভিষ্ট পূৰ্ণ হয়, হৃদয় দৃঢ় বিশ্বাসে প্লাৱিত হয় আৰু তাৰ সকলো সংশয় দুৰীভূত হয়। কিন্তু ইঞ্জিলৰ শিক্ষানুযায়ী ৰুটি বিচাৰোঁতা সকলে খোদা তা'লাক বিচৰাৰ পথ অৱলম্বন নকৰে। ৰুটিয়েই তেওঁলোকৰ একমাত্ৰ কাৰ্য্য। গতিকে ৰুটি পাই গলে সিহঁতৰ আৰু খোদাৰ কি প্ৰয়োজন আছে? এই কাৰণেই খৃষ্টান সকলে সজ, সৰল বাটৰ পৰা আঁতৰি গৈছে

* **টোকা** ঃ ছুৰা ফাতিহাত সৰল সুদৃঢ় পথৰ সন্ধানত প্ৰাৰ্থনা কৰা হৈছে আৰু দ্বিতীয় ছুৰাত অৰ্থাৎ ছুৰা বাকাৰাত যেনিবা এই প্ৰাৰ্থনা গৃহীত হোৱাৰ ফলত সৰল সুদৃঢ় পথ বৰ্ণনা কৰা হৈছে।

আৰু মানুহকেই খোদা বুলি মানি লোৱাৰ দৰে লজ্জাজনক বিশ্বাস পোষণ কৰিবলৈ  বাধ্য হৈছে। আমি বুজিব পৰা নাই বেলেগৰ তুলনাত মছীহ ইবনে মৰিয়মৰ  নো কি শ্ৰেষ্ঠত্ব আছিল; যাৰ ফলত তেখেতক খোদা বুলি বিশ্বাস কৰাৰ ধাৰণা উপজিলে। মুজিজাৰ (অলৌকিক ঘটনাৰ) ফালেদি পুৰ্ব্বৰ্ত্তী বেছিভাগ  নবীয়েই তাৰ তুলনাত শ্ৰেষ্ঠ আছিল। উদাহৰণ স্বৰূপ, মুছা (আঃ) আছিল, ইলিয়াছ নবী আছিল। যাৰ হাতৰ মুঠিত মোৰ প্ৰাণ সেই অস্তিত্বৰ (খোদা তা'লাৰ) শপত লৈ কৈছো যদি  মছীহ ইবনে মৰিয়ম আমাৰ এই যুগত বৰ্তমান থাকিলেহেঁতেন তেন্তে মই যি কৰিবলৈ সক্ষম সেয়া তেওঁ কেতিয়াও কৰিব নোৱাৰিলেহেঁতেন আৰু যিবিলাক নিদৰ্শন মোৰ দ্বাৰা প্ৰকাশিত হৈ আছে সেয়া কেতিয়াও তেওঁ প্ৰদৰ্শন কৰিব নোৱাৰিলেহেঁতেন*। এনেকি তেওঁ নিজৰ তুলনাত মোৰ মাজত খোদা তা'লাৰ কৃপা অধিক দেখিবলৈ পালেহেঁতেন। মোৰ অৱস্থায়ে যেতিয়া এনেকুৱা; এবাৰ ভাৱি চাওঁকচোন, সেই পৱিত্ৰ ৰছুল (ছাঃ)ৰ মৰ্যদা কিমান মহান হ'ব পাৰে। যাৰ দাসত্বৰ প্ৰতি মই আৰোপিত হৈছো।

* **টোকা ঃ** ইয়াৰ প্ৰমাণ স্বৰূপে নুযুলে মছীহ নামক গ্ৰন্থখন মুদ্ৰিত হৈ আছে। অতি সোনকালেই দেখিবলৈ পাব। ইয়াৰ দহটা খণ্ড মুদ্ৰিত হৈছে; এয়া অতি সোনকালেই প্ৰকাশ পাব। পীৰ মেহেৰ আলী গোলড়বীৰ তন্মুৰে চিশ্বতিয়াই নামক পুস্তকৰ প্ৰতিবাদ স্বৰূপে এই গ্ৰন্থখন লিখা হৈছে। ইয়াৰ মাজত প্ৰমাণ কৰা হৈছে যে পীৰ চাহাবে নিধন প্ৰাপ্ত মহম্মদ হাছানৰ কাহিনী চুৰ কৰি আনি এনেকুৱা লজ্জাজনক ভুল কৰি পেলাইছে যে সেয়া ফাদিল হৈ পৰিলে তেওঁৰ জীৱনৰ দুৰ্বিসহ হৈ পৰিব। সেই দুৰ্ভগীয়া (মহম্মদ হাচান) মোৰ ইজাজুল মছীহ গ্ৰন্থখনত উল্লেখিত ভৱিষ্যদ্বাণী অনুযায়ী  মৃত্যু বৰণ কৰিছে আৰু এই দ্বিতীয় দুৰ্ভগীয়ায় অন্যায় ভাৱে কিতাপ ৰচনা কৰি اِنِّــیْ مُهِيْنٌ مَنْ اَرَادَ اِهَانَتَکَ ( যিয়ে তোমাক  অপমান কৰিব বিচাৰিব, আমি তাক অপমানিত কৰিম) এই

ذَالِكَ فَضْلُ اللّٰهِ يُؤْتِيهِ مَنْ يَّشَاءُ

খোদা তা'লাৰ যি ইচ্ছা হয় তাকেই কৰি থাকে। যিজনে তাৰ বিৰুদ্ধাচৰণ কৰে, সি কেৱল নিজৰ অভিষ্ট লাভতে বিফল নহয়, বৰং সি মৃত্যুৰ পিছত জাহান্নামৰ বাটলৈ খোজ দিয়ে। ধ্বংস হৈ গৈছে সেই সকলে যিসকলে দুর্বল মানুহ এজনক খোদা বুলি মানি লৈছে। ধ্বংস হৈ গৈছে সেই সকলে যিসকলে খোদা তা'লাৰ মনোনীত এজন বিশেষ ৰছুল (ছাঃ)ক গ্রহণ কৰি লোৱা নাই। কল্যাণমণ্ডিত হৈছে সেই সকল লোক যিসকলে মোক চিনিব পাৰিছে। মই খোদা তা'লাৰ সকলো বাটৰ মাজত অন্তিম বাট আৰু মই তাৰ সৰ্বজ্যোতিৰ মাজত অন্তিম জ্যোতি। দুৰ্ভগীয়া হ'ল সেইজন যিজনে মোক পৰিত্যাগ কৰে কাৰণ মোৰ অবিহনে সকলো অন্ধকাৰ।

হিদায়ত লাভৰ দ্বিতীয় উপায় যিটো মুছলমান সকলক দিয়া হৈছে সেয়া হ'ল ছুন্নত। অৰ্থাৎ আঁ-হজৰত (ছাঃ)ৰ ব্যৱহাৰিক জীৱনৰ কৰ্ম পদ্ধতি; যিবোৰ তেখেত (ছাঃ)য়ে কোৰাণ চৰিফৰ আদেশ সমূহৰ ব্যাখ্যা স্বৰূপে কাৰ্যত পৰিণত কৰি দেখুৱাইছে। যেনেকৈ কোৰাণ চৰিফত নিতৌ পাঁচ ওয়াক্ত নমাজৰ ৰাকা'ত সম্পৰ্কে একো উল্লেখ নাই যে পুৱাতে আৰু অন্যান্য সময়ৰ নমাজত ৰাকা'তৰ সংখ্যা কিমান। কিন্তু এই ছুন্নতে সকলো বিষয়ে বিস্তাৰিত ভাৱে বিশ্লেষণ কৰি বুজাই দিছে যাতে ছুন্নত আৰু হাদীছ একে বস্তু বুলি জ্ঞান কৰা নহয়। ইয়াৰ কাৰণ হ'ল হাদীছ সমূহ নবী কৰিম (ছাঃ)ৰ এশ, ডেৰশ বছৰ পিছত সংগৃহীত হৈছে; কিন্তু ছুন্নত কোৰাণ চৰিফৰ ওচৰা-ওচৰিয়ে বিদ্যমান আছিল। কোৰাণ চৰিফৰ পিছত এই ছুন্নতেই মুছলমান সকলৰ প্ৰতি প্ৰধান অনুগ্ৰহ। খোদা তা'লা আৰু ৰছুল

**চলি থকা টোকা ঃ** ভৱিষ্যদ্বাণীৰ বেষ্টনীত আবদ্ধ হৈছে। فَاعْتَبِرُوْا يَا اُولِى الْاَبْصَارِ অৰ্থাৎ শিক্ষা গ্ৰহণ কৰা, হে চিন্তাশীল ব্যক্তি সকল!

(ছাঃ)ৰ মাত্ৰ দুটা বিষয়ৰ ওপৰত দায়িত্ব আছিল। সেই দুটা বিষয় হ'ল এয়া যে খোদা তা'লা কোৰাণ অৱতীৰ্ণ কৰি নিজা আয়াতৰ জৰিয়তে সৃষ্টি কুলক নিজৰ ইচ্ছা জনাই দিছে, এয়াই আছিল ঐশ্বৰিক নিয়ামাৱলীৰ কৰ্তব্য। আনটো হ'ল ৰছুলুল্লাহ (ছাঃ)ৰ কৰণীয়া আছিল যে খোদা তা'লাৰ বাণী হাতে কামে মানৱ কুলক উত্তম ভাৱে বুজাই দিয়া। গতিকে ৰছুলুল্লাহ (ছাঃ)য়ে খোদা তা'লাৰ সেই বাণী সমূহ নিজৰ কৰ্মৰ মাধ্যমেৰে দেখুৱাই দিছে, আৰু নিজৰ ছুন্নত অৰ্থাৎ ব্যৱহাৰিক জীৱনৰ দ্বাৰা কঠিন আৰু জটিল সমস্যাবোৰৰ সমিধান দি থৈ গৈছে। এয়া কোৱাটো ন্যায় সঙ্গত হ'ব নোৱাৰে যে এই বিলাক বিষয়ে মীমাংসা যাৰ দায়িত্ব হাদীছৰ ওপৰত আছিল, কাৰণ হাদীছৰ অস্তিত্বৰ বহু আগতেই জগতত ইছলাম প্ৰতিষ্ঠিত হৈ গৈছিল*। হাদীছ সমূহ লিপিবদ্ধ হোৱাৰ আগতে মানুহে নামাজ পঢ়া নাইনে, জাকাত দিয়া নাই নে? হজ্ব পালন কৰা নাই নে? অথবা বৈধ অবৈধ সম্পৰ্কে জ্ঞান নাছিল নে? এয়া হয়তো হয় যে হিদায়ত লাভ কৰাৰ তৃতীয় উপায় হাদীছ, কাৰণ হাদীছ ইছলামৰ ঐতিহাসিক, নৈতিক আৰু ফিকাহ (ব্যৱহাৰিক জীৱনৰ বিধি-বিধান) সম্পৰ্কীয় বহুতো বিষয় স্পষ্ট ভাৱে বৰ্ণনা কৰে। ইয়াৰ ওপৰি হাদীছৰ ডাঙৰ উপকাৰিতা হ'ল এয়া যে হাদীছ, কোৰাণ আৰু ছুন্নতৰ সেৱক। যিসকলে কোৰাণৰ মৰ্যদা বুজি নাপায় তেওঁলোকে এই বিষয়ে হাদীছক কোৰাণ চৰিফৰ কাজি (বিচাৰক) হিচাপে নিৰ্ণয় কৰে। যেনেকৈ ইহুদী সকলে তেওঁলোকৰ হাদীছ সম্পৰ্কে কৈছে। কিন্তু আমি হাদীছক কোৰাণ আৰু ছুন্নতৰ সেৱক হিচাপে

***টোকা** ঃ আহলে হাদীছ পন্থী সকলে ৰছুলুল্লাহ (ছাঃ)ৰ কাৰ্য্য আৰু কথা দুয়োটাকেই হাদীছ আখ্যা দিয়ে। তেওঁলোকৰ এই মতৰ সৈতে আমাৰ কোনো সম্পৰ্ক নাই। বাস্তৱতে ছুন্নত বেলেগ বস্তু, যিটো আঁ-হজৰত (ছাঃ)য়ে নিজে কৰা কাৰ্য্যৰ দ্বাৰা দেখুৱাইছে আৰু হাদীছ হ'ল বেলেগ বস্তু যিবিলাক পৰৱৰ্তী কালত সংগ্ৰহ কৰা হৈছে।

বোধ কৰো আৰু এই বিষয়টো সকলোৱে জানে যে সেৱকৰ জৰিয়তেই প্ৰভুৰ মৰ্যদা বৃদ্ধি পায়।কোৰাণ খোদা তা'লাৰ বাণী আৰু ছুন্নত ৰছুলুল্লাহ (ছাঃ)ৰ কাৰ্য্য পদ্ধতি আৰু হাদীছ হ'ল ছুন্নতৰ বাবে সমৰ্থনকাৰী সাক্ষীস্বৰূপ। (নাউজুবিল্লাহ) হাদীছক কোৰাণৰ ওপৰত বিচাৰক নিৰ্ধাৰণ কৰাটো ভুল। কোৰাণৰ ওপৰত যদি কোনো বিচাৰক আছে তেন্তে সেয়া কোৰাণ নিজেই অৰ্থাৎ স্বয়ং কোৰাণেই কোৰাণৰ বিচাৰক। হাদীছ সমূহে কেৱল এটা আনুমানিক প্ৰমাণ হিচাপেহে মৰ্যদা প্ৰাপ্ত, সেয়া কেতিয়াও কোৰাণৰ বিচাৰক হ'ব নোৱাৰে। এয়া কেৱল এটা সমৰ্থনকাৰী প্ৰমাণ স্বৰূপ। কোৰাণ আৰু ছুন্নতেহে সকলো মূল কাৰ্যাৱলী সম্পন্ন কৰি দিছে তাৰেই সাক্ষী স্বৰূপে হাদীছ প্ৰণীত হৈছে। কোৰাণৰ ওপৰত হাদীছ কেনেকৈ বিচাৰক হ'ব পাৰে ? যেতিয়া কোৰাণ আৰু ছুন্নতে সেই যুগত লোকক হিদায়ত (পথ প্ৰদৰ্শন) কৰিছিল তেতিয়া এই কৃত্ৰিম কাজিৰ কোনো অস্তিত্ব নাছিল। এয়াও ক'ব পৰা নাযায় যে হাদীছ কোৰাণ আৰু ছুন্নতৰ সমৰ্থনকাৰী সাক্ষী স্বৰূপ। নি:সন্দেহ ছুন্নত এনেকুৱা এটা বিষয় যিয়ে কোৰাণৰ উদ্দেশ্যবোৰ ব্যক্ত কৰে। ছুন্নত সেই পথ সমূহক সুচায় যি পথত আঁ-হজৰত (ছাঃ) আৰু চাহাবা সকলে নিজৰ ব্যৱহাৰিক জীৱন গঢ়ি তুলিছিল। ছুন্নত সেইবিলাক বস্তু নহয় যিবোৰ এশ, ডেৰশ বছৰ পিছত কিতাপ আকাৰে লিপিবদ্ধ কৰা হৈছে, বৰং সেইবিলাকৰ নাম হাদীছ হয়। ছুন্নত সেইবিলাক আদৰ্শ কাৰ্য্যবিলাকৰ নাম হাদীছ হয় যিবিলাকে পুণ্যবান মুছলমান সকলৰ কৰ্ম জীৱনত প্ৰথমৰ পৰাই চলি আহিছে আৰু যিবোৰৰ ওপৰত হেজাৰ হেজাৰ মুছলমানক পৰিচালিত কৰা হৈছে।

যদিও হাদীছৰ অধিকাংশ আনুমানিক প্ৰমাণৰ মৰ্যদা ৰাখে তথাপি কোৰাণ আৰু ছুন্নতৰ বিৰোধী নহলে সেইবোৰ দলিল হিচাপে গ্ৰহণ যোগ্য হ'ব পাৰে। কোৰাণ আৰু ছুন্নতৰ সমৰ্থনকাৰী আৰু ইছলামৰ বহু বিধি-বিধানৰ ভাণ্ডাৰ হাদীছত নিহিত আছে।

গতিকে হাদীছক সন্মান নকৰিলে ইছলামৰ এটা অঙ্গ হানি কৰা হ'ব। হয়তো যদি কোনো হাদীছ এটা কোৰাণ আৰু ছুন্নতৰ বিপৰীত হয় আৰু কোৰাণ সমৰ্থিত বেলেগ কোনো হাদীছৰও বিপৰীত হয় অথবা এনেকুৱা কোনো হাদীছ আছে যিটো ছহী বুখাৰীৰ বিৰোধী হয় তেনে হাদীছ গ্ৰহণযোগ্য নহয়। কাৰণ এনেকুৱা হাদীছ সমূহ মানি ললে কোৰাণ আৰু কোৰাণ স্বীকৃত সকলো হাদীছকেই অগ্ৰাহ্য কৰিব লাগিব। মোৰ বিশ্বাস যে যিকোনো ধৰ্ম পৰায়ণ ব্যক্তি এজনে এনে কোনো হাদীছৰ ওপৰত বিশ্বাস স্থাপন কৰিবলৈ সাহস নকৰিব, যি হাদীছ কোৰাণ আৰু ছুন্নত অথবা কোৰাণ চৰিফৰ অনুকুল হাদীছৰ বিৰোধী হয়। যিয়েই নহওঁক হাদীছক সন্মান কৰা আৰু তাৰ দ্বাৰা উপকৃত হোৱা। কাৰণ সেই বিলাকও আঁ-হজৰত (ছাঃ)ৰ প্ৰতি আৰোপিত হয় আৰু যেতিয়ালৈকে সেয়া কোৰাণ আৰু ছুন্নতৰ ফালৰ পৰা মিছা প্ৰতিপন্ন নহয়, তেতিয়ালৈকে তোমালোকেও সেয়া মিছা সাব্যস্ত নকৰিবা। নবী কৰিম (ছাঃ)ৰ হাদীছ এনেদৰে পালন কৰিবা যে যাৰ হতুৱাই তোমালোকৰ চাল-চলন আৰু কৰ্ম যোজনা কৰ্ম বিৰতি আদি হাদীছ সমৰ্থিত হয়। কিন্তু কোনো হাদীছ যদি কোৰাণ চৰিফৰ বৰ্ণিত বিষয়ৰ স্পষ্ট বিৰোধী হয় তেন্তে তাৰ সংশোধনী বিধানৰ চিন্তা কৰিব লাগিব। হয়তো এনে অসংগতি বোধ তোমালোকৰ ভুল ক্ৰমে হৈ পৰিছে আৰু যদি কোনো প্ৰকাৰেই সেই অসংগতি দূৰ নহয় তেন্তে তেনেকুৱা হাদীছ বৰ্জন কৰিব লাগিব; কাৰণ সেয়া ৰছুলুল্লাহ (ছাঃ)ৰ ফালৰ পৰা নহয়। ইয়াৰ বিপৰীতে কোনো হাদীছ যদি দুৰ্বল হয় অথচ কোৰাণৰ সৈতে মিল থাকে তেন্তে সেই হাদীছ গ্ৰহণ যোগ্য হ'ব, কাৰণ কোৰাণ তাৰ সত্যতা প্ৰমাণ কৰে।

আকৌ কোনো হাদীছ যদি ভৱিষ্যদ্বাণী সম্বলিত হয় আৰু হাদীছ সংকলনকাৰী সকলে যদি সেয়া দুৰ্বল বুলি ভাৱে অথচ সেয়া তোমালোকৰ সময়ত অথবা ইয়াৰ পুৰ্বতে সেই হাদীছৰ ভৱিষ্যদ্বাণী পূৰ্ণ হৈ থাকে তেন্তে

সেই হাদীছ সত্য বুলি গ্ৰহণ কৰিব পাৰি। এনে ক্ষেত্ৰত যিসকল মুহাদ্দিছে আৰু বৰ্ণনা কাৰীয়ে এনে হাদীছক দুৰ্বল আৰু কৃত্ৰিম বুলি সাব্যস্ত কৰে সেই সকলক ভ্ৰান্ত আৰু মিছলীয়া বুলি ধৰি লওঁক। ভৱিষ্যদ্বাণী সম্পৰ্কীয় এনে শ শ হাদীছ আছে যিবোৰ বেছিভাগ মুহাদ্দিছৰ ওচৰত বিতৰ্কিত, দুৰ্বল বুলি বিবেচিত। যদি তেনেকুৱা হাদীছৰ ভৱিষ্যদ্বাণী পূৰ্ণ হয় আৰু তোমালোকে এই বুলি বৰ্জন কৰা যে এই হাদীছ দুৰ্বল নাইবা ইয়াৰ বৰ্ণনাকাৰী ধাৰ্মিক নহয়, সেয়ে আমি ইয়াক গ্ৰহণ নকৰো তেন্তে এনে অৱস্থাত তোমালোকৰ বেঈমানী কৰা হ'ব, কাৰণ খোদা তা'লা নিজে ইয়াৰ সত্যতা প্ৰকাশ কৰি দিছে। ধৰি লোৱা এনেকুৱা শ শ হাদীছ আছে আৰু মুহাদ্দিছ সকলে সেইবিলাক দুৰ্বল বুলি ভাৱে অথচ সেইবিলাকৰ শ শ ভৱিষ্যতবাণী পূৰ্ণ হয় (হৈছে) তেন্তে তোমালোকে সেই হাদীছবোৰ দুৰ্বল বুলি ভাৱি ইছলামৰ শ শ প্ৰমাণ বিনিষ্ট কৰিবানে ? এনেকুৱা অৱস্থাত তোমালোকে কিন্তু ইছলামৰ শত্ৰু বুলি প্ৰতিপন্ন হ'ব লাগিব। আল্লাহ তা'লা কৈছে-

فَلَا يُظْهِرُ عَلٰى غَيْبِهٖٓ اَحَدًا ۝٢٧

اِلَّا مَنِ ارْتَضٰى مِنْ رَّسُوْلٍ (72:27-28)

অৰ্থাৎ- সি তাৰ অদৃশ্যৰ জ্ঞান (দৈৱ জ্ঞান) কাৰো ওচৰত প্ৰকাশ নকৰে, একমাত্ৰ তাৰ প্ৰেৰিত ৰছুলৰ বাহিৰে (অনুবাদক)

গতিকে সত্য ভৱিষ্যতবাণী সত্য ৰছুলৰ বাহিৰে আন কাৰো প্ৰতি আৰোপ কৰা হ'ব পাৰেনে ? এনেকুৱা ক্ষেত্ৰ ভেদে অৱস্থাৰ পৰিপ্ৰেক্ষিতে এয়া কোৱাটো ঈমানদাৰী নহ'বনে যে ছহী হাদিছকও কোনো কোনো মুহাদ্দিছে দুৰ্বল হাদীছ বুলি আখ্যা দি ভুল কৰিছে ? ইয়াৰ বিপৰীতে এয়া কোৱাটো সমীচিন হ'বনে যে মিছা হাদীছক সঁচা প্ৰতিপন্ন কৰি খোদা তা'লায় ভুল কৰিছে ? যদি কোনো এটা হাদীছ দুৰ্বল প্ৰকাৰৰ হয় অথচ সেয়া কোৰাণ

আৰু চুন্নতৰ বিৰোধী নহয়, নাইবা সেই ধৰণৰ হাদীছৰও বিৰোধী নহয়, যিবিলাক কোৰাণৰ দ্বাৰা সমৰ্থিত তেন্তে তেনেবোৰ হাদীছৰ ওপৰত তোমালোকে আমল কৰিব পাৰা। কিন্তু অত্যন্ত সাৱধানেৰে হাদীছৰ ওপৰত আমল কৰা উচিত কাৰণ বহুতো কৃত্রিম হাদীছও আছে যিবিলাকে ইছলামত মতানৈক্যৰ সৃষ্টি কৰিছে। প্ৰত্যেক ফিৰকাৰেই নিজা নিজা বিশ্বাস অনুযায়ী হাদীছ আছে। এনেকি হাদীছৰ এনেকুৱা বৈষম্য নমাজৰ দৰে সুনিশ্চিত ফৰজ বিলাকতও ভিন্ন ভিন্ন আকৃতি দান কৰিছে। কোনো কোনোৱে আমিন উচ্চস্বৰে কয় আকৌ কোনোবাই মনে মনে, কোনো কোনোৱে ইমামৰ পিছত চুৰা ফাতিহা পাঠ কৰে, আকৌ কোনোৱে এনেদৰে পাঠ কৰাটো নমাজৰ নিয়ম বিৰোধী বুলি ভাৱে। কোনোবাই বুকুৰ ওপৰত হাত বান্ধে আকৌ কোনোবাই নাভিৰ ওপৰত তাহৰিমা বান্ধে। এইবিলাক বৈষম্যৰ মূল কাৰণ হ'ল হাদীছৰ মতানৈক্য।

كُلُّ حِزْبٍۢ بِمَا لَدَيْهِمْ فَرِحُوْنَ ۝٥٤ (23:54)

অৰ্থাৎ- প্ৰত্যেক দলেই সিহঁতৰ ওচৰত যি অংশটো আছে তাকে লৈ গৰ্ব কৰে (পাৰা ১৮ ৰুকু ৪) অনুবাদক।

আনফালে চুন্নতে কেৱল এটা নিয়মেই পাতি দিছিল। কিন্তু পিছৰ সময়ছোৱাত বিভিন্ন বৰ্ণনাৰ সংমিশ্ৰণত সেই আচল পদ্ধতিয়ে নিজৰ ভাৰসাম্য হেৰুৱাই পেলাইছে । এনেদৰে হাদীছৰ ভুল বুজা বুজিয়ে বহুতকেই ধ্বংস কৰিছে। ছিয়া পন্থী সকলে এনেকৈয়ে পতন মুখী হৈছে। যদি কোৰাণ চৰিফক বিচাৰক হিচাপে মানি ললেহেঁতেন তেন্তে চুৰা নুৰেই সিহঁতক নুৰ প্ৰদান কৰিব পাৰিলেহেঁতেন। কিন্তু হাদীছে সিহঁতক ধ্বংস কৰিছে। ঠিক এনেদৰেই হজৰত মছিহ (আঃ)ৰ যুগতে সেই ইহুদী সকলৰ পতন ঘটিছিল*। যিসকল লোক আহলে হাদীছ নামেৰে অভিহিত আছিল, তেওঁলোকে কিছুকাল পিছত তৌৰাত পৰিত্যাগ কৰিছিল। আজিও সিহঁতৰ বিশ্বাস যে

হাদীছ তৌৰাতৰ বিচাৰক আৰু এয়াই আছিল সিহঁতৰ ধৰ্ম বিশ্বাস। গতিকে তেওঁলোকৰ হাতত এনেকুৱা অসংখ্য হাদীছ আছিল য'ত লিখা আছিল যে ইলিয়াছ তাৰ চৰ্ম দেহলৈ জগতত আগমন নকৰালৈকে সিহঁতৰ প্ৰতিশ্ৰুত মছীহৰ আগমন নঘটে। এই বিলাক হাদীছে তেওঁলোকক মহা বিভ্ৰান্তিত পেলাই ৰাখিছিল। তেওঁলোকে এনে বিলাক হাদীছৰ ওপৰত নিৰ্ভৰ কৰি হজৰত মছীহ (আঃ)ৰ এই ব্যাখ্যা গ্ৰহণ কৰি লোৱা নাই যে ইলিয়াছৰ অৰ্থই ইউহান্না (অৰ্থাৎ ইয়াহইয়া নবী) যিজনে ইলিয়াছৰ গুণাৱলীৰ সৈতে আগমন কৰিছে আৰু ছায়া হিচাপে তাৰ ৰূপেই গ্ৰহণ কৰিছে। গতিকে এই বিলাক সকলো ভুল সিহঁতৰ মাজত হাদীছৰ ব্যাখ্যাৰ কাৰণেই সংগঠিত হৈছিল আৰু এইবিলাকেই অৱশেষত গৈ সিহঁতৰ বেঈমানীৰ মূল কাৰণ হৈ পৰিছিল। এয়াও হ'ব পাৰে যে সিহঁতে হাদীছ বিলাকৰ মূল অৰ্থ বুজি ল'বলৈ ভুল কৰিছিল অথবা হাদীছ বিলাকৰ মাজত মানুহৰ ৰচিত কথাবোৰ মিশ্ৰিত হৈ পৰিছিল।

যিয়েই নহওঁক, সম্ভৱত মুছলমান সকলে এই বিষয়ে নাজানে যে ইহুদী সকলৰ মাজত আহলে হাদীছ সম্প্ৰদায়ৰ লোক সকলেই হজৰত মছীহ (আঃ)ক অস্বীকাৰ কৰিছিল। সিহঁতে মছীহৰ বিৰুদ্ধে আন্দোলন কৰিছিল, মছীহক কাফিৰ আখ্যা দিছিল আৰু এই ফতোৱা দেখুৱাই হজৰত মছীহ (আঃ)ক কাফিৰ সাব্যস্ত কৰি প্ৰচাৰ কৰিছিল যে এই ব্যক্তি

---

***টোকা ঃ** তালমুদৰ হাদীছ বিলাকত আৰু বৰ্ণনাত যিবিলাক মতামত প্ৰকাশ কৰা হৈছে, ইঞ্জিলত সেইবিলাকৰ বিৰোধীতা কৰা হৈছে। এই বিলাক হাদীছ মূখ বগৰা হিচাপে অৰ্থাৎ এটা পৰম্পৰা হিচাপে হজৰত মুছা (আঃ)ৰ ইলহাম বুলি কোৱা হৈছিল। অৱশেষত এনে পৰিস্থিতি হৈ পৰিছিল যে তৌৰাত এৰি হাদীছ পাঠতেই অভ্যস্থ হৈ পৰিছিল। কোনো বিষয়ে তালমুদ তৌৰাতৰ বিপৰীত হলেও ইহুদী সকলে তালমুদৰ নিৰ্দেশ পালন কৰিছিল। ইউছুফ বাৰকীৰ প্ৰণীত আৰু লণ্ডনৰ পৰা চন ১৮৭৮ প্ৰকাশিত তালমুদ)

জনে খোদা তা'লাৰ কিতাপ অমান্য কৰে। খোদা তা'লা ইলিয়াছৰ দ্বিতীয়বাৰ আগমন হোৱাৰ খবৰ দিছে, কিন্তু এই লোকজনে সেই ভৱিষ্যতবাণীৰ জটিল ব্যাখ্যা কৰে আৰু কোনো ধৰণৰ যুক্তি যুক্ত সামঞ্জস্য নোহোৱাকৈয়ে এই ভৱিষ্যতবাণী নিজৰ ফালে টানি লৈ যায়* । সিহঁতে হজৰত মছীহৰ নাম কেৱল কাফিৰৰেই নহয় বৰং নাস্তিক বুলিও ৰাখিছিল আৰু এয়া প্রচাৰ কৰি কৈছিল যে যদি এই ব্যক্তিজন সত্যবাদী হয় তেন্তে মুছা (আঃ) ৰ প্রচাৰিত ধর্ম মিছা। এয়া আছিল সিহঁতৰ অজ্ঞতাৰ যুগ। মিছা হাদীছ সমূহে তেওঁলোকক পথ ভ্রষ্ট কৰিছিল।

মুঠতে কথা হ'ল হাদীছ পাঠ কৰাৰ সময়ত এয়া মনত ৰাখিব লাগিব যে আগৰ এটা যুগত এটা জাতিয়ে হাদীছক তৌৰাতৰ ওপৰত বিচাৰক সজাই লৈ এনেকুৱা এটা অৱস্থাত উপনীত হৈছিল যে সিহঁতে এজন সত্য

*হজৰত ঈছা (আঃ)ৰ বিৰুদ্ধে যেতিয়া কুফৰী ফতোৱা লিখা হৈছিল, তেতিয়া সাধু পলও (St Paul) সেই কুফৰীৰ ফতোৱাদাতা সকলৰ দলভুক্ত আছিল। পিছত সি নিজকেই মছীহৰ ৰছুল বুলি প্রচাৰ কৰিছিল। এই লোকজন হজৰত মছীহৰ জীৱিত অৱস্থাত তেখেতৰ ভীষণ শত্রু আছিল। হজৰত মছীহৰ যিমান ইঞ্জিল ৰচিত হৈছে, তাৰ ভিতৰত এটাৰ মাজতও এই ভৱিষ্যদ্বাণী নাই যে তেখেতৰ পিছত সাধু প'ল তৌবা কৰি ৰছুল হ'ব। এই লোকজনৰ অতীত জীৱন সম্পর্কে লিখিবলৈ মোৰ অকণো প্রয়োজন নাই, কাৰণ সেইবোৰ খৃষ্টান লোকসকলে ভালদৰে জানে। পৰিতাপৰ বিষয় হ'ল এয়া যে এইজনেই সেই ব্যক্তি যিজনে হজৰত মছীহ (আঃ) যিমান দিন এই দেশত আছিল; সিমান দিনেই তেখেতক কষ্ট দিছিল। যেতিয়া তেখেতে ক্রুছৰ পৰা মুক্তি লাভ কৰি কাশ্মীৰৰ ফালে গুচি আহিছিল তেতিয়া তেওঁ এটা মিছা সপোনৰ জৰিয়তে নিজৰ শিষ্য সকলৰ মাজত ত্রিত্ববাদৰ মত প্রচাৰ কৰে আৰু গাহৰিৰ মাংস খোৱা বৈধ বুলি আখ্যা দি খৃষ্টান সকলৰ মাজত সুৰা পান ব্যাপক ভাৱে প্রচলন কৰে আৰু বাইবেলৰ শিক্ষাৰ মাজত ত্রিত্ববাদ সোমাই দিয়ে; যিবিলাকত এইবোৰ বিদা'ত অনুষ্ঠানৰ প্রবর্তনত গ্রীক দেশীয় পৌত্তলিক সকল আনন্দিত হয়।

নবীক কাফিৰ আৰু দাজ্জাল আখ্যা দি তেখেতক অস্বীকাৰ কৰিছে। যিয়েই নহওঁক মুছলমান সকলৰ বাবে বুখাৰী শ্বৰীফৰ হাদীছ্ অতিকৈয়ে মোবাৰক আৰু উপকাৰী গ্ৰন্থ। এয়া সেই গ্ৰন্থ য'ত স্পষ্ট ভাষাত লিখা আছে যে হজৰত ঈছা (আঃ) মৃত্যু বৰণ কৰিছে। ঠিক তেনেদৰে মুছলিম শ্বৰীফ আৰু হাদীছৰ বেলেগবোৰ কিতাপতও বহুতো আধ্যাত্মিক তত্ত্ব আৰু ধৰ্ম নীতিৰ ভাণ্ডাৰ সঞ্চিত আছে। গতিকে এই বিষয়ে সাৱধানতা অৱলম্বন কৰি হাদীছৰ ওপৰত আমল কৰা উচিত; যাতে কোনো এটা বিষয় কোৰাণ, ছুন্নত আৰু সেই বিলাক হাদীছৰ বিৰোধী নহয় যিবোৰ কোৰাণৰ সৈতে সাঞ্জস্যপূৰ্ণ।

হে খোদা অন্বেষী সকল ! কাণ খুলি শুনি লোৱা, একীন (দৃঢ় বিশ্বাস)ৰ দৰে কোনো বস্তুৱে নাই। একমাত্ৰ এই দৃঢ় বিশ্বাসেই মানুহক পাপৰ পৰা মুক্ত কৰে। এই একীনেই মানুহক পুণ্য কৰ্ম সাধনৰ শক্তি প্ৰদান কৰে। একমাত্ৰ একীনেই মানুহক খোদা তা'লাৰ প্ৰকৃত প্ৰেমিক হিচাপে গঢ়ি তোলে। তোমালোকে একীন অবিহনে পাপক বৰ্জন কৰিব পাৰিবা নে ? একীনৰ দীপ্তি নোহোৱাকৈ তোমালোকে প্ৰবৃত্তিৰ উত্তেজনাক দমন কৰিব পাৰিবা নে ? একীনৰ অৱৰ্তমানে তোমালোকে কোনো শান্তি লাভ কৰিব পাৰিবা নে ? একীন অবিহনে তোমালোকে কোনো ধৰণৰ প্ৰকৃত পৰিৱৰ্তন সাধন কৰিব পাৰিবা নে ? একীন অবিহনে তোমালোকে কিবা সঁচা সুখ লাভ কৰিব পাৰিবা নে ? আকাশৰ তলত এনে কোনো কাফ্ফাৰা প্ৰায়চিত্ত অথবা এনে কোনো ফিদিয়া (বিনিময়) আছেনে যে তোমালোকক পাপ বৰ্জন কৰাব পাৰে ? মৰিয়মৰ পুত্ৰ ঈছা এনেকুৱা এক সন্তানে যে তাৰ কল্পিত তেজে পাপৰ পৰা মুক্তি দিব পাৰিব ?

হে খৃষ্টান সকল ! এনেকুৱা মিছা নেমাতিবা যাৰ ফলত পৃথিৱী খণ্ড-বিখণ্ড হৈ যায়। যিশু নিজেই নিজৰ মুক্তিৰ বাবে একীনৰ মুখাপেক্ষী আছিল। তেখেতে একীন ৰাখিছিল, সেয়ে মুক্তি লাভ কৰিছিল। পৰিতাপ

সকলো খৃষ্টানৰ বাবে; যি সকলে এই বুলি জগতক প্ৰতাৰিত কৰে যে আমি মছীহৰ তেজেৰে মুক্তি লাভ কৰিছোঁ। দৰাচলতে সিহঁতে পদ মস্তকে পাপত ভোৰ গৈছে। তেওঁলোকে নাজানে যে সিহঁতৰ খোদা কোন হয়? বৰং সিহঁতৰ জীৱন আওহেলাময় মদৰ ৰাগিত মাতাল হৈ পৰিছে। কিন্তু সেই পৱিত্ৰ ৰাগি, যি আকাশ মাৰ্গৰ পৰা অৱতীৰ্ণ হয় সেই সম্পৰ্কে এওঁলোক উদাসীন,অজ্ঞ। যি জীৱন খোদা তা'লাৰ সৈতে সম্পৰ্কযুক্ত আৰু পৱিত্ৰ জীৱনৰ যি সুফল, সেই বিলাকৰ পৰা এওঁলোক বঞ্চিত। সেয়ে মনত ৰাখিবা যে একীন অবিহনে তোমালোকে তিমিৰাছন্ন জীৱনটোৰ পৰা মুক্তি লাভ কৰিব নোৱাৰা আৰু ৰূহুল কুদ্দুছ (পৱিত্ৰ আত্মা) তোমালোকে লাভ কৰিব নোৱাৰা। মোবাৰক (কল্যাণমণ্ডিত) হ'ল সেইজন যিজনে একীন লাভ কৰিছে; কাৰণ তেওঁৱেই খোদা তা'লাৰ দৰ্শন লাভ কৰিব। মোবাৰক সেইজন ব্যক্তি, যিজনে সকলো সন্দেহ, সংশয়ৰ পৰা মুক্তি লাভ কৰিছে; কাৰণ তেওঁৱেই পাপৰ পৰা পৰিত্ৰাণ লাভ কৰিব। মোবাৰক হ'বা তোমালোক যেতিয়া তোমালোকক একীন নামৰ সম্পদ দিয়া হ'ব; যাৰ ফলত তোমালোকৰ গোনাহৰ অৱসান ঘটিব। গোনাহ আৰু একীন একেলগ হ'ব নোৱাৰে। তোমালোকে সেই গাঁতৰ ভিতৰত হাত সোমাই দিবলৈ সাহস কৰিবানে যাৰ মাজত ভয়ানক এটা বিষাক্ত সাপ দেখিবলৈ পাই আছা? তোমালোকে এনে এটা স্থানত থিয় হৈ থাকিব পাৰিবানে য'ত কোনো আগ্নেয়গিৰিৰ পৰা প্ৰস্তৰ ছিটিকি আহে; অথবা বজ্ৰপাত হয় অথবা য'ত এটা তেজ খোৱা বাঘৰ আক্ৰমণৰ ভয় আছে অথবা য'ত ধ্বংসকাৰী প্লেগে মানুহৰ বংশ নিপাত কৰি গৈ আছে? গতিকে খোদা তা'লাৰ প্ৰতি যদি তোমালোকৰ ঠিক তেনেকুৱা বিশ্বাস থাকে, যেনেকৈ সাপ,বজ্ৰ,বাঘ আৰু প্লেগৰ প্ৰতি বিশ্বাস আছে তেন্তে এয়া সম্ভৱ নহয় যে তোমালোকে খোদা তা'লাৰ বিৰুদ্ধাচৰণ কৰি শাস্তিৰ পথ বুটলি ল'বা অথবা তাৰ সৈতে তোমালোকে সৰলতা আৰু বিশ্বস্ততাৰ সম্পৰ্ক ছেদ

কৰিব পাৰা।

হে পুণ্যকৰ্ম আৰু সাধুতাৰ প্ৰতি আগ্ৰহী জনমণ্ডলী ! নিশ্চয় জানি লোৱা খোদা তা'লাৰ প্ৰতি আকৰ্ষণ তোমালোকৰ মাজত তেতিয়াহে উপজিব আৰু তেতিয়াহে তোমালোকক পাপৰ ঘৃণীত কলঙ্কৰ পৰা পৱিত্ৰ কৰা হ'ব, যেতিয়া তোমালোকৰ হৃদয় একীন পূৰ্ণ হ'ব। সম্ভৱত তোমালোকে ক'বা যে তোমালোকৰ একীন লাভ কৰা হৈ গৈছে। কিন্তু মনত ৰাখিবা এয়া তোমালোকৰ আত্ম প্ৰতাৰণা মাত্ৰ। নিশ্চয় তোমালোকে পূৰ্ণ একীন লাভ কৰিব পৰা নাই; কিয়নো তাৰ উপাদান তোমালোকৰ অৰ্জিত হোৱা নাই, কাৰণ তোমালোকে পাপৰ পৰা আঁতৰি থকা নাই। সজ কামৰ ফালে যি ধৰণে আগবাঢ়ি যোৱা উচিত তোমালোকে সেই ধৰণে আগবাঢ়িবলৈ লোৱা নাই। যি ধৰণে ভয় কৰা উচিত সেই ধৰণে তোমালোকে ভয় কৰি থকা নাই। নিজে চিন্তা কৰি চোৱাচোন- যাৰ এই একীন আছে যে অমুক গাঁতটোৰ ভিতৰত সাপ আছে; তেওঁ সেই গাঁতৰ ভিতৰত হাত সোমাই দিবনে ? যাৰ একীন আছে যে তাৰ খাদ্যৰ লগত প্ৰাণনাশী বিষ মিহলাই দিয়া আছে, তেওঁ সেই খাদ্য ভক্ষণ কৰিবনে ? যিজনে নিজ চকুৰে দেখিবলৈ পাই আছে যে অমুক হাবিত এহেজাৰ মান মানুহ খোৱা বাঘ আছে সেই হাবিলৈ তেওঁ অসাৱধানতা আৰু উদাসীন হৈ খোজ দিবনে ?

তোমালোকৰ হাত, ভৰি, কাণ, চকুৰে কেনেকৈ পাপ কাম কৰিবলৈ সাহস পাব, যদি খোদা তা'লা আৰু তাৰ পুৰস্কাৰ আৰু শাস্তিৰ প্ৰতি তোমালোকৰ একীন (বিশ্বাস) থাকে ? পাপে একীনৰ ওপৰত জয়লাভ কৰিব নোৱাৰে। যেতিয়া তোমালোকে কোনো জ্বলি যোৱা জলন্ত অগ্নি দেখিবলৈ পোৱা তেতিয়া কেনেকৈ তোমালোকে সেই অগ্নিত জাপ দিব পাৰিবা। একীনৰ প্ৰাচীৰ আকাশলৈ বিস্তৃত। চয়তানে তাত আৰোহণ কৰিব নোৱাৰে। যিজনে পৱিত্ৰ হৈছে একীনৰ বলতেই হৈছে। একীনে দুখ যন্ত্ৰণা সহ্য কৰাৰ শক্তি দান কৰে। এনেকি ৰজাক সিংহাসন পৰিত্যাগ

কৰোৱাই ভিখাৰীৰ বেশ ধাৰণ কৰায়। একীনে দৰ্শন লাভ কৰোৱায়। প্ৰত্যেক কাফ্ফাৰা (প্ৰায়চিত্ত) মিছা, আৰু প্ৰত্যেক ফিদিয়া (বিনিময়) নিষ্ফল। প্ৰত্যেক ধৰণৰ পৱিত্ৰতা একীন (বিশ্বাস)ৰ বাটেদিহে আহে। সেই বস্তুটো হ'ল একীন, যিয়ে পাপৰ পৰা মুক্ত কৰি খোদা তা'লাৰ সান্নিধ্যত লৈ যায়, আৰু সততা, দৃঢ়তাৰ ক্ষেত্ৰত ফিৰিস্তাতকৈও অধিক অগ্ৰগতি লাভ কৰোৱায়।

প্ৰত্যেক সেই ধৰ্ম যিয়ে একীন লাভৰ উপকৰণাদি যোগান দিব নোৱাৰে, সেই ধৰ্ম মিছা। যি ধৰ্মই একীনৰ সহায়ত খোদা তা'লাক দেখুৱাব নোৱাৰে, সেইটোও এটা মিছা ধৰ্ম। গল্প, কাহিনীৰ বাহিৰে যি ধৰ্মত বেলেগ একো নাই সেইবিলাক ধৰ্ম প্ৰত্যেকটোৱেই মিছা ধৰ্ম।

খোদা তা'লা অতীতত যেনেকুৱা আছিল, এতিয়াও তেনেকুৱাই আছে তাৰ কুদৰত (ক্ষমতা) অতীতত যেনেকুৱা আছিল এতিয়াও তেনেকুৱাই আছে। তাৰ নিদৰ্শন প্ৰকাশৰ ক্ষমতা আগতে যেনেকৈ আছিল বৰ্তমানও তেনেকৈয়ে আছে। গতিকে তোমালোকে কেৱল গল্প কাহিনীত সন্তুষ্ট হৈ ৰৈ আছা কিয় ? ধ্বংসপ্ৰাপ্ত হৈছে সেই জামাত যাৰ অলৌকিক বিষয়বোৰ কেৱল গল্প কাহিনী; যাৰ ভৱিষ্যদ্বাণী সমূহ কেৱল এটা কাহিনীৰ ওপৰত প্ৰতিষ্ঠিত আৰু ধ্বংসপ্ৰাপ্ত হৈছে সেই জামাত যাৰ ওপৰত খোদা তা'লা অৱতীৰ্ণ হোৱা নাই আৰু একীনৰ হতুৱাই খোদা তা'লাৰ হাতৰ স্পৰ্শত পৱিত্ৰ হোৱা নাই।

মানুহে যেনেকৈ ইন্দ্ৰিয় ভোগ্য সামগ্ৰী লৈ সামগ্ৰীত আকৃষ্ট হয়, ঠিক তেনেকৈয়ে যেতিয়া সি একীনৰ সহায়ত আধ্যাত্মিক সোৱাদ লাভ কৰে, তেতিয়া সি খোদা তা'লাৰ ফালে এক অদৃশ্য আকৰ্ষণ অনুভৱ কৰে। তেতিয়া খোদা তা'লাৰ সৌন্দৰ্যই তাক এনেকুৱা মুগ্ধ কৰে যে বেলেগ সকলো বস্তু তাৰ ওচৰত সমূলি ভিত্তীহীন আৰু নগন্য বুলি অনুভূত হয়। মানুহে তেতিয়াহে পাপৰ পৰা মুক্তি পায় যেতিয়া সি খোদা তা'লা আৰু

তাৰ প্ৰয়োজন, পুৰস্কাৰ, শাস্তি সম্পৰ্কে সুনিশ্চিত জ্ঞান লাভ কৰে। অজ্ঞতা হ'ল সকলো বিশৃঙ্খলতাৰ মূল। যিজন ব্যক্তিয়ে একীন মাৰিফত (নিশ্চিত জ্ঞান)ৰ পৰা সামান্য পৰিমানৰ অংশ লাভ কৰে; তেওঁ কেতিয়াও বিশৃঙ্খল হ'ব নোৱাৰে। যদি কোনো এখন ঘৰৰ মালিকে জানিব পাৰে যে এক বিধ্বংসী বানৰ সোঁত তাৰ ঘৰৰ ফালে প্ৰবল গতিৰে আহি আছে; অথবা যদি জানিব পাৰে যে তাৰ ঘৰৰ চাৰিও কাষতে জুই লাগিছে আৰু তাৰ ঘৰ পাওঁ পাওঁ হৈছে, তেন্তে সেই মালিকজনে তাৰ ঘৰৰ ভিতৰত থাকিব নোৱাৰে। তেন্তে কেনেকৈ তোমালোকে খোদা তা'লাৰ পুৰস্কাৰ আৰু শাস্তিৰ প্ৰতি একীন ৰখাৰ দাবী কৰি নিজৰ এক ভয়ঙ্কৰ অৱস্থাৰ মাজত ৰৈ আছে গতিকে তোমালোকে চকু মেলি খোদা তা'লাৰ সেই নিয়মবোৰ চাই লোৱা, যিবোৰ গোটেই পৃথিৱী ব্যাপি পৰিলক্ষিত হয়। নিম্নমুখী এন্দুৰ নহ'বা, বৰং উৰ্দ্ধমুখী পাৰ চৰাই হ'বলৈ চেষ্টা কৰা; যিয়ে আকাশৰ বিশালতাক নিজৰ বাবে পছন্দ কৰে। তোমালোকে তৌবাৰ ওচৰত বয়াত হৈ আকৌ পাপত লিপ্ত নাথাকিবা আৰু সাপৰ দৰে নহ'বা, যিয়ে নিজৰ চলং (মোট) সলোৱাৰ পিছতও সাপ হৈয়ে থাকে। মৃত্যুলৈ মনত পেলোৱা, যি লাহে লাহে তোমালোকৰ ওচৰ চাপি আহি আছে; কিন্তু তোমালোকে এই সম্পৰ্কে সচেতন নহয়। পৱিত্ৰ হ'বলৈ চেষ্টা কৰা; কিয়নো মানুহে পৱিত্ৰ সত্তাক তেতিয়াহে লাভ কৰিব পাৰে, যেতিয়া সি নিজে পৱিত্ৰ হয়। কিন্তু তোমালোকে এই অনুগ্ৰহৰাজি কেনেকৈ লাভ কৰিব পাৰিবা; তাৰ উপায় খোদা তা'লাই নিজেই প্ৰদান কৰিছে য'ত খোদা তা'লা কোৰাণ মজিদত কৈছে-

(2:46) وَاسْتَعِيْنُوْا بِالصَّبْرِ وَالصَّلٰوةِ

অৰ্থাৎ নমাজ আৰু ধৈৰ্য সহকাৰে খোদা তা'লাৰ সহায় বিচাৰি থাকা। (চুৰা বাকাৰা আয়াত ৪৬)

নমাজ কি ? এয়া হ'ল দোৱা যি তছবিহ (মহিমা কীৰ্তন) তাহমিদ (প্ৰশংসা

আৰু শলাগ লোৱা) তাকাদ্দুছ (পৰিত্ৰতা) আৰু ইস্তেগফাৰ (নিজৰ সকলো দুৰ্বলতা স্বীকাৰ কৰি শক্তি প্ৰাৰ্থনা কৰা) দৰূদৰ সৈতে বিনয়, নম্ৰতাৰে প্ৰাৰ্থনা কৰা হয়। গতিকে যেতিয়া তোমালোকে নমাজ পঢ়িবা তেতিয়া দোৱা কৰিবলৈ অজ্ঞলোকৰ দৰে কেৱল আৰবী শব্দ ব্যৱহাৰত সীমাবদ্ধ নাথাকিবা। কাৰণ তেওঁলোকৰ নমাজ আৰু ইস্তেগফাৰ আদি সকলোবোৰেই বাহ্যিক ক্ৰিয়া কলাপ মাত্ৰ যাৰ মাজত কোনো সাৰমৰ্ম একো নাই। গতিকে তোমালোকে যেতিয়া নমাজ পঢ়িবা তেতিয়া খোদা তা'লাৰ বাণী কোৰাণ আৰু ৰছুলুল্লাহ (ছাঃ)ৰ কল্যাণত বৰ্ণিত কিছুমান প্ৰচলিত দোৱাৰ ওপৰিও নিজৰ ফালৰ সকলো দোৱা নিজৰ ভাষাতেই কৰিব পাৰা। নিবেদন থাকিল যে যাতে সেই কৰুণ অনুনয় বিনয়পূৰ্ণ নিবেদনৰ সুপ্ৰভাৱ তোমালোকৰ হৃদয়ত থাকে।

বিপদৰ সময়ত তোমালোকৰ জীৱনৰ গতি পথত পাঁচ প্ৰকাৰৰ পৰিৱৰ্তন ঘটি থাকে, যিবোৰ সংগঠিত হোৱাটো তোমালোকৰ প্ৰকৃতিৰ বাবে আৱশ্যক।

১। যেতিয়া তোমালোকক কোনো এটা আসন্ন বিপদ সম্পৰ্কে জনোৱা হয়। উদাহৰণ স্বৰূপে, যেনিবা তোমালোকৰ নামত আদালতৰ পৰা এটা ওয়াৰেণ্ট জাৰি কৰা হয়। এয়া হ'ল তোমালোকৰ শান্তি আৰু সুখৰ মাজত বিশৃঙ্খলা ঘটোৱাৰ প্ৰথম অৱস্থা। সাধাৰণতে এই অৱস্থাটো অৱনতিৰ আৰম্ভণীৰ সৈতে তুলনা কৰিব পাৰি কাৰণ ইয়াৰ পৰাই তোমালোকৰ সুখৰ অৱস্থাৰ পতন ঘটিবলৈ আৰম্ভ কৰে। এই অৱস্থাৰ সৈতে সামঞ্জস্য ৰাখি জোহৰৰ নমাজ নিৰ্ধাৰিত কৰা হৈছে, যাৰ ওয়াক্ত সূৰ্য্য হেলনীয়া গতিৰ সৈতে আৰম্ভ হয়।

২। দ্বিতীয় পৰিৱৰ্তন তোমালোকৰ ওপৰত তেতিয়া আহে, যেতিয়া তোমালোকে বিপদৰ অতি কাষতে আহি যোৱা। উদাহৰণ স্বৰূপে, যেনিবা তোমালোক সেই ওয়াৰেণ্টৰ কাৰণে গ্ৰেপ্তাৰ হৈ মেজিষ্ট্ৰেটৰ ওচৰত হাজিৰ

হ’ব লগা হ’ল। এনেকুৱা অৱস্থাৰ মাজত ভয়তে তোমালোকৰ তেজ শুকাই যোৱা যেন হয় আৰু শান্তিৰ কিৰণ তোমালোকৰ পৰা বিদায় লোৱাৰ উপক্ৰম হয়। গতিকে তোমালোকৰ এই অৱস্থাটোৱে সেই সময়ৰ লগত সাদৃশ্য ৰাখে, যেতিয়া সূৰ্য্যৰ পোহৰ ক্ষীণ হৈ আহে আৰু সেই ফালে চকু ফুৰালে; স্পষ্ট দেখিবলৈ পোৱা যায় যে এতিয়া সূৰ্য্য অস্ত যোৱাৰ সময় অতি ওচৰত। এনেদৰেই আত্মাৰ সৈতে তুলনা কৰিয়ে আছৰৰ নমাজৰ সময় নিৰ্ধাৰণ কৰা হৈছে।

৩। তৃতীয় পৰিৱৰ্তন তোমালোকৰ তেতিয়া আহে, যেতিয়া এই বিপদৰ পৰা মুক্তি পোৱাৰ উপায় সম্পূৰ্ণ ভাৱে দুৰীভূত হয়। অৰ্থাৎ যেনিবা তোমালোকৰ নামত চাৰ্জশিষ্ট দাখিল কৰা হয় আৰু তোমালোকৰ বিনষ্ঠ সাধন কৰিবলৈ বিৰোধী পক্ষই দিয়া সাক্ষী প্ৰমাণ উপস্থিত কৰা হয়। এনকুৱা অৱস্থাৰ মাজত তোমালোকৰ জ্ঞান লোপ পাই যায় আৰু তোমালোকে নিজকে কয়েদী বুলি ভাৱি থাকা। গতিকে এই অৱস্থাটো সেই সময়ৰ সামানুপাতিক যেতিয়া বেলি মাৰ যায়; আৰু দিনৰ আলোকৰ সকলো আশাৰ অৱসান ঘটে। এনেকুৱা আত্মিক অৱস্থাৰ লগত তুলনা কৰি মগৰিবৰ নমাজৰ সময় নিৰ্ধাৰণ কৰা হৈছে।

৪। চতুৰ্থ পৰিৱৰ্তন তোমালোকৰ ওপৰত তেতিয়া আহে যেতিয়া বিপদ বাস্তৱতে তোমালোকৰ ওপৰত পতিত হয় আৰু ইয়াৰ ঘিটামাটিয়া এন্ধাৰে তোমালোকক আৱৰি ধৰে; অৰ্থাৎ যেনিবা চাৰ্জশিট অনুযায়ী সাক্ষ্য প্ৰমাণৰ পিছত শাস্তিৰ আদেশ তোমালোকক শুনোৱা হয় আৰু কাৰাদণ্ডৰ বাবে পুলিচক গতাই দিয়া হয়। এই অৱস্থাটো সেই সময়ৰ সামানুপাতিক যেতিয়া ৰাতিৰ গভীৰ এন্ধাৰে ছানি ধৰে। এনে আত্মিক অৱস্থাৰ সৈতে (আধ্যাত্মিক অৱস্থাৰ সৈতে) সাদৃশ্য ৰাখি ইশাৰ নমাজৰ সময় নিৰ্ধাৰণ কৰা হৈছে।

৫। পঞ্চম পৰিৱৰ্তন যেতিয়া তোমালোকে এটা দীৰ্ঘ সময় এই বিপদৰ মাজত অতিবাহিত কৰা, তেতিয়া আকৌ তোমালোকৰ প্ৰতি খোদা তা’লাৰ

কৃপা উদ্বেলিত হয় আৰু তোমালোকক এই এন্ধাৰৰ পৰা মুক্তি দান কৰে। উদাহৰণস্বৰূপে যেনেকৈ এন্ধাৰ আঁতৰি পূৱাৰ দোকমাকালিয়ে দেখা দিয়ে আৰু দিনৰ পোহৰে আকৌ নিজৰ উজ্জ্বলতা লৈ প্ৰকাশিত হয়। গতিকে এনেকুৱা আধ্যাত্মিক অৱস্থাৰ সৈতে তুলনা কৰি ফজৰৰ নমাজৰ সময় নিৰ্ধাৰণ কৰা হৈছে।

খোদা তা'লাই তোমালোকৰ প্ৰকৃতিগত পৰিৱৰ্তন পাঁচোটা অৱস্থাৰ প্ৰতি লক্ষ্য কৰি তোমালোকৰ বাবে পাঁচ ওয়াক্ত নমাজ নিৰ্ধাৰিত কৰিছে। ইয়াৰ দ্বাৰা তোমালোকে উপলব্ধি কৰিব পাৰা যে এইবিলাক নমাজ কেৱল তোমালোকৰ আধ্যাত্মিক মঙ্গলৰ বাবে নিৰ্ধাৰিত কৰা হৈছে। গতিকে যদি তোমালোকে এই বিলাক বিপদৰ পৰা ৰক্ষা পাব বিচৰা তেন্তে এই পাঁচ ওয়াক্তৰ নমাজ এৰি নিদিবা কাৰণ এইবিলাক তোমালোকৰ আভ্যন্তৰীণ আৰু আধ্যাত্মিক পৰিৱৰ্তনৰ প্ৰতিচ্ছবি স্বৰূপ।

নমাজত ডাঙৰ বিপদৰ নিৰাময় সন্নিবিষ্ট আছে। তোমালোকে নেজানা যে উদীয়মান নৱ দিৱসত তোমালোকৰ কাৰণে কি (নিয়তি) লৈ আনিব। গতিকে দিৱসৰ উদয় হোৱাৰ আগতেই তোমালোকে তোমালোকৰ মত্তলাৰ ওচৰত সবিনয়ে নিবেদন কৰা যাতে তোমালোকৰ বাবে মঙ্গল আৰু কল্যাণময় দিৱসৰ আগমন ঘটে।

হে আমীৰ বাদশ্বাহ, আৰু ঐশ্বৰ্য্যশালী লোক সকল ! আপোনালোকৰ মাজত এনেকুৱা লোকৰ সংখ্যা খুবেই কম যিসকলে খোদা তা'লাক ভয় কৰে আৰু তাৰ বাটত সজ আৰু সততা অৱলম্বন কৰি চলে। অধিকাংশই জগতৰ সম্পদ আৰু ঐশ্বৰ্য্যত মত্ত হৈ পৰিছে, সেইবোৰৰ মাজতেই নিজৰ জীৱন নি:শেষ কৰিবলৈ লৈছে আৰু মৃত্যুলৈ মনত পেলোৱা নাই। প্ৰত্যেক আমিৰ বা ধনী ব্যক্তি যিজনে নমাজ নপৰে আৰু খোদা তা'লাক ভয় নকৰে; তাৰ সকলো ভৃত্য বা কৰ্মচাৰীৰ গোনাহৰ ভাৰ তাৰ কান্ধত ন্যস্ত হ'ব। যিজন আমীৰ লোকে সুৰা পান কৰে, তাৰ কান্ধত সেই বিলাক

লোকৰ পাপ ন্যস্ত হ'ব; যিসকলে তাৰ অধীনত থাকি সুৰা পান কৰিব। হে বুদ্ধিমান লোক সকল ! তোমালোকে সাৱধান হোৱা ! সকলো ধৰণৰ অন্যায় পৰিহাৰ কৰা, আৰু সকলো ধৰণৰ মাদক দ্ৰব্য বৰ্জন কৰা। মানুহক ধ্বংস কৰিবলৈ কেৱল সুৰা পান কৰাই নহয়, বৰং আফিং, গাজা, চুৰট, ভাং, তাড়ি ইত্যাদি প্ৰত্যেকটো মাদক দ্ৰব্য যিবিলাক সদায় ব্যৱহাৰৰ অভ্যাস হৈ পৰে; মস্তিষ্কৰ ক্ষতি সাধন কৰে আৰু অৱশেষত সকলো ধ্বংস কৰি দিয়ে। গতিকে তোমালোকে এই বিলাকৰ পৰা আঁতৰি থাকা। মই বুজি নাপাওঁ তোমালোকে কিয় এই বিলাক (বেয়া) বস্তু ব্যৱহাৰ কৰি থাকা, যাৰ প্ৰতিক্ৰিয়াৰ কুফলত প্ৰতি বছৰে তোমালোকৰ দৰে শ শ মাদক দ্ৰব্যত অভ্যস্ত লোক পৃথিৱীৰ পৰা চিৰবিদায় লৈ আছে*। পৰকালৰ আযাব (শাস্তি) এনেতে পৃথক ভাৱে ৰৈ আছে। গতিকে সংযমী হোৱা, যাতে তোমালোকৰ আয়ু বৃদ্ধি পায় আৰু তোমালোকে খোদা তা'লাৰ কল্যাণ প্ৰাপ্ত হোৱা। অতিমাত্ৰা ভোগ-বিলাসত মত্ত জীৱন, এক অভিশপ্ত জীৱন। অতিমাত্ৰা কলুষিত চৰিত্ৰ আৰু নিৰ্দয় জীৱনও অভিশপ্ত জীৱন। খোদা তা'লাৰ প্ৰতি কৰ্তব্য পালন বা তাৰ বান্দাৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰাৰ ফালে অতিমাত্ৰা উদাসীন হোৱা এক অভিশপ্ত জীৱন। খোদা তা'লাৰ

* **টোকা ঃ** ইউৰোপৰ লোকসকলৰ সুৰা পানে যিমান অনিষ্ট সাধন কৰিছে; তাৰ কাৰণ হ'ল এয়া যে ঈছা (আঃ)য়ে সুৰা পান কৰিছিল। হয়তো হ'ব পাৰে এয়া কোনো বেমাৰৰ কাৰণে অথবা প্ৰাচীন অভ্যাস অনুযায়ী তেওঁ এনেকুৱা কৰিছে। হে মুছলমান সকল ! তোমালোকৰ নবী (ছাঃ)য়ে দেখোন প্ৰত্যেক ধৰণৰ মাদক দ্ৰব্যৰ পৰা পৱিত্ৰ আৰু নিষ্পাপ আছিল। যেনেকুৱা তেখেতে আছিল বাস্তৱতেই নিষ্পাপ। গতিকে তোমালোকে মুছলমান বুলি পৰিচয় দি কাৰ অনুসৰণ কৰি আছা ? কোৰাণ মজিদে ইঞ্জিলৰ দৰে মাদক দ্ৰব্যক বৈধ সাব্যস্ত কৰা নাই। গতিকে তোমালোকে কোন বাটেদি দলিল প্ৰমাণৰ হতুৱাই মদপান কৰা বৈধ সাব্যস্ত কৰিবা ? তোমালোকৰ মৰিব নালাগিবনে ?

অধিকাৰ আৰু তাৰ সৃষ্টি মানৱৰ অধিকাৰ সম্পৰ্কে প্ৰত্যেকজন ধনী লোকক ঠিক তেনেদৰেই প্ৰশ্ন কৰা হ'ব, যেনেকৈ এজন ফকিৰক প্ৰশ্ন কৰা হ'ব, এনেকি তাতকৈ বেছিহে প্ৰশ্ন কৰা হ'ব। গতিকে সেই ব্যক্তিজনেই হ'ল দুৰ্ভগীয়া যিজনে এই ক্ষণস্থায়ী জীৱনৰ ওপৰত ভৰসা কৰি খোদা তা'লাৰ প্ৰতি বিমুখ হয় আৰু খোদা তা'লাৰ ঘোষিত অবৈধ বস্তু এনে নি:সঙ্কোচে ব্যৱহাৰ কৰে যেনিবা সেই অবৈধ বস্তু তাৰ বাবে বৈধ হৈ পৰিছে। ক্ৰোধান্বিত হৈ পাগলৰ দৰে কাৰোবাক গালি দিবলৈ, কাৰোবাক আহত কৰিবলৈ, কাৰোবাক হত্যা কৰিবলৈ উদ্যত হয় আৰু কাম প্ৰবৃত্তিৰ উত্তেজনাত নিৰ্লজ্জ ব্যৱহাৰত লিপ্ত হয়। গতিকে মৃত্যু হোৱালৈকে কেতিয়াও সি প্ৰকৃত সুখ লাভ কৰিব নোৱাৰে। হে মৰমৰ বন্ধু সকল ! তোমালোকে কেৱল এই পৃথিৱীত চাৰি দিনৰ অতিথি হৈ আহিছা আৰু তৰা পৰাও বহু সময় অতিবাহিত হৈ গৈছে। গতিকে তোমালোকে তোমালোকৰ প্ৰভুক অসন্তুষ্ট নকৰিবা। যদি তোমালোকৰ তুলনাত অধিক শক্তিশালী কোনো মানৱীয় চৰকাৰ তোমালোকৰ ওপৰত অসন্তুষ্ট হয় তেন্তে সেই চৰকাৰে তোমালোকক ধ্বংস কৰি দিব পাৰে। সেয়ে তোমালোকে এবাৰ চিন্তা কৰি চোৱা, খোদা তা'লাৰ অসন্তুষ্টিৰ পৰা তোমালোকে কেনেকৈ ৰক্ষা পাবা ? যদি তোমালোকে খোদা তা'লাৰ দৃষ্টিত মুত্তাকী (খোদা ভীৰু) হিচাপে গন্য হোৱা তেন্তে কোনেও তোমালোকক ধ্বংস কৰিব নোৱাৰে। খোদা তা'লাই নিজেই তোমালোকক ৰক্ষা কৰিব আৰু যি শত্ৰুয়ে তোমালোকৰ প্ৰাণ লোৱাৰ চেষ্টা চলাই আছে সি তোমালোকৰ ক্ষতি সাধন কৰিব নোৱাৰে। অন্যথা তোমালোকৰ প্ৰাণ ৰক্ষা কৰোঁতা কোনো নাই; তোমালোকে শত্ৰুৰ ভয়ত বা অন্যান্য ভয়ত নিপতিত হৈ অশান্তিৰ জীৱন কটাব লাগিব আৰু তোমালোকৰ জীৱনৰ অন্তিম সময়খিনি অতি দুখ আৰু ক্ষোভত পাৰ হ'ব। খোদা তা'লা সিহঁতৰহে আশ্ৰয়দাতা হয় যিসকলে তাৰ হয় গতিকে খোদা তা'লাৰ ফালে আগুৱাই আহা আৰু

তাৰ প্ৰতি থকা সকলে বিৰোধ ভাৱ পৰিহাৰ কৰা। তাৰ প্ৰতি থকা কৰ্তব্যত শিথিলতা নকৰিবা, তাৰ বান্দা সকলক মূখ অথবা হাতেৰে অন্যায় সাধন নকৰিবা*, আৰু তাৰ সৰগৰ দুৰ্যোগ বা শাস্তিক ভয় কৰি থাকা, এয়াই হ'ল মুক্তিৰ উপায়।

হে মুছলামন আলিমসকল ! মোক মিছলীয়া সাব্যস্ত কৰিবলৈ চেষ্টা নকৰিবা কাৰণ এনে বহুত ৰহস্য আছে যিবিলাক মানুহে অতি সোনকালেই উপলব্ধি বা উৎঘাটন কৰিব নোৱাৰে। কথা এটা শুনাৰ লগে লগেই সেয়া বাতিল কৰিবলৈ চেষ্টা নকৰিবা, কাৰণ এয়া তাকৱা বা ধৰ্ম নিষ্ঠাৰ পৰিচায়ক নহয়। তোমালোকৰ মাজত যদি ভ্ৰান্তিয়ে দেখা নিদিলেহেঁতেন আৰু তোমালোকে যদি হাদীছৰ ভুল অৰ্থ মকৰিলাহেঁতেন তেন্তে ন্যায় বিচাৰক

*__টোকা ঃ__ যিজনে মানৱ জাতিৰ মাজত ক্ৰোধ বিস্তাৰ কৰে,তেওঁ ক্ৰোধৰ দ্বাৰাই ধ্বংস হৈ যায়। এই কাৰণেই খোদা তা'লা চুৰা ফাতিহাত ইহুদী সকলৰ নাম (কোপগ্ৰস্ত) বুলি উল্লেখ কৰিছে। ইয়াতে সেই কথাৰ প্ৰতি আঙুলিয়াই দিয়া হৈছে যে কিয়ামতৰ দিনাখন প্ৰত্যেকজন পাপী খোদা তা'লাৰ কোপৰ (শাস্তিৰ) সোৱাদ ল'ব লাগিব। কিন্তু যিজনে অন্যায় ভাৱে জগতত ক্ৰোধ প্ৰদৰ্শন কৰি থাকে সি ইহজগততেই ঐশ্বৰিক শাস্তিৰ সোৱাদ লৈ থাকে। ইহুদী সকলৰ তুলনাত খৃষ্টান সকলৰ ফালৰ পৰা জগতত সিমান ক্ৰোধ প্ৰকাশ পোৱা নাই; সেয়ে ছুৰা ফাতিহাৰ মাজত সিহঁতৰ নাম اَلضَّآلِّيْنَ (পথভ্ৰষ্ট) ৰখা হৈছে। اَلضَّآلِّيْنَ শব্দটোৰ দুটা অৰ্থ আছে যে সিহঁতে বিলীন হৈ যাব। মোৰ মতে এয়া সিহঁতৰ বাবে এক হিচাপে এটা সুসংবাদ যে কোনো এটা সময়ত গৈ সিহঁতে মিছা ধৰ্ম এৰি ইছলাম ধৰ্ম গ্ৰহণ কৰিব আৰু ক্ৰমান্বয়ে অংশীবাদিতা মূলক ধৰ্মমত আৰু অনিষ্টকৰ বা লজ্জাজনক ৰীতি-নীতি পৰিহাৰ কৰি মুছলমানৰ দৰে একত্ববাদী হৈ যাব। মূল কথা হ'ল اَلضَّآلِّيْنَ শব্দই ছুৰা ফাতিহাৰ শেষ ভাগত বিপদগামিতা সুচায় আৰু বেলেগ অৰ্থত বিলীন হৈ যোৱা বুজায়। য'ত খৃষ্টান সকলৰ ভৱিষ্যত ধৰ্ম জীৱন সম্পৰ্কে এটা ভৱিষদ্বাণী নিহিত হৈ আছে।

হিচাপে যিজন মছীহ মাওউদ আগমনৰ কথা আছিল; তাৰ আগমনেই অৰ্থহীন হ'লহেঁতেন।

তোমালোকক সতৰ্ক কৰিবলৈ তোমালোকৰ অতীতত এটা ঘটনা সংগঠিত হৈছে। যি বিষয়টোলৈ তোমালোকে জোৰ দি আছা, আৰু যিটো বাট তোমালোকে বাছি লৈছা, ইহুদী সকলেও সেই একেই বাট ধৰিছিল। অৰ্থাৎ তোমালোকে যেনেকৈ হজৰত ঈছা (আঃ)ৰ দ্বিতীয়বাৰ আগমন হোৱাৰ অপেক্ষা কৰি আছা, ঠিক এনেদৰেই ইহুদী সকলেও হজৰত ইলিয়াছ (আঃ)ৰ দ্বিতীয়বাৰ আগমন হোৱাৰ অপেক্ষাত ৰৈ আছিল। তেওঁলোকে কৈ থাকিছিল যে মছীহ তেতিয়াহে আহিব যেতিয়া তাৰ আগতে ইলিয়াছ নবী দ্বিতীয়বাৰ পৃথিৱীত আগমন কৰিব আৰু যিজনে ইলিয়াছৰ দ্বিতীয়বাৰ আগনৰ আগতেই মছীহ হোৱাৰ দাবী কৰিব, তেওঁ এজন মিছলীয়া বুলি গন্য হ'ব। তেওঁলোকে কেৱল হাদীছ সমূহৰ ভিত্তিত এনেকুৱা ধাৰণা পোষণ কৰা নাছিল, বৰং ইয়াৰ সমৰ্থনত ঐশ্বৰিক গ্ৰন্থ মালাকী নবীৰ কিতাপও আগবঢ়াইছিল। কিন্তু হজৰত ঈছা (আঃ)য়ে যেতিয়া নিজকে ইহুদীসকলৰ মছীহ হোৱাৰ দাবী কৰিলে, আৰু সেই দাবীৰ চৰ্ত অনুযায়ী হজৰত ইলিয়াছ আকাশৰ পৰা নামি নাহিল; তেতিয়া ইহুদী সকলে এই ধৰ্ম বিশ্বাস ভ্ৰান্ত বুলি ধাৰণা কৰিছিল। এনেকি ইলিয়াছ নবী সশৰীৰে আকাশৰ পৰা নামি অহাৰ যি ধাৰণা ইহুদী সকলৰ মাজত প্ৰচলিত আছিল; অৱশেষত ইয়াৰ অৰ্থ এয়া প্ৰকাশিত হ'ল যে ইলিয়াছৰ চৰিত্ৰ আৰু গুণ বিশিষ্ট বেলেগ কোনো এজন ব্যক্তি আৱিৰ্ভূত হ'ব। যিজন ঈছা (আঃ)ক দ্বিতীয়বাৰ আকাশৰ পৰা নমাই আছে, সেই ঈছা (আঃ)য়েই নিজে এই অৰ্থ প্ৰকাশ কৰিছে। গতিকে তোমালোকৰ আগতে ইহুদী সকলে যি ঠাইত উজুটি খাইছিল, তোমালোকে কিয় সেই ঠাইতেই উজুটি খাই আছা ? তোমালোকৰ দেশত শত সহস্ৰ ইহুদী বৰ্তমানেও আছে। তোমালোকে সিহঁতক সুধি চোৱা যে তোমালোকে যি বিশ্বাস

প্ৰকাশ কৰি আছা ইহুদী সকলেও এনেকুৱা বিশ্বাস পোষণ কৰে নে নাই ?

গতিকে যিজনা খোদা ঈছা (আঃ) ৰ নিমিত্তে ইলিয়াছ নবীক আকাশৰ পৰা দ্বিতীয়বাৰ পৃথিৱীত অৱতীৰ্ণ কৰা নাই যাৰ ফলত ঈছা (আঃ)য়ে ইহুদীসকলৰ সন্মুখত এই সম্পৰ্কে ব্যাখ্যাৰ সহায় ল'ব লগা হৈছিল। সেইজনা খোদাই তোমালোকৰ বাবে কেনেকৈ ঈছা (আঃ)ক আকাশৰ পৰা নমাই পঠিয়াব ? যিজনক তোমালোকে দ্বিতীয়বাৰ পৃথিৱীলৈ অৱতীৰ্ণ কৰোৱাবলৈ লৈছা, পক্ষান্তৰে তাৰেই সিদ্ধান্ত তোমালোকে অগ্ৰাহ্য কৰিবলৈ লৈছা। যদি ইয়াতে সন্দেহ আছে আৰু সিহঁতৰ ইঞ্জিল গ্ৰন্থখনও বৰ্তমান আছে, সিহঁতক সুধি লোৱা যে সঁচাকৈয়ে হজৰত ঈছা (আঃ)য়ে এয়া কৈছিল নে নাই যে ইউহান্না অৰ্থাৎ ইয়াহিয়া (আঃ) য়েই সেই ইলিয়াছ (আঃ) যাৰ দ্বিতীয়বাৰ এইখন পৃথিৱীলৈ আগমন কৰাৰ কথা আছিল। এই কথাখিনিৰে হজৰত ঈছা (আঃ)য়ে ইহুদী সকলৰ পুৰণি আশা বাতিল কৰি দিছিল। এতিয়া যদি এয়া জৰুৰী হয় যে হজৰত ঈছা (আঃ)য়েই আকাশৰ পৰা নামি আহিব; তেন্তে এনেকুৱা অৱস্থাত হজৰত ঈছা (আঃ) এজন সঁচা নবী বুলি প্ৰতিপন্ন হ'ব নোৱাৰে। কাৰণ আকাশৰ পৰা প্ৰত্যাৱৰ্তন কৰিব পৰা যদি আল্লাহৰ বিধানৰ অন্তৰ্ভুক্ত হয় তেন্তে ইলিয়াছ নবী কিয় প্ৰত্যাবৰ্তন কৰা নাই ? আৰু কিয় এই ক্ষেত্ৰত ইয়াহিয়া (আঃ)ক ইলিয়াছ (আঃ) সাব্যস্ত কৰি ব্যাখ্যাৰ আশ্ৰয় লোৱা হৈছিল ? জ্ঞানী সকলৰ নিমিত্তে এয়া চিন্তনীয় বিষয়।

ইয়াৰ ওপৰি আপোনালোকৰ বিশ্বাস অনুযায়ী যি কামৰ উদ্দেশ্যে মছীহ ইবনে মৰিয়ম আকাশৰ পৰা নামি আহিব, সেয়া হ'ল মাহদীৰ লগত মিলি মানুহক বলপূৰ্বক ভাৱে মুছলমান বনাবলৈ যুদ্ধ কৰিব। এয়া এনেকুৱা এটা আকীদা (বিশ্বাস) যিটো ইছলামৰ অপবাদৰ কাৰণ। কোৰাণ চৰিফৰ কোনটো আয়াতত উল্লেখ আছে যে ধৰ্মৰ ক্ষেত্ৰত বল প্ৰয়োগ কৰা সঙ্গত আছে ? বৰং আল্লাহ তা'লা কোৰাণ চৰিফত কৈছে,

(2:257) لَآ اِكْرَاهَ فِي الدِّيْنِ

ধৰ্মত বল প্ৰয়োগ কৰিব নোৱাৰে। (চুৰা বাকাৰা আয়াত ২৫৭)
তেন্তে এনে ক্ষেত্ৰত মছীহ ইবনে মৰিয়মক বল প্ৰয়োগৰ অধিকাৰ কেনেকৈ দিয়া হ'ব? এনেকি ইছলাম গ্ৰহণ নকৰিলে তাক হত্যা কৰাৰ বাহিৰে জিজিয়া (কৰ) তেওঁ গ্ৰহণ নকৰিব। কোৰাণ চৰিফৰ কোনখন ঠাইত, কোনটো পাৰাত আৰু কোনটো ছুৰাত এনেকুৱা শিক্ষা আছে* ?

কোৰাণ কৰিমে বাৰে বাৰে কৈ আছে যে ধৰ্মত বল প্ৰয়োগ কৰিব নোৱাৰে আৰু স্পষ্ট ভাৱে ঘোষণা কৰি আছে যে আঁ-হজৰত (ছাঃ)ৰ সময়ত যি সকল লোকৰ সৈতে যুদ্ধ কৰিব লগা হৈছিল, সেয়া বলেৰে সিহঁতক ধৰ্মান্তৰ কৰাৰ উদ্দেশ্যে কৰা হোৱা নাই; বৰং সেয়া আছিল, শাস্তি স্বৰূপ:- অৰ্থাৎ সেই লোক সকলক শাস্তি দিয়াৰ উদ্দেশ্যত যুদ্ধ কৰা হৈছিল কাৰণ তেওঁলোকে বহু সংখ্যক মুছলমানক হত্যা কৰিছিল আৰু বহুতক দেশৰ পৰা খেদি পঠিয়াইছিল আৰু সেই লোক সকলৰ ওপৰত

***টোকা ঃ** যদি কোৱা হয় যে আৰবীয়ান সকলৰ কাৰণে বল প্ৰয়োগ কৰি মুছলমান বনোৱাৰ আদেশ আছিল, তেন্তে কিন্তু এই ধাৰণা কোৰাণ চৰিফৰ পৰা কেতিয়াও প্ৰমাণিত নহয়, বৰং প্ৰমাণিত হয় যে যিহেতু গোটেই আৰব জাতিয়ে আঁ-হজৰত (ছাঃ)ক ভীষণ দুখ কষ্ট দিছিল আৰু বহু সংখ্যক পুৰুষ আৰু মহিলা চাহাবী সকলক নিৰ্মম ভাৱে হত্যা কৰিছিল। আনহাতে যিসকলে তৰোৱালৰ আগৰ পৰা বাচি যাব পাৰিছিল তেওঁলোকে দেশ এৰিব লগা হৈছিল। সেয়ে সেইবিলাক জঘন্য অপৰাধী সকলে খোদা তা'লাৰ দৃষ্টিত হত্যাৰ অপৰাধত শাস্তি পোৱাৰ বাবেই নিহত হোৱাৰ যোগ্য হৈ পৰিছিল। কিন্তু পৰম কৰুণাময় খোদা তা'লাৰ ফালৰ পৰা এয়া সুযোগ দিয়া হৈছিল যে যদি সিহঁতৰ পৰা কোনোবাই মুছলমান হৈ যায়, তেন্তে অতীতৰ অপৰাধৰ শাস্তি স্বৰূপে মৃত্যুদণ্ড পোৱাৰ যোগ্য জনকও ক্ষমা কৰি দিয়া হ'ব। গতিকে বিচাৰ্য্য বিষয় এয়া যে ক'ত এই দয়াৰ মহিমা আৰু ক'ত হ'ল বল প্ৰয়োগ।

অমানসিক অত্যাচাৰ কৰিছিল যেনেকৈ আল্লাহ তা’লা কৈছে,

اُذِنَ لِلَّذِیْنَ یُقٰتَلُوْنَ بِاَنَّهُمْ ظُلِمُوْا ؕ وَ اِنَّ اللّٰهَ عَلٰی نَصْرِهِمْ لَقَدِیْرُۙ۝۴۰

(22:40)

অৰ্থাৎ যিসকল মুছলমানৰ সৈতে কাফিৰ সকলে যুদ্ধ কৰিবলৈ লৈছে তেওঁলোক অত্যাচাৰিত হোৱা বাবেই তেওঁলোকক (কাফিৰ সকলৰ বিৰুদ্ধে) যুদ্ধ কৰাৰ অনুমতি প্ৰদান কৰা হ’ল আৰু খোদা তা’লা তেওঁলোকক সহায় কৰিবলৈ ক্ষমতাশালী (চুৰা হজ্ব আয়াত ৪০)

অথবা সেই বিলাক যুদ্ধ আছিল আত্ম ৰক্ষা মূলকঃ- অৰ্থাৎ যি বিলাক মানুহে ইছলামৰ বিলুপ্তি ঘটাবলৈ চেষ্টা কৰি গৈছিল, নাইবা স্বদেশত ইছলাম প্ৰচাৰত বাধা দিবলৈ অন্যায় ভাৱে বল প্ৰয়োগ কৰিছিল সিহঁতৰ লগত অধিকাৰ সংৰক্ষণৰ বাবে যুদ্ধ কৰা হৈছিল।

অথবা দেশত স্বাধীনতা প্ৰতিষ্ঠাৰ্থে যুদ্ধ কৰা হৈছিল। এই তিনিটা কাৰণ অবিহনে আঁ-হজৰত (ছাঃ) আৰু তেখেতৰ পৱিত্ৰ খলিফা সকলে কোনো যুদ্ধ কৰা নাই; বৰং ইছলামে বেলেগ জাতিৰ ফালৰ পৰা ইমানেই অত্যাচাৰ সহ্য কৰিছে যে বেলেগ কোনো জাতিৰ ইতিহাসত সেই বিলাকৰ দৃষ্টান্ত পোৱা নাযায়। এনেকুৱা অৱস্থাত সেই ঈছা মছীহ আৰু মাহদী ডাঙৰীয়া কেনেকুৱা ব্যক্তি হ’ব যে তেওঁলোকে আহিয়েই মানুহক হত্যা কৰিবলৈ আৰম্ভ কৰিব ? আৰু কোনো আহলে কিতাপৰ পৰা জিজিয়াও গ্ৰহণ নকৰিব। তেন্তে কোৰাণ চৰিফৰ এই আয়াতও বাতিল কৰি পেলাব

حَتّٰی یُعْطُوا الْجِزْیَةَ عَنْ یَّدٍ وَّ هُمْ صٰغِرُوْنَ

(9:29)

অৰ্থাৎ যেতিয়ালৈকে সিহঁতে বশ্যতা স্বীকাৰ নকৰে, নিজ হাতেৰে জিজিয়া প্ৰদান নকৰে।

এয়া দ্বীনে ইছলামৰ বাবে কেনেকৈ সহায়ক হ’ব যে (সি) আহিয়েই

কোৰাণৰ সেই আয়াতবোৰ বাতিল কৰি পেলাব, যিবিলাক আয়াত আঁ-হজৰত (ছাঃ)ৰ সময়ত ৰহিত (বাতিল )হোৱা নাই আৰু ইমানবোৰ সাল-সলনি হোৱা সত্ত্বেও খাতামে নবুয়তৰ কোনো ব্যাঘাত নঘটিব ?

বৰ্তমানলৈ নবুয়তৰ যুগৰ ১৩ শ বছৰ অতিবাহিত হৈ গৈছে আৰু আভ্যন্তৰীণ ভাৱে ইছলাম ৭৩ ৰ অধিক ফিৰকাত বিভক্ত হৈ পৰিছে। গতিকে প্ৰকৃত মছীহৰ কাম এয়াই হোৱা উচিত যে তৰোৱালৰ সলনি তেখেতে যুক্তি প্ৰমাণৰ জৰিয়তে মানৱ হৃদয় জয় কৰে আৰু সোণ, ৰূপ, পিতল বা কাঠেৰে নিৰ্মিত ক্ৰুছ বিলাক ভাঙি পেলোৱাৰ সলনি ঘটনামূলক আৰু সঠিক প্ৰমাণ আদিৰে খৃষ্টান ধৰ্ম মতক ধ্বংস কৰি দিয়ে। যদি তোমালোকে বল প্ৰয়োগ কৰাত নামি যোৱা তেন্তে তোমালোকৰ এই বল প্ৰয়োগে প্ৰমাণ দিব যে তোমালোকৰ ওচৰত নিজৰ সত্যতাৰ কোনো প্ৰমাণ নাই*। প্ৰত্যেক অজ্ঞ আৰু অত্যাচাৰী ব্যক্তিয়ে যেতিয়া দলিল প্ৰমাণৰ আগত হাৰি যায় তেতিয়া তেওঁ তৰোৱাল বা বন্দুকৰ ফালে হাত আগবঢ়ায়। কিন্তু এনেকুৱা ধৰ্ম কোনোমতেই খোদা তা'লাৰ প্ৰেৰিত ধৰ্ম হ'ব নোৱাৰে। যিয়ে তৰোৱালৰ সহায় বিহনে বেলেগ উপায়েৰে প্ৰসাৰ লাভ কৰিব নোৱাৰে।

যদি তোমালোকে এনে ধৰণৰ জিহাদৰ পৰা ক্ষান্ত হ'ব নোৱাৰা আৰু এই পন্থা অৱলম্বন কৰি ক্ৰোধান্বিত হৈ সজ পৰায়ণ ব্যক্তি সকলৰ

---

*টোকা ঃ আল মিনাৰ পত্ৰিকাৰ সম্পাদকৰ দৰে কোনো কোনো অজ্ঞ লোকে মোৰ বিৰুদ্ধে আপত্তি উত্থাপন কৰি থাকে যে এইজনা ব্যক্তি ইংৰাজৰ ৰাজ্যত বাস কৰে বুলিহে জিহাদ (ধৰ্ম যুদ্ধ) নিষেধ কৰে। এই মূৰ্খ সকলে ইখিনি কথা বুজি নাপায় যে যদি মই মিছা কথাৰ দ্বাৰা এই গভৰ্ণমেণ্টক সন্তুষ্ট কৰিব বিচাৰিলো হয় তেন্তে মই কিয় বাৰে বাৰে এয়া প্ৰকাশ কৰিলোঁ হয় যে ঈছা ইবনে মৰিয়ম (আঃ)য়ে ক্ৰুছৰ পৰা মুক্তি লাভ কৰি স্বাভাৱিক অৱস্থায় (কাশ্মীৰৰ অন্তৰ্গত) শ্ৰীনগৰত প্ৰাণ ত্যাগ কৰিছে। তেখেত খোদাও নাছিল আৰু খোদাৰ পুত্ৰও নাছিল। ধৰ্মপ্ৰাণ ইংৰাজ সকলে মোৰ এই উক্তিত অসন্তুষ্ট নহ'বনে ?

নাম দাজ্জাল আৰু মুলহিদ (নাস্তিক) ৰাখা তেন্তে মই এই দুটা বাক্যৰ শেষতে এই বক্তব্য শেষ কৰিম।

قُلۡ یٰۤاَیُّهَا الۡکٰفِرُوۡنَ ۙ﴿۲﴾ لَاۤ اَعۡبُدُ مَا تَعۡبُدُوۡنَ ۙ﴿۳﴾

(109:2-3)

**চলিত টোকা ঃ** গতিকে হে নিৰ্বোধ লোক সকল! শুনি লোৱা মই এই চৰকাৰক কোনো ধৰণৰ চাটু কাৰিতা নকৰোঁ, বৰং প্ৰকৃত কথাটো হ'ল এয়া যে চৰকাৰে ইছ্লাম ধৰ্মৰ ওপৰত আৰু ধৰ্মীয় ৰীতি-নীতিৰ ওপৰত কোনো ধৰণৰ হস্তক্ষেপ নকৰে আৰু নিজা ধৰ্মৰ উন্নতিকল্পে আমাৰ ওপৰত তৰোৱাল নচলায়; এনে চৰকাৰৰ বিৰুদ্ধে ধৰ্ম যুদ্ধ চলোৱা কোৰাণ চৰিফৰ শিক্ষানুযায়ী নিষিদ্ধ; কাৰণ সিহঁতেও কোনো ধৰ্ম যুদ্ধ নকৰে। সিহঁতৰ শলাগ লোৱা আমাৰ বাবে এই কাৰণেই কৰণীয় যে আমি আমাৰ কাম মক্কা মদিনাতও কৰিব নোৱাৰিলো হয়। কিন্তু সিহঁতৰ ৰাজত্বৰ অধীনত আমি সেয়া কৰিব পাৰিছোঁ। খোদা তা'লাৰ এয়া এক গভীৰ প্ৰজ্ঞা আছিল যে সি মোক এই দেশত জন্ম গ্ৰহণ কৰোৱাইছে। গতিকে মই খোদা তা'লাক অসন্মান কৰিম নে ? যেনেকৈ কোৰাণ চৰিফৰ এই আয়াতত,

وَ اٰوَیۡنٰهُمَاۤ اِلٰی رَبۡوَۃٍ ذَاتِ قَرَارٍ وَّ مَعِیۡنٍ ﴿۵۱﴾

(23:51)

আল্লাহ তা'লা আমাক বুজাই আছে যে ক্ৰুছৰ ঘটনাৰ পিছত আমি ঈছা মছীহক ক্ৰুছৰ পৰা ৰক্ষা কৰি তেওঁক আৰু তাৰ মাতৃক এনেকুৱা এখন মালভূমি অঞ্চলত স্থান দিছিলো যি বৰ আৰামদায়ক আছিল আৰু য'ত নিজৰা প্ৰবাহিত হৈ আছিল। অৰ্থাৎ শ্ৰীনগৰ কাশ্মীৰ। ঠিক তেনেকৈয়ে খোদা তা'লা মোক এই গভৰ্ণমেণ্ট ৰূপী উচ্চ মালভূমিত স্থান দিছে; য'ত শত্ৰুৰ হাতে ঢুকি নাপায়, যি ঠাইডোখৰ বৰ আৰামদায়ক। এইখন দেশত প্ৰকৃত জ্ঞানৰ উৎস প্ৰবাহিত হ'বলৈ লৈছে আৰু উৎপীড়ন কাৰী সকলৰ আক্ৰমণৰ পৰা নিৰাপদ আৰু শান্তিপূৰ্ণ। গতিকে এনে গভৰ্ণমেণ্টৰ উপকাৰত শলাগ লোৱা আমাৰ কৰ্তব্য নহয় নে ?

অৰ্থাৎ তুমি কোৱা হে কাফিৰ সকল ! মই তেনেকৈ উপাসনা নকৰো যেনেকৈ তোমালোকে উপাসনা কৰা।

আভ্যন্তৰীণ কলহ বিবাদৰ আৰু বিভাজন বিৰোধীতাৰ যুগত কাল্পনিক মছীহ আৰু মাহদীয়ে কোন বিলাক লোকৰ ওপৰত তৰোৱাল প্ৰয়োগ কৰিব ? ছুন্নী সকলৰ অভিমত অনুযায়ী ছিয়া সকলে ইয়াৰ যোগ্য নহয়নে যে সিহঁতৰ ওপৰত তৰোৱাল প্ৰয়োগ কৰিব পৰা যায়। আনহাতে ছিয়া সকলৰ বিবেচনা মতে ছুন্নী সকল এনেকুৱা নহয় নে যে সিহঁতক তৰোৱালেৰে নিচিহ্ন কৰিব পৰা যায় ? যিহেতু তোমালোকৰ আভন্তৰীণ দল বিলাকেই যাৰ নিজৰ নিজৰ ধৰ্ম বিশ্বাস অনুযায়ী শাস্তি পোৱাৰ যোগ্য তেন্তে এনে অৱস্থাত তোমালোকে কাৰ সৈতে জিহাদ কৰিবা ? কিন্তু এয়া মনত ৰাখিবা, খোদা তৰোৱালৰ মুখাপেক্ষী নহয়। সি তাৰ ধৰ্মক ঐশ্বৰিক নিদৰ্শনৰ জৰিয়তে ধৰাধামত বিস্তাৰ লাভ কৰাব আৰু কোনেও সেয়া প্ৰতিৰোধ কৰিব নোৱাৰিব। মনত ৰাখিবা ঈছা (আঃ) আৰু কেতিয়াও আকাশৰ পৰা পৃথিৱীত অৱতৰণ নকৰে কাৰণ

(5:118) فَلَمَّا تَوَفَّيْتَنِي

যেতিয়া তুমি মোৰ মৃত্যু ঘটালা (চুৰা আল মাইদা আয়াত ১১৮)

তেওঁ এই আয়াতাংশৰ মূলভাৱ অনুযায়ী কিয়ামতৰ দিনাখন যে নিজে অস্বীকাৰ কৰিব, সেয়া স্পষ্ট ভাৱে এই কথাখিনিৰ মাজত আভাষ পোৱা যায় যে তেওঁ দ্বিতীয়বাৰ আৰু পৃথিৱীত আগমন নকৰিব আৰু কিয়ামতৰ দিনা তেওঁৰ আপত্তি এয়াই হ'ব যে খৃষ্টান সকলে পথভ্ৰষ্ট হোৱা সম্পৰ্কে তেওঁ একো নাজানে। যদি কিয়ামত সংগঠিত হোৱাৰ আগত আকৌ তেওঁ পৃথিৱীলৈ আহিলেহেঁতেন তেন্তে তেওঁ এই উত্তৰ দিব পাৰিবনে যে খৃষ্টান সকলে পথভ্ৰষ্ট হোৱা সম্পৰ্কে তেওঁ নাজানে ? গতিকে এই আয়াতত তেওঁ স্পষ্ট ভাৱে স্বীকাৰ কৰিছে যে সি দ্বিতীয়বাৰ আৰু পৃথিৱলৈ যোৱা নাই। যদি কিয়ামত সংগঠিত হোৱাৰ আগত তেওঁৰ পৃথিৱীলৈ আহিবলগা


হ'লহেঁতেন আৰু একেলেথাৰিয়ে চল্লিছ বছৰ পৃথিৱীত বাস কৰিব লগা হ'লহেঁতেন তেন্তে তেওঁ খোদা তা'লাৰ আগত এয়া মিছা মাতিব লগা হ'ব যে তেওঁ খৃষ্টান সকলৰ অৱস্থা সম্পৰ্কে একো নাজানে; বৰং তেওঁৰ এয়া কোৱাটো উচিত হ'ব যে দ্বিতীয়বাৰ আগমনৰ সময় ছোৱাত মই পৃথিৱীত প্ৰায় চল্লিছ কোটি খৃষ্টান পাইছো, সিহঁতৰ সকলোকেই লগ পাইছোঁ আৰু সিহঁতৰ বিপথগামিতা সম্পৰ্কে মই ভালদৰে জানো, মই দেখোন পুৰস্কাৰ পোৱাৰ যোগ্য কাৰণ খৃষ্টান সকলক মই (তৰোৱালেৰে) মুছলমান বনাইছো আৰু ক্ৰুছ বিলাক ভাঙি পেলাইছো। মই নাজানো এনেকুৱা কথা কোৱাটো ঈছা (আঃ)ৰ পক্ষে কিমান ডাঙৰ মিছা কোৱা হ'ব।

মুঠতে কথা হ'ল কোৰাণ চৰিফৰ উক্ত আয়াতত স্পষ্ট ভাৱে ঈছা (আঃ)ৰ এই স্বীকৃতি বিদ্যমান যে তেওঁ আৰু দ্বিতীয় বাৰৰ বাবে পৃথিৱীত অৱতৰণ নকৰে, বৰং এয়াই সত্য কথা যে মছীহ ইবনে মৰিয়মৰ মৃত্যু হৈছে, কাশ্মীৰৰ শ্ৰীনগৰ চহৰত থকা খানইয়াৰ এলেকাত তেওঁৰ সমাধি বিদ্যমান আছে*।

(এয়া কেনেকুৱা কথা) খোদা তা'লা নিজে পৃথিৱীত অৱতৰণ কৰিব, আৰু যিসকলে সত্যৰ বিৰুদ্ধে সংগ্ৰাম কৰে, তেওঁলোকৰ বিৰুদ্ধে সি যুদ্ধ কৰিব। খোদা তা'লাই যুদ্ধ কৰাটো আপত্তিজনক নহয়, কাৰণ সেয়া নিদৰ্শন স্বৰূপ হ'ব, কিন্তু মানুহে যুদ্ধ কৰাটো আপত্তিজনক, কিয়নো সেয়া বল প্ৰয়োগ কৰাহে

***টোকা ঃ** এজন ইহুদীয়েও এয়া স্বীকৃতি দিছে যে শ্ৰীনগৰৰ উল্লেখযোগ্য এই সমাধি ইহুদী নবী সকলৰ সমাধিৰ দৰেই বনোৱা হৈছে।

## شهد شاهد من بنی اسرائیل


[illegible]

میں شہادت دیتا ہوں کہ میں نے دیکھا ایک نقشہ پاس مرزا غلام احمد

[illegible]

صاحب قادیانی اور تحقیق وہ صحیح ہے قبر بنی اسرائیل کی قبروں میں سے

[illegible]

اور وہ ہے بنی اسرائیل کے اکابر کی قبروں میں سے

[illegible]

میں نے دیکھا یہ نقشہ آج کے دن جب لکھی

[illegible]

میں نے یہ شہادت بماہ انگریزی جون ۱۲ ۱۸۹۹ء

[illegible]

سلمان یوسف یسحاق تاجر

[illegible]

سلمان یہودی نے میرے رو برو

ריברו יה שהדת לכי מפתי מחמד צדק

یہ شہادت لکھی ۔ مفتی محمد صادق بھیروی

כרוי כלרך דפתר אכונטנט גנרל לחר

کلرک دفتر اکونٹنٹ جنرل لاہور

اشهد باللّٰه ان هذا الکتاب کتبه سلمان ابن یوسف و انه رجل من اکابر بنی اسرائیل.

**دستخط:** سید عبد اللّٰه بغدادی

পৰিতাপ ! সেই বিলাক মৌলবী সকলৰ প্ৰতি যদি সিহঁতৰ মাজত সততা বা সাধুতা থাকিল হয়, তেন্তে ধৰ্ম ভীৰুতাৰ ক্ষেত্ৰত সকলো ধৰণৰ সন্দেহ (অজ্ঞতা) দূৰ কৰি ললেহেঁতেন। খোদা তা'লা পুণ্যবান সকলৰ সকলো সন্দেহ আঁতৰাই দিছে, কিন্তু সেইবিলাক লোক যি সকলে আবু জাহিলৰ মাটিৰে গঠিত তেওঁলোকে সেই বাট ধৰিব, যিটো আবু জাহিলে ধৰিছিল। মিৰাটৰ পৰা এজন মৌলবী মহাশয়ে ৰেজিষ্ট্ৰাৰ পত্ৰ প্ৰেৰণ কৰি জনাইছে যে অমৃতছৰত নদওয়াতুল উলমা সম্মিলন অনুষ্ঠিত হ'ব, তাত আহি বেহেচ (যুক্তি তৰ্ক) কৰা উচিত। কিন্তু ইয়াতে উল্লেখ থাকিল যে যদি এই বিৰুদ্ধবাদী সকলৰ পৰিকল্পনা ভাল হ'লহেঁতেন আৰু জয়-পৰাজয়ৰ চিন্তা মনত (কূটকুটাই) নাথাকিলেহেঁতেন তেন্তে সিহঁতৰ নিজৰ সান্ত্বনাৰ উদ্দেশ্যে এই নদওয়াৰ কি প্ৰয়োজন আছে ? আমি নদওয়াৰ আলিম সকলক অমৃতসৰৰ আলিমৰ পৰা পৃথক বুলি নাভাৱো। সিহঁতৰ সকলোৰে ধৰ্ম আৰু ধ্যান-ধাৰণা একেই, সিহঁতৰ সকলোৰে এটাই শ্ৰেণী আৰু সকলোৰেই একে প্ৰকৃতিৰ। ইচ্ছা কৰিলে সকলোৰেই কাদিয়ানলৈ আহিব পাৰে, কিন্তু কোনো ধৰণৰ বেহেছ কৰিবলৈ নহয় বৰং কেৱল সত্য অনুসন্ধান কৰাৰ অৰ্থে মোৰ বক্তব্য শুনি ল'ব পাৰে। যদি কোনো সন্দেহ হয়, তেন্তে সেয়া বিনয়, শিষ্টাচাৰৰ সৈতে নিজৰ সন্দেহ দূৰ কৰি ল'ব পাৰে আৰু যিমান দিনলৈকে তেওঁলোকে কাদিয়ানত অৱস্থান কৰিব অতিথি হিচাপে বিবেচিত হ'ব। আমাৰ নদওয়া আদিৰ আৱশ্যক নাই আৰু সিহঁতৰ ওচৰত যোৱাৰও কোনো প্ৰয়োজন নাই। এওঁলোক সকলোৰেই সত্যৰ শত্ৰু, কিন্তু সত্য পৃথিৱীত বিস্তাৰ লাভ কৰিয়ে আছে। এয়া খোদা তা'লাৰ মহান মু'জিজা (অলৌকিক ক্ৰিয়া) নহয়নে যে সি আজিৰ পৰা বিছ বছৰ আগত বৰাহিনে আহমদীয়া গ্ৰন্থত নিজৰ ইলহামৰ দ্বাৰা প্ৰকাশ কৰিছিল যে মানুহে তোমাৰ অকৃতকাৰ্যতাৰ বাবে বৰ চেষ্টা কৰিব আৰু শেষলৈকে শক্তি প্ৰয়োগ কৰিব, কিন্তু পৰিণামত মই তোমাক এটা বৃহৎ জমাতত

পৰিণত কৰিম ? এয়া সেই সময়ৰ ঐশ্বৰিক বাণী যেতিয়া এজন লোকও মোৰ লগত নাছিল। ইয়াৰ পিছ্‌ত মোৰ দাবী প্ৰকাশ কৰাৰ লগে লগে বিৰুদ্ধবাদী সকলে মোৰ ওপৰত শেষ সময়লৈকে শক্তি প্ৰয়োগ কৰি গৈছে। কিন্তু তাৰ পৰিণামত উপৰোক্ত ভৱিষ্যতবাণী অনুযায়ী এই ছিলছিলা বিস্তাৰ লাভ কৰি গৈছে আৰু বৰ্তমানে আজিৰ তাৰিখত ব্ৰিটিছ্‌ ভাৰতে এই জমাতৰ লোকৰ সংখ্যা এক লাখৰও বেছি। নদওয়াতুল উলমা সকলৰ যদি মৰণ ভয় থাকে তেন্তে বৰাহীনে আহমদীয়া আৰু চৰকাৰী নথি পত্ৰ চাই কওঁক যে এয়া মজিজা হয় নে নহয়। গতিকে যিহেতু কোৰাণ আৰু মজিজা দুয়োটাই উল্লেখ কৰা হৈছে, ইয়াত আৰু বেহেছৰ কি প্ৰয়োজন আছে ?

এনেদৰে এই দেশৰ গদ্দী-নশীন (পীৰৰ আসনত উপবিষ্ট) আৰু পীৰৰ পুত্ৰ-পুত্ৰী সকলে ধৰ্মৰ সৈতে এনেকুৱা সম্পৰ্কহীন আৰু দিনে ৰাতি নৱ প্ৰৱৰ্তিত বিদাআতৰ অনুষ্ঠানত এনেদৰে লিপ্ত হৈ পৰিছে যে সিহঁতে ইছলামৰ বিপদাৱলী সম্পৰ্কে একো খবৰ নাৰাখে। সিহঁতৰ বৈঠকত যদি যায় তেন্তে তাত কোৰাণ, হাদীছ গ্ৰন্থ বিলাকৰ সলনি বিভিন্ন ধৰণৰ ঢোল, খোল, হাৰমনিয়াম আৰু গায়ক ইত্যাদি ইছলামৰ নিষিদ্ধ সৰঞ্জাম আদি দেখিবলৈ পাব। এনে পৰিস্থিতি হোৱা সত্বেও সিহঁতে মুছলমান সকলৰ নেতা হোৱাৰ দাবী আৰু নবী (ছাঃ)ক অনুসৰণ কৰাৰ গৰ্ব কৰে। সিহঁতৰ মাজত আকৌ কোনো কোনো জনে মহিলাৰ পোছাক পিন্ধি হাতত জেতুকাৰ ৰং হানে আৰু চুৰি পিন্ধে। সিহঁতে বৈঠকত কোৰাণ পাঠৰ সলনি কবিতা পাঠ কৰা ভাল পায়। এইবিলাক এনেকুৱা পুৰণি বেমাৰ যে এইবোৰ কেনেকৈ দূৰ কৰিব পৰা যাব সেয়া ধাৰণা কৰিব নোৱাৰি। যিয়েই নহওঁক খোদা তা'লায় নিজৰ কুদৰত (মহাশক্তি) প্ৰৰ্দশন কৰিব আৰু ইছলামক সহায় কৰিব।

**টোকা ঃ** দক্ষিন ইটালীৰ বিখ্যাত পত্ৰিকা কেৰিয়াৰ-ডেলাছেৰাত নিম্নলিখিত

বিস্ময়কৰ সংবাদটো প্ৰকাশ কৰিছে।

১৮৭৯ চনৰ ১৩ জুলাই তাৰিখত জেৰুজালেমত কোৰ নামৰ এজন বৃদ্ধ সন্নাসী পৰলোক গমন কৰে। তেওঁ তাৰ জীৱিত কালত এজন বিখ্যাত সাধু বুলি পৰিচিত আছিল। তেওঁ কিছু সম্পত্তিও এৰি থৈ যায়। গৰ্ভণৰে তেওঁৰ উত্তৰাধিকাৰী সকলক বিচাৰি উলিৱাই সিহঁতক দুই লাখ ফ্ৰাঙ্ক (এক লাখ ওঠৰ হাজাৰ সাতশ পঞ্চাছ টকা) বুজাই দিয়ে। এই সম্পত্তি খিনি বিভিন্ন দেশৰ মুদ্ৰাত আছিল আৰু এয়া সেই গুহাত পোৱা গৈছিল, য'ত সন্নাসীজনে বহুদিনলৈকে বাস কৰিছিল। তেওঁৰ উত্তৰাধিকাৰী সকলে সেই টকাৰ সৈতে কিছু নথি পত্ৰও পাইছিল। তেওঁলোকে সেয়া পঢ়িব নোৱাৰাত কেইজমান হিব্ৰু ভাষাবিদ সকলে সেই নথি পত্ৰবোৰ পঢ়াৰ সুযোগ পাইছিল। সেই পণ্ডিত সকলে চাই আচৰিত হৈছিল যে এই কাগজ পত্ৰবোৰ অতি প্ৰাচীন হিব্ৰু ভাষাত লিখিত। সেইবোৰ পঢ়াৰ পিছত নিম্নলিখিত বিষয় বস্তু খিনি তাত লিখা থকা বুলি গম পাইছিল।

(মই) মৰিয়মৰ পুত্ৰ যীশুৰ সেৱক পিত্ৰছ মাহেগীৰ এনেদৰে লোকক খোদা তা'লাৰ নামত নিজৰ ইচ্ছানুযায়ী সম্বোধন কৰি আছোঁ।

উক্ত পত্ৰখন এনেদৰে শেষ হৈছে—

মই পিত্ৰছ মাহেগীৰ যীশুৰ নামত আৰু মোৰ জীৱনৰ ৯০ বছৰ বয়সত এই ভালপোৱাৰ পংক্তিবিলাক মোৰ নেতা আৰু গুৰু যীশু মছীহ (মৰিয়মৰ পুত্ৰ)ৰ মৃত্যুৰ তিনি ঈদ ফাছাহ (অৰ্থাৎ তিনি বছৰ পিছত) প্ৰভুৰ পৱিত্ৰ ঘৰৰ কাষতে থকা বলিয়ৰৰ ঘৰত লিখি যোৱাৰ সিদ্ধান্ত লৈছো।

উক্ত পণ্ডিত সকলে সকলো গমি পিতি চাই এই সিদ্ধান্তত উপনীত হয় যে এই কাগজ পত্ৰ বিলাক পিত্ৰছৰ সময়ৰ পৰাই চলি আহিছে। লণ্ডনৰ বাইবেল ছোচাইটিৰও এয়াই অভিমত। বাইবেল ছোচাইটিয়ে এই নথি পত্ৰ বিলাক ভালদৰে পৰীক্ষা-নিৰীক্ষা কৰি ইয়াৰ মালিকক চাৰি লাখ লিড়া (দুই লাখ পয়ত্ৰিছ হাজাৰ পাঁচ শ টকা)ৰ বিনিময়ত কিনি ল'ব

বিচাৰো, যীশু ইবনে মৰিয়মৰ প্ৰাৰ্থনা

(এওঁলোক দুয়োৰে ওপৰত শান্তি বৰ্ষিত হওঁক)

তেওঁ কৈছে- হে প্ৰভু ! যি বিষয়টো মই বেয়া বুলি ভাৱো সেইটোৰ ওপৰত জয়লাভ কৰাৰ ক্ষমতা মোৰ নাই। সেই পুণ্য মই অৰ্জন কৰিব পৰা নাই, যিটো অৰ্জন কৰিবলৈ মোৰ হৃদয়ত আশা আছিল। বেলেগ লোক সকলে সিহঁতৰ বঁটা সিহঁতে হাতত ল'বলৈ পাইছে। কিন্তু মই পোৱা নাই, মোৰ শ্ৰেষ্ঠত্ব মোৰ কাৰ্য্যতহে নিহিত। মোতকৈ অধিক নিকৃষ্ট অৱস্থাত আৰু কোনেও নাই। হে প্ৰভু ! তুমি সকলোতকৈ উচ্চ। তুমি মোৰ পাপ ক্ষমা কৰি দিয়া। হে মোৰ প্ৰভু ! মই যেন মোৰ শত্ৰু সকলৰ ওচৰত অভিযোগৰ কাৰণ নহওঁ, আৰু মোৰ বন্ধু সকলৰ দৃষ্টিত মোক তুচ্ছ নকৰিবা। এনেকুৱা যেন নহয় যে মোৰ তাকৱা (খোদাৰ প্ৰতি ভয়) মোক বিপদত পেলায়, আৰু এনেকুৱা যেন নহয় যে মোৰ মানসত এই পৃথিৱীখনেই সকলোতকৈ অধিক আনন্দৰ স্থান হৈ পৰে, অথবা সকলোতকৈ ডাঙৰ উদ্দেশ্যৰ বস্তু হয়। এনেকুৱা বিধৰ লোক সকলে যেন মোৰ ওপৰত কৰ্তৃত্ব লাভ নকৰে যে সিহঁতে মোক দয়া নকৰিব। হে প্ৰভু ! তুমি বৰ দয়ালু, নিজৰ দয়াৰ গুণত তুমি এনেকুৱা কৰি দিয়া। তুমি নিশ্চয় এনেকুৱা সকলো লোককেই দয়া কৰি থাকা। যিসকলে তোমাৰ ওচৰত দয়া ভিক্ষা মাগে।

## মহিলাসকলৰ প্ৰতি কিছুমান উপদেশ

আমাৰ মহিলা সকলে এই যুগত কিছুমান বিশেষ বিদা'তত লিপ্ত হৈ পৰিছে। তেওঁলোকে (পুৰুষৰ) একাধিক বিবাহৰ বিধানক অতিকৈ ঘৃণাৰ দৃষ্টিৰে চায়; যেনিবা ইয়াৰ প্ৰতি তেওঁলোকে ঈমানেই নাৰাখে। তেওঁলোকে নেজানে যে খোদা তা'লাৰ বিধানত সকলো ধৰণৰ প্ৰতিকাৰ অৱশ্যেই বিদ্যমান আছে। গতিকে যদি ইছলাম ধৰ্মত বহু বিবাহৰ নিয়ম নাথাকিলেহেঁতেন তেন্তে যিবোৰ অৱস্থাত পুৰুষৰ বাবে দ্বিতীয় বিবাহৰ প্ৰয়োজন হয়, তাত এই চৰিয়তে তাৰ বিকল্প কোনো উপায় দিব নোৱাৰিলেহেঁতেন। যেনেকৈ পত্নী যদি পাগলী হৈ যায়, অথবা কোনো দুৰাৰোগ্য বেমাৰ যেনে কুষ্ঠ ৰোগত আক্ৰান্ত হৈ যায়, নাইবা যদি এনেকুৱা কোনো বেমাৰত আক্ৰান্ত হয় যে যিয়ে তাইক পঙ্গু কৰি পেলায় বা এনে কোনো পৰিস্থিতি হৈ পৰে পত্নী দয়াৰ পাত্ৰী হৈ পৰে আৰু সকলো ফালেৰে অক্ষম হৈ পৰে, এনে ক্ষেত্ৰত পুৰুষ সকলে নিৰুপায় হৈ পৰে; কাৰণ সি অকলে থাকিবলৈ অধৈৰ্য্য হৈ পৰে এনে পৰিস্থিতিত পুৰুষৰ শক্তি সমূহৰ ওপৰত জুলুম কৰা হ'ব যদি তাক দ্বিতীয় বিয়া কৰাবলৈ অনুমতি দিয়া নহয়। প্ৰকৃততে এইবোৰ বিষয়ৰ ওপৰত গুৰুত্ব দি খোদা তা'লাৰ চৰিয়তে পুৰুষ সকলৰ বাবে এই পথটো খোলা ৰাখিছে। আকৌ নিৰুপায় অৱস্থা হলে মহিলা সকলৰ বাবেও পথ খোলা ৰখা হৈছে যে পুৰুষ অক্ষম হৈ পৰিলে বিচাৰকৰ সহায়ত খোলা (বিবাহ বিচ্ছেদ) কৰাই ল'ব পাৰে যি তালাকৰ স্থলৱৰ্তী। খোদা তা'লাৰ চৰিয়ত ঔষধ বিক্ৰেতাৰ দোকান স্বৰূপ। গতিকে দোকান যদি এনেকুৱা নহয় য'ত প্ৰত্যেক বেমাৰৰ ঔষধ পোৱা যায় তেন্তে সেই দোকান চলিব নোৱাৰে। গতিকে চিন্তা কৰি চোৱা, এয়া সঁচা নহয়নে যে পুৰুষৰ বাবেও এনেকুৱা সমস্যা আহি যাব পাৰে যে তেওঁ দ্বিতীয় বিয়া কৰাবলৈ বাধ্য হ'ব লাগে ? তেনেকুৱা চৰিয়ত কোন কামত আহিব, য'ত সকলো সমস্যাৰ সমাধান নাই ? চোৱা ! ইঞ্জিলত তালাকৰ

নিয়ম প্ৰণালীত কেৱল ব্যভিচাৰৰ চৰ্ত আছিল আৰু শ শ প্ৰকাৰৰ অভিযোগ যিয়ে পতি পত্নীৰ মাজত প্ৰাণ নাশী শত্ৰুতাৰ সৃষ্টি কৰি দিয়ে; তাৰ কোনো উল্লেখ নাছিল। সেয়ে খৃষ্টান সম্প্ৰদায়ে এই অসুবিধা সহ্য কৰিব নোৱাৰি অৱশেষত আমেৰিকাত তালাকৰ আইন প্ৰণয়ন কৰিব লগা হৈছে। গতিকে ভাৱি চোৱা ! এই আইনৰ ফলত ইঞ্জিলৰ শিক্ষা কলৈ গৈ পৰিছে ?
হে মহিলাসকল ! চিন্তা নকৰিবা, যিখন গ্ৰন্থ তোমালোকে পাইছা, এয়া ইঞ্জিলৰ দৰে মানুহৰ কাৰুকাৰ্য্যৰ মুখাপেক্ষী নহয় আৰু এই গ্ৰন্থখনত যেনেকৈ পুৰুষৰ অধিকাৰ সংৰক্ষিত আছে ঠিক তেনেকৈ নাৰী অধিকাৰও সংৰক্ষিত কৰা আছে। যদি পত্নীয়ে তাইৰ স্বামীৰ একাধিক বিবাহত অসন্তুষ্ট হয় তেন্তে বিচাৰকৰ অধীনত গৈ খোলা (বিবাহ বিচ্ছেদ) কৰাই ল'ব পাৰে। মুছলমান সকলৰ মাজত যি নানা ধৰণৰ পৰিস্থিতি উদ্ভৱ হোৱাৰ সম্ভাৱনা আছিল, সেয়া নিজৰ চৰিয়তত উল্লেখ কৰি দিয়াটো খোদা তা'লাৰ ফৰজ (অৱশ্য কৰণীয়) আছিল যাতে তাৰ চৰিয়ত অসম্পূৰ্ণ নাথাকে। গতিকে তোমালোকে হে নাৰী সকল ! তোমালোকৰ গিৰিয়েক সকলে দ্বিতীয় বিয়া কৰাবলৈ ইচ্ছা প্ৰকাশ কৰিলে তোমালোকে খোদা তা'লাক দোষাৰোপ নকৰিবা, বৰং তোমালোকে দোৱা কৰিবা, খোদা যেন তোমালোকক বিপদ আৰু পৰীক্ষাৰ পৰা নিৰাপদ ৰাখে। এয়া নিশ্চিত যে যিজনে দুজনী পত্নী বনাই ন্যায় বিচাৰ নকৰে; সি অতি কঠোৰ অত্যাচাৰী আৰু শাস্তি পোৱাৰ যোগ্য।

কিন্তু তোমালোকে নিজে খোদা তা'লাৰ অবাধ্য আচৰণ কৰি ঐশ্বৰিক কোপত পতিত নহ'বা। প্ৰত্যেকেই নিজৰ নিজৰ কাৰ্য্যৰ বাবে প্ৰশ্নৰ সন্মুখীন হ'ব লাগিব। যদি তোমালোকে খোদা তা'লাৰ দৃষ্টিত পুণ্যৱতী হোৱা তেন্তে তোমালোকৰ স্বামীক পুণ্যবান কৰা হ'ব। যদিও চৰিয়তে বিভিন্ন কাৰণত বহু বিবাহ বৈধ বুলি ঘোষণা কৰিছে, তথাপি নিয়তিৰ এক বিধান তোমালোকৰ বাবে উন্মোচন হৈ আছে। চৰিয়তৰ নিয়ম যদি

তোমালোকৰ বাবে অসহনীয় হয়, তেন্তে দোৱাৰ সহায়েৰে নিয়তিৰ বিধানৰ পৰা উপকাৰ গ্ৰহণ কৰা। কাৰণ নিয়তিৰ বিধানে চৰিয়তৰ বিধানৰ উপৰতও প্ৰাধান্য লাভ কৰি থাকে। তাকৱা (খোদা ভীৰুতা) অৱলম্বন কৰা। জগতৰ সৌন্দৰ্য্যত মোহিত নহ'বা। জাতীয় অহংকাৰ নকৰিবা। কোনো মহিলাক ঠাট্টা-বিদ্ৰূপ নকৰিবা। নিজৰ গিৰিয়েকৰ ওচৰত এনেকুৱা কিবা নিবিচাৰিবা যি দিবলৈ তাৰ ক্ষমতাৰ বাহিৰত। চেষ্টা কৰি যোৱা যাতে নিষ্পাপ আৰু পৱিত্ৰ অৱস্থাত কবৰত প্ৰৱেশ কৰিব পাৰা। খোদা তা'লাৰ প্ৰতি থকা কৰ্তব্য নমাজ, ৰোজা, আদিত শিথিল নহ'বা।

মনে প্ৰাণে নিজৰ স্বামীৰ অনুগত হোৱা। তাৰ সন্মানৰ অধিকাংশ তোমাৰ হাতত ৰৈ আছে। গতিকে তোমালোকে নিজৰ নিজৰ এই দায়িত্ব এনে উত্তম ভাৱে পালন কৰা, যাতে খোদা তা'লাৰ সমীপত চালেহও কানেতা (পুন্যৱৰ্তী আৰু ধৈৰ্য্যশীল) বুলি গণ্য হোৱা অপব্যয় নকৰিবা আৰু গিৰিয়েকৰ ধন সম্পদ অন্যায় ভাৱে খৰচ নকৰিবা। বিশ্বাস ঘাতকতা নকৰিবা। চুৰ নকৰিবা, পৰ নিন্দা নকৰিবা, এজনী নাৰীয়ে আন এজনী নাৰী বা এজন পুৰুষৰ ওপৰত মিছা অপবাদ জাপি নিদিবা।

## সমাপ্তি

লিখিত বিৱৰণীত উল্লেখিত সকলোবোৰ উপদেশ মই লিপিবদ্ধ কৰাৰ উদ্দেশ্য হ'ল যাতে মোৰ অনুসৰণকাৰী জমাত তাকৱাৰ ক্ষেত্ৰত উন্নতি লাভ কৰিব পাৰে আৰু যাৰ দ্বাৰা তেওঁলোকে এনে যোগ্যতা অৰ্জন কৰিব পাৰে যে খোদা তা'লাৰ শাস্তি যিবোৰ পৃথিৱীত দেখা দিবলৈ লৈছে, সেইবিলাকে যেন সিহঁতক ঢুকি নাপায় আৰু বৰ্তমানৰ (মছীহ মাওউদ (আঃ)ৰ জীৱিত কালৰ সময় ছোৱা) প্লেগ মহামাৰীৰ প্ৰাদুৰ্ভাবৰ সময়ত বিশেষকৈ সিহঁতক যেন ৰক্ষা কৰা হয়। প্ৰকৃত তাকৱায় (খোদাৰ প্ৰতি ভয়) (হায় ! প্ৰকৃত তাকৱাৰ খুবেই অভাৱ) খোদা তা'লাক সন্তুষ্ট কৰি দিয়ে। আনহাতে খোদা তা'লাই সাধাৰণ ভাৱে নহয় বৰং এক নিদৰ্শন

স্বৰূপেহে প্ৰকৃত মুত্তাকী এজনক বিপদ-আপদৰ পৰা ৰক্ষা কৰে। প্ৰত্যেক অজ্ঞ আৰু প্ৰৱঞ্চক লোকেই মুত্তাকী বুলি নিজকে দাবী কৰে; কিন্তু আচলতে মুত্তাকী হ'ল সেইজন ব্যক্তি যিজনে খোদা তা'লাৰ প্ৰদত্ত নিদৰ্শন অনুযায়ী মুত্তাকী হিচাপে পৰিগণিত হয়। সকলোৱেই ক'ব পাৰে যে আমি খোদা তা'লাক ভাল পাওঁ; কিন্তু আচলতে সেই ব্যক্তি জনেহে খোদা তা'লাক ভাল পায় যাৰ ভালপোৱা ঈশ্বৰে দিয়া প্ৰমাণ অনুযায়ী সাব্যস্ত হয়। প্ৰত্যেকেই কৈ থাকে মোৰ ধৰ্ম সত্য কিন্তু সেইজন ব্যক্তিৰ ধৰ্মহে সত্য যিয়ে এই পৃথিৱীত ঐশ্বৰিক জ্যোতিৰ কিৰণত উদ্ভাসিত হোৱাৰ সৌভাগ্য লাভ কৰে। কিন্তু এই উক্তিৰ ক্ষেত্ৰত সেইজন হ'ল সত্যবাদী যিয়ে ইহজগততে নাজাতৰ জ্যোতি সমূহ দেখিবলৈ পায়।

গতিকে তোমালোকে খোদা তা'লাৰ প্ৰিয় ভাজন হ'বলৈ চেষ্টা চলাই যোৱা, যাতে তোমালোকক প্ৰত্যেকটো বিপদৰ পৰা ৰক্ষা কৰা হয়। পৰিপূৰ্ণ মুত্তাকী জনক প্লেগৰ পৰা বচোৱা হ'ব; কাৰণ তেওঁ খোদা তা'লাৰ আশ্ৰয়ত আছে গতিকে তোমালোকে পূৰ্ণ মুত্তাকী হৈ যোৱা। খোদা তা'লা প্লেগ সম্পৰ্কে যিবোৰ কথা কৈছে সেয়া তোমালোকে নিশ্চয় শুনিছা। সেয়া হ'ল এটা অভিশপ্ত অগ্নি। সেয়ে তোমালোকে নিজকে নিজে এই জুইকুৰাৰ পৰা বচাই ৰাখা। যিজনে সঁচাকৈয়ে মোৰ অনুসৰণ কৰে আৰু অন্তৰত কোনো ধৰণৰ কপটতা লুকাই নাৰাখে, অলসতা আৰু শিথিলতা নকৰে, নেকিৰ লগত পাপৰ সংমিশ্ৰণ নকৰে, তেওঁক ৰক্ষা কৰা হ'ব। কিন্তু যিজনে এই বাটত এলেহুৱা হৈ চলে আৰু তাকৱাৰ বাটত সম্পূৰ্ণ ভাৱে নচলে, অথবা সংসাৰৰ মোহত আৱদ্ধ, সি নিজকে নিজে এটা পৰীক্ষাত পেলায়। সকলো ফালেৰে তোমালোকে খোদা তা'লাৰ আনুগত্য বজায় ৰাখা। প্ৰত্যেক জন ব্যক্তি যিয়ে নিজকে নিজে বয়াত গ্ৰহণকাৰী সকলৰ অন্তৰ্ভুক্ত বুলি ভাৱে, তাৰ বাবে এতিয়া নিজৰ অৰ্থ সম্পদৰ জৰিয়তে এই ছিলছিলাৰ সেৱা কৰাৰ সময় আহিছে। যিজনে এক পইচা

দিয়াৰ ক্ষমতা ৰাখে, তেওঁ এই ছিলছিলাৰ ব্যয় নিৰ্বাহৰ কাৰণে মাহে মাহে এপইচাই প্ৰদান কৰি থাকক। আনহাতে যিজনে মাহিলি এটকাকৈ দিয়াৰ সক্ষমতা ৰাখে তেওঁ প্ৰতিমাহে এটকাকৈ দি থাকক, কাৰণ লঙ্গৰখানাৰ ওপৰিও ধৰ্মীয় কাম-কাজত বহু টকাৰ প্ৰয়োজন। শ শ অতিথি আহি থাকে, কিন্তু আজিও টকাৰ অভাৱত অতিথি সকলৰ বাবে উপযুক্ত থকা ঘৰৰ ব্যৱস্থা কৰিব পৰা হোৱা নাই। এনেকি খাট পালেং আদিৰও যোগাৰ নাই। মছজিদ আহল-বহল কৰাৰো প্ৰয়োজন পৰিছে। বিৰুদ্ধবাদী সকলৰ তুলনাত কিতাপ-পত্ৰ আদি প্ৰণয়ন আৰু প্ৰচাৰৰ ধাৰা অতি দুৰ্বল। খৃষ্টান সকলৰ ফালৰ পৰা য'ত পঞ্চাছ্ হাজাৰ পুস্তক-পুস্তিকা আৰু ধৰ্ম বিষয়ক পত্ৰ-পত্ৰিকা আৰু বিজ্ঞাপন আদি প্ৰকাশিত হয়, তেনে ক্ষেত্ৰত আমাৰ ফালৰ পৰা মাহিলি এক হাজাৰও যথাযথ ভাৱে প্ৰকাশ কৰা নহয়। এই সকলো বিলাক কামৰ বাবে প্ৰত্যেক জন বয়াত গ্ৰহণকাৰীয়ে নিজৰ নিজৰ সামৰ্থ অনুযায়ী সাহায্য আগবঢ়োৱা আৱশ্যক, যাতে খোদা তা'লাও সিহঁতক সহায় কৰে। যদি যথাৰীতি ভাৱে প্ৰতি মাহত তেওঁলোকৰ পৰা এই সাহায্য আহি থাকে, আৰু সেয়া সমান্য হলেও, সেই বিলাক সাহায্যতকৈ এয়া উত্তম, যিবিলাক সাহায্য মাজে মাজে নিজৰ ইচ্ছানুযায়ী প্ৰদান কৰা হৈ থাকে। প্ৰত্যেক ব্যক্তিৰ আন্তৰিকতাৰ পৰিচয় তাৰ খিদমতৰ পৰা পোৱা যায়।

হে মৰমৰ বন্ধু সকল ! এতিয়া ধৰ্মৰ বাবে আৰু ধৰ্মৰ উদ্দেশ্যে সেৱা আগবঢ়োৱাৰ সময়। এই সময় খিনিক সৌভাগ্য বুলি ধৰি লোৱা, কাৰণ এয়া দ্বিতীয়বাৰ কেতিয়াও হাতলৈ নাহে। জাকাত প্ৰদান কৰোঁতা সকলে ইয়াতেই নিজৰ জাকাত প্ৰদান কৰা উচিত। প্ৰত্যেক জনেই অযথা খৰচৰ পৰা নিজকে বচাই, ৰাহি ধন এই পথেৰে ব্যয় কৰিব। সকলো অৱস্থাতেই আন্তৰিকতা প্ৰদৰ্শন কৰিব যাতে অনুগ্ৰহ আৰু ৰূহুল কুদুছৰ পুৰস্কাৰ লাভ কৰিব পাৰে। কাৰণ এই পুৰস্কাৰ সেই বিলাক লোকৰ বাবে নিৰ্ধাৰিত যি

বিলাকে এই ছিলছিলাত অন্তৰ্ভুক্ত হৈছে। আমাৰ নবী (ছাঃ)ৰ প্ৰতি ৰূহুল কুদুছৰ যি জ্যোতিৰ বিকাশ ঘটিছিল সেয়া সকলো প্ৰকাৰৰ জ্যোতিৰ তুলনাত উত্তম। ৰূহুল কুদুছে কেতিয়াবা কেতিয়াবা কোনো কোনো নবীৰ ওচৰত পাৰ চৰাইৰ আকৃতিলৈ প্ৰকাশিত হৈছিল। কেতিয়াবা আকৌ কোনো নবীৰ ওচৰত গাইৰ আকৃতি ধাৰণ কৰি প্ৰকাশিত হৈছিল। আকৌ কোনো নবীৰ প্ৰতি কাছ অথবা মাছৰ আকৃতিলৈ প্ৰকাশিত হৈছিল। সেই সময়লৈকে মানৱী আকৃতি ধাৰণাৰ সময় হোৱা নাছিল যেতিয়ালৈকে পূৰ্ণ মানৱ, অৰ্থাৎ আঁ-হজৰত (ছাঃ)ৰ আৱিৰ্ভাব হোৱা নাছিল। যেতিয়া আঁ-হজৰত (ছাঃ)ৰ আগমন ঘটিল তেতিয়া এখেত (ছাঃ)য়ে পূৰ্ণ মানৱ হোৱা কাৰণে  ৰূহুল কুদুছও তেখেত (ছাঃ)ৰ প্ৰতি মানৱ আকৃতি অৱলম্বন কৰিয়ে প্ৰকাশিত হৈছে আৰু যিহেতু ৰূহুল কুদুছৰ বিকাশ শক্তি প্ৰবল আছিল, যিয়ে ভূ-পৃষ্ঠৰ পৰা আকাশ মাৰ্গলৈ পোহৰিত কৰিছিল, সেয়ে কোৰাণী শিক্ষা অংশীবাদিতা মুক্ত হৈ আছে। যিহেতু খৃষ্ট ধৰ্মৰ নেতাৰ ওপৰত ৰূহুল কুদুছ অতিকৈ দুৰ্বল আকৃতিত প্ৰকাশিত হৈছিল (অৰ্থাৎ পাৰ চৰাইৰ আকৃতি লৈ অৱতীৰ্ণ হৈছিল) এই কাৰণেই অপৱিত্ৰ ৰূহ অৰ্থাৎ চয়তান এই ধৰ্মৰ ওপৰত জয়যুক্ত হৈ গৈছে আৰু ইমানেই নিজৰ পৰাক্ৰমী শক্তি প্ৰদৰ্শন কৰিবলৈ লৈছে যে এটা বিৰাটাকায় অজগৰৰ দৰে আক্ৰমণ কৰিবলৈ উদ্যত হৈছে। এই কাৰণেই কোৰাণ চৰিফে খৃষ্ট ধৰ্মৰ বিপথগামিতাক জগতৰ সকলো বিপথগামিতাৰ তুলনাত প্ৰথম পৰ্যায়ৰ পথভ্ৰষ্টতা বুলি গণ্য কৰিছে। সেয়ে কৈছে যে আকাশ আৰু ভূমণ্ডল চূৰ্ণ-বিচূৰ্ণ হৈ টুকুৰা টুকুৰ হৈ যাব বিচাৰে কাৰণ পৃথিৱীত এটা মহাপাপ সংগঠিত কৰা হৈ আছে যে মানুহ এজনক খোদা আৰু খোদাৰ  পুত্ৰ বুলি সাব্যস্ত কৰা হৈ আছে। কোৰাণ চৰিফৰ প্ৰথম অংশতেই খৃষ্ট ধৰ্মৰ বাতিল আৰু তাৰ উল্লেখ আছে, যেনেকৈ আয়াত **ওৱা লাজ্জাল্লিন** আৰু **ইয়াকানাবুদু** ৰ দ্বাৰা স্পষ্ট বুজা যায়। কোৰাণৰ শেষ ভাগতও খৃষ্টান সকলৰ বিৰুদ্ধে

প্ৰতিবাদ কৰা হৈছে- যেনেকৈ আছে,

قُلْ هُوَ اللّٰهُ اَحَدٌ ۝٢ اَللّٰهُ الصَّمَدُ ۝٣
لَمْ يَلِدْ ۙ وَلَمْ يُوْلَدْ ۝٤ (112:2-4)

এই চুৰাৰ পৰা স্পষ্ট বুজা যায়। আনহাতে কোৰাণ কৰিমৰ মাজ ভাগত খৃষ্ট ধৰ্মৰ বিপদ সম্পৰ্কে উল্লেখ আছে যেনে,

تَكَادُ السَّمٰوٰتُ يَتَفَطَّرْنَ مِنْهُ (19:91)

আয়াতৰ পৰা স্পষ্ট বুজা যায়। কোৰাণ চৰিফৰ পৰা স্পষ্ট প্ৰকাশ হয় যে পৃথিৱীৰ সৃষ্টিৰ আদিৰে পৰা বৰ্তমানলৈকে সৃষ্টিৰ পূজা অৰ্চনা আৰু দাজ্জাল ৰ কৌশলৰ ওপৰত ইমান জোৰ কেতিয়াও দিয়া হোৱা নাই। এই কাৰণেই খৃষ্টান সকলক মোবাহিলাৰ বাবে আহ্বান কৰা হৈছিল আৰু তাত অইন কোনো মুশৰিক বা অংশীবাদী সম্প্ৰদায়ক আমন্ত্ৰণ কৰা হোৱা নাছিল। আনফালে এয়া যে ৰূহুল কুদুছ ইয়াৰ আগতে চৰাই আৰু জন্তুৰ আকৃতিলৈ প্ৰকাশিত হৈ থাকিছিল। তাত কি নো ৰহস্য আছিল যাৰ বুজাৰ শক্তি আছে, তেওঁ বুজি লওঁক। ইয়াতে মই ইমান খিনিয়ে কৈ দিছো যে এয়াই ইয়াতে ইঙ্গিত কৰা হৈ আছে যে আমাৰ নবী কৰিম (ছাঃ)ৰ মানৱতা ইমানেই পৰাক্ৰমী যে যিয়ে ৰূহুল কুদুছকও মানৱতাৰ প্ৰতি আকৃষ্ট কৰি লৈ অনা হৈছে। গতিকে তোমালোকে এনেকুৱা বুজুৰ্গ নবীৰ অনুসাৰী হৈ কিয় সাহস হেৰুৱাবলৈ লৈছা ? তোমালোকে সেই উচ্চ আদৰ্শ প্ৰদৰ্শন কৰা, যাৰ ফলত আকাশৰ ফিৰিস্তা সকলেও যেন তোমালোকৰ সততা আৰু পৱিত্ৰতা চাই বিস্ময়াভূত হৈ তোমালোকৰ প্ৰতি দৰূদ প্ৰেৰণ কৰে। তোমালোকে এক মৃত্যুক বৰণ কৰি লোৱা যাতে তোমালোকে জীৱন লাভ কৰিব পাৰা আৰু প্ৰবৃত্তিৰ উত্তেজনাৰ পৰা তোমালোকে নিজৰ অন্তৰ খালি (শূন্য) কৰি লোৱা, যাতে খোদা তা'লাই তাত অৱতৰণ কৰিব পাৰে। এফালে পূৰ্ণ বিচ্ছেদ সাধন কৰা আৰু আনফালে পূৰ্ণ সম্পৰ্ক গঢ়ি

লোৰা, খোদা তোমালোকক সহায় কৰক।
এতিয়া মই লিখনীৰ সমাপ্তি টানি আছো আৰু দোৱা কৰি আছো যাতে মোৰ এই শিক্ষা তোমালোকৰ বাবে কল্যাণকৰ হয় আৰু তোমালোকৰ মাজত যেন এনেকুৱা পৰিৱৰ্তন সৃষ্টি হয় যে তোমালোকে যেন তোমালোকৰ প্ৰভুৰ পৰা যি জ্যোতি লাভ কৰিছা তাৰ দ্বাৰা যেন জগত জ্যোতিৰ্ময় হয়। আমীন- ছুম্মা আমীন-

يَا عِبَادَاللّٰهِ اُذَكِّرُكُمْ اَيَّامَ اللّٰهِ وَاُذَكِّرُكُمْ تَقْوَى الْقُلُوْبِ اِنَّهٗ مَنْ يَّاْتِ رَبَّهٗ مُجْرِمًا فَاِنَّ لَهٗ جَهَنَّمَ لَا يَمُوْتُ فِيْهَا وَلَا يَحْيٰى فَلَا تُخْلِدُوْا اِلٰى زِيْنَةِ الدُّنْيَا وَ زُوْرِهَا وَاتَّقُوا اللّٰهَ، وَاسْتَعِيْنُوْا بِالصَّبْرِ وَالصَّلٰوةِ اِنَّ اللّٰهَ وَمَلٰٓئِكَتَهٗ يُصَلُّوْنَ عَلَى النَّبِيِّ يَآاَيُّهَا الَّذِيْنَ اٰمَنُوْا صَلُّوْا عَلَيْهِ وَسَلِّمُوْا تَسْلِيْمًا اَللّٰهُمَّ صَلِّ عَلٰى مُحَمَّدٍ وَّ عَلٰى اٰلِ مُحَمَّدٍ وَبَارِكْ وَسَلِّمْ

অৰ্থাৎ হে আল্লাহৰ বান্দা সকল ! মই তোমালোকক আল্লাহৰ এই দিনবিলাকলৈ মনত পেলাই দি আছো আৰু সৰ্বান্ত:কৰণে তাকৱা অৱলম্বন কৰিবলৈ উপদেশ দি আছো। মনত ৰাখিবা যিজন ব্যক্তি তাৰ প্ৰভু প্ৰতিপালকৰ ওচৰত অপৰাধী অৱস্থাত গৈ হাজিৰ হ'ব তাৰ ঠিকনা হ'ব জাহান্নাম; য'ত তেওঁ নে মৰিব, নে জীয়াই থাকিব। গতিকে তোমালোকে জাগতিক সৌন্দৰ্য্যতাৰ প্ৰতি চিৰকাল আকৰ্ষিত হৈ নাথাকিবা আৰু ইয়াৰ মূল্যহীন বস্তুৰ লোভত বিমোহিত হৈ নুফুৰিবা। তোমালোকে আল্লাহ তা'লাৰ তাকৱা (খোদা ভীতি) অৱলম্বন কৰা আৰু ধৈৰ্য্যৰ সৈতে নমাজৰ মাধ্যমত তাৰ ওচৰত সাহায্য প্ৰাৰ্থনা কৰা। নিশ্চয় আল্লাহ তা'লা তাৰ এই ৰছুলৰ ওপৰত ৰহমত নাযিল কৰে আৰু তাৰ ফিৰিস্তা সকলেও ৰহমত কামনা কৰে।
গতিকে হে মোমিনসকল ! তোমালোকেও তাৰ বাবে ৰহমত কামনা

কৰা। হে আল্লাহ ! তুমি অসীম ৰহমত নাযিল কৰা মহম্মদ (ছাঃ)ৰ ওপৰত আৰু মহম্মদ (ছাঃ)/ৰ উম্মতৰ ওপৰত আৰু নাযিল কৰা অফুৰন্ত বৰকত আৰু শান্তি।

## প্লেগ সম্পৰ্কে ভৱিষ্যদ্বাণী

(ফাৰ্চী কবিতা)

نشان اگرچہ نہ در اختیار کس بودست   مگر نشان بدہم از نشان زِ دا دارم
کہ آن سعید زِ طاعون نجات خواہد یافت   کہ جَست و جُست پناہے بچار دیوارم
مرا قسم بخداوند خویش و عظمت او   کہ ہست این ہمہ از وحی پاک گفتارم
چہ حاجت است بہ بحث دِگر ہمیں کافیست   برائے آنکہ سیہ شد دلش زِ انکارم
اگر دروغ برآید ہرآنچہ وعدۂ من   رواست گر ہمہ خیزند بہر پیکارم

অসমীয়া অনুবাদ ঃ যদিও কোনো নিদৰ্শন দেখুৱাটো কোনো মানৱৰ কাম নহয় তথাপি মই মোৰ আল্লাহ তা'লাৰ পৰা লাভ কৰা নিদৰ্শন সমূহৰ পৰা এটা নিদৰ্শন প্ৰদৰ্শন কৰিবলৈ লৈছো।

সেই ভাগ্যবান ব্যক্তিয়েই প্লেগ সংক্ৰমণৰ পৰা পৰিত্ৰাণ পাব, যিজনে মোৰ ঘৰৰ চাৰি সীমাৰ ভিতৰত আশ্ৰয় ল'বলৈ ধাবমান হ'ব আৰু ইয়াৰ অনুসন্ধান কৰিব। মই আল্লাহ তা'লাৰ ভালপোৱাৰ শপত লৈ কৈছো, মোৰ এই সকলোবোৰ কথা মোৰ খোদাৰ ওহী প্ৰদত্ত। বেলেগ কিবা বিতৰ্কৰ আৰু কি প্ৰয়োজন, এয়াই যথেষ্ট সেই ব্যক্তিৰ বাবে যিজনে অস্বীকাৰ কৰি নিজৰ হৃদয় কলুষিত কৰি পেলাইছে।

মই যি প্ৰতিশ্ৰুতি প্ৰদান কৰি আছো সেয়া যদি মিছা বুলি প্ৰমাণিত হয় তেন্তে সকলোৱেই মোৰ বিৰুদ্ধাচৰণ কৰাটো যুক্তি সঙ্গত হ'ব।

## ঘৰ প্ৰশস্ত কৰাৰ বাবে চান্দাৰ আবেদন

ভৱিষ্যতে দেশত প্লেগ মহামাৰীৰ প্ৰাদুৰ্ভাৱৰ খুবেই সম্ভাৱনা আছে, আৰু মোৰ ঘৰৰ এটা অংশত পুৰুষ আৰু এটা অংশত মহিলা অতিথি

সকলে বাস কৰি আছে, তাত থকা ঠাইৰ নাটনিয়ে দেখা দিছে। আপোনালোকে শুনিবলৈ পাইছে যে আল্লাহ তা'লা এই গৃহস্থানৰ চাৰি সীমাৰ ভিতৰত অৱস্থানকাৰী সকলৰ নিমিত্তে বিশেষ নিৰাপত্তা প্ৰদানৰ প্ৰতিশ্ৰুতি দিছে। যি ঘৰ-দুৱাৰ মৰহুম গোলাম হায়দৰৰ আছিল। য'ত আমাৰও অংশ আছে, এতিয়া আমাৰ অংশীদাৰে সেই ঘৰৰ অংশ আমাক দি পেলাই বাকী তেওঁলোকৰ অংশখিনিও কিবা মূল্যৰ বিনিময়ত আমাক হস্তান্তৰ কৰিবলৈ সন্মত হৈছে। এই ঘৰখন আমাৰ থকা ঘৰখনৰ ওচৰা-ওচৰি এটা অংশ হ'ব পাৰে। গতিকে মোৰ ধাৰণা হয় যে দুই হাজাৰ মান টকা হলে ঘৰখন নিৰ্মাণ কৰিব পৰা যাব। প্লেগ বিয়পি পৰাৰ সময় সন্নিকট বুলি অনুমান হয় আৰু এই গৃহ ঐশ্বৰিক সুসংবাদ অনুযায়ী এই প্লেগৰূপী বিধ্বংসী ধুমুহাৰ পৰা ৰক্ষা পাবৰ ডিঙা স্বৰূপ হ'ব। গতিকে এই কামটো অতি সোনকালে সম্পূৰ্ণ কৰা আৱশ্যক। সৃষ্টিকৰ্তা, অন্যদাতা, আৰু পুণ্য কৰ্ম দ্ৰষ্টা খোদা তা'লাৰ ওপৰত ভৰসা ৰাখি চেষ্টা কৰা উচিত। মই দেখিবলৈ পাই আছো যে মোৰ এই গৃহখন তৰী স্বৰূপ হ'ব, ঠিকেই কিন্তু ভৱিষ্যতলৈ এইখন তৰীত পুৰুষ আৰু মহিলা উভয়ৰে বাবে ঠাইৰ অভাৱ হ'ব। সেয়ে ইয়াক আহল-বহল কৰাৰ প্ৰয়োজন আছে।

**والسّلام علٰى من اتّبع الهدٰى**

**হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী**